# সূত্রধাৰ

১৬-৩০ নবেম্বৰ, ১৯৯১ □ ছয় টকা

# স্বাধীন অসম

## কিয় বিচাৰো বা কিয় নিবিচাৰো

OKDISCD

# সূত্রধাৰ

তৃতীয় বছৰৰ বিংশ সংখ্যা
১৬-৩০ নবেম্বৰ, ১৯৯১
Vol. III No. 20
16-30 November, 1991

বিষয়-সূচী

সম্পাদকৰ টোকাবহী ২২
কবিতা ৩৩
উপন্যাস ৫৯
একান্ত ব্যক্তিগত ৫৭
গল্প ৫৩
প্রাত্যহিক ৩৬
চিনেমা ৬৫

প্রচ্ছদ নিবন্ধ

## স্বাধীন অসম: কিয় বিচাৰো বা কিয় নিবিচাৰো ৫-২১

অসমৰ স্বাধীনতাৰ প্রসংগটোৱে ইতিমধ্যে বিভিন্ন মহলত আলোচনাৰ বিশেষ স্থান অধিকাৰ কৰিছে। স্বাধীনতাৰ সপক্ষে আৰু বিপক্ষে দুয়ো পক্ষই সবল যুক্তি প্রদর্শন কৰিব বিচাৰে। তাৰেই ভিত্তিত স্বাধীন অসম কিয় বিচাৰো বা কিয় নিবিচাৰো শীর্ষক এলানি-প্রবন্ধ আগবঢ়াইছে অসমৰ কেইবাজনো বুদ্ধিজীৱী আৰু চিন্তাশীল ব্যক্তিয়ে।

স্বাধীন অসমৰ প্রশ্নটো উঠিল কিয় □ উদয়াদিত্য ভৰালী ৫
অসমীয়াক স্বাধীনতা কিয় লাগে? কেনেকৈ লাগে? □ মুকুল মহন্ত ১০
ভাৰতৰ ঐক্য আৰু সংহতিৰ সপক্ষে দু-আষাৰ □ অচিন্ত্য ভট্টাচার্য ১৩
স্বাধীন অসমৰ দাবী মই কিয় সমর্থন নকৰো □ লিলি মজিন্দাৰ বৰুৱা ১১
মই স্বাধীন অসম বিচাৰো □ মৃণাল কুমাৰ শইকীয়া ১৬
স্বাধীন অসমৰ ধাৰণা পৰাধীনতাৰ শৃংখল □ অৰূপ জ্যোতি চৌধুৰী ১৭
স্বাধীন অসম দাবী অসমীয়া জনসাধাৰণৰ ন্যায্য দাবী □ বিশ্ববিদ্যালয়ৰ কেইজনমান ছাত্র ১৯
স্বাধীন অসমৰ দাবী কিয় সমর্থন নকৰো □ দীপ্তি শইকীয়া ২০

ৰাজনৈতিক প্রতিবেদন

## আল্ফা আৰু সৈন্য বাহিনী ২৪

অসমৰ সাধাৰণ মানুহখিনিৰ ওপৰত সৈন্য বাহিনীৰ অত্যাচাৰ কোনোবাই বিচাৰেনে? আন কোনেও নিবিচাৰিলেও, বিচাৰে আল্ফাই – একমাত্র ৰাজনৈতিক কৌশলৰ স্বাৰ্থত। আৰু তাৰেই বলি কিদৰে অসমৰ ৰাইজ হ'ব ধৰিছে সেই সম্পৰ্কে দুলাল বৰাৰ এক তথ্যপূর্ণ দলিল 'সৈন্য বাহিনী আৰু আল্ফা'।

প্রতিবেদন

## যোৱা এশ বিশ দিনে চৰকাৰে কি কৰিছে?

যোৱা এশ বিশ দিনে কং (ই) চৰকাৰে কেৱল কথাৰ ফুলজাৰিয়েই মাৰিলে নে অসমৰ উন্নতিৰ হকে কিবা কাম কৰিলে তাৰ সবিশেষ জানিবৰ বাবে কেইজনমান মন্ত্ৰীৰ লগ ধৰি এক সাক্ষাৎ ভিত্তিক প্রতিবেদন আগবঢ়াইছে সবিতা লহকৰে। ২৯

বিশেষ নিবন্ধ

## হিন্দুত্ব আৰু ভাৰতীয় জাতীয়তাবাদ

হিন্দুত্বৰ ধাৰণা, হিন্দু শব্দটো, হিন্দু মহাসভা আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, সংখ্যাগুৰুৰ জাতীয়তাবাদ আৰু হিন্দুত্বৰ ধাৰণাটোৰ প্রভাৱ সম্পৰ্কে এক তত্ত্বগধুৰ নিবন্ধ আগবঢ়াইছে ড° মছউদুল হকে। ৩৭

ৰাজধানী সংবাদ
সচিবালয় প্রশাসনত এতিয়াও বিষয়াৰ চিকাৰ খেল □ হৰেন বুঢ়াগোহাঞি ২৬
ৰাজনীতি
আল্ফা, প্রত্যক্ষ আলোচনা আৰু হংকং যাত্রা □ হিতেন মহন্ত ৪১
সংবাদ প্রবাহ
কং (ই) বিসম্বাদী আৰু অগপ-ৰ গোপন বৈঠক □ ত্রিনয়ন ৪০
দৃষ্টিকোণ
মাৰ্ক্স আৰু গান্ধীৰ 'ভণ্ডামি' আৰু 'প্রৱঞ্চনা' মৌলবাদী সকলৰ ভূমিকা এক মুকলি চিন্তা □ অৰূপা বৰুৱা ৪৩
দৃষ্টিকোণ
নিৰ্বাচনৰ লেছেৰি-বোটলা □ ঘনকান্ত লস্কৰ ৪৬
আল্ফা সমস্যা সমাধানৰ বাবে কিছু মুকলি চিন্তা □ দেবানন্দ বৰা ৪৮
মতামত
আল্ফা, স্বাধীন অসম আৰু সংবাদ পত্ৰৰ ভূমিকা □ ৰাজীৱ বৰমুদৈ ৫৫
আল্ফা এক বিক্ষিপ্ত ধুমুহা □ বিকিৰণ বৰুৱা ৫৬
শিক্ষা
অসমৰ শিক্ষা ব্যৱস্থাৰ বর্তমান আৰু ভৱিষ্যৎ □ ড° পবিত্র কুমাৰ শৰ্মা ৫০

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালৱিকা পাঠক
মুখ্য প্রতিবেদক
হৰেন বুঢ়াগোহাঞি
কলা নির্দেশক
চম্পক বৰবৰা
কার্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰ্বী প্রকাশন প্রাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্রেছ এণ্ড পাব্লিকেশ্যনচ প্রাঃ লিঃ-ত মুদ্রিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্রকাশিত: □ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

Bombay:-
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491

## বিশেষ দ্রষ্টব্য

অসমত বিদেশী খেদা আন্দোলন আৰম্ভ হোৱাৰ ঠিক আগে আগে হোমেন বৰগোহাঞিয়ে অধুনা-লুপ্ত 'নাগৰিকত' 'বহিৰাগতৰ সমস্যা' নাম দি এলানি প্রবন্ধ লিখিছিল (জুলাই-চেপ্টেম্বৰ ১৯৭৮) আৰু ১৯৭৯ চনৰ নবেম্বৰ মাহত সেই প্রবন্ধমালা পুস্তিকা আকাৰে প্রকাশ হৈছিল। কলিকতাৰ এটি প্রতিষ্ঠানে সেই পুস্তিকাৰ ইংৰাজী অনুবাদ কৰি সমগ্র ভাৰততে প্রচাৰ কৰিছিল। উক্ত প্রবন্ধমালাত হোমেন বৰগোহাঞিয়ে অসমৰ কাৰণে কাশ্মীৰৰ নিচিনা বিশেষ সাংবিধানিক ৰক্ষা-কবচ দাবী কৰিছিল। তেন্তেঁই বোধহয় প্রথম অসমীয়া – যিজনে এনে দাবী উত্থাপন কৰিছিল। এই প্রবন্ধমালাৰ প্রাসংগিকতা এতিয়াও আছে বুলি অনুভব কৰি কেইবাজনো বিজ্ঞলোকে সেইবোৰৰ পুনর্মুদ্রনৰ কাৰণে পৰামর্শ দিছে। অহা সংখ্যা সূত্রধাৰৰ পৰা প্রবন্ধমালা ধাৰাবাহিকভাবে প্রকাশ পাব।

*সম্পাদক, সূত্রধাৰ*

## স্বাধীন অসম প্ৰসংগ

# স্বাধীন অসমৰ প্ৰশ্নটো উঠিল কিয়?

উদয়াদিত্য ভৰালী

স্বাধীন অসম বিচাৰো নে নিবিচাৰো সেইটো মূল কথা নহয়, মূল কথা হ'ল স্বাধীন অসমৰ প্ৰশ্নটো উঠিছে কিয় সেইটোহে মুক্ত ভাবে আলোচনা কৰা। আৰু যিবোৰ কাৰণে তাক বিচৰা হৈছে সেইবোৰ যদি ন্যায্য তেন্তে সেইখিনি কেনেকৈ পূৰণ কৰা যায় সেই বিষয়ে বস্তুনিষ্ঠ ভাবে আলোচনা কৰি সেইবোৰ পূৰণৰ বাবে সম্পূৰ্ণ সদিচ্ছাশীল প্ৰচেষ্টা হাতত লোৱা।

এই সমস্যাবোৰ সমাধান কৰিবলৈ যাওঁতে, সদিচ্ছাশীল প্ৰচেষ্টা হাত্ত লোৱাৰ পিছত যদি দেখা যায় যে অসম স্বাধীন হব লাগে বুলি যিবোৰ কাৰণত দাবী তোলা হৈছে সেইবোৰ ভাৰতৰ ভিতৰতে থাকিও পূৰণ কৰিব পাৰি তেন্তে স্বাধীন হোৱাৰ প্ৰশ্ন নুঠে। কাৰণ স্বাধীনতা এটা বিমূৰ্ত ধাৰণা নহয়। ই এটা বাস্তৱ পৰিস্থিতিহে, যি পৰিস্থিতিত ৰাইজৰ সমস্যাবোৰ সমাধান কৰাত অধিক সূচল ওলায়। ই ঔষধহে, বেমাৰ নহয়। ৰাইজৰ অপূৰণীয় ন্যায্য আশা আকাংক্ষাৰ সমস্যাৰাজিহে বেমাৰ। আৰু যিটো ঔষধ খালে বেমাৰ ভাল হয় সেইটো ঔষধেই খাব লাগিব। সমস্যাৰাজিৰ প্ৰকৃত সমাধানৰ বাবে প্ৰয়োজনীয় পৰিস্থিতি যদি ভাৰতৰ ভিতৰতে থাকি পাব পাৰি তেন্তে স্বাধীনতা বিচৰাৰ প্ৰশ্নটো উঠাৰ পৰিস্থিতিয়েই থাকিব নোৱাৰে। কাৰণ কিবা এটা বিচৰাৰ বাবেই বিচাৰিব নোৱাৰি, বিচৰাৰ ভিত্তি আছে নে নাই সেইটোহে মূল কথা।

> স্বাধীন অসমৰ দাবী তোলা শিবিৰে দিয়া বিবৃতি সমূহত "স্বাধীন সমাজতান্ত্ৰিক সমৃদ্ধিশালী অসম" গঢ়াৰ ঘোষণা কৰা হৈছে। ইয়াৰে "স্বাধীন" আৰু "সমাজতান্ত্ৰিক" গুণ দুটাৰ বিষয়ে কিছু মহলত আপত্তি থাকিলেও "সমৃদ্ধিশালী অসম" গঢ়াত কাৰো আপত্তি থাকিব নোৱাৰে। কিন্তু সমাজ পৰিৱৰ্তনৰ এটা জটিল প্ৰক্ৰিয়াক বাস্তৱায়িত কৰিবৰ বাবে এনে এটা ঘোষণাই যথেষ্ট নহয়। ৰাইজৰ বিবেচনাৰ বাবে, প্ৰয়োজন এখন ৰাজনৈতিক ইস্তাহাৰৰ।

আনহাতেদি এই সমস্যাবোৰ সমাধান কৰিবলৈ সদিচ্ছাশীল প্ৰচেষ্টা লোৱাৰ পিছত যদি দেখা যায় যে অসম স্বাধীন নহ'লে ৰাইজৰ সমস্যাৰাজিৰ সমাধান কৰা সম্ভৱ নহয়, ন্যায্যখিনি পাবলৈ অসম স্বাধীন হবই লাগিব তেন্তে স্বাধীনতাকেই বিচাৰিব লাগিব। কাৰণ ৰাষ্ট্ৰ এখনৰ সৃষ্টি হয়, অন্ততঃ হোৱা উচিত ৰাইজৰ সমস্যাৰাজিৰ সমাধানৰ বাবেহে। ভাৰত লাগে কাৰণেই ভাৰতক ভাঙিব লাগিব বুলি যেনেকৈ কোনো কথা থাকিব নোৱাৰে, অসম মৰিও ভাৰত বাচি থাকিব লাগিব বুলিও কোনো কথা থাকিব নোৱাৰে। আমি এটা কথা পাহৰা উচিত নহয় যে, ৰাষ্ট্ৰৰ সৃষ্টি প্ৰকৃতিয়ে কৰা নাই, মানুহেহে কৰিছে। আৰু কৰিছে মানুহৰ সুবিধাৰ বাবেহে। সেয়েহে আজি এখন দেশ আছে বুলিয়েই কালিলৈয়ো সেইখন দেশেই থাকিব তেনে কোনো কথা নাই। কালিলৈ সেইখন কেইবাখনো দেশ হবগৈয়ো পাৰে। অথবা আজিৰ কেইবাখনো দেশ কালিলৈ লগ খাবও পাৰে। সকলো নিৰ্ভৰ কৰে দেশৰ ৰাইজৰ সমস্যাবোৰৰ সমাধানৰ বাবে সুবিধাজনক পৰিস্থিতি সৃষ্টি কৰাৰ ওপৰত. ইতিহাসেই তাৰ প্ৰমাণ। দূৰলৈ নগৈ সাম্প্ৰতিক ইউৰোপলৈ চালেই হ'ল। দুখন জাৰ্মানী লগ খাইছে। আনপিনে ছোভিয়েতৰ বহু কেইখন অংগ ৰাজ্যই স্বাধীনতা ঘোষণা কৰিছে. সেইবোৰ ৰাজ্যই পিছলৈ নিজ নিজ সুবিধাৰ বাবেই আকৌ পুনৰ গোট খাবও পাৰে।

সেয়েহে প্ৰশ্নটো "স্বাধীনতা"ৰ নে সমস্যা সমাধানৰ? মই ভাবো প্ৰশ্নটো





OKD ISCD

সমস্যা সমাধানৰহে। আৰু লগতে ভাবো সমস্যাৰাজিৰ সমাধান কৰিবলৈ লোৱা সদিচ্ছাপূৰ্ণ প্ৰচেষ্টাৰ সফলতা আৰু বিফলতাৰ বস্তুনিষ্ঠ সাৰ সংকলনেহে থিৰাং কৰিব– অসমৰ ৰাইজৰ মৌলিক সমস্যাবোৰ প্ৰকৃতাৰ্থত সমাধান কৰিবলৈ হ'লে তাক ভাৰতৰ ভিতৰতে থাকি সমাধান কৰিব পৰা যাব, নে তাৰ বাবে অসম স্বাধীন হব লাগিব– এই প্ৰশ্নৰ মীমাংসা।

ইয়াক নক'লেও চলে যে এনে পৰিস্থিতি উদ্ভৱ হোৱাৰ কালত লব লগীয়াত পৰিব পৰা এই সিদ্ধান্ত অতি বৃহৎ সংখ্যাগৰিষ্ঠ ৰাইজে সম্পূৰ্ণ সচেতন ভাবে নিজ সুস্থিৰ বিচাৰেৰে লোৱা সিদ্ধান্ত হব লাগিব। এই মতামত যে কোনো পক্ষৰ পৰাই কোনো ধৰণৰ অবাঞ্চিত হেঁচা কাৰো ওপৰত নহাকৈ সম্পূৰ্ণ মুক্ত পৰিবেশত লব পৰাৰ পৰিস্থিতি থাকিব লাগিব তাকো নক'লেও চলে। এই সিদ্ধান্ত ইমানেই গুৰুত্বপূৰ্ণ সিদ্ধান্ত যে কোনো পক্ষই নিজ মতামতক আনৰ ওপৰত জাপি দিয়াৰ অধিকাৰ নাই। বিপুল সংখ্যাগৰিষ্ঠৰ মুক্ত সিদ্ধান্ত হব নিৰ্ণায়ক সিদ্ধান্ত। সম্পূৰ্ণ সত্য, নিৰপেক্ষ আৰু আবেগবৰ্জিত তথ্যৰ ভিত্তিত স্থাপন কৰা নিজ বস্তুনিষ্ঠ যুক্তি মুক্ত ভাবে আৰু শালীন পদ্ধতিৰে প্ৰচাৰ কৰাৰ অধিকাৰ সকলোৰে আছে। ইয়াক গ্ৰহণ কৰিবলৈ ৰাইজৰ কাৰো ওপৰত কোনো ধৰণৰ অবাঞ্চিত হেঁচা প্ৰয়োগৰ অধিকাৰ কাৰো নাই। সেই হেঁচা প্ৰতিষ্ঠিত ৰাষ্ট্ৰয়ো দিব নোৱাৰে অথবা আন সংগঠন তথা ব্যক্তিয়েও দিব নোৱাৰে। সকলো শিবিৰে নিজ নিজ যুক্তিক মুক্ত তথা শালীন পদ্ধতিৰে প্ৰচাৰ কৰিলে ৰাইজ মুক্ত পৰিবেশত সচেতন হৈ উঠিব আৰু উত্তম পন্থা কি তাক ৰাইজে নিজ সচেতন উপলব্ধিৰে বাছি লব। কোনো শিবিৰে অসত্য অথবা অৰ্ধসত্য তথ্যক অস্ত্ৰ হিচাপে লৈ ৰাইজৰ কোনো অংশৰ মাজত তোলা কোনো আবেগিক সুৰসুৰণি এনে বলিষ্ঠ তথা সুস্থ গণ সচেতনতাৰ বিকল্প হব নোৱাৰে। তেনে সুৰসুৰণিৰ কোনো ইতিবাচক ভূমিকা আৰু স্থায়িত্ব নাই। আনহাতেদি ৰাইজে সচেতন ভাবে সুস্থিৰ চিন্তাৰে বাছি লোৱা পথৰ পৰা ৰাইজক আঁতৰ কৰাৰ উপায়ো নাই।

এনে সুস্থ পৰিস্থিতিৰ সৃষ্টি কৰিবলৈ যাওঁতে কোনো সাংবিধানিক বাধা নিষেধ অহাৰ কথাও উঠিব নোৱাৰে। ৰাইজৰ বাবেহে সংবিধান। সংবিধানৰ বাবে ৰাইজ নহয়। সংবিধান ৰাইজৰহে সৃষ্টি। সংবিধানে ৰাইজৰ সৃষ্টি কৰা নাই। আনহাতেদি এনে কোনো বিষয় নাই যাৰ বিষয়ে আলোচনা কৰিব নোৱাৰি। লাগে আলোচনা কৰিব লগা বিষয়টো কোনো পক্ষই যিমানেই অযুক্তিকৰ বুলি নাভাবক কিয়? কাৰণ যুক্তি আৰু অযুক্তি নিজেই আলোচনাৰহে সৃষ্টি। যিটো প্ৰকৃততে অযুক্তিকৰ তাক মুক্ত আলোচনাই অধিক অযুক্তিকৰ বুলিহে প্ৰমাণ কৰে। আৰু যিটো যুক্তিপূৰ্ণ তাক আজি বল প্ৰয়োগেৰে ঢাকি ৰাখিব খুজিলেও কালিলৈ সি অধিক সবলতাৰে নিজকে প্ৰতিষ্ঠাহে কৰিব। সেয়েহে এটা বিষয় কিমান যুক্তিপূৰ্ণ অথবা অযুক্তিকৰ তাক আলোচনাৰেহে নিৰ্ণয় কৰিব পাৰি। গণস্বাৰ্থক প্ৰতিনিধিত্ব কৰো বুলি দাবী কৰা সকলো পাৰ্টি, সংগঠন আৰু ব্যক্তিয়ে গণস্বাৰ্থৰ খাতিৰত কৰিব লগা সকলো ধৰণৰ আলোচনাৰ বাবে সকলো পৰিস্থিতিতে দ্বিধাহীন ভাবে সাজু থাকিব লাগিব। তাত ব্যক্তিগত অথবা সংগঠনগত অথবা পাৰ্টিগত মান, সন্মান, ভেম, অহংকাৰ, ক্ষুদ্ৰ স্বাৰ্থ আদিৰ বাধা নিষেধ আহিব নোৱাৰে। কাৰণ সকলো পাৰ্টি, সংগঠন আৰু ব্যক্তিতকৈ গণ স্বাৰ্থৰ গুৰুত্ব সদায় অধিক। এনে বিশেষ পৰিস্থিতিৰ উদ্ভৱ হ'লে যেনেকৈ অবাবতে ভাৰতক ভাঙিব লাগিব তেনে চৰ্ত থাকিব নোৱাৰে, ঠিক তেনেদৰে অসম মৰিও ভাৰতক জীয়াই ৰাখিব লাগিব তেনে চৰ্তও থাকিব নোৱাৰে। একমাত্ৰ চৰ্ত হ'ল অসমৰ ৰাইজৰ মৌলিক সমস্যাবোৰৰ প্ৰকৃত সমাধান কেনেকৈ কৰা যায় সেইটোহে। সেইটো বস্তুনিষ্ঠ ভাবে কৰিবলৈ যাওঁতে যদি দেখা যায় যে ভাৰতৰ ভিতৰত থাকিও তাক কৰিব পাৰি তেন্তে অসম স্বাধীন হোৱাৰ প্ৰশ্ন নুঠে। আৰু যদি দেখা যায় যে তাক কৰিবলৈ হ'লে স্বাধীন নহ'লেই নহয় তেন্তে অসম স্বাধীনেই হব লাগিব।

এইখিনিতে এটা কথা স্পষ্ট ভাবে কোৱা ভাল। আজি যি সকলে স্বাধীন অসমৰ দাবী তুলিছে আৰু তাৰ বাবে আনকি সশস্ত্ৰ উপায় অৱলম্বন কৰিবলৈকো কুণ্ঠাবোধ কৰা নাই তেখেত সকলে বিতং ৰাজনৈতিক ইস্তাহাৰ বা খচৰা দলিল আমি সকলোৱে জানিব পৰাকৈ ৰাজহুৱা ভাবে প্ৰচাৰ কৰা (আনকি যেতিয়া সংগঠনটোক নিষিদ্ধ ঘোষণা কৰা হোৱা নাছিল তেতিয়াও) আমাৰ চকুত পৰা নাই। কিন্তু সমাজ পৰিবৰ্তনৰ এটা আন্দোলনৰ মূল হ'ল কৰ্মসূচীখন। অৰ্থাৎ সমাজখনক ক'ৰ পৰা কেনেকৈ পৰিবৰ্তন কৰিব খোজা হৈছে তাৰ ৰূপ-ৰেখাখিনি। ইতিহাসলৈ চালে দেখা যায়, যে কোনো সমাজ পৰিবৰ্তনৰ আন্দোলনত গ্ৰহণ কৰা আনকি সশস্ত্ৰ কৰ্ম পদ্ধতিও নিৰ্দিষ্ট কৰ্মসূচীক বাস্তৱায়িত কৰিবলৈ এৰাব নোৱৰা পৰিস্থিতিত হাতত লোৱা কৰ্ম পদ্ধতিহে। কৰ্মপদ্ধতিৰ ভূমিকা সহায়কাৰীহে, কৰ্মসূচীহে মূল লক্ষ্য। আনহাতেদি কোনো ৰাজনৈতিক সংগঠনৰ পৰিস্থিতিয়ে বাধ্য কৰাৰ বাবে সাংগঠনিক দিশ গোপন হব লগীয়া হব পাৰে, কিন্তু তাৰ কৰ্মসূচী ৰাজহুৱা হবই লাগিব। পিছে স্বাধীন অসমৰ প্ৰশ্নটোত কৰ্মসূচীৰ প্ৰচাৰ আৰু সেই কৰ্মসূচীৰ ওপৰত হোৱা বিতৰ্কই গুৰুত্ব পোৱাৰ সলনি কৰ্ম পদ্ধতিৰ প্ৰচাৰ আৰু তাৰ সমালোচনাইহে গুৰুত্ব পোৱা পৰিলক্ষিত হৈছে।

স্বাধীন অসমৰ দাবী তোলা শিবিৰে দিয়া বিবৃতি সমূহত "স্বাধীন সমাজতান্ত্ৰিক সমৃদ্ধিশালী অসম" গঢ়াৰ ঘোষণা কৰা হৈছে। ইয়াৰে "স্বাধীন" আৰু "সমাজতান্ত্ৰিক" গুণ দুটাৰ বিষয়ে কিছু মহলত আপত্তি থাকিলেও "সমৃদ্ধিশালী অসম" গঢ়াত কাৰো আপত্তি থাকিব নোৱাৰে। কিন্তু সমাজ পৰিবৰ্তনৰ এটা জটিল প্ৰক্ৰিয়াক বাস্তৱায়িত কৰিবৰ বাবে এনে এটা ঘোষণাই যথেষ্ট নহয়। ৰাইজৰ বিবেচনাৰ বাবে প্ৰয়োজন এখন ৰাজনৈতিক ইস্তাহাৰৰ। আজিৰ অসমৰ সমাজ ব্যৱস্থাৰ বাস্তৱ বিশ্লেষণ আৰু চৰিত্ৰ, সমাজখনৰ প্ৰধান দ্বন্দ্বসমূহ, এই দ্বন্দ্বত কাৰ কি ভূমিকা, এই দ্বন্দ্বসমূহৰ প্ৰতিটোৰে বাস্তৱ সমাধানৰ নিৰ্দিষ্ট কাৰ্যসূচী, পৰিবৰ্তিত সমাজখনৰ উপাদানৰ সম্পৰ্কবোৰৰ ৰূপ, আন্তৰ্জাতিক পৰিস্থিতিৰ বিশ্লেষণ, আগত দিনৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, বৈদেশিক আৰু গৃহপৰিক্ৰমাৰ ৰূপৰেখা, জাতীয় প্ৰশ্ন সমূহৰ সমাধানৰ বিতং কাৰ্যসূচীৰ ৰূপৰেখা আদি সকলো বিষয়কে সাঙুৰি লৈহে এখন পূৰ্ণ ৰাজনৈতিক ইস্তাহাৰ তৈয়াৰ হয়। তেতিয়াহে ইয়াৰ সমৰ্থনত অথবা বিৰোধিতা কৰি কৰা বিতৰ্কৰ স্থল ওলায়। তেতিয়াহে আদৰ্শগত ভাবে এই কাৰ্যসূচীক সমৰ্থন দিয়া বা নিদিয়াৰ প্ৰশ্ন উঠে। তেতিয়াহে প্ৰকৃতাৰ্থত স্বাধীন অসম বিচৰাৰ বা নিবিচৰাৰ প্ৰশ্ন উঠে। তেনে এটা গণ প্ৰক্ৰিয়া ইতিমধ্যে আদৰ্শগত ভাবে আৰম্ভ হৈছে বুলি 'সূত্ৰধাৰে' ভাবে নেকি? নে সেই প্ৰক্ৰিয়া যথেষ্ট আবেগিক স্তৰতেই এতিয়াও আছে? যদি তেনে গণ প্ৰক্ৰিয়া আৰম্ভ হোৱাই নাই তেন্তে তাৰ বিষয়ে 'সূত্ৰধাৰে' মতামত বিচাৰিলে বস্তুনিষ্ঠ মতামত দিব পাৰি জানো? অৱশ্যে বিষয়ীগত মতামতৰ কথা সুকীয়া। হওঁতে ইও সঁচা যে বিক্ষোভ গভীৰ হ'লে আদৰ্শই গঢ় লবলৈ বেছি পৰ নালাগে। তথাপিও আজিৰ স্তৰত এই বিষয়টোৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা কাৰণটোৰ বাবে বস্তুনিষ্ঠ বিতৰ্কৰ ক্ষেত্ৰ এতিয়াও যথেষ্ট সংকুচিত হৈ আছে। সেয়েহে বিষয়টোলৈ দাবী উত্থাপনকাৰীৰ লগত মুক্ত আলোচনাৰ গুৰুত্ব অধিক হৈছে। কাৰণ তেতিয়াহে ৰাইজে আবেগ বাদ দি নিজ সচেতন বিচাৰ যুক্তিৰে গোটেই বিষয়টো চালি জাৰি চোৱাৰ সুবিধা পাব। তেতিয়াহে আবেগিক পৰিস্থিতিৰ শাম কাটিব। আবেগ সদায়েই যুক্তিপূৰ্ণ পৰিস্থিতি গঢ় দিয়াৰ পৰিপন্থী। যদিও মানুহৰ জীৱনত আবেগৰ মূল্য যথেষ্ট গধুৰ। আৰু সেয়েহে ন্যায্য ক্ষোভৰ হেঁচাত কোনোবাই আবেগপ্ৰবণ হৈয়ো যদি উগ্ৰপন্থা গ্ৰহণ কৰে তাৰ সমাধানো বিবেচিত যুক্তিৰ ভিত্তিত হোৱা আলোচনাৰেহে কৰিব পাৰি।

সন্ত্ৰাসৰ প্ৰশ্নটোতো ক'ব লাগিব যে ৰাষ্ট্ৰসন্ত্ৰাস আৰু ব্যক্তি সন্ত্ৰাস ইয়াৰ কোনোটোৱেই সমৰ্থনযোগ্য নহয়। ব্যক্তি সন্ত্ৰাসেৰে সফল বিপ্লৱ হোৱাৰ নজীৰ যেনেকৈ ইতিহাসত নাই, ৰাষ্ট্ৰ সন্ত্ৰাসেৰেও জনগণৰ ন্যায্য ক্ষোভৰ নিৰাময় কৰাৰ উদাহৰণো ইতিহাসত নাই। ৰাষ্ট্ৰ সন্ত্ৰাসে ৰাষ্ট্ৰযন্ত্ৰক ফেচিবাদী চৰিত্ৰ লবলৈ বাধ্য কৰে। আনহাতেদি ব্যক্তি সন্ত্ৰাস আৰু বিপ্লৱী সশস্ত্ৰ তৎপৰতাকো ইতিহাসে ইতিমধ্যে পৃথক কৰিছে। এই ক্ষেত্ৰত একালৰ জাৰৰ ৰাছিয়াত দেখা দিয়া নিহিলিজিম আৰু বলচেভিজিমক সেই পৃথকীকৰণ স্পষ্ট ভাবে বুজিবলৈ এটা সহজ উদাহৰণ হিচাপে লব পাৰি। প্ৰথমটোৰ ভিত্তি আছিল আবেগপ্ৰবণ তথা নিষ্ফল নৈৰাজ্যবাদী হঠকাৰিতা আৰু দ্বিতীয়টোৰ ভিত্তি আছিল সফল বিজ্ঞানসন্মত সমাজ পৰিবৰ্তনৰ চিন্তা। আজিৰ পৰিস্থিতিত ইতিহাসৰ এই অধ্যায়ৰ অধ্যয়ন অতি প্ৰাসংগিক। লগতে প্ৰাসংগিক আবেগপ্ৰবণ ব্যক্তি সন্ত্ৰাস সমস্যাক যুক্তিপূৰ্ণ আলোচনাৰ মাধ্যমেৰে সমাধান কৰাৰ প্ৰচেষ্টা। তাক কৰিবলৈ যাওঁতে এটা কথা পাহৰা উচিত নহয় যে উগ্ৰপন্থা গ্ৰহণকাৰীৰ আদৰ্শ তথা কৰ্ম পদ্ধতি সম্পৰ্কে তীব্ৰ মত পাৰ্থক্য থাকিলেও তেখেতসকলৰ সদিচ্ছাশীল অংশৰ আদৰ্শনিষ্ঠাক অসন্মান কৰাৰ প্ৰশ্ন উঠিব নোৱাৰে। আদৰ্শ তথা কৰ্ম পদ্ধতিৰ প্ৰতি সমৰ্থন আৰু আদৰ্শনিষ্ঠাৰ প্ৰতি প্ৰদৰ্শন কৰা সন্মান একে কথা নহয়। লেনিন আৰু গান্ধীৰ আদৰ্শনিষ্ঠাক অসন্মান কোনেও কৰিব নোৱাৰে। কিন্তু এজনে এখেতসকলৰ যিকোনো এজনৰহে আদৰ্শ তথা কৰ্ম পদ্ধতিক সমৰ্থন জনাব লগাত পৰে। ইয়াৰ অৰ্থ এইটো নহয় যে সকলো বিধৰ আদৰ্শনিষ্ঠাকে সন্মান জনাব পাৰি। হিটলাৰ, মুচলিনি আদিও আদৰ্শনিষ্ঠাই আছিল। সুস্থ সামাজিক প্ৰগতিৰ স্বাৰ্থতেই সেই আদৰ্শনিষ্ঠাই শ্ৰদ্ধা আদায় কৰিব নোৱাৰে। কিন্তু তেনে আদৰ্শনিষ্ঠাও যে বৰ্জনীয় তাকো আলোচনাৰেহে সাব্যস্ত কৰিব পাৰি। এই বাস্তৱতাক স্বীকাৰ কৰি লৈয়ো আলোচনা হোৱাত বাধা আছে জানো? কাৰণ মত পাৰ্থক্য যদি নাথাকেই তেন্তে আলোচনাৰ স্থল ক'ত? এটা চৰ্ত অৱশ্যেই থাকিব লাগিব, ই হ'ল– আলোচনাৰ প্ৰতি আন্তৰিক সদিচ্ছা দুয়োটা পক্ষই প্ৰদৰ্শন কৰিব লাগিব। এই ক্ষেত্ৰত যি পক্ষই যি অজুহাততেই মূৰ পোলোকা নামাৰক কিয় ৰাইজে আজি নহ'লেও কালি বুজিবই। সেয়েহে আলোচনাৰ প্ৰশ্নটো আজি অতি প্ৰাসংগিক হৈ পৰিছে।

অসম কিয় স্বাধীন হব লাগে অথবা নালাগে সেই বিষয়ে দুয়োটা পক্ষই নিজ নিজ দৃষ্টিকোণৰ পৰা ইতিহাসক সাক্ষী কৰিব খোজে। কিন্তু ইতিহাসৰ কোনো পক্ষ থাকিব নোৱাৰে। ই অতীতৰ বাস্তৱ ঘটনাৱলীৰ নিৰপেক্ষ দাপোণহে। ইয়াৰ অধ্যয়নেৰে আজিৰ বাস্তৱতাৰ ঐতিহাসিক শিপাবোৰ কি তাক বুজিব পাৰি আৰু যাৰ দ্বাৰা আজিৰ বাস্তৱতাক অধিক স্পষ্ট তথা বস্তুনিষ্ঠ ভাবে হৃদয়ংগম কৰিব পাৰি। কিন্তু প্ৰকৃত ইতিহাসে কোনো পক্ষৰ হৈ পক্ষপাতদুষ্ট ভাবে ওকালতি কৰিব নোৱাৰে।

আজি এচামে কয় অসম ১৮২৬ চনৰ আগেয়ে কোনোদিনেই ৰাজনৈতিক ভাবে ভাৰতৰ অংগ নাছিল। আকৌ আন এচামে কয় অসম অন্ততঃ সাংস্কৃতিক ভাবে সদায়েই ভাৰতৰ অংগ আছিল। দুয়োপক্ষই নিজ দাবীৰ সমৰ্থনত ইতিহাসক সাক্ষী কৰে। আৰু কৰে সঁচা ঘটনাৰ যোগেৰেই। ফলত সাধাৰণ অসচেতন জনৰ বাবে এটা নিৰুপায় অৱস্থাৰ সৃষ্টি হৈছে! কিন্তু ইতিহাসক এনেদৰে উকিল কৰিলে আজিৰ সমস্যাৰ ওৰ নপৰে।

এনে দৃষ্টিকোণেৰে বিতৰ্কৰ মীমাংসা কিয় নহয় তাক কিছু উদাহৰণেৰে চাব পাৰি। ধৰি লোৱা হওক ১৮২৬ চনৰ আগেয়ে অসম ৰাজনৈতিক ভাবে ভাৰতৰ ভিতৰত নাছিল। তেতিয়াই প্ৰশ্ন উঠে– "ৰাজনৈতিক ভাৰত"ৰ সৃষ্টি অষ্টাদশ শতিকালৈ প্ৰকৃতাৰ্থত হৈছিল নে? মৌৰ্য্য সাম্ৰাজ্য, গুপ্ত সাম্ৰাজ্য, মোগল সাম্ৰাজ্য আদিক "ৰাজনৈতিক ভাৰত" প্ৰকৃতাৰ্থত বুলিব পাৰি জানো? য'ত "ৰাজনৈতিক ভাৰতে"ই নাছিল তাত "ৰাজনৈতিক ভাৰত"ত থকা নথকাৰ প্ৰশ্নটো উঠে কেনেকৈ? অথবা পাল বংশ, খেন বংশ আদিৰ ৰাজত্বকালত অথবা কোঁচ ৰাজাৰ দিন ছোৱাত আজিৰ নামনি অসম আজিৰ বংগৰ একাংশৰ লগত লগ খাই আছিল নে নাই? বংগৰ সেই অঞ্চল "ৰাজনৈতিক ভাৰত"ত পৰিব নে নপৰে? অথবা ভাস্কৰবৰ্মণৰ ৰাজ্য আজিৰ বংগৰ একাংশক সামৰিছিল নে নাই? "ৰাজনৈতিক ভাৰত" বুলিলে কৰ্ণসুবৰ্ণ পৰিবনে নপৰে? ভাস্কৰবৰ্মনৰ ৰাজ্যৰ অন্তৰ্গত কৰ্ণসুবৰ্ণ বৰ্তমানে মুৰ্চিদাবাদৰ কাষতহে দেখোন! বিপৰীত দিশৰ পৰা

OKDISC

চাবলৈ গ'লে– অসম তেতিয়া ভাৰতৰ ভিতৰত থাকিবলৈ "ৰাজনৈতিক অসম"ৰ সৃষ্টি কেতিয়াৰে পৰা হৈছিল? শংকৰদেৱৰ আগলৈকে "অচম" শব্দটোৰ লিখিত ব্যৱহাৰ পোৱা গৈছেনে? "অচমে"য়েও "ৰাজনৈতিক অসম"ক বুজাইছিল নে আহোম ৰাজ্যক বুজাইছিল? য'ত "ৰাজনৈতিক অসমে"ই নাছিল তাত সি "ৰাজনৈতিক ভাৰত"ৰ অংগ হোৱা বা নোহোৱাৰ প্ৰশ্ন উঠে কেনেকৈ? ইত্যাদি, ইত্যাদি, ইত্যাদি। এনেবোৰ তথ্যৰে অসম ১৮২৬ চনলৈ কাহানিও ৰাজনৈতিক ভাবে ভাৰতৰ অংগ নাছিল এই দাবীক আক্ৰমণ কৰিব পাৰি। লগতে ক'ব পাৰি ভাৰতৰ অংগ হবলৈ ভাৰতীয় বৃটিছ সাম্ৰাজ্যৰ অংগ হবই লাগিব বুলি কিবা চৰ্ত আছে নেকি? যদি আছে তেন্তে ফৰাচী সাম্ৰাজ্যৰ তলত থকা পণ্ডেচেৰী অথবা পৰ্তুগীজ সাম্ৰাজ্যৰ তলত থকা গোৱাৰ ক্ষেত্ৰত চৰ্তটো কি হব?

কিন্তু এইবোৰে জানো প্ৰমাণ কৰে অসম সদায়েই ভাৰতৰ অংগ আছিল? অথবা এইটো সঁচা নহয় নেকি যে যি ইয়াণ্ডাবু সন্ধিৰে অসম বৃটিছ ভাৰতৰ ভিতৰত সোমাইছিল সেই সন্ধি বৃটিছ আৰু ব্ৰহ্মদেশৰ ৰজাৰ মাজতহে হৈছিল? অসম সদায়েই বৃহৎ ভাৰতীয় সাংস্কৃতিক বেষ্টনীৰ মাজত আছিল– এই দাবী যি শিবিৰে কৰে সেই শিবিৰক যদি প্ৰশ্ন কৰা হয়– সেই বৃহৎ ভাৰতীয় সংস্কৃতিৰ প্ৰভাৱ অসমৰ জনজাতীয় অঞ্চলত কিমান আছিল? অথবা পূব আৰু উত্তৰ দিশৰ পৰা অহা মংগোলীয় সংস্কৃতিৰ প্ৰভাৱ কম আছিল নেকি? ইত্যাদি, ইত্যাদি, ইত্যাদি। লগতে যদি প্ৰশ্ন কৰে– সেই বৃহৎ ভাৰতীয় সাংস্কৃতিক জীৱনৰ অংশীদাৰ হ'লেই ভাৰতৰ অংগ হৈ থাকিবই লাগিব বুলি কিবা কথা আছে নেকি? যদি আছে তেন্তে বৰ্তমানৰ পাকিস্তান, বাংলাদেশ আৰু নেপালৰ সৃষ্টি হ'ল কেনেকৈ?

এনেদৰে দুয়োপক্ষই ইতিহাসক সাক্ষী কৰি সীমাহীন বাক্‌বিতণ্ডা চলাই যাব পাৰে। যাৰ কোনো মীমাংসা নাই। তেনে সাক্ষ্যৰ আজিৰ সমস্যা সমাধানত নিৰ্ণায়ক ভূমিকাও যথেষ্ট গৌণ। অৱশ্যে সহায়ক ভূমিকা নিশ্চয় আছে। কিন্তু ইতিহাসক সদায় চাব লাগিব তাৰ বিশেষ ঐতিহাসিক পৃষ্ঠভূমিতহে। ৰাজনৈতিক অৰ্থত অসম ভাৰতৰ অংগ আছিল নে নাই তাক "ৰাজনৈতিক ভাৰত" অথবা "ৰাজনৈতিক অসম' সৃষ্টি হোৱাৰ আগৰ যুগৰ পৃষ্ঠভূমিত বিবেচনা কৰিবলৈ যোৱাটো অবান্তৰ। আনহাতেদি বৰ্তমানৰ অসমৰ বৰ্তমানৰ ভাৰতৰ লগত একালত যি সাংস্কৃতিক সম্পৰ্ক আছিল তাক সেই যুগৰ পৃষ্ঠভূমিত মানি নোলোৱাতো অথবা থকাতকৈয়ো অধিক হিচাপে দেখুৱাব খোজাতো অনৈতিহাসিক। কিন্তু বৰ্তমানক বেছি ভালকৈ বুজিবলৈহে ইতিহাস অধ্যয়নৰ প্ৰয়োজন। বৰ্তমান নিজেই ইতিহাস নহয়। বৰ্তমান ভৱিষ্যতৰ বাবেহে ইতিহাস। ইতিহাসক বাদ দি যেনেকৈ বৰ্তমানক বুজা নাযায় আৰু ভৱিষ্যত সম্পৰ্কে সম্যক ধাৰণা লব নোৱাৰি, ঠিক তেনেকৈ ইতিহাসক খামোচ মাৰি ধৰি থাকিও বৰ্তমানক গঢ়িব নোৱাৰি আৰু ভৱিষ্যতলৈকো আগবাঢ়ি যাব নোৱাৰি। সেয়েহে আজিৰ সমস্যাৱলীৰ ঐতিহাসিক শিপাবোৰ বুজিবলৈ ইতিহাসক তাৰ পূৰ্ণতাৰে অধ্যয়ন কৰাৰ সলনি তাৰ পৰা টুকুৰা তথ্য নিজ সুবিধাৰ বাবে টুকি আনি নিজ নিজ দাবী তুলিলে আজিৰ সমস্যাৱলীৰ একো সমাধান নোলায়।

সেয়েহে তাক নকৰি সমস্যাৱলী সমাধানতহে গুৰুত্ব দিব লাগে আৰু সমস্যাৱলীক বুজিবৰ বাবে ইতিহাসক পূৰ্ণাংগ ৰূপত আবেগ বৰ্জিত আৰু নিৰপেক্ষ ভাবে অধ্যয়ন কৰিব লাগে। আজি কিছু মহলে যি যুক্তিয়েই নিদিয়ক ই সঁচা যে আজিৰ অসমবাসীৰ মাজত বঞ্চনাৰ যথেষ্ট ক্ষোভ আছে। আৰু ই ঐতিহাসিক ভাবেই পুঞ্জীভূত হৈছে। এই বঞ্চনাৰ পৰা মুক্তি পোৱাৰ উপায়– "স্বাধীন অসম" হয় নে নহয়, বাস্তৱত "স্বাধীন অসম" গঢ়াতো সম্ভৱ হয় নে নহয়, "স্বাধীন অসম" হ'লেও ইয়াৰ বিভিন্ন জনগোষ্ঠীবোৰৰ মাজৰ দ্বন্দ্ববোৰৰ কেনেকৈ সমাধান কৰা হব, "স্বাধীন অসমে" ভাৰতৰ লগত অতি ওচৰ তথা বন্ধুত্বপূৰ্ণ সম্পৰ্ক বচাই নৰখাকৈ তিষ্ঠি থকা সম্ভৱ হব নে নহয়, "স্বাধীন অসম" অসমৰ বৰ্তমানৰ সকলোবোৰ জনগোষ্ঠীৰ দাবী কেতিয়াবা হব পাৰিবগৈ নে নোৱাৰে, ভাৰতৰ আন অংশৰ নিপীড়িত ৰাইজৰ সক্ৰিয় সমৰ্থন নাপালে অসম "স্বাধীন" হব পাৰিবনে, অসমে "স্বাধীনতা" ভাৰতৰ পৰা কাঢ়ি লৈ ওলাই আহি ভাৰতত কৈ বহু বেছি পৰাক্ৰমী আন বিশ্ব শক্তিৰ নৃশংস কৰ্তৃত্বৰ কবলত পৰাৰ আশংকা আজিৰ সাম্ৰাজ্যবাদী যুগত আছে নে নাই, ক্ষুদ্ৰ "স্বাধীন অসম"ক আন নালাগে বাংলাদেশৰ দৰে দেশেও খবৰদাৰী কৰিব পাৰিব নে নোৱাৰে, "স্বাধীন অসম"ৰ প্ৰশ্নত অৰুণাচল, মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ভূটানৰ অৱস্থান আচলতে কেনে প্ৰকৃতিৰ হব, গণতন্ত্ৰকেই স্বীকৃতি নিদিয়া বৰ্তমানৰ ব্ৰহ্মদেশৰ আৰু গঢ়িব খোজা "স্বাধীন অসম"ৰ পাৰস্পৰিক সম্পৰ্ক কি হব– ইত্যাদি প্ৰশ্নবোৰ আন কথা। অৱশ্যেই অতি গুৰুত্বপূৰ্ণ কথা। কিন্তু সেইবোৰ পুংখানুপুংখ ৰূপে বিবেচনা কৰাৰ পৰিস্থিতি আহিব তেতিয়াহে যেতিয়া অসমৰ সমস্যাৰাজিৰ পুংখানুপুংখ বিশ্লেষণ আলোচনাৰ মাধ্যমেৰে হব আৰু সমস্যাৰাজিৰ সমাধানৰ বাবে প্ৰতিটো পক্ষই সদিচ্ছাশীল প্ৰচেষ্টা হাতত লব। সেই প্ৰচেষ্টাৰ দ্বাৰাহে প্ৰমাণিত হব– অসমৰ মৌলিক সমস্যাৰাজিৰ বাস্তৱ সমাধান ভাৰতৰ ভিতৰত থাকি কৰিবলৈ সূচল হব আৰু কৰিব পৰা যাব, নে তাৰ বাবে অসম স্বাধীন হবই লাগিব। অসম স্বাধীন হবই লাগিব– এনে পৰিস্থিতি গণ প্ৰক্ৰিয়াৰে আহিলেহে ওপৰত উল্লেখ কৰা প্ৰশ্নসমূহ গভীৰ বিবেচনাৰ বিষয় হব।

আজি অসমৰ সমস্যাৰাজি থোৰতে ক'বলৈ গ'লে কি?

আজি অসমত বসবাস কৰা প্ৰতিটো জাতিসত্তা আৰু জনগোষ্ঠীয়ে নিজ জাতীয় আত্ম-সন্মানত চেকা নপৰাকৈ আৰু সেই জাতীয় সন্মানক অধিক সন্মানীয় ৰূপ দিব পৰাকৈ জীয়াই থাকিব খোজে। আৰু সেয়েহে সেই পৰিস্থিতিৰ সৃষ্টি তেওঁলোকে দাবী কৰে।

অসমৰ ৰাইজৰ গৰিষ্ঠ সংখ্যকেই হ'ল খেতিয়ক ৰাইজ। আমূল ভূমি সংস্কাৰ অবিহনে সেই খেতিয়ক ৰাইজৰ সমস্যাৰ ওৰ কেতিয়াও নপৰে। সেয়েহে আমূল ভূমি সংস্কাৰ তেওঁলোকে দাবী কৰে। লগতে দাবী কৰে খেতি পদ্ধতিক উন্নত কৰিবৰ বাবে প্ৰয়োজনীয় পৰিকাঠামোৰ।



শিল্পায়নৰ ক্ষেত্ৰত অসমৰ অৱস্থা পুতৌ লগা। যদিও বিভিন্ন শিল্পোদ্যোগ গঢ়ি তোলাৰ বাবে যথেষ্ট স্থানীয় সা সুবিধা অঞ্চলটোত আছে। সেয়েহে অসমৰ ৰাইজে দাবী কৰে দ্ৰুত শিল্পায়ন আৰু সেই উন্নত শিল্পায়নৰ বাবে প্ৰয়োজনীয় উন্নত পৰিকাঠামো। লগতে দাবী কৰে এই শিল্পায়ন স্থানীয় শিল্পোদ্যোগী সকলৰ জৰিয়তে হব লাগে, যাতে দেশী বিদেশী বহিৰাগত বৃহৎ পুঁজিপতি আৰু মুনাফাখোৰৰ মুনাফা লুটৰ থলি হোৱাৰ পৰা অসমক ৰক্ষা কৰিব পাৰি। আৰু তাৰ দ্বাৰা জাতীয় পুঁজি গঠনৰ প্ৰক্ৰিয়াক প্ৰাণময় কৰি অসমৰ পুঁজি অসমতে ৰাখি অসমৰ সমৃদ্ধিৰ বাবে খটুৱাব পাৰি। অসমৰ শ্ৰমিকে দাবী কৰে নিৰ্দয় শোষণৰ পৰা মুক্তি।

আজিৰ অসমৰ যুৱ সমাজৰ মাজত দেখা দিয়া ভীষণ অস্থিৰতা আৰু হতাশাগ্ৰস্ততাৰ প্ৰধান কাৰণেই হ'ল ভয়ানক নিবনুৱা সমস্যা। তেওঁলোক নিজ ভৱিষ্যত সম্পৰ্কে অতি শংকিত হৈ পৰিছে, নিজ প্ৰতিভাক বিকাশৰ বাবে কোনো সুনিশ্চিত সম্ভাৱনা তেওঁলোকৰ বাবে ৰুদ্ধ যেন অনুভৱ কৰিছে। ফলত তেওঁলোকে প্ৰতিষ্ঠিত মূল্যবোধ আৰু সমাজ ব্যৱস্থাৰ প্ৰতি আস্থা হেৰুওৱাৰ উপক্ৰম হৈছে। আনহাতেদি সকলো স্তৰৰ দুৰ্নীতি, জীৱন যাপনৰ বাবে ন্যূনতম প্ৰয়োজনখিনিৰ ক্ৰমাগত ভাবে বাঢ়ি অহা নাটনি, সামাজিক নিৰাপত্তাৰ অভাৱ, অভাৱনীয় মূল্যবৃদ্ধি, প্ৰতিষ্ঠিত ৰাজনৈতিত দস্যুবৃত্তিৰ পয়োভৰ আদিৰ হেঁচাত মধ্যবিত্ত আৰু সাধাৰণ ৰাইজৰ মনতো এফালেদি প্ৰতিষ্ঠিত ব্যৱস্থাটোৰ প্ৰতি ক্ৰমান্বয়ে এটা বিৰাগ ভাব বাঢ়িব ধৰিছে আৰু ইয়াৰ কিবা এটা আমূল পৰিবৰ্তন তেওঁলোকে লাহে লাহে বিচাৰিব ধৰিছে। অৱশ্যে সুনিৰ্দিষ্ট পথৰ সন্ধান এতিয়াও নোপোৱা বাবে মনবোৰ অৰাজকতাৰ পিনে পিছলিবলৈ আৰম্ভ কৰিছে।

এইটোও সঁচা এনে অৱস্থা কম বেছি পৰিমাণে আজি ভাৰতৰ সকলো অঞ্চলতেই আছে আৰু আছে ক্ৰমাগত ভাবে বাঢ়ি অহা বিক্ষোভ। কিন্তু বিচ্ছিন্নতাবাদী চিন্তাই মূৰ দাঙি উঠিছে সেইবোৰ সীমামূৰীয়া অঞ্চলত য'ত প্ৰতিষ্ঠিত ৰাষ্ট্ৰ ব্যৱস্থাই যিমান মনোযোগেৰে উন্নতিৰ কামবোৰ কৰিব লাগিছিল তাক কৰা নাই। তাক কৰা নাই মূলতঃ বৰ্তমানৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ অতিকেন্দ্ৰিক চৰিত্ৰৰ বাবে। অতি-কেন্দ্ৰিকতাই আজিৰ ভাৰতৰ ৰাষ্ট্ৰীয় সংহতিৰ প্ৰধান অন্তৰায় হৈ পৰিছে। ভাৰত যে বহু অঞ্চলৰহে সমষ্টি আৰু সকলো অঞ্চলৰ উন্নতিৰ সমূহীয়া ৰূপটোহে যে প্ৰকৃত ভাৰতৰ উন্নতি তাক এই অতিকেন্দ্ৰিক চৰিত্ৰই নাকচ কৰিছে। ফলত যিবোৰ অঞ্চল এই বৈষম্যৰ বলি হৈছে তাতেই কেন্দ্ৰ বিৰোধী মনোভাবে লাহে লাহে গঢ় লব ধৰিছে। অসমৰ দৰে অঞ্চলত যিহেতু ৰাইজে চকুৰ সমুখতেই দেখিছে যে ইয়াৰ বহুমূলীয়া সম্পদৰাজিক অঞ্চলটোৰ উন্নতিৰ বাবে যিটো পদ্ধতিৰে ব্যৱহাৰ কৰিব লাগিছিল তাক কৰা হোৱা নাই আৰু এই সম্পদৰাজিৰ লুণ্ঠন চলিছে মূলতঃ বহিৰাগত দেশী বিদেশী এমুঠি পুঁজিপতি আৰু মুনাফাখোৰৰ স্বাৰ্থত, যি চামৰ অঞ্চলটোৰ কল্যাণৰ প্ৰতি বিশেষ দায়বদ্ধতা একোৱেই নাই– সেয়েহে ৰাইজৰ মনত এই সমগ্ৰ ব্যৱস্থাটোৰ প্ৰতি এটা বিৰাগ ভাব তীব্ৰ হবলৈ ধৰিছে আৰু এই ব্যৱস্থাৰ এটা পৰিবৰ্তন তেওঁলোকে দাবী কৰিবলৈ আৰম্ভ কৰিছে। এই দাবী অৱশ্যেই বিচ্ছিন্নতাবাদী নহয়, কিন্তু প্ৰতিষ্ঠিত নেতৃত্বই এই ন্যায্য দাবীবোৰৰ প্ৰতি প্ৰয়োজনীয় কাণসাৰ যিমানেই নিদিব সিমানেই হতাশাগ্ৰস্ত ৰাইজৰ মাজৰ বিচ্ছিন্নতাৰ চিন্তাই গঢ় লোৱাৰ থল ওলাব।

সেয়েহে আমি ভাবো এতিয়াও অসমৰ সাধাৰণ ৰাইজৰ বাবে "স্বাধীন অসম বিচাৰো নে নিবিচাৰো" সেইটো প্ৰধান প্ৰশ্ন নহয়। প্ৰধান প্ৰশ্ন হ'ল আজিৰ সমস্যাৰাজিৰ সমাধান ঘটাই এখন সমৃদ্ধিশালী অসম গঢ়াটোহে। এই ক্ষেত্ৰত ৰাইজে নিপীড়ন বঞ্চনাৰ চেপাত থাকিব লগা হোৱা বৰ্তমানৰ ভাৰতত থাকিবলৈ যেনেকৈ ইচ্ছা নকৰিব, ঠিক তেনেদৰে পাকিস্তানৰ পৰা ওলাই আহিও লাওলোৱাই হৈ থকা আজিৰ বাংলাদেশৰ দৰে শোষণ বঞ্চনাৰে জৰ্জৰিত আৰু বিশ্ব সাম্ৰাজ্যবাদী শক্তিৰ দ্বাৰা নিষ্ঠুৰ ভাবে লুণ্ঠিত এখন "স্বাধীন অসম"ৰো বাসিন্দা হবলৈ ইচ্ছা নকৰিব। ৰাইজে বিচাৰিছে ৰাইজৰ সমস্যাৰাজিৰ সমাধান। বিচাৰিছে সমৃদ্ধিশালী অসম। বিচাৰিছে জাতীয় আত্মসন্মানৰ সুৰক্ষা। তাক যদি ভাৰতৰ ভিতৰতে পায় তাকো ৰাইজে সাদৰেৰে গ্ৰহণ কৰিব আৰু তাক পাবলৈ যদি অসম স্বাধীন নহ'লেই নহয় তেন্তে ৰাইজে তাকে এটা সময়ত বিচাৰিবগৈ।

সেয়েহে এতিয়া আলাপ আলোচনাৰে সমস্যাৰাজিক বুজাৰহে সময়। সমস্যা-ৰাজিক সমাধান কৰিবলৈ কামত ধৰাৰহে সময়। এতিয়া সময় সমস্যাৰাজিক সমাধান কৰিবলৈ বিজ্ঞানসন্মত কাৰ্যসূচী তথা কৰ্ম পদ্ধতি কি হব তাক সুধী সমাজে সুস্থিৰ তথা বিজ্ঞানসন্মত চিন্তাধাৰাৰে থিৰাং কৰি সেইবোৰৰ বিষয়ে জনগণক শালীন পদ্ধতিৰে সচেতন কৰা আৰু সচেতন জনগণক সঠিক কৰ্মপদ্ধতিৰে সংগঠিত কৰি কাৰ্যসূচীক বাস্তৱায়িত কৰিবৰ বাবে আগবঢ়াই নিয়া। এই সুস্থ প্ৰক্ৰিয়াই গঢ় ল'লেই অসমৰ বৃহৎ সংখ্যাগৰিষ্ঠ ৰাইজে সচেতন আন্তৰিকতাৰে স্বাধীন অসম বিচাৰে নে নিবিচাৰে সেই প্ৰশ্নটোৰ উত্তৰ ওলাব। আৰু এই সুস্থ প্ৰক্ৰিয়া যিহেতু বৰ্তমানৰ "ভাৰত"তেই থকা অসমত গঢ় লব লাগিব সেয়েহে "ভাৰত"ৰ সপক্ষে থকা অংশই সদিচ্ছাশীল প্ৰচেষ্টাৰে অসমৰ ৰাইজক বঞ্চনামুক্ত কৰিবলৈ অনিবাৰ্য কাৰণতেই প্ৰথম সুযোগবোৰ পোৱাৰ সুবিধা অধিক। এই সুযোগ সেই অংশই গ্ৰহণ কৰে নে নকৰে সেইটো নিৰ্ভৰ কৰিছে তেওঁলোকৰ নিজ সদিচ্ছাৰ ওপৰত। আৰু যদি সুবিধা থাকিও তেওঁলোকে গ্ৰহণ নকৰে আৰু ৰাইজক বঞ্চনাৰ চেপাত জীয়াতু ভুগিবলৈ এৰি দি সেই অংশই নিজ ক্ষুদ্ৰ স্বাৰ্থক লৈয়েই ব্যস্ত হৈ থাকে, তেন্তে ৰাইজে অদূৰ ভৱিষ্যতে বিকল্পৰ চিন্তা নকৰি কৰিব কি?

★ ★ ★

---

উদয়াদিত্য ভৰালীঃ কটন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক। অসমৰ এজন বিশিষ্ট বুদ্ধিজীৱী।

## স্বাধীন অসমঃ কিয় বিচাৰো

# অসমীয়াক স্বাধীনতা কিয় লাগে? কেনেকৈ লাগে?

মুকুল মহন্ত

অসমৰ স্বাধীনতা প্ৰসংগটো অনাৰ আগেয়ে সাম্প্ৰতিক অসমৰ এখন বাতৰি কাকত (যিকোনো এখন বাতৰি কাকতেই হব পাৰে)-ৰ এটা দিনৰ বাতৰি বা অন্যান্য প্ৰসংগৰ সমাহাৰেৰে সাম্প্ৰতিক অসমৰ বা বৰ্তমানে আমি এই পৰ্যন্ত যিখন দেশৰ সতে সাঙুৰ খাই আছো তাৰে এখন চিত্ৰ দাঙি ধৰিব বিচাৰিছো।

### প্ৰসংগঃ আজিৰ কথা

৩০ অক্টোবৰৰ দৈনিক চেন্টিনেল কাকতখন মেলি চাই দেখিলো এহেজাৰ ভাৰতীয় সৈন্যই বেঢ়ি ধৰি মেঘ ফুকন আৰু অনিৰ্বান হাজৰিকাক হত্যা কৰিলে। একচন ফ'ৰ্চৰ কামান্ডাৰ কোনোবা ডাঙৰ মানুহৰ ল'ৰা কৰ্ণেল চেৰগিল–এ সাংবাদিকক ক'লে– 'মই অনিৰ্বানক আত্মহত্যা কৰিবলৈ বাধা দিছিলো।' পিছে সাংবাদিকে মৃত দেহটোৰ বাওঁফালে গুলি আৰু ঠেঙত গুলিৰ আঘাত দেখিছে।

মোৰ ২২ বছৰীয়া ল'ৰা এটাৰ মৃত্যু হৈছিল কিছু বছৰৰ আগেয়ে। এনেকৈ নহয়। তাৰ মৃত্যু হৈছিল গুৱাহাটী মেডিকেল কলেজত। এই দুটাক মাৰিলে পথাৰৰ মাজত। এই বেদনাবোৰে সকলো অসমীয়াকে বহু দিনলৈ দহি থাকিব। মাৰ্বলৰ ফলকৰ প্ৰয়োজন নাই। আমাৰ সকলোৰে মগজুৰ কোষে কোষে ই ৰৈ যাব। দুই কোটি অসমীয়াৰ। সিহঁত আমাৰ কাৰণেহে বলি হ'ল। কিছুদিনৰ আগৰ কথা। মেঘক পণবন্দীৰ বিনিময়ত মুক্তি দিছিল। চি আৰ পি কেম্পৰ পৰা ওলাই আহি সি থিয় হব নোৱাৰিছিল। কিন্তু সি যি দুই এষাৰ কৈছিল তাত এটা কথা পৰিষ্কাৰ আছিল– 'মই অসমৰ স্বাধীনতাৰ প্ৰশ্নটোত কেতিয়াও আপোচ নকৰো।" সি কথা ৰাখিলে।

অসমীয়াক কি লাগে? কিহৰ কাৰণে আমাৰ সেনানীয়ে যুঁজিছে, মৰিছে? অসমীয়াক লাগে সন্মানেৰে বাচি থকাৰ এটা উপায়। নিজৰ মাটি, জলবায়ুৰ ওপৰত সাৰ্বভৌমত্ব। আমি ওচৰ চুবুৰীয়া যাৰেই সৈতে বন্ধুত্ব নকৰো লাগিলে সেয়া হব আমাৰ কথা। পৃথিৱীৰ বৃহৎ শক্তিৰ সতে বন্ধুত্ব গঢ়ি তুলি লাভ নাই।

পণবন্দীবোৰ কিয় লৈছিল? তিনি হেজাৰ মুক্তি যুঁজাৰুক কাৰাগাৰৰ পৰা উলিয়াই আনিবলৈ সামান্য দায়িত্ব পালন। ইংৰাজেও ইমান সংখ্যক ভাৰতীয়ক একেলগে কাৰাগাৰত ভৰাই নাৰাখিছিল। সভ্য দেশত দেশৰ কোনো অংশ পৃথক হব খুজিলে গুলিয়াই নামাৰে। ছোভিয়েত ৰাছিয়াত তিনিখন বাল্টিক ৰাষ্ট্ৰ মুক্তি পাবলৈ যাওঁতে মাত্ৰ তিনিজনক ভুলক্ৰমে মাৰিলে। এতিয়া সেই তিনিখন মুক্ত বাল্টিক ৰাষ্ট্ৰয়েও ছোভিয়েত ৰাছিয়াৰ সংযুক্ত অলিম্পিক দলতেই খেলিব আৰু সকলো মুক্ত ৰাষ্ট্ৰৰ সতে অৰ্থনৈতিক সহযোগিতা ৰাখিব।

### নৈতিক দৰিদ্ৰতা

১। কাকতখনৰ একে পৃষ্ঠাতে সৰুকৈ ইউ এন আয়ে দিয়া আৰু এটা খবৰঃ প্ৰধান মন্ত্ৰীয়ে হেনো ক'লে– "ৰাজ্যবোৰলৈ অধিক ক্ষমতা দিয়াৰ কথাটোৱে ইতিমধ্যে সকলো চিন্তাশীল মহলক ব্যস্ত কৰিছে ................।" সিমানেই।

২। সেই কাকতখনৰে ৬ পৃষ্ঠাত এটা টোকা, Budget and Economy। কৈছে দিল্লীৰ মুঠ External Debt ১৯৯১ চনৰ ৩১ মাৰ্চত আছিল ১২০,০০০ কোটি টকা। Internal Debt-ৰ অৱস্থা আৰু শোচনীয়। বৈদেশিক বিনিময় মুদ্ৰা আছে মাত্ৰ ১৫ দিনৰ আমদানিৰ জোখাৰে।

**চকুৰ পচাৰতে বাজেটখনঃ**

| | |
|---|---|
| ধৰনৰ সুদ দিবলৈ বাকী | ২৭৪৫০ কোটি টকা |
| পুলিচ | ১৭৫৮ কোটি টকা (কাক পিটিবলৈ) |
| প্ৰতিৰক্ষা | ১৬৩৫০ কোটি টকা (কাৰ পৰা বাচিবলৈ?) |
| ৰপ্তানি কৰিবলৈ প্ৰমোচনৰ খৰছ | .১২২৪ কোটি টকা |
| খাদ্যৰ বাবে (সাহায্য) | ২৬০০ কোটি টকা (গৰীবৰ পেট কিছু শান্ত কৰিবলৈ) |
| সাৰৰ বাবে | .৪০০০ কোটি টকা |
| অন্যান্য | ২৪৮৩৯ কোটি টকা |
| মুঠ | ৮১৬৫৭ কোটি টকা |

৩। একে পৃষ্ঠাতে আৰু এটা খবৰ ৰাষ্ট্ৰ সংঘৰ পৰা। ভাৰতৰ প্ৰতিনিধিয়ে কৈছে যে আমেৰিকা আৰু ৰাছিয়াই সমৰ খৰছ হ্ৰাস কৰাত তেওঁলোকৰ যি ৰাহি হৈছে সেইখিনি দুখীয়া দেশবোৰৰ (ভাৰতৰ দৰে) গৰীৱ দেশবোৰৰ মানৱ অধিকাৰৰ সম্পূৰ্ণ উপভোগৰ বাবে খৰছ কৰা উচিত।" (তাৰ মানে ........ আমাক আৰু অলপ ভিক্ষা দিবনে?" আমি মানৱ অধিকাৰ সকলোকে দিওঁ; যেনে- অসম, মণিপুৰ ..........)

৪। সেই একেখন কাকতৰে সম্পাদকীয় প্ৰবন্ধটোৰ বিষয়টো আছিল– দিল্লীৰ নতুনতম সিদ্ধান্ত এয়েই যে বিদেশত থকা ভাৰতীয়ই (অন্য যি দেশৰেই নাগৰিক নহওক লাগিলে) ইচ্ছা অনুযায়ী ভাৰতলৈ আহি উদ্যোগ গঢ়ি তুলিব পাৰে। তাৰ বাবে সকলো সুবিধা চৰকাৰে দিব। সম্পাদকে শেষত কৈছে যে, এই সিদ্ধান্তৰ বলত সেই সকলে ইচ্ছা মতে শোষণ কৰি, দেশক সৰ্বস্বান্ত কৰি গুচিও যাব পাৰিব! এয়াই হ'ল জাতীয় চৰিত্ৰ!!

৫। একে পৃষ্ঠাতে কুলদীপ নায়াৰে 'নট বাই বৰ'য়িং এল'ন'ত লিখিছে– এই বছৰৰ শেষলৈ ৪ হেজাৰ মিলিয়ন ডলাৰ বাণিজ্যিক ঘাটি (Trade Deficit) হবগৈ, তাৰ বাবে হাতে ভৰিয়ে ধৰি আই এম এফ-ৰ পৰা ল'ন লবলৈ ব্যস্ত হৈ পৰিছে। যোৱা ৪০ বছৰত ১ ডলাৰৰ মূল্য ৩ টকাৰ পৰা ২৭ টকা পালেগৈ। কিন্তু ভাৰতৰ পৰা ৰপ্তানি কৰা লৌহ আকৰৰ প্ৰতি টনৰ মূল্য ৪০ বছৰেও একে থাকিল কিয়- .................

এনে অৱস্থাতো যিটো খিতাপত আমাৰ মহা মন্ত্ৰীসকল ঘূৰা পকা কৰিব লাগিছে এনেহে লাগে যেন দেশত যে কিবা এটা জীৱন মৰণৰ সমস্যা চলিছে ওপৰ মহলত তাৰ কোনো উমঘাম নাই।

### কোনে কি পাইছে?

টাটা আৰু বিড়লাৰ ধন এতিয়া বোলে ৮ হেজাৰ কোটি টকাকৈ। আম্বানীয়ে ১০ বছৰত ১ লাখৰ পৰা ৩ হেজাৰ কোটি টকা কৰিলেগৈ। সিদিনা বোলে শ্ৰীনাবাল টাটাক বম্বেৰ পৰা নিউইয়ৰ্কলৈ যোৱাৰ আগেয়ে, "দিল্লীত সোমাই যাওকহি আই বি এম-ৰ কাৰণে 'অ' কে' কাগজখন লৈ যাওকহি" বুলি দিল্লীৰ শীৰ্ষস্থানৰ পৰা মাতি পঠাইছে।

টাটা, স্বৰাজপাল, বিড়লা আদিয়ে ধনবোৰ ক'ৰপৰা পায় জানেনে? অসমৰ নিলাম বজাৰৰ পৰা চাহ নিয়ে প্ৰতি কিলোত ৫০ টকাকৈ আৰু তাকে বিদেশৰ বজাৰত উচ্চ হাৰত বিক্ৰী কৰি প্ৰতি বছৰে ৩ হেজাৰ বিলিয়ন কিলোৰ পৰা প্ৰতি বছৰে প্ৰায় ৬ হেজাৰ বিলিয়ন ডলাৰ অসমৰ পৰা তেওঁলোকৰ পকেটত লাভ সোমাইছেগৈ। আৰু তেওঁলোকেই বেনামী হৈ বাহিৰত 'এন আৰ আই' বুলি চিনাকি দি ফুৰিছে।

অসমৰ পৰা যি হাৰত বাঁহ, কাঠ, কাগজ, কয়লা, খনিজ তেল আদি বাহিৰলৈ গৈ আছে তাক হিচাপ কৰিলে সেই হিচাপ এই পাতখিলাত নধৰিব। আমাৰ ক্ষতিৰ এক নমুনা তলত দাঙি ধৰিছো।

১। ১৯৬০ চনৰ পৰা কাহানিও ঘূৰি নহা গেছৰ ধ্বংসলীলা।

২। ১৯৫০ চনৰ পৰা বান বিধ্বস্তকৰণৰ ক্ষতি।

৩। আমাক সংস্কৃতিৰ নামত এনে এক বিষ ঢালি দিছে যাৰ ফলত আমাক পংগু কৰি পেলোৱা হৈছে। আজিৰ এই সমাজ ব্যৱস্থাই প্ৰত্যেককে এনে দৰে ভ্ৰষ্টাচাৰী কৰি পেলাইছে যে ফলত আমি প্ৰকৃত জ্ঞান আহৰণত ব্যৰ্থ হৈছো।

চাকৰিমুখী মনোবৃত্তি আৰু বৃটিছে এৰি থৈ যোৱা আইন চোবোৱা মনোভাবে প্ৰকৃত পৰিবৰ্তন উন্নতি পথ ৰুদ্ধ কৰি পেলাইছে।

অসমক আত্মনিৰ্ভৰশীল হবলৈ কোনো ধৰণৰ উদ্যোগ গঢ় লৈ উঠিবলৈ দিয়া হোৱা নাই, ফলত উদ্যোগে উৎপাদন কৰা প্ৰতিটো বস্তুৰ বাবে আমি পৰমুখাপেক্ষী হবলৈ বাধ্য হৈছো।

আজিলৈকে কোনো অসমীয়াকে দায়িত্বশীল কোনো All India Planning Body-ত ভাগ লবলৈ দিয়া হোৱা নাই।

অসমখন ভাৰতবৰ্ষৰ সতে চামিল কৰি ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ইমান মোহৰ কাৰণ কি? অসমখন এৰি দিবলৈ কিহৰ বাবে ভয়? ভয়বোৰ চমুতে এনে ধৰণৰ- যাৰ ফলত দিল্লীয়ে বছৰি হেৰুৱাব লগা হব পাৰে– চাহৰ পৰা ৬শ মিলিয়ন ডলাৰ (ৰপ্তানি আয়)।

আনহাতে অসমে ৰাহি কৰি দিয়ে বছৰি– খনিজ তেল ৮৫০ মিলিয়ন ডলাৰ, পেট্ৰল জাতীয় উৎপাদনত ১৫০ মিলিয়ন ডলাৰ, কাঠ-বাঁহ-বেতত ২০০ মিলিয়ন ডলাৰ, ৰেল-বায়ু সেৱাৰ পৰা আহৰণ কৰে ১০০০ কোটি টকা। আৰু হেৰুৱাব অসমত থকা প্ৰায় ১৫০০ কোটি টকা।

### অসমীয়াক কি লাগে?

অসমীয়াক কি লাগে? কিহৰ কাৰণে আমাৰ সেনানীয়ে যুঁজিছে, মৰিছে? অসমীয়াক লাগে সন্মানেৰে বাচি থকাৰ এটা উপায়। নিজৰ মাটি, জলবায়ুৰ ওপৰত সাৰ্বভৌমত্ব। আমি ওচৰ চুবুৰীয়া যাৰেই সৈতে বন্ধুত্ব নকৰো লাগিলে সেয়া হব আমাৰ কথা। পৃথিৱীৰ বৃহৎ শক্তিৰ সতে বন্ধুত্ব গঢ়ি তুলি লাভ নাই। আমাক লাগে এখন সৰু, নিকা, সেউজীয়া, সভ্য মানুহৰ অসম। তাৰ বাবে প্ৰতিজনেই পৰিশ্ৰম কৰিব লাগিব।

### অসম কেনেকৈ চলিব?

"আমি গুচি গ'লে তোমালোকে কেনেকৈ চলিবা? তোমালোকৰ মাজত তয়া ময়া যুদ্ধ হব........" বৃটিছে ১৯৪৬ চনত নেহৰুক সুধিছিল। তাৰ উত্তৰ কি দিলে নাজানো। আমাৰ উত্তৰটোও তেনেকুৱাই হব।

### 'অসম ভাৰতৰ অবিচ্ছেদ্য অংগ হৈ সদায়েই থাকিব'

এই কথাষাৰ শ্ৰীহিতেশ্বৰ শইকীয়াই ৩১ অক্টোবৰত কৈছে। মোৰ মানুহজনৰ প্ৰতি শ্ৰদ্ধা বাঢ়িছে কিয়নো তেখেতে মিহি মিহিকৈ উদ্বেগ প্ৰকাশ নকৰাকৈ সত্য কথা কৈ যায়।

সত্যটো এইবাৰ এনে ধৰণৰ। অসমৰ মেপখন চালে দেখিব যে অসমৰ কেউফালে দুৰ্গম পাহাৰ। ভাৰতৰ সতে এক ঠেক অংশই ৰেল আৰু পাইপ লাইনেৰে বান্ধি ৰাখিছে। ভৌগোলিক ভাবে ইয়াৰ মাজত হ্ৰদ বা সাগৰ হোৱাৰ সম্ভাৱনা নাই। শ্ৰীহিতেশ্বৰ শইকীয়াই সিদিনা শিবলঙত পৰিষ্কাৰকৈ কৈছে যে 'ৰাইজ জানে কি কৰিব লাগে।' অসমৰ ৰাইজে যদি আজি কয়– "আপুনি আজিয়েই অসমৰ সাৰ্বভৌমত্ব ঘোষণা কৰক।" তেখেতে ৰাইজৰ কথা নিশ্চয় শিৰোধাৰ্য কৰিব। তেখেতেই হব আমাৰ লেনিন আমাৰ নেপোলিয়ন, আজিৰ লাচিত। এতিয়াও যদি বুজা নাই, তেন্তে অসমীয়াই বহুত তেজ হয়তো বোৱাব লাগিব।

**মুকুল মহন্তঃ** বিদেশত উচ্চ শিক্ষাপ্ৰাপ্ত প্ৰতিভাশালী অভিযন্তা আৰু প্ৰযুক্তিবিদ। এতিয়া লেখক হিচাপেও সুপৰিচিত হৈ উঠিছে।

# স্বাধীন অসমৰ দাবী মই কিয় সমৰ্থন নকৰো

লিলি মজিন্দাৰ বৰুৱা

আমি অসমৰ স্বাধীনতা কি কাৰণে দাবী কৰিছো? যদিও ৰাধানাথ ফুকনদেৱৰ "কিয়নো পাহৰা অসমীয়া হেৰা, চিৰকাল তুমি আছিলা স্বাধীন" কবিতা ফাকিৰ দৰে ভাবধাৰাই আমাক স্বাধীনতা আন্দোলনৰ সময়ত বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰেৰণা দিছিল, আমি স্বাধীন অসমৰ বাবে নহয়, স্বাধীন ভাৰতৰ বাবেহে যুঁজিছিলো। বৰ্তমান কালছোৱাত সাৰ্বভৌমত্ব বিচাৰি এখন স্বাধীন অসম দাবী কৰাৰ থল আছে বুলি মই নাভাবো।

আহোম ৰাজত্বৰ শেষ পৰ্যায়ত যেতিয়া অসমৰ ৰাজনৈতিক অৱস্থাৰ অৱনতি ঘটিল, তেতিয়া আহোম ৰাজ সিংহাসনৰ অনুৰোধক্ৰমে বৃটিছ সাম্ৰাজ্যবাদী সকলে অসম প্ৰবেশ কৰিলেহি। কিন্তু এই শাসনৰ কল-কব্জা সুদূৰ ইংলেন্ডৰ নিৰ্দেশত লৰিছিল।

কালক্ৰমে ভাৰতবৰ্ষ স্বাধীন কৰাৰ মানসেৰে সমগ্ৰ দেশ জুৰি আন্দোলন চলিল। বৃটিছ সাম্ৰাজ্যবাদৰ শাসনৰ প্ৰশংসনীয় দিশ থাকিলেও বহু সময়ত আতিশয্যৰ সীমা পাৰ হৈ গৈছিল, যি কাৰণত ভাৰতবাসীয়ে বিদ্ৰোহ কৰিবলৈ বাধ্য হৈ পৰিল। উত্তৰ পূৰ্বাঞ্চললৈ বৃটিছ নহা পৰ্যন্ত প্ৰাকৃতিক সম্পদখিনি ব্যৱহাৰৰ উপযোগী হোৱা নাছিল। পিছপৰা অসমখনৰ সম্পদখিনিলৈ চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ (চীন আৰু ব্ৰহ্মদেশৰ বিশেষকৈ) এটা শেন দৃষ্টি আছিল। চাহ আৰু পেট্ৰোলজাত সামগ্ৰী ব্যৱহাৰৰ উপযোগী কৰাৰ কাৰিকৰী প্ৰণালী বিদেশী সকলেহে শিকাই থৈ গ'ল। তথাপি আমি বিদেশীৰ অধীনত থকাটো নিবিচাৰো। সেয়েহে এক নৈতিক শান্তিপূৰ্ণ আন্দোলনৰ জৰিয়তে পৰাধীন ভাৰতবৰ্ষ মুক্ত হ'ল।

অসম স্বাধীন কৰি পুনৰ আন ৰাষ্ট্ৰৰ তলতীয়া হবলৈ যোৱাৰ আশংকা হে বেছি। সাম্ৰাজ্যবাদী শোষণৰ পৰা ৰক্ষা পাব পৰাকৈ আমাৰ শক্তিও সীমিত। সেয়ে স্বাধীন অসম বিচাৰি যোৱাটো এটা যে ভয়াবহ প্ৰচেষ্টা। আমি যেন এটা অন্ধকূপৰ ফালেহে গতি কৰি আছো।

চুকে-কোণে ভাৰতীয় জাতীয় পতাকা উৰিবলৈ ধৰিলে। মহামানৱ মহাত্মা গান্ধীয়ে হিংসাৰ বিৰুদ্ধে যুদ্ধ দিছিল অহিংসাৰে। বিদেশী সকলক বহিষ্কাৰ কৰিবলৈ এনে ধৰণৰ গঠনমূলক আঁচনি মহাত্মা গান্ধীয়ে উলিয়াইছিল যে বৃটিছ সকল চমৎকৃত হৈছিল।

অসমৰ ক্ষেত্ৰত ভাৰতীয় কেন্দ্ৰীয় চৰকাৰৰ অৱহেলাৰ বাবে বিচ্ছিন্নতাবাদী মনোভাবৰ সৃষ্টি হৈছে বুলি জনসাধাৰণৰ মাজত ধাৰণা হৈছে। এই ধাৰণা প্ৰাক-স্বাধীনতাকালীন প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈদেৱৰ মনলৈকো নহাকৈ থকা নাছিল– সেয়েহে তেখেতে ব্যক্ত কৰা কথা এফাকি হুবহু তুলি দিয়াৰ প্ৰয়াস কৰিলো– "অসমক ভাৰত চৰকাৰে সকলো সময়তে অৱহেলাৰ চকুৰে চায়। যদিও চাহ আৰু পেট্ৰোল ইয়াত উৎপাদন হয় তাৰ বিনিময়ত অসমে সামান্য মাত্ৰ সুবিধা পাইছে।" ইমান তিক্ততা অহাৰ পিছতো বৰদলৈদেৱে কিয় অসমক ভাৰতৰ অংশ হিচাপে ৰাখিবলৈ ক্ষমতা হস্তান্তৰৰ সময়ত বীৰত্বৰে থিয় দিলে? কাৰণ বৰদলৈদেৱে বুজিছিল বিচ্ছিন্নতাত সমাধান নাই। আৰ্থ-সামাজিক দিশত অসমক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত তেখেতৰ প্ৰচেষ্টা অতুলনীয়।

অসমক স্ব-নিৰ্ভৰশীল কৰি তোলাৰ সোণালী সুযোগ আমাৰ নহাকৈ থকা নাছিল। বিদেশী বহিষ্কাৰৰ গণ আন্দোলন অসমত গা কৰি উঠিছিল ১৯৭৯ চনত। ৰাইজে এখন জনপ্ৰিয় চৰকাৰ বাছি দিলে। এই চৰকাৰখন গঠিত হ'ল এটা যুৱ শক্তিৰ দ্বাৰা। পৃথিৱীত অভিলেখ স্থাপন হ'ল– অসমীয়া ডেকা শক্তিয়ে অহিংস আন্দোলন কৰি বিদেশী সমস্যা সমাধানৰ বাবে আগবাঢ়িলে। এইবাৰ কিন্তু নৈতিক পথ প্ৰদৰ্শক হিচাপে মহাত্মা গান্ধীৰ দৰে মহাপুৰুষ এজন নাছিল। যি প্ৰতিশ্ৰুতিৰে চৰকাৰ ক্ষমতালৈ আহিল সেই প্ৰতিশ্ৰুতি নৰ'ল। লাহে লাহে উত্তৰ পূৰ্বাঞ্চলত হতাশাই দেখা দিলে। বৃটিছসকলে ১৯৪৭ চনত আমাক দি যোৱা অসম ৰাজ্যৰ মেপখন আজি নাইকিয়া হ'ল। টুকুৰা টুকুৰ হৈ বিকৃত ৰূপ এটি ল'লে। য'ত বড়ো, কছাৰী, ৰাভা, কাৰবি, মিচিং, টাই আহোম, চুতীয়া, মৰাণ, মটক, সোণোৱাল আটায়ে মিলি অসমীয়া হৈ আছিলো আজি সকলোৱে ভিন ভিন হিচাপে থাকিবলৈ বিচৰা হ'লো। য'ত লুচাই পাহাৰত লুচাইসকলে 'অ' মোৰ আপোনাৰ দেশ' গাই সভাৰ মোখনি মাৰিছিল– সেই পাহাৰত এতিয়া ইংৰাজী সভ্যতা চলিবলৈ ধৰিলে। বড়োসকলে 'বড়োলেন্ড', কাৰবি সকলে 'কাৰবি লেন্ড' ইত্যাদিৰ দাবীত হিংসাত্মক কাৰ্যত লিপ্ত হৈ পৰিল।

হিংসাৰ মনোবৃত্তিৰে বিচ্ছিন্নতাবাদক প্ৰশ্ৰয় দি অসম স্বাধীন কৰাৰ পৰিবৰ্তে ঐতিহ্যমণ্ডিত অসমৰ প্ৰাকৃতিক সম্পদখিনিৰে অসমখন ভাৰত তথা পৃথিৱীৰ ভিতৰত এখন জাকতজিলিকা ৰাজ্য কৰাৰ চেষ্টা কৰাৰ হে দৰকাৰ। ইয়াকে কৰিবলৈ যথেষ্ট ত্যাগৰ প্ৰয়োজন। অসমৰ স্বকীয়তা প্ৰকাশ কৰিবলৈ চেষ্টা কৰাহে উচিত।

প্ৰখ্যাত সাংবাদিক শ্ৰীকনক সেন ডেকাদেৱে মত পোষণ কৰিছে যে অসমত কৰ্ম সংস্কৃতি বাহিনীহে তৈয়াৰ হব লাগে। আমাৰ ৰাজহ যি পৰিমাণে বাহিৰলৈ যাব ধৰিছে– সেই ৰাজহখিনি নিজৰ ৰাজ্যত ৰখাৰ বাবে চেষ্টা কিয় নকৰো?

অসম স্বাধীন কৰি পুনৰ আন ৰাষ্ট্ৰৰ তলতীয়া হবলৈ যোৱাৰ আশংকা হে বেছি। সাম্ৰাজ্যবাদী শোষণৰ পৰা ৰক্ষা পাব পৰাকৈ আমাৰ শক্তিও সীমিত। সেয়ে স্বাধীন অসম বিচাৰি যোৱাটো এটা যে ভয়াবহ প্ৰচেষ্টা। আমি যেন এটা অন্ধকূপৰ ফালেহে গতি কৰি আছো।

গঠনমূলক কামত অগ্ৰসৰ হওঁহক, নৈতিক দিশত কঠোৰ আত্ম নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা তথা স্বাৱলম্বিতাত গুৰুত্ব দি অসমক আগবঢ়াই লৈ যোৱাৰ প্ৰচেষ্টাতহে গুৰুত্ব দিয়াৰ সময় আহি পৰিছে। অৱশ্যে ইয়াত কেন্দ্ৰীয় চৰকাৰৰ সহায় সহানুভূতি সম্পূৰ্ণৰূপে প্ৰয়োজন। উত্তৰ পূৰ্বাঞ্চলৰ সমস্যা একচেটিয়া নহয়– গতিকে ইমান অস্থিৰ ৰাজনৈতিক বাতাবৰণত জীয়াই থকা কিমান যে দুখঃজনক সেই কথা কেন্দ্ৰীয় চৰকাৰে সূক্ষ্মভাবে যেন উপলব্ধি কৰে তাৰহে প্ৰচেষ্টা আমি আটায়ে চলাব লাগে।

---

লিলি মজিন্দাৰ বৰুৱাঃ বি. বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপিকা। গোপীনাথ বৰদলৈৰ জীয়ৰী মজিন্দাৰ বৰুৱা এগৰাকী বিশিষ্ট সমাজসেৱিকা আৰু চিন্তাশীল লেখিকা।



# ভাৰতৰ ঐক্য আৰু সংহতিৰ সপক্ষে দুআষাৰ

অচিন্ত্য ভট্টাচাৰ্য

আমি বহুজাতিক ভাৰতৰ যুক্তৰাষ্ট্ৰীয় গাঁথনি ৰক্ষা কৰাটো বিচাৰো। লগতে আমি ভাৰতৰ বৰ্তমান যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ অংগ ৰাজ্য সমূহৰ অনুকূলে মৌলিক পৰিবৰ্তন ভাৰতৰ ঐক্যৰ স্বাৰ্থতেই বিচাৰো।

ভাৰতৰ ঐক্য আৰু ৰাষ্ট্ৰীয় সংহতিৰ চেতনাৰ বৰ্তমান ৰূপৰ উৎপত্তি হৈছে আমাৰ স্বাধীনতা আন্দোলনৰ ভূমিত। এই আন্দোলনে পূব সীমান্তত মণিপুৰ আৰু অসমৰ পৰা পশ্চিম সীমান্তৰ পাঠান ভূমি পৰ্যন্ত সমগ্ৰ অবিভক্ত ভাৰতক নিজৰ বৃত্তৰ ভিতৰতে সামৰি লৈছিল। বহু বিধৰ বিভিন্নতাৰ মাজতে এই লক্ষ্য সাধন কৰাই জাতীয় মুক্তি আন্দোলনৰ নেতৃবৰ্গৰ দূৰদৰ্শিতাৰ চিনাকি দিয়ে।

ভাৰতৰ জাতীয় মুক্তি সংগ্ৰাম আৰম্ভ হোৱাৰ তিনি দশককাল আগত চিপাহী বিদ্ৰোহৰ সময়তে বৃটিছৰ বিৰুদ্ধে জাতি ধৰ্ম নিৰ্বিশেষে ভাৰতবাসীৰ এটা বৃহৎ অংশৰ মাজত সংগ্ৰামী ঐক্যৰ প্ৰকাশেও ভাবীকালৰ কাৰণে জাতীয় সংহতি ৰচনা কৰাৰ পক্ষে সহায়ক হৈছিল। যোৱা শতিকাৰ সত্তৰ দশকৰ পৰা বৃটিছ শাসকবৰ্গই হিন্দু মুছলমানৰ মাজত বিভেদ সৃষ্টি কৰি ১৮৫৭ চনৰ ঐক্যক খণ্ডিত কৰাৰ বাবে কূটকৌশল বিস্তাৰিত কৰাত লাগি থাকি, শেহান্তৰত ভাৰত এৰি যোৱাৰ দুই দশক কাল আগতে সফলতা লাভ কৰিলে। ফলত ভাৰত ১৯৪৭ চনতে দ্বিখণ্ডিত হ'ল। বিভাজন সত্ত্বেও বহু জাতি জনজাতিৰ মিলিত বাসভূমি স্বৰূপ ভাৰত বিশ্বৰ দ্বিতীয় বৃহত্তম দেশ হিচাপে জাতীয় মুক্তি অৰ্জন কৰে।


মুক্তি সংগ্ৰামে ভাৰতৰ ঐক্য আৰু সংহতিৰ যি চেতনাক শাণিত কৰিছিল, স্বাধীন ভাৰতৰ ৰাষ্ট্ৰ চিন্তা আৰু সংবিধানে তাকেই প্ৰতিফলিত কৰিলে। বহুজাতিক ভাৰতৰ সংবিধানৰ গাঁথনি হ'ল ফেডাৰেল নাইবা যুক্তৰাষ্ট্ৰীয়। তাত ভাষা ভিত্তিক স্ব-শাসিত অংগৰাজ্য সমূহৰ ভেটিৰ এক শক্তিশালী কেন্দ্ৰীয় চৰকাৰ গঠনৰ ব্যৱস্থা ৰখা হ'ল। এই সংবিধান গঠন পৰিষদত সৰ্ব সন্মতিত গৃহীত হ'ল। কোৱা বাহুল্য যে এই সংবিধান চিৰস্থায়ী দলিল হিচাপে ৰচিত হোৱা নাই। প্ৰয়োজন হ'ল তাত সাল-সলনি কৰাৰ ব্যৱস্থা ৰখা হৈছে। ইতিমধ্যে মৌলিক বিষয়ত নহ'লেও সংবিধানত বহু শুধৰণি আৰু সংযোজনী যোগ কৰা হৈছে।

ভাৰতৰ মূলগত ঐক্য আৰু সংহতিৰ চেতনাৰ শিপা দেশৰ মাটিৰ বহুত তললৈকে প্ৰোথিত হৈ ৰৈ আছে। ভাৰতৰ ইতিহাস আৰু সভ্যতা সংস্কৃতিৰ তৰপা তৰপে পৰি থকা পলসৰ সাৰুৱা মাটিত এই ঐক্যবোধৰ ধাৰা উপজিছে। ৰাজনৈতিক বিপৰ্যয়, মধ্য যুগীয়া নানা ভোগবিবাদ আৰু অন্ধবিশ্বাসৰ প্ৰভাৱ, ধৰ্মৰ বিভিন্নতা, "শকহূনদল পাঠান মোগল" আদিক ভাৰতীয় সমাজৰ ভিতৰতে সামৰি লোৱাৰ মাজতো এই চেতনাৰ ধাৰা নিজকে জীয়াই ৰাখিছে কোটি কোটি মানুহৰ জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে। ব্যাপক বিভিন্নতা সত্ত্বেও মৌলিক ভাবে অভিন্ন ধৰ্মবোধ, একেই স্মৃতিৰ অনুশাসন, সংস্কৃত ভাষাৰ মাধ্যমতে সমগ্ৰ ভাৰতীয় ভূখণ্ডত গঢ়ি উঠা দৰ্শন, কালজয়ী সাহিত্য, অপূৰ্ব






OKDISCD



**ভাৰতৰ জাতীয় মুক্তি সংগ্ৰাম আৰম্ভ হোৱাৰ তিনি দশককাল আগত চিপাহী বিদ্ৰোহৰ সময়তে বৃটিছৰ বিৰুদ্ধে জাতি ধৰ্ম নিৰ্বিশেষে ভাৰতবাসীৰ এটা বৃহৎ অংশৰ মাজত সংগ্ৰামী ঐক্যৰ প্ৰকাশেও ভাৱীকালৰ কাৰণে জাতীয় সংহতি ৰচনা কৰাৰ পক্ষে সহায়ক হৈছিল।**



মহাকাব্যই এই ধাৰাটোকেই সঞ্জীৱিত কৰি ৰাখিছে। সভ্যতা সংস্কৃতিৰ এই ধাৰাই ভাৰতৰ বহু বৈচিত্ৰ্যৰ ভিতৰতে ধৰ্ম-বৰ্ণ-জাতি-ভাষাৰ অলেখ পাৰ্থক্য থকা সত্বেও মানুহৰ মনুষ্যত্বলৈ দৃষ্টি দি ভেদতকৈ সহনশীলতাৰ পথকেই শ্ৰেষ্ঠতৰ বুলি জানিছে। এই ভাবাদৰ্শই ভাৰতীয় জনসমষ্টি সমূহৰ মাজত যি মানসিকতা গঢ়ি তুলিছে, তাক ৰাজনৈতিক বিতণ্ডা আৰু আবেগেৰে মচি পেলোৱা সম্ভৱ নহয়।

ভাৰতৰ ঐক্যবোধৰ তৃতীয় উপাদান হ'ল বৈষয়িক। বৃটিছে ভাৰতত প্ৰথমবাৰৰ বাবে এক অখণ্ড ঐক্যবদ্ধ প্ৰশাসন গঢ়ি তুলি বৈদেশিক সাম্ৰাজ্যবাদী পুঁজিবাদী সকলৰ শোষণ সুবিধালৈ লক্ষ্য ৰাখি পুঁজিবাদী উৎপাদন ব্যৱস্থা প্ৰবৰ্তিত কৰিছিল। তাৰেই ফল স্বৰূপে ভাৰতত গঢ়ি উঠিছিল এখন ঐক্যবদ্ধ বজাৰ। পুঁজিবাদী অৰ্থনীতিৰ লগত অনুষংগ হিচাপে আহিছিল বিস্তৃত ৰেলপথ আৰু আধুনিক যোগাযোগ ব্যৱস্থা, যিবোৰে ক্ৰমে ক্ৰমে দেশৰ বিভিন্ন অঞ্চলক মূল শিল্প আৰু নগৰকেন্দ্ৰৰ লগত যুক্ত কৰিছিল। এই সম্পৰ্কত মধ্য যুগীয় সামন্তবাদৰ সকলো সংকীৰ্ণতা আঞ্চলিক পাৰ্থক্য আদিক এই নতুন অৰ্থনৈতিক বৈষয়িক বিধান সমূহে চেৰাই গৈছিল। লগতে বৃটিছৰ সৰ্বভাৰতীয় প্ৰশাসন যন্ত্ৰ, আইন বিধিসমূহ, ইংৰাজী ভাষাৰ মাধ্যমেৰে প্ৰতিষ্ঠিত একেই শিক্ষা ব্যৱস্থা আদিয়েও পাৰ্থক্য আৰু আঞ্চলিকতাৰ ভোক্তাবোৰক বহু পৰিমাণে ভাঙি দিছিল। স্বাধীনতাৰ পিছত ভাৰতৰ পুঁজিবাদী শ্ৰেণীয়ে ৰাষ্ট্ৰযন্ত্ৰৰ সহায়ত পুঁজিবাদী বজাৰ আৰু যোগাযোগ ব্যৱস্থাক বহু দূৰলৈকে বিস্তাৰিত আৰু শক্তিশালী কৰিছে

এক অখণ্ড অৰ্থনীতি আৰু তাৰ ভেটি স্বৰূপ ঐক্যবদ্ধ বজাৰ যিকোনো দেশতেই পুঁজিবাদৰ যুগত ৰাজনৈতিক আৰু ৰাষ্ট্ৰীয় ঐক্যৰ আন কিবা পৰিণাম হব নোৱাৰে। ভাৰতত আজিলৈকে গঢ়ি উঠা পৃথকত্বৰ আন্দোলন এই ভেটিৰ শিলত খুন্দা খাই আগবাঢ়িব পৰা নাই। স্বতন্ত্ৰ দ্ৰাবিড়স্থান, উত্তৰ পূব ভাৰতৰ কিছুমান পাৰ্বত্য ৰাজ্যত পৃথকত্বৰ দাবী আদি প্ৰত্যাহৃত হৈছে। আন্দোলনকাৰী নেতৃত্ব প্ৰতি ক্ষেত্ৰতে ভাৰতীয় যুক্তৰাষ্ট্ৰীৰ অংগ ৰাজ্যৰ মন্ত্ৰী-মুখ্য মন্ত্ৰীৰ পদ অলংকৃত কৰিছে।

বৰ্তমান পাঞ্জাৱ আৰু কাশ্মীৰত পৃথকত্বৰ দাবীত সশস্ত্ৰ (সন্ত্ৰাসবাদী) আন্দোলন চলি আছে। পাঞ্জাৱ হিন্দু শিখ আৰু মুছলিম পাঞ্জাবী জাতিৰ বাসভূমি আছিল। পাকিস্তানে পাঞ্জাৱী জাতিক খণ্ডিত কৰিলে। বৰ্তমানে শিখসকলে ধৰ্মৰ ভিত্তিত শিখস্থানৰ দাবীত পাঞ্জাৱী জাতিক আকৌ ধৰ্মৰ ভিত্তিত দ্বিখণ্ডিত কৰিব বিচাৰিছে। ধৰ্মৰ ভিত্তি আৰু জাতীয়তাৰ ভিত্তি এক নহয়। এক হ'কে পৃথিৱীৰ সকলো মুছলিম খৃষ্টান হিন্দু আৰু বৌদ্ধ এক এক জাতিত পৰিণত হ'লহেঁতেন। সি হোৱা নাই। গতিকে খালিস্তানৰ দাবী আৰু আন্দোলনে জাতিগত আত্মনিয়ন্ত্ৰণৰ দাবীকো খণ্ডিত আৰু আওবটীয়া কৰি গুৰুতৰ বিশৃংখলা সৃষ্টি কৰিছে। কাশ্মীৰৰ আন্দোলন মুছলিম মৌলবী সকলৰ হাতলৈ গুচি গৈছে আৰু ধৰ্মৰ ভিত্তিত কাশ্মীৰক পাকিস্তানত যুক্ত কৰাৰ দাবীত আকৌ জাতীয় সমস্যাক ধৰ্মীয় ৰূপ দিয়াৰ মাৰাত্মক ভেদবাদী চেষ্টা তাত চলিব ধৰিছে।

এই উভয় ক্ষেত্ৰতেই সাম্ৰাজ্যবাদৰ হস্তক্ষেপৰ কথা গোপন হৈ থকা নাই। মাৰ্কিন ৰাষ্ট্ৰপতি বুশ্বে সমগ্ৰ বিশ্বৰ কাৰণে যি 'নববিধান' প্ৰবৰ্তন কাৰ্যসূচী লৈছে, তাৰ প্ৰধান লক্ষ্য হ'ল সন্ত্ৰাসবাদ বিৰোধী স্বতন্ত্ৰতাকামী ডাঙৰ দেশসমূহক জাতিগত বিৰোধৰ কৌশলেলেৰে খণ্ড বিখণ্ড কৰা। জাতি সংঘত ছোভিয়েতৰ প্ৰতিবন্ধকতা বৰ্তমানে আঁতৰ হোৱাৰ ফলত মাৰ্কিন ৰাষ্ট্ৰপতিৰ 'নববিধান' প্ৰবৰ্তনৰ কামটো সহজ হৈ পৰিছে। যুগোশ্লোভিয়া আৰু ছোভিয়েত ফেডাৰেছনক টুকুৰাটুকুৰ কৰাৰ পিছত মাৰ্কিনৰ দৃষ্টি ফেডাৰেল ভাৰতৰ ওপৰত চাগৈ পৰিছে?

বুশ্বৰ নীতিয়ে যিয়েই নিবিচাৰক, মৌলবাদী আৰু সাম্ৰাজ্যবাদী এই দুয়োটা শক্তি গণতন্ত্ৰৰ হন্তা আৰু প্ৰতিক্ৰিয়াৰ ধাৰক! পাঞ্জাৱ আৰু কাশ্মীৰত মৌলবাদ আৰু সাম্ৰাজ্যবাদৰ হস্তক্ষেপৰ কথা তৰ্কাতীত সত্য। গতিকে ভাৰত তথা কাশ্মীৰ আৰু পাঞ্জাৱৰ জনগণৰ স্বাৰ্থত তাত পৃথকত্বৰ দাবী প্ৰত্যাহৃত হোৱা উচিত। আত্মনিয়ন্ত্ৰণৰ নামত গণতন্ত্ৰ আৰু স্বাধীনতাৰ নীতিক বিসৰ্জন দিয়াৰ প্ৰশ্নই নুঠে।

ইয়াৰ অৰ্থ এইটো নহয় যে কাশ্মীৰ আৰু পাঞ্জাৱৰ জনগণৰ ভাৰতীয় সংবিধানৰ ফেডাৰেল গাঁথনি সম্পৰ্কত অনাস্থা আৰু বিক্ষোভ আঁতৰ কৰাৰ দৰকাৰ নাই। ভাৰত চৰকাৰৰ উচিত জনগণৰ অনাস্থাৰ আৰু ক্ষোভৰ কাৰণবোৰ অকপটে আৰু গভীৰ ভাবে অনুধাৱন কৰি, উপযুক্ত প্ৰতিবিধান কৰা।

বৰ্তমানে, বিশেষতঃ ছোভিয়েত ইউনিয়নৰ ঐক্য আৰু সংহতি ভাঙি পৰাৰ পিছত, ভাৰততো ছোভিয়েতৰ সংবিধানৰ আৰ্হিত জাতিগত আত্মনিয়ন্ত্ৰণৰ কথা সঘনে আলোচিত হৈ আছে আৰু ইয়াক ভাৰতৰ অংগ ৰাজ্য বিলাকৰ বিচ্ছিন্নতাৰ সপক্ষে যুক্তি হিচাপে থিয় কৰোৱাৰ প্ৰয়াস হৈ আছে।

মাত্ৰ সিদিনালৈকে যিসকল কমিউনিষ্টক ছোভিয়েতৰ অন্ধ অনুকৰণৰ দোষতে দোষী বুলি কঠোৰ ভাষাত নিন্দা কৰি আছিল, বৰ্তমানে তেওঁলোকে ছোভিয়েত ৰাষ্ট্ৰতন্ত্ৰৰ আত্ম নিয়ন্ত্ৰণৰ দিশটোক অন্ধ ভাবে ইয়াত প্ৰয়োগ কৰাৰ বাবে আগবঢ়াৰ ঘটনাটো বিস্ময়কৰ।

ভাৰত আৰু ছোভিয়েত ফেডাৰেল ৰাষ্ট্ৰ গঠনৰ ইতিহাস, বাস্তৱ ভিত্তি আৰু গঢ় গতিৰ মাজত বিপুল পাৰ্থক্য থকাৰ বাস্তৱতাক পাহৰি গৈ, ভাৰতত তাৰ অন্ধ অনুকৰণৰ প্ৰশ্ন নুঠে।

জাতিগত আত্মনিয়ন্ত্ৰণ বুলিলে যেনে স্বেচ্ছাত পৃথক হোৱাৰ অধিকাৰকে বুজায়, তেনেকৈ স্বেচ্ছাত অন্য জাতি নাইবা জাতি সমূহৰ লগত ঐক্যবদ্ধ হৈ একেখন ৰাষ্ট্ৰত থকাটোও বুজায়। ছোভিয়েত ইউনিয়নত আৰু বিশেষ অৱস্থাৰ পটভূমিত জাতি সমূহৰ পৃথকত্বৰ অধিকাৰ আগতীয়াকৈ সুনিশ্চিত কৰাৰ পিছত, অংগ জাতি সমূহে ৰুছ জাতিৰ লগত ফেডাৰেল ৰাষ্ট্ৰত ঐক্যবদ্ধ হৈছিল। ভাৰতৰ বেলিকা অইন জাতিসমূহৰ লগত ঐক্যবদ্ধ হৈ থকাটো প্ৰত্যেক অংগ জাতিয়ে বিচাৰিছিল আৰু সকলোৰে সন্মতিৰ ভিত্তিত ভাৰতীয় ফেডাৰেছন গঠিত হৈছিল।

ছোভিয়েত আৰু ভাৰতত ৰাষ্ট্ৰ গঠনৰ আৰম্ভণিৰ সময়ছোৱাত ছোভিয়েতৰ জনগণৰ মানসিকতা আৰু ভাৰতৰ জনগণৰ মানসিকতা আছিল সম্পূৰ্ণ ভিন্ন।

তদুপৰি অনাৰুচ জাতিসমূহ আছিল ৰুচ দেশৰ জাৰ অৰ্থাৎ সামন্তবাদী সম্ৰাটৰ অধীন সকলো অধিকাৰৰ পৰা বঞ্চিত 'উপনিবেশ' মাথোন। এই পদানত জাতি সমূহ সম্পৰ্কে ৰুচ চৰকাৰৰ দৰে ৰুচ জনগণৰো জাতি প্ৰাধান্য আৰু জাত দম্ভৰ মনোভাব আছিল! ফলত ৰুচ দেশত জাতিদম্ভ বিৰোধী শ্ৰমিক শ্ৰেণীৰ হাতত বিপ্লৱৰ ফলত ক্ষমতা গুচি যোৱা সত্বেও তেওঁলোকৰ প্ৰতি অনাৰুচ জনগণৰ আছিল অবিশ্বাস আৰু বিৰূপতা। জাতিগত পৃথকত্বৰ অধিকাৰ সংবিধানত যুক্ত হোৱাৰ পিছতহে এই জাতি সমূহে ফেডাৰেছনত যোগ দিছিল আৰু বিপুল ঐক্য আৰু সংহতি গঢ়ি তুলিছিল।

ভাৰতত কোনো ভাৰতীয় ডাঙৰ জাতিয়ে অইন ভাৰতীয় জাতি সমূহৰ ওপৰত প্ৰভুত্ব আৰু আধিপত্য কৰা নাছিল। ভাৰতৰ সৰু ডাঙৰ সকলো জাতিয়েই আছিল বৃটিছৰ পদানত। গতিকে ইয়াত বৃটিছৰ বিৰুদ্ধে আৰু স্বাধীন স্বদেশৰ ভৱিষ্যত ৰাষ্ট্ৰ সম্পৰ্কত সকলো জাতিয়ে এখন বহুজাতিক ফেডাৰেল ৰাষ্ট্ৰৰ পক্ষে ঐক্যবদ্ধ হৈছিল– যিখন ৰাষ্ট্ৰৰ লগত জাতিগত অংগ ৰাজ্যসমূহৰ আত্মশাসনৰ অধিকাৰৰ কথা ১৯২৮ চনত মতিলাল নেহৰু কমিটিৰ প্ৰতিবেদনতেই স্বীকৃত হৈছিল।

ভাৰতত এখন এককেন্দ্ৰিক নাইবা "ইউনিটৰী" ৰাষ্ট্ৰ গঠনৰ পক্ষে ভাৰতৰ বৃহৎ পুঁজিবাদীৰ কিছুমান নেতাই প্ৰচাৰ চলাইছিল। এওঁলোক ভাষা ভিত্তিক ৰাজ্য গঠনৰো বিৰোধী আছিল। ভাৰতৰ সকলো ৰাজনৈতিক দলে এই প্ৰস্তাৱ অগ্ৰাহ্য কৰিলেও, একমাত্ৰ বিজেপিয়ে আজিলৈকে এই প্ৰস্তাৱৰ পোষকতা কৰি থকা দেখা গৈছে। বিজেপিৰ বিচাৰ বুদ্ধি হিন্দু ৰাষ্ট্ৰৰ চিন্তাৰ দ্বাৰা প্ৰভাৱিত হৈ থকাৰ ফলত, এই প্ৰস্তাৱ গণতন্ত্ৰৰ পক্ষে ক্ষতিকৰ দিশবোৰ আৰু ভাৰতৰ বিৰুদ্ধবাদী জনমত তেওঁলোকৰ চকুত চাগৈ পৰা নাই।

এই সকলো দিশ বিচাৰ-বিবেচনা কৰি আমি ভাৰতত ছোভিয়েত 'মডেল' গ্ৰহণ কৰাটো সঠিক নহব বুলি ভাবো। ভাৰতক ছোভিয়েত ফেডাৰেছনৰ শেহতীয়া ৰূপৰ আৰ্হিত সাৰ্বভৌম ৰাজ্য সমূহৰ শিথিল বিধৰ জোঁট এটাত পৰিণত কৰাৰ কাৰণেও ইতিমধ্যে আলোচনা হোৱা দেখা গৈছে। কোৱা বাহুল্য যে ভাৰতত ছোভিয়েত ইউনিয়নৰ ভাগি পৰা অৱস্থাৰ পুনৰাবৃত্তি কৰাৰ প্ৰশ্নই নুঠে।

লেনিনে ৰুচ বিপ্লৱৰ আগতেই দেখুৱাইছিল যে বিশেষ কাৰণ নথকা হ'লে, বহু জাতিৰ দেশ নাইবা অঞ্চলত অৰ্থনৈতিক বিকাশ আৰু গণতান্ত্ৰিক শক্তিক বিপুল ভাবে সংহত কৰাৰ বাবে পৃথক জাতিগত ৰাষ্ট্ৰতকৈ বহু জাতিক ফেডাৰেল ৰাষ্ট্ৰ অধিক উপযোগী। বৰ্তমানে লুপ্তপ্ৰায় ছোভিয়েত ৰাষ্ট্ৰত এই তত্বৰ যথাৰ্থতা প্ৰমাণিত হৈছে।

ভাৰতত যোৱা চাৰি দশকৰ অভিজ্ঞতাই দেখুৱাই দিয়ে যে দেশ তথা দেশৰ অংগ ৰাজ্যৰ বিকাশৰ বাবে অপৰিহাৰ্য পুঁজি, শ্ৰমশক্তি, প্ৰযুক্তি, কেঁচামাল, প্ৰয়োজনীয় বজাৰ আৰু যোগাযোগ ব্যৱস্থাৰ জটিল সমস্যাৰ সমাধানৰ বাবে ফেডাৰেল ভাৰতত যি সুযোগ ৰৈ আছে, অংগ ৰাজ্যসমূহৰ পৃথকত্বৰ ক্ষেত্ৰত এইবোৰ সুযোগও খণ্ডিত হব আৰু খণ্ড খণ্ড হৈ যোৱা ৰাজ্যবোৰৰ কাৰণে বিকাশৰ সমস্যাক জটিলতৰ কৰিব।

লক্ষ্য কৰা প্ৰয়োজন যে, বৰ্তমানে ভাৰতৰ উন্নয়ন আৰু দ্ৰুত বিকাশৰ বাটক কাঁইটীয়া কৰি ৰাখিছে সাম্ৰাজ্যবাদে– যি মহাশক্তিধৰ অৰ্থনৈতিক দৈত্যসকলক ভাৰতৰ অৰ্থনীতিত অবাধে অনুপ্ৰবেশৰ সুযোগ দিছে ভাৰতৰ ,সংকটাপন্ন শাসক শ্ৰেণীয়ে। তদুপৰি, যোৱা চাৰি দশকৰ বৰ্তমান শাসক দলে ভাৰতৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহত দীৰ্ঘকাল ধৰি প্ৰায় একচেটিয়া ক্ষমতাত থকাৰ সুযোগত আমাৰ ফেডাৰেল গাঁথনিত অংগ ৰাজ্যসমূহৰ ক্ষমতাক ক্ৰমাৎ কমাই কেন্দ্ৰত সকলো ক্ষমতা স্তূপীকৃত কৰাৰ প্ৰৱণতা দেখুৱাই আহিছে। এই অন্ধতাৰ ফলত ভাৰত তথা অংগ ৰাজ্য সমূহ বৰ্তমান গভীৰ অৰ্থনৈতিক ৰাজনৈতিক সংকটত বুৰ গৈ আছে।

সাম্ৰাজ্যবাদৰ অনুপ্ৰবেশ আৰু শাসক শ্ৰেণীৰ এফলীয়া অতিকেন্দ্ৰিকতাৰ নীতিক পৰিবৰ্তন কৰাৰ বাবে বহুজাতিক ভাৰতৰ জনগণৰ ঐক্য আৰু ঐক্যবদ্ধ প্ৰয়াস অপৰিহাৰ্য। এই ঐক্যৰ অবিহনে ভাৰতৰ অৰ্থনীতি আৰু ৰাজনীতিক বৰ্তমানে যি সংকটে গ্ৰাস কৰিছে, সেই নাগপাশৰ পৰা উদ্ধাৰ লাভ কৰা সম্ভৱ নহব। বিচ্ছিন্নতা আৰু পৃথকত্বৰ চিন্তা আৰু দাবীয়ে জনগণৰ শক্তিক খণ্ডিত কৰি নিশকটীয়া কৰে আৰু ভৱিষ্যত পুনৰগঠনৰ পথকে সমস্যাশংকুল কৰে।

শাসক শ্ৰেণীৰ সংকীৰ্ণ নীতিৰ দোষত কেৱল ৰাজ্য-কেন্দ্ৰ সম্পৰ্ক ক্ষুণ্ণ হোৱা নাই, দেশৰ বিভিন্ন অংগ ৰাজ্যৰ বিকাশৰ গতি আৰু ৰূপ অসমান হৈ পৰাৰ ফলত, বিভিন্ন অংগ জাতিৰ মাজত বঞ্চিত আৰু বৈষম্যগ্ৰস্ত হোৱাৰ মনোভাব আৰু বিক্ষোভ সৃষ্টি হৈছে। অংগ ৰাজ্যসমূহত আঞ্চলিকতা আৰু জাতীয়তা আবেগমূলক চিন্তাৰ বিস্তাৰ ভাৰতৰ বৰ্তমান বহুমুখী সংকটৰ এটি দিশ। শাসকদল আৰু চৰকাৰে এই সংকটৰ সমাধানৰ পথ বিচাৰি উলিয়াব পৰা নাই। তেওঁলোকে অনতিপলমে ৰাজ্যৰ আত্মশাসনৰ সমগ্ৰ ব্যৱস্থাটোক ৰাজ্যৰ ক্ষমতা বৃদ্ধিৰ স্বাৰ্থত পৰিবৰ্তিত কৰিব লাগিব।

সামৰণিত এই কথাষাৰকে মাত্ৰ দোহাৰিব বিচাৰিছা যে, সংবিধানত ৰাজ্য-কেন্দ্ৰ সম্পৰ্কৰ বিধান সমূহক চাৰ্কাৰিয়া কমিছনৰ চুপাৰিচতকৈ আগবাঢ়ি গৈ ৰাজ্যৰ আত্ম শাসনৰ প্ৰকৃত অধিকাৰ আৰু অৰ্থনৈতিক উন্নয়নৰ অনুকূলে পুনৰ্বিন্যাস কৰা নহ'লে, ফেডাৰেল ৰাষ্ট্ৰৰ ঐক্য আৰু সংহতিৰ বৰ্তমান সংকটৰ সমাধান কৰা সম্ভৱ নহব।

---

**অচিন্ত্য ভট্টাচাৰ্যঃ** শীৰ্ষস্থানীয় কমিউনিষ্ট নেতা আৰু তাত্বিক। চি পি এম-ৰ অসম শাখাৰ প্ৰাক্তন প্ৰধান সম্পাদক।

## স্বাধীন অসমঃ কিয় বিচাৰো

# মই স্বাধীন অসম বিচাৰো

মৃণাল কুমাৰ শইকীয়া

ভাৰতৰ 'Military Might'-ৰ বিৰুদ্ধে যুঁজি অসমে স্বাধীনতা লাভ কৰাতো সম্ভৱ নে অসম্ভৱ নাইবা স্বাধীনতা পাবৰ কাৰণে আমি কেতিয়া কি পদ্ধতিৰে আগবঢ়াটো উচিত সেই বিষয়ে মই ক'ব বিচৰা নাই. "অসমৰ স্বাধীনতা" প্ৰসংগৰ এক বহল ভিত্তিক আলোচনাৰ প্ৰয়োজন। কিন্তু থূলমূলকৈ ক'বলৈ গ'লে অসমীয়া মানুহৰ সৰ্বাত্মক আৰু সৰ্বাংগীন উন্নতি আৰু স্বকীয় বৈশিষ্ট্য পৰিস্ফূত কৰি আত্মসন্মান বজাই ৰাখি জীয়াই থাকিবৰ কাৰণে মই স্বাধীন অসমৰ পোষকতা কৰো।

(১) অসম ৰাজ্যৰ প্ৰতি ভাৰতৰ যি গণতান্ত্ৰিক আৰু সাংবিধানিক দায়বদ্ধতা সেইখিনি পালন কৰিব পৰা নাই বা স্ব-ইচ্ছাৰে কৰা নাই। অসমৰ জনসাধাৰণক ভাৰতৰ সংবিধান আৰু গণতন্ত্ৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ কোৱা ভাৰতৰ ৰাষ্ট্ৰযন্ত্ৰই অসমৰ ক্ষেত্ৰত সদায়ে সংবিধান আৰু গণতন্ত্ৰক অৱমাননা কৰি আহিছে। উদাহৰণ স্বৰূপে– আন্তঃৰাষ্ট্ৰীয় সীমান্তত সুৰক্ষা প্ৰদান কৰাটো এখন ৰাষ্ট্ৰৰ সাংবিধানিক দায়িত্ব কিন্তু তাক পালন নকৰাৰ কাৰণেই অসম আজি বিদেশীয়ে ভৰি পৰিছে আৰু সেই দায়িত্বক সোঁৱৰাই দিবলৈ যাওঁতে যেতিয়া অসমৰ জনসাধাৰণে গণতান্ত্ৰিক ভাবে অহিংস আন্দোলন কৰিবলৈ ওলাই আহে তাক গুলি-বাৰুদেৰে দমন কৰিবলৈ কুণ্ঠাবোধ নকৰে। যিখন দেশত বিদেশী নাগৰিকে ভোট দান কৰিব পাৰে, সেই সংবিধানৰ কিবা বাস্তৱ মূল্য আছে বুলি মই নেভাবো। এজন প্ৰবাসী ভাৰতীয় ভাৰতলৈ আহিবৰ কাৰণে 'ভিছা' আদি বহুতো নিয়ম নীতিৰ প্ৰয়োজন; কিন্তু লাখ লাখ বিদেশী নিৰ্বিবাদে অসমলৈ আহিব পাৰে। এয়াই হৈছে আমাৰ সংবিধানৰ ৰক্ষণাবেক্ষণ। অসমৰ ক্ষেত্ৰত ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই সঘনাই অসাংবিধানিক নীতি গ্ৰহণ কৰি আহিছে আৰু যি দেশৰ সংবিধানে আমাক ৰক্ষণাবেক্ষণ দিয়াত ব্যৰ্থ হৈছে এনে স্থলত সেই দেশ আৰু

> যিখন দেশত বিদেশী নাগৰিকে ভোট দান কৰিব পাৰে, সেই সংবিধানৰ কিবা বাস্তৱ মূল্য আছে বুলি মই নেভাবো। এজন প্ৰবাসী ভাৰতীয় ভাৰতলৈ আহিবৰ কাৰণে 'ভিছা' আদি বহুতো নিয়ম নীতিৰ প্ৰয়োজন; কিন্তু লাখ লাখ বিদেশী নিৰ্বিবাদে অসমলৈ আহিব পাৰে। এয়াই হৈছে আমাৰ সংবিধানৰ ৰক্ষণাবেক্ষণ।

সংবিধানৰ প্ৰতি আমাৰ কিবা দায়বদ্ধতা আছে বুলি মই নেভাবো আৰু এই ৰক্ষণাবেক্ষণৰ বাবে স্বাধীনতা বিচৰাৰ নৈতিক অধিকাৰ আমাৰ আছে আৰু এই "স্বাধীনতা" প্ৰয়োজন বুলিয়েই মই ভাবো।

(২) দেখা যায় যে স্বাধীনতাৰ পাছৰে পৰাই অসমক কেন্দ্ৰই শোষণ কৰি আহিছে ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে। ভাৰতৰ ভূতপূৰ্ব বিত্ত মন্ত্ৰী হেমৱতী নন্দন বহুগুণাই এসময়ত স্বীকাৰ কৰিছিল যে কেন্দ্ৰই অসমক অৱহেলা কৰি আহিছে। উত্তৰ প্ৰদেশত গংগাৰ ওপৰত ১৪ খন দলং নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰ বাবে কোনো আন্দোলন কৰিব লগা হোৱা নাছিল। অন্যহাতে ব্ৰহ্মপুত্ৰৰ ওপৰত কেৱলমাত্ৰ দুখন দলঙৰ কাৰণেই আন্দোলন কৰিব লগা হৈছিল। উদ্যোগীকৰণৰ ক্ষেত্ৰত দেখা যায় যে কেন্দ্ৰই অসমৰ কাৰণে কোনো পদক্ষেপ লোৱা নাই। আজি বিহাৰৰ ৩৯,৪৪৬ টা উদ্যোগৰ বিপৰীতে অসমত মাত্ৰ ১৬৫৯ টাহে পঞ্জীয়নভুক্ত উদ্যোগ আছে। অথচ অসম ভাৰতৰ ভিতৰতে এখন আগশাৰীৰ সম্পদশালী ৰাজ্য। অসমৰ উদ্ঘাটিত খনিজতেল শোধন কৰিবৰ কাৰণে বাৰাউনিত শোধনাগাৰ স্থাপন কৰা হ'ল, যদিও ৰুছ বিশেষজ্ঞই শোধনাগাৰটো বাৰাউনিত স্থাপন কৰাৰ বিপক্ষেহে তথ্য দাঙি ধৰিছিল। আজিও তেল আৰু চাহৰ পৰা আয় হোৱা ধনেৰে বেলেগ ৰাজ্যহে উপকৃত হৈ আছে। সংস্থাপনৰ ক্ষেত্ৰতো অসমীয়া ৰাইজ আজি বঞ্চিত। অসমত স্থাপিত উদ্যোগত যোগ্য থলুৱা যুৱক সকলে সংস্থাপন পাবলৈ আন্দোলন কৰিব লাগে। স্বাধীনতা পোৱাৰ ৪৪ বছৰৰ পিছতো আৰু গণতান্ত্ৰিক ভাবে বহুতো আন্দোলন কৰাৰ পিছতো যেতিয়া এই নীতিৰ কোনো সলনি নহ'ল ভাৰতৰ অংগৰাজ্য হিচাপে থাকি আমি কেতিয়াও সম-অধিকাৰ পোৱাৰো আশা কৰিব নোৱাৰো। গতিকে এটাই মাথো পথ– "স্বাধীনতা"।

(৩) ইংৰাজ শাসনৰ আগলৈকে অসম এখন স্বাধীন ৰাষ্ট্ৰ আছিল। ভাৰত ৰাষ্ট্ৰৰ লগত অসম বিলীন হৈ থকাটো বিচাৰিলোহেঁতেন যদিহে 'অসমক এখন পৰাধীন ৰাষ্ট্ৰ হিচাপে গণ্য নকৰিলেহেঁতেন আৰু অনা-অসমীয়া সকলে অসমৰ সমস্যাক ভাৰতৰ সমস্যা বুলি স্বীকৃতি দিলেহেঁতেন। সম্প্ৰতি চলি থকা সৈন্য বাহিনীৰ অপাৰেচন সমূহে এই কথাকে প্ৰতিপন্ন কৰিছে। দেশ বুলিলে চাৰিসীমা থকা এটুকুৰা মাটিকে নুবুজায়। মানুহক লৈহে এখন দেশ। সৈন্য বাহিনীৰ বাকী অত্যাচাৰৰ কথা নকওঁ, কিন্তু তেওঁলোকে লিপ্ত হোৱা 'ধৰ্ষণ' সমূহক চালে তেওঁলোক 'Defender of Nation' বুলি ক'ব নোৱাৰি। ভাৰত চৰকাৰে অসমৰ ক্ষেত্ৰত সততে আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰৰ নীতি সমূহ ভংগ কৰি আহিছে। প্ৰয়োজন হ'লে ভাৰতৰ শাসক সকলে অসমক বিদেশী ৰাষ্ট্ৰৰ (Aggressive Nation)-ৰ হাতত যে এৰি দিব বা এই ভয় যে তেওঁলোকৰ আছে সেয়া প্ৰকাশ পায় আহিছে। নেহৰুৰ বিখ্যাত (কুখ্যাত?) উক্তি "My heart bleeds for the people of Assam" উনুকিওৱাৰ প্ৰয়োজন আজি নাই। ১৯৭৯ চনত ভাৰত চৰকাৰৰ এজন মুখপাত্ৰই অসমত বৃহৎ উদ্যোগ স্থাপন নকৰাৰ কাৰণ হিচাপে দৰ্শাইছিল– "Stratagic and Security reasons" যদি অসমক বাহিৰা আক্ৰমণৰ (Enemy attack) পৰা ৰক্ষা কৰাৰ নিশ্চয়তাই ভাৰত ৰাষ্ট্ৰৰ ওচৰত নাই, তেন্তে এই দেশৰ অংগৰাজ্য হিচাপে থকাৰো কিবা যুক্তি আছেনে? কেৱলমাত্ৰ অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে কৰি অহা অৱহেলা, অন্যায় আৰু শোষণৰ প্ৰতিবাদতেই মই স্বাধীনতাৰ পোষকতা নকৰো। অৰ্থনৈতিক ভাবে এখন "স্বাধীন ৰাষ্ট্ৰ" হিচাপে থিয় দিয়াৰ ক্ষমতা অসমৰ আছে। ভাষা সংস্কৃতিৰ ফালৰ পৰা অসমৰ এটা স্বকীয় বৈশিষ্ট্য আছে। সাৰ্বভৌম সৰু ৰাষ্ট্ৰক সুৰক্ষা দিবলৈ বহুতো আন্তঃৰাষ্ট্ৰীয় আইন বৰ্তমান আছে। অসমে যদি স্বাধীনতা পায় অসমৰ অগাধ প্ৰাকৃতিক খনিজ আৰু মানৱ সম্পদৰাজিক অৰ্থনৈতিক দিশত সম্পূৰ্ণ ব্যৱহাৰ (Maximum exploration) কৰি অৰ্থনৈতিক স্বাৱলম্বিতা লাভ কৰিব পৰা যাব আৰু ইয়াৰ দ্বাৰাহে অসমীয়া জাতিৰ সৰ্বাংগীন উন্নতি সম্ভৱ।

---

মৃণাল কুমাৰ শইকীয়াঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ। 'সূৰ্য তেজৰ অন্য নাম' কথাছবিৰ প্ৰযোজক।

## স্বাধীন অসমঃ কিয় নিবিচাৰো

# স্বাধীন অসমৰ ধাৰণা পৰাধীনতাৰ শৃংখল

অৰূপ জ্যোতি চৌধুৰী

আজি পৃথিৱীৰ বিভিন্ন প্ৰান্তঃ জাতি সমস্যা তথা জাতীয় প্ৰশ্নবোৰে বিভিন্ন ৰূপত মূৰ দাঙি উঠিছে। "এথ্‌নিক" পৰিচয়ৰ প্ৰশ্নটোৰ প্ৰাবল্যত আনকি বৈজ্ঞানিক মাৰ্ক্সীয় আৰ্হিত বিপ্লৱৰ জৰিয়তে প্ৰতিষ্ঠিত বহুজাতিক ছোভিয়েত ইউনিয়নৰ পুৰণা ব্যৱস্থা চূৰমাৰ হৈ পৰিছে। যুগোশ্লাভিয়াৰ ঘটনাৱলীয়েও "এথ্‌নিক" পৰিচয় প্ৰতিষ্ঠাৰ তীব্ৰ আকাংক্ষাকেই প্ৰতীয়মান কৰিছে। কিন্তু বিচ্ছিন্নতাবাদী প্ৰবণতাই সৃষ্টি কৰা স্বাধীন ৰাষ্ট্ৰবোৰে নিজৰ সাৰ্বভৌমত্ব স্বীকৃত কৰাৰ পাছতো পুৰণা ৰাজনৈতিক ব্যৱস্থাটোৰ এক শিথিল বন্ধনৰ পক্ষে মত প্ৰকাশ কৰা ঘটনাই এই সমগ্ৰ ঘটনাৱলীকে এক বিশেষ আৰু নতুন পৰিপ্ৰেক্ষিতত বিচাৰ কৰাৰ প্ৰয়োজনীয়তা গঢ়ি তুলিছে। বিশেষকৈ বহুজাতিক ছোভিয়েত ইউনিয়নৰ গণৰাজ্য সমূহে এখনৰ পিছত এখনকৈ নিজৰ সাৰ্বভৌমত্ব ঘোষণা কৰিও সাৰ্বভৌম ছোভিয়েত গণৰাজ্য সমূহৰ মাজত সামৰিক তথা অৰ্থনৈতিক স্বাৰ্থত এক শিথিল কনফেডাৰেচন ব্যৱস্থাৰ পোষকতা কৰা ঘটনাই এটা কথা স্পষ্ট ভাবে প্ৰমাণ কৰে যে অৰ্থনৈতিক তথা সামৰিক দিশৰ পৰা নৱগঠিত সাৰ্বভৌম ৰাষ্ট্ৰসমূহ নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ সম্পূৰ্ণ অপাৰগ। আত্ম নিয়ন্ত্ৰণৰ অধিকাৰৰ একলীয়া ব্যাখ্যাই গঢ়ি তোলা প্ৰবল বিচ্ছিন্নতাবাদী প্ৰবণতাৰ মাজতো এক সুকীয়া ঐক্যৰ দিশত এই পদক্ষেপ নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ। তদুপৰি অভাৱনীয় ভাবে দুই জাৰ্মানীৰ একীকৰণ তথা কোৰিয়াৰ একীকৰণৰ প্ৰস্তুতিয়েও ঐক্যৰ এক বিশেষ প্ৰৱণতাক স্বীকৃত কৰিছে।

ভাৰতৰ বিভিন্ন ৰাজ্যত আজি আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সুনিশ্চিত কৰাৰ দাবীৰ মাজেৰে বিচ্ছিন্নতাবাদী প্ৰবণতা গা কৰি উঠিছে। পাঞ্জাৱ, কাশ্মীৰ, অসম ৰাজ্যত উগ্ৰপন্থী সংগঠন সমূহে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সুনিশ্চিত কৰিব বিচাৰিছে। অসমৰ উগ্ৰপন্থী সংগঠন সংযুক্ত মুক্তি বাহিনীয়ে আজি স্বাধীন অসমৰ দাবী তুলিছে। অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ নিশ্চিতকৰণৰ জৰিয়তে তেওঁলোকে এই দাবী কাৰ্যকৰী কৰিব বিচাৰিছে। দৰাচলতে কেনে এক আৰ্থ-সামাজিক প্ৰেক্ষাপটত এই দাবী উত্থাপিত হ'ল আৰু সেই প্ৰেক্ষাপট যে স্বাধীন অসমৰ দাবী এক আবেগিক প্ৰকাশহে– বাস্তৱ প্ৰতিকাৰ নহয় তাকেই আমি এই আলোচনাত দেখুৱাব খুজিছো।

এটা কথা স্বীকাৰ কৰিবই লাগিব যে স্বাধীন ভাৰতবৰ্ষত ঔপনিবেশিক ৰাষ্ট্ৰৰ উত্তৰাধিকাৰী সকলে অসমীয়া মানুহৰ আশা-আকাংক্ষা সমূহৰ প্ৰতি এক নিস্পৃহ দৃষ্টিভংগী গ্ৰহণ কৰিছিল। অসম ৰাজ্যৰ দুৰ্বল অৰ্থনৈতিক স্থিতিলৈ লক্ষ্য কৰি সংবিধান সভাত তেল আৰু চাহৰ পৰা হোৱা অসমৰ আয়ৰ অংশ বঢ়োৱাৰ সকলো প্ৰচেষ্টাই ব্যৰ্থ হৈছিল। স্বাধীনতাৰ কেইবা দশক পাৰ হোৱাৰ পিছতো দেশৰ আন আন আগবঢ়া ৰাজ্যৰ লগত অসমে খোজ মিলাব নোৱাৰিলে। ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং নিৰ্মাণ, অসমৰ তেল শোধন কৰিবলৈ এটা শোধনাগাৰ স্থাপন আদি সকলো দিশতে অসমত গণ আন্দোলন গঢ়ি তুলিব লগা হ'ল। কৃষি পদ্ধতি উন্নয়নৰ উপযুক্ত

প্ৰচেষ্টাৰ অভাৱত প্ৰচলিত মধ্যযুগীয়া কৃষি পদ্ধতিয়ে পুঁজিৰ বিকাশৰ বাবে প্ৰয়োজনীয় ৰাহি সৃষ্টি কৰাত ব্যৰ্থ হ'ল। তদুপৰি অ'ত ত'ত সিঁচৰতি হৈ থকা কেইটামান মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগৰ বাহিৰে বৃহৎ উদ্যোগৰ কোনো চিন-মোকামেই ৰাজ্যখনত নাই। সীমান্তৰ সিপাৰৰ প্ৰব্ৰজন আৰু জনসংখ্যা বৃদ্ধিৰ হাৰে কৃষিখন্ডত ব্যাপক হাৰত disguised unemployment-ৰ সৃষ্টি কৰিছে। প্ৰায় ২00 লাখ জনসংখ্যাৰ অসমত নিবনুৱাৰ সংখ্যা ২0 লাখ চুইছেগৈ। এনে এক প্ৰেক্ষাপটত আজি অসমৰ হতাশাগ্ৰস্ত নিবনুৱা যুৱকসকলৰ একাংশই এক জাতীয়তাবাদী চিন্তাৰে বিশ্বাস কৰিবলৈ লৈছে যে অসমৰ ওপৰত অসমীয়াৰ নিয়ন্ত্ৰণ নথকা বাবেই এই সকলোবোৰ সমস্যাৰ উদ্ভৱ হৈছে। অসমৰ ওপৰত অসমীয়াৰ নিয়ন্ত্ৰণৰ দিশত চলোৱা গণ পৰিষদ জাতীয় পৰীক্ষাৰ চূড়ান্ত ব্যৰ্থতাৰ পিছত মোহভংগ এচাম অসমীয়া যুৱকে স্বাধীন সাৰ্বভৌম অসমেই জাতিৰ মুক্তিৰ একমাত্ৰ পথ হিচাপে সংগ্ৰাম আৰম্ভ কৰিছে। এই স্বাধীন সাৰ্বভৌম অসমৰ দাবীটো সংযুক্ত মুক্তি বাহিনীৰ দ্বাৰা বহু পৰিমাণে পৰিব্যপ্ত হৈ পৰিল।

এতিয়া আমাৰ মূল প্ৰশ্নটো হৈছে স্বাধীন সাৰ্বভৌম অসমৰ কাৰ্যকৰী কৰণতেই অসমৰ সকলো সমস্যাৰ প্ৰতিকাৰ নিহিত হৈ আছে নেকি? নে অসমৰ সমস্যা সমূহৰ বাস্তৱ সমাধানৰ অধিক সক্ৰিয় আন সমাধান বিদ্যমান?

প্ৰথমে আমি অসমৰ ভূ-খণ্ডৰ বিভিন্ন জাতিসত্তাৰ কথা উল্লেখ কৰিব বিচাৰিছো। অসমৰ ভূ-খণ্ডত অসমীয়াৰ বাহিৰেও বড়ো, কাৰ্বি, মিচিং আদি বিভিন্ন জাতিসত্তাৰ লোক বসবাস কৰে। এনে এক অৱস্থাত অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ ভিত্তিত এক সাৰ্বভৌম ৰাষ্ট্ৰ গঠন কৰাটো কেৱল অসমীয়া জাতিৰ বিশেষাধিকাৰ হব নোৱাৰে। তদুপৰি একেলগে কেইবাটাও জাতিয়ে বাস কৰা অসমৰ কোনখিনি ভূ-খণ্ডক লৈ স্বাধীন অসমীয়া জাতিয়ে স্বাধীন ৰাষ্ট্ৰ গঠন কৰিব সেয়াও এক অতি গুৰুতৰ বিষয়। জাতি সমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক আমি শ্ৰদ্ধা জনাওঁ। কিন্তু আত্মনিয়ন্ত্ৰণৰ অধিকাৰক কেৱল মাত্ৰ বিচ্ছিন্নতাৰ দৃষ্টিভংগীৰে চোৱাটো এটা ভ্ৰান্ত ধাৰণা। আত্মনিয়ন্ত্ৰণৰ ধাৰণাটোৰ বিজ্ঞানসন্মত ব্যাখ্যা আগবঢ়োৱা লেনিনেও আত্মনিয়ন্ত্ৰণৰ সাধাৰণ অধিকাৰ বিচ্ছিন্নতাৰ অধিকাৰৰ পৰা পৃথক কৰিছিল। এই পৰিপ্ৰেক্ষিতত স্বাধীন সাৰ্বভৌম অসমৰ দাবী নিজ বাসভূমিৰ ভিতৰৰ আন আন জাতি গোষ্ঠীৰ ওপৰত প্ৰভুত্ববাদলৈ ৰূপান্তৰিত হোৱা আৰু তেওঁলোকৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক নিঃশেষ কৰা প্ৰচেষ্টাহে হব।

অৰ্থনৈতিক দৃষ্টিভংগীৰেও স্বাধীন অসমৰ দাবীটো যথাৰ্থ নহয়। আমি ইতিমধ্যে উল্লেখ কৰিছো যে অসমৰ অৰ্থনীতি এতিয়াও অতি পিছপৰা অৱস্থাত আছে। ৰাজনৈতিক সাৰ্বভৌমত্বৰ চৰ্ত মানি ল'লেও অৰ্থনৈতিক ভাৱে স্বাধীন অসম সাম্ৰাজ্যবাদৰ বহতীয়া হৈ নপৰিব নে? ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ "ঔপনিবেশিক" চৰিত্ৰৰ পৰা মুক্তি পাবলৈ কৰা স্বাধীন অসমৰ দাবী কাৰ্যকৰী হ'লে, ইয়াত যে সাম্ৰাজ্যবাদে পোহাৰ মেলিব তাত কোনো সন্দেহ নাই।

অৰ্থনৈতিক দৃষ্টিভংগীৰেও স্বাধীন অসমৰ দাবীটো যথাৰ্থ নহয়। আমি ইতিমধ্যে উল্লেখ কৰিছো যে অসমৰ অৰ্থনীতি এতিয়াও অতি পিছপৰা অৱস্থাত আছে। ৰাজনৈতিক সাৰ্বভৌমত্বৰ চৰ্ত মানি ল'লেও অৰ্থনৈতিক ভাৱে স্বাধীন অসম সাম্ৰাজ্যবাদৰ বহতীয়া হৈ নপৰিব নে? ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ "ঔপনিবেশিক" চৰিত্ৰৰ পৰা মুক্তি পাবলৈ কৰা স্বাধীন অসমৰ দাবী কাৰ্যকৰী হ'লে, ইয়াত যে সাম্ৰাজ্যবাদে পোহাৰ মেলিব তাত কোনো সন্দেহ নাই। অৰ্থাৎ স্বাধীন অসমৰ ধাৰণাটোৱেই পৰাধীনতাৰ শৃংখল হৈ পৰিব।

তদুপৰি সামৰিক দৃষ্টিতো স্বাধীন অসম এক দুৰ্বল ৰাজনৈতিক গোট হব। চাৰিওফালে বৃহৎ চুবুৰীয়াৰ পৰা প্ৰতিৰক্ষা শিতানৰ ব্যয় অসমৰ অৰ্থনীতিয়ে বহণ কৰিবলৈ সক্ষম হবনে?

জনসাধাৰণৰ আশা-আকাংক্ষাৰ দিশৰ পৰা বিচাৰ কৰিলেও স্বাধীন অসমৰ দাবীটো অযুক্তিকৰ যেন লাগে। অসমৰ বড়ো, কাৰ্বি আদি জাতি সমূহে অধিক স্বায়ত্ত শাসন বিচাৰিছে। গতিকে তেওঁলোকৰ সমৰ্থন স্বাধীন অসমৰ দাবীটোৰ সৈতে যে নাই সেয়া স্পষ্ট। তদুপৰি এই দাবীটোৰ লগত সকলো অসমীয়া লোকৰ সমৰ্থন আছে যেন বোধ নহয়। বিশেষকৈ এই দাবীৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ সমৰ্থন পুষ্ট আন্দোলনৰ পৰিবৰ্তে আল্‌ফাই গ্ৰহণ কৰা নিৰ্বাচিত হত্যাৰ পদ্ধতিয়ে এই দাবীৰ প্ৰতি জনসাধাৰণৰ সমৰ্থন নথকাৰ কথাহে প্ৰতীয়মান কৰে।

এনে এক অৱস্থাত স্বাধীন অসমৰ দাবীৰ বিকল্প কি হব পাৰে?

পোনতেই আমি ইংলণ্ডৰ এককেন্দ্ৰিক ব্যৱস্থাৰ ওপৰত প্ৰতিষ্ঠিত ভাৰতীয় সংবিধানৰ কেন্দ্ৰীভূত ব্যৱস্থাৰ আমূল পৰিবৰ্তন বিচাৰো। এই সংবিধানে ভাৰতীয় বৈচিত্ৰ্যক বিনষ্ট কৰাৰ যি প্ৰৱণতাৰ ইংগিত দিছে সি বিচ্ছিন্নতাবাদৰ ধাৰাটোক শক্তিশালীহে কৰিব।

সংবিধানৰ এই আমূল পৰিবৰ্তনত ৰাজ্য সমূহক প্ৰকৃত স্বায়ত্ত শাসন প্ৰদান কৰি এক বিকেন্দ্ৰীভূত ফেডাৰেল গাঁথনি সৃষ্টি কৰাৰ প্ৰয়োজন অতি প্ৰয়োজনীয় হৈ উঠিছে। কিন্তু যদি ফেডাৰেল গাঁথনিটো ওপৰৰ পৰা জাপি দিয়া ধৰণৰ হয় তেনেহ'লে ই মাত্ৰ কেন্দ্ৰৰ স্বাৰ্থৰক্ষা কৰা এক ৰাজনৈতিক অস্ত্ৰহে হৈ থাকিব। সেয়েহে এই সমগ্ৰ ব্যৱস্থাটো আৰম্ভ হব লাগিব তৃণমূল পৰ্যায়ৰ পৰা। আমাৰ দৃঢ় বিশ্বাস এক বিকেন্দ্ৰীভূত ফেডাৰেল গাঁথনিৰ মাজতে নিহিত হৈ আছে অসমীয়া জাতিৰ মুক্তিৰ প্ৰকৃত পথ।

অৰূপ জ্যোতি চৌধুৰীঃ কটন মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰবক্তা। 'মানৱ-অধিকাৰ' সম্পৰ্কে গৱেষণা সম্পূৰ্ণ কৰি অলপতে পৰীক্ষাৰ কাৰণে দাখিল কৰিছে।





# স্বাধীন অসমৰ দাবী অসমীয়া জনসাধাৰণৰ ন্যায্য দাবী

বৰ্তমান বিশ্বৰ সকলোবোৰ নিপীড়িত, নিষ্পেষিত জাতিৰ আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ প্ৰতিষ্ঠাকৰণৰ চিন্তাধাৰা এক গুৰুত্বপূৰ্ণ আলোচ্য বিষয় হৈ পৰিছে। বিশ্বত ঔপনিবেশিকতাবাদ বা সাম্ৰাজ্যবাদৰ দ্বাৰা জুৰুলা হোৱা জাতিসত্তা সমূহৰ মুক্তি বা অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাধীনতাৰ আকাংক্ষাই এক দৃঢ় সংগ্ৰামৰ সূচনা হোৱা দেখা গৈছে।

ভাৰতবৰ্ষৰ বিভিন্ন অংগৰাজ্যত আজি এক ৰাজনৈতিক অস্থিৰতাই মূৰ দাঙি উঠিছে। ভাৰতীয় বৃহৎ জাতি সমূহৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক সম্প্ৰসাৰণৰ বিৰুদ্ধে জাতিগত সমমৰ্যাদাৰ অধিকাৰ সাব্যস্তকৰণৰ অৰ্থেই ভূখণ্ড ৰক্ষা কৰাৰ লগতে বিভিন্ন জনগোষ্ঠী সমূহৰ ভাষা-সংস্কৃতি জীয়াই ৰাখিব লাগিব। আজি অসমীয়া জাতিৰ অস্তিত্বৰ ক্ষেত্ৰতো ভাৰতীয় ঔপনিবেশিক শোষণ আৰু শাসনৰ ওচৰত বিপদাপন্ন ইতিমধ্যেই হৈ পৰিছে। ফলস্বৰূপেই আজি এচাম যুৱকে হাতত অস্ত্ৰ-শস্ত্ৰলৈ স্বাধীন অসমৰ দাবীত যুদ্ধ ঘোষণা কৰিছে। তেওঁলোকৰ দাবী অসমীয়া জনসাধাৰণৰ ন্যায্য দাবী বুলি আমিও বিবেচনা কৰিছো।

নেতা সকলৰ ৰাজনৈতিক অজ্ঞতাৰ ফলতেই হওক বা ধুৰন্ধৰ নেতাৰ চক্ৰান্তৰ ফলতেই হওক ভাৰত স্বাধীন হোৱাৰ পিছত অসমখনো সাৰ্বভৌম ভাৰত যুক্তৰাষ্ট্ৰৰ অংগ ৰাজ্য হ'ল। এই ক্ষেত্ৰত যদিও প্ৰতিখন ৰাজ্যৰ সমান মৰ্যাদা আৰু সমানাধিকাৰ প্ৰযোজ্য কিন্তু অসমৰ ক্ষেত্ৰত ই কোনো দিনেই প্ৰযোজ্য হোৱা নাই বুলি আমাৰ ধাৰণা হয়। তিয়াল্লিচ বছৰৰ শাসনে আমাক তাকেই প্ৰত্যক্ষ কৰিছে।

স্বেচ্ছাচাৰী কেন্দ্ৰীয় চৰকাৰখনে অসমৰ প্ৰাকৃতিক সম্পদৰাজি কেৱল লুন্ঠন কৰাতেই ক্ষান্ত নাথাকি বৃহৎ অসমীয়া জাতিটোক মষিমূৰ কৰাৰ দৰে চক্ৰান্ত কৰিবলৈকো কুন্ঠাবোধ নকৰিলে। স্বাধীনতাৰ পাছৰ পৰা অসমীয়া জনসাধাৰণে নিজৰ প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰণৰ বাবে এটাৰ পাছত এটাকৈ কৰিব লগা হৈছে গণ আন্দোলন। দিল্লীৰ ওচৰত অসমীয়া যুৱক-যুৱতীৰ বুকুৰ কেঁচা তেজৰ বিনিময়তহে ন্যূনতম কিবা এটা পাবলৈ সক্ষম হৈছে। নিজৰ মাতৃ ভাষাৰ বাবেও অহিংসাৰ নীতিত প্ৰতিষ্ঠিত ভাৰতীয় সংবিধানৰ ৰক্ষক সকলৰ হাতত বহুজন অসমীয়া যুৱক ছহিদ হ'ব লগা হ'ল। আনেক আই বাই ভনী ধৰ্ষিতা হ'ল কাণ্ডজ্ঞান বিহীন ভাৰতীয় সামৰিক আৰু অৰ্ধসামৰিক বাহিনীৰ হাতত। তেনেহলে অসমখন প্ৰকৃতাৰ্থত স্বাধীন ভাৰতৰ অংগ ৰাজ্যনে? অসমীয়াৰ বাবে স্বাধীনতাৰ সংজ্ঞা কি?? সেয়েই হয়তো বিপ্লৱী বীৰ বিষ্ণু ৰাভা দেৱে কৈছিল 'এই স্বাধীনতা প্ৰকৃত স্বাধীনতা নহয়।' সেই সময়ত নিজকে ভাৰতীয় বুলি কৈ গৌৰৱ অনুভৱ কৰা নেতা সকলে উপলব্ধিয়েই কৰিব নোৱাৰিলে সেই কথা।

অসমৰ জনগণে অসমৰ তেল অসমত শোধন কৰিবলৈও 'তেজ দিম তেল নিদিওঁ' আন্দোলন কৰিব লগা হৈছিল। অসমৰ বুকুৰ তেল বিহাৰ-কলিকতাত শোধন কৰাৰ কি যুক্তি থাকিব পাৰে। এনেধৰণে এখন অংগৰাজ্যক নগ্ন আৰু নিৰ্লজ্জ ভাৱে শোষণ কৰাৰ নজিৰ পৃথিৱীৰ কোনো ৰাষ্ট্ৰতে সম্ভৱ নাই।

অসমৰ জনগণে অসমৰ তেল অসমত শোধন কৰিবলৈও 'তেজ দিম তেল নিদিওঁ' আন্দোলন কৰিব লগা হৈছিল। অসমৰ বুকুৰ তেল বিহাৰ-কলিকতাত শোধন কৰাৰ কি যুক্তি থাকিব পাৰে। এনেধৰণে এখন অংগৰাজ্যক নগ্ন আৰু নিৰ্লজ্জ ভাৱে শোষণ কৰাৰ নজিৰ পৃথিৱীৰ কোনো ৰাষ্ট্ৰতে সম্ভৱ নাই। এখন স্বাধীন চৰকাৰে সুৰক্ষা দিয়ে এমুঠিমান দেশী-বিদেশী পুঁজিপতি দালালক। এই প্ৰভু সকলৰ স্বাৰ্থ ৰক্ষা কৰিলেই অসমীয়া জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা পৰে। বৰ্তমান অসমৰ চাহ শিল্প বিদেশী পুঁজিপতিৰ কবলত। অসমৰ বুকুত চাহ বাগান কিন্তু কলিকতাত মুখ্য কাৰ্যালয় সমূহ। ইয়াৰ অৰ্থ অসমৰ জনসাধাৰণৰ স্বাৰ্থ পূৰণৰ বাবেনে?? অসমত ভয়ানক ভাৱেই শিক্ষিত নিবনুৱাৰ হাৰ বৃদ্ধি পাব লাগিছে। সকলো উদ্যোগ প্ৰতিষ্ঠান পৰিচালিত হ'ব লাগিছে দেশ-বিদেশৰ পুঁজিপতি মালিক সকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে। অসমীয়া যুৱক সকলক কাম কৰাৰ অধিকাৰ কণৰ পৰাও বঞ্চিত কৰাৰ অভিসন্ধিয়ে দিল্লীৰ ঔপনিবেশিক মনোভাবৰ অন্য এক উদাহৰণ।

ঔপনিবেশিক শোষণতে ব্যস্ত নাথাকি পাহাৰ-ভৈয়ামৰ সমন্বয়েৰে গঢ় লৈ উঠা বৃহৎ অসমীয়া জাতিটোক পৰিকল্পিত ভাৱে খণ্ড-বিখণ্ড কৰি পেলোৱা হ'ল। অসমীয়া

জাতিটোৰ ঐক্যত মাধমাৰ শোধোৱা হ'ল, যাতে বৃহৎ অসমীয়া জনসাধাৰণে দিল্লীৰ শোষণ শাসনৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিব নোৱাৰে। অন্যথা ঔপনিবেশিক শাসনৰ বাঘজৰিডাল থৰক বৰক হোৱাৰ সম্ভাৱনা। অৱশ্যে ঔপনিবেশিকবাদী শাসকৰ ই এটা শুদ্ধ নীতি।

বিগত অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা বা বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলন অসমৰ জনসাধাৰণে পুনৰ ঘোষণা কৰিব লগা হ'ল। এই সমস্যাৰো কেৱল অংগৰাজ্য অসমৰে সমস্যানে? ভাৰতীয় সংবিধান খনেও উক্ত সমস্যা স্বীকাৰ কৰে। সৃষ্টি কৰিছে ভগনীয়াৰ সমস্যাই এক ভয়াবহ সমস্যা। অসমীয়া জাতিৰ অস্তিত্বই বিপদাপন্ন হোৱাৰ আশংকা য'ত তেনে এটা দাবী ভাৰত চৰকাৰে মানি নোলোৱাৰ কাৰণেই বা কি? ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিক সকলক চিনাক্ত কৰণৰ বাবেও বৃহৎ গণ আন্দোলনৰ প্ৰয়োজন হয়। প্ৰয়োজন হয় ছহিদৰ নামৰ তালিকা দীঘল কৰাৰ। তাৰ বিনিময়তো জানো অসমীয়া জনসাধাৰণে কিবা সুবিচাৰ ভাৰত চৰকাৰৰ পৰা পায়। প্ৰতি মুহূৰ্ততেই আমি আজি হৈছো লাঞ্ছিত আৰু বঞ্চিত। অসমীয়া জনসাধাৰণৰ এয়েই হৈছে বহু আকাংক্ষিত স্বাধীনতা? এইয়া যদি কাৰোবাৰ বাবে হয় স্বাধীনতা, কাৰোবাৰ বাবে হয় গণতন্ত্ৰ, কাৰোবাৰ বাবে হয় সমানাধিকাৰ তেনে হলে কব নোৱাৰো। আমি কেতিয়াও তেনে গণতন্ত্ৰ, স্বাধীনতা সমানাধিকাৰ বুলি স্বীকাৰ কৰিব লব নোৱাৰো। আমি কেতিয়াও স্বাধীন বুলি অনুধাৱন কৰিব নোৱাৰো। আমাক স্বাধীনতা লাগে। অসম দেশৰ স্বাধীনতাৰ অবিহনে মুক্তিৰ পথ ৰুদ্ধ। অসমীয়া জনগণৰ স্বাধীনতাৰ দাবীটো কেতিয়াও অপ্ৰাসংগিক হ'ব নোৱাৰে। ইতিহাসেও এই কথা স্বীকাৰ কৰে। অসম কোনো দিনেই ভাৰতীয় ৰাষ্ট্ৰ যন্ত্ৰৰ অধীন নাছিল। অসম এখন স্বাধীন আৰু পূৰ্ণাংগ ৰাষ্ট্ৰ হিচাপে বৰ্তি আছিল। ভৌগোলিক অৱস্থান, ভাষা সংস্কৃতিয়েও অসম যে ভাৰতৰ অংগৰাজ্য নাছিল তাক সহজেই প্ৰমাণ কৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেইজন মান ছাত্ৰ

নাম প্ৰকাশত অনিচ্ছুক বাবে লেখক সকলৰ নাম উহ্য ৰখা হ'ল।

স্বাধীন অসমঃ কিয় নিবিচাৰো

# স্বাধীন অসমৰ দাবী কিয় সমৰ্থন নকৰো

দীপ্তি শইকীয়া

## আল্ফাৰ "স্বাধীন অসম" এক বিচ্ছিন্নতাবাদী শ্লোগান

ভাৰতবৰ্ষত স্বাধীনতা আন্দোলনৰ মাজেদিয়েই ভাৰতীয় জাতীয়তাবাদৰ জন্ম হৈছিল আৰু অসমো এই আন্দোলনৰ অংশীদাৰ আছিল। এই আন্দোলনৰ মাজেদিয়েই ভাৰতবৰ্ষৰ ঐক্য-সংহতি গঢ়ি উঠিছিল আৰু প্ৰবল প্ৰতাপী বৃটিছ সিংহক দেশৰ পৰা বিতাৰিত কৰিবলৈ ভাৰতীয় জনগণ সমৰ্থ হৈছিল। অৱশ্যে ক্ষমতা দখল কৰিলে দেশৰ বৃহৎ পুঁজিপতি শ্ৰেণীয়ে জমিদাৰ শ্ৰেণীৰ সহযোগিতাত। সাম্ৰাজ্যবাদী পুঁজিকো দেশৰ পৰা সম্পূৰ্ণ ৰূপে বিতাৰিত কৰা নহ'ল। আমাৰ ৰাষ্ট্ৰৰ নেতৃত্ব পোৱা এই বৃহৎ পুঁজিপতি আৰু জমিদাৰ শ্ৰেণীৰ প্ৰতিনিধি কংগ্ৰেছ দলে স্বাধীনতাৰ পৰবৰ্তী পৰ্যায়ত জনসাধাৰণৰ মৌলিক সমস্যাসমূহ সমাধানত ব্যৰ্থ হ'ল। যাৰ পৰিণতি স্বৰূপে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ ক্ষোভৰ সুযোগ লৈ বিচ্ছিন্নতাবাদী, উগ্ৰপন্থী, সন্ত্ৰাসবাদী শক্তিবোৰৰ জন্ম হ'ল। অসমৰ আল্ফাও এই শক্তিৰে অংশ বিশেষ।

আমাৰ' অসমৰ জনসাধাৰণৰ দৰেই ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ জনসাধাৰণে জীৱন ধাৰণৰ নিম্নতম সা-সুবিধাৰ পৰা বঞ্চিত হৈ দৰিদ্ৰ জীৱন যাপন কৰিছে। আমূল ভূমি সংস্কাৰ সাধন কৰি গৰীব খেতিয়কক মাটিৰ গৰাকী কৰা, দেশৰ প্ৰাকৃতিক সম্পদ আৰু জনসম্পদৰ সু-ব্যৱহাৰ কৰি আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়ি তোলা, জনশিক্ষাৰ প্ৰসাৰ সাধন কৰা, জনসংখ্যাৰ আধা অংশ মহিলাসকলৰ সমানাধিকাৰ ৰক্ষা কৰা আৰু নিৰাপত্তা সুনিশ্চিত কৰা, অনুন্নত সম্প্ৰদায়, জনজাতি, আদিবাসী আদিৰ উন্নয়ন ত্বৰান্বিত কৰা আদি মৌলিক কাৰ্য সম্পাদন কৰাত ব্যৰ্থ হোৱা কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে সমগ্ৰ ভাৰতবৰ্ষ জুৰি প্ৰবল গণ আন্দোলন সংগঠিত কৰি এক বিপ্লৱৰ মাজেদি এই সমস্যাসমূহ সমাধান কৰাৰ বাহিৰে আন কোনো বিকল্প পথ নাই। সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ আৰু উগ্ৰপন্থাই এই মহান কৰ্তব্য সমাপন কৰিব নোৱাৰে। অসমক ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন কৰি আনিলে এই আন্দোলন দুৰ্বল হব আৰু সাম্ৰাজ্যবাদী শক্তিৰ হাতোঁৰাৰ পৰা আমাৰ স্বাধীনতা ৰক্ষা কৰাও হয়তো সম্ভৱ নহব। আল্ফাৰ একাংশ নেতৃত্বই বাংলাদেশত আশ্ৰয় লৈ থকা বা এই আন্দোলনক পাকিস্তান, বাংলাদেশ আদিয়ে সহায় কৰা বুলি প্ৰকাশিত সংবাদে এই সন্দেহ অধিক ঘনীভূত কৰি তুলিছে।

## আল্ফাৰ ভাবমূৰ্তি সলনি হ'ল

প্ৰথম অৱস্থাত অসমৰ জনসাধাৰণে আল্ফাৰ দুৰ্নীতি বিৰোধী, নাৰী নিৰ্যাতন বিৰোধী ভূমিকাক প্ৰশংসা কৰিছিল। অসমৰ সংবাদপত্ৰ সমূহতো এই ধৰণৰ বহুতো বাতৰি প্ৰকাশিত হৈছিল। যোৱা বছৰ এগৰাকী নিৰ্যাতিতা মহিলা মোৰ ওচৰলৈ আহিছিল। তেওঁক স্বামীয়ে চাইকেলৰ চেইনেৰে কোবাই হাতৰ বগা মঙহ উলিয়াই দিছিল। মহিলা গৰাকীৰ পিতৃক মই সুধিলো, "মোৰ ওচৰলৈ আপোনালোকক আহিবলৈ কোনে ক'লে?" মানুহজনে উত্তৰ দিলে, "আমাৰ গাঁৱৰ আল্ফাৰ ল'ৰা কেইজনমানে।" আমাৰ অঞ্চলত মহিলা সংগঠনৰ কাম-কাজ কৰোতে দুই/এটা নাৰী নিৰ্যাতনৰ ঘটনাত আল্ফাই সঠিক ভূমিকা লোৱা দেখিবলৈ পাইছো। কিন্তু নাৰী নিৰ্যাতন এক সামাজিক ব্যাধি। কেইজনমান নিৰ্যাতনকাৰীক বধ কৰি ইয়াৰ অন্ত পেলাব নোৱাৰি। ওপৰৰ ঘটনাটোৰ কথাকে কওঁ। আমি গণতান্ত্ৰিক মহিলা সমিতিৰ পৰা উক্ত ঘটনাটোৰ তদন্ত কৰি মহিলা গৰাকীৰ স্বামীক লগ ধৰো আৰু এই ধৰণৰ অত্যাচাৰৰ তীব্ৰ প্ৰতিবাদ কৰো। মহিলা গৰাকীক ভৱিষ্যতে কোনো ধৰণৰ অত্যাচাৰ নকৰিবলৈ সকীয়াই দিয়া হয়। পিছত খবৰ লৈ জনা গৈছে যে তেওঁলোকে সুখে শান্তিৰে বৈবাহিক জীৱন যাপন কৰি আছে। কোনো ধৰণৰ শাৰীৰিক শাস্তি নিদিয়াকৈয়ে মানুহজনক নিজৰ ভুল শুধৰাই লোৱাত আমি সহায় কৰো। অৱশ্যে হত্যা, ধৰ্ষণ আদি গুৰুতৰ অপৰাধত দেশৰ আইন অনুসৰিয়েই দোষীক কঠোৰ শাস্তি দিব পৰা যায়। তাৰ বাবে প্ৰবল আন্দোলনো প্ৰয়োজন। কিন্তু কাৰ্য ক্ষেত্ৰত বহুতেই নানা অজুহাতত এই ধৰণৰ আন্দোলনৰ পৰা ফালৰি কাটি থকা দেখা যায়। নাৰী-পুৰুষ উভয়ৰে সামাজিক চেতনা প্ৰবল কৰি তুলিব পাৰিলেহে নাৰী নিৰ্যাতন বিৰোধী আন্দোলনত সফলতা লাভ কৰিব পৰা যায়।

যোৱা সময়ছোৱাত কংগ্ৰেছ (ই) দলৰ বহুতো নেতা আৰু কৰ্মীয়ে লক্ষ্মীমপুৰৰ দুজন চি পি আই (এম) দলৰ কৰ্মী আৰু অন্যান্য বহুতো লোকক আল্ফাই হত্যা কৰিছে। শেহতীয়াকৈ সাংবাদিক কমলা শইকীয়াৰ হত্যাকাণ্ডই প্ৰচণ্ড ক্ষোভৰ সৃষ্টি কৰিছে আৰু আল্ফাৰ গণতন্ত্ৰ বিৰোধী চৰিত্ৰ উদঙাই দিছে। আল্ফাৰ হাতত নিহত হোৱা ৰুচ খনি বিশেষজ্ঞ ছাৰ্গেই গ্ৰীটছেংকোৰ পত্নী নেলী গ্ৰীটছেংকোৱে তেওঁৰ স্বামীৰ মৃত্যু সংবাদ আজিও বিশ্বাস কৰিব পৰা নাই। কাৰণ তেওঁৰ স্বামীক কিয় হত্যা কৰা হ'ল সেই কথা তেওঁ বুজি পোৱা নাই। কবি নিত্যা দত্ত যে এগৰাকী পুলিচ বিষয়া তেওঁৰ মৃত্যুৰ দিনালৈকে জনাই নাছিলো। তেওঁক এজন কবি হিচাপেই ইমানদিনে জানি আহিছিলো। চৰকাৰী বিষয়া আৰু অ' এন জি চি-ৰ বিষয়া সকলৰ অপহৰণ আৰু কেইজনমানৰ হত্যাকাণ্ডই আল্ফাৰ বিপ্লৱী চৰিত্ৰ বুজাত অসমৰ ৰাইজক সহায় কৰিলে। এতিয়াও পণবন্দী হৈ থকা সকলে মৃত্যুৰ ক্ষণ গণি আছে।

এইদৰে অপহৰণ, হত্যাকাণ্ড আদিৰে সন্ত্ৰাস সৃষ্টি কৰি এমুঠিমান সশস্ত্ৰ যুৱকে অসমৰ জনসাধাৰণৰ মুক্তি আনিব পাৰিব বুলি আমি বিশ্বাস নকৰো।

## আমি ৰাষ্ট্ৰ সন্ত্ৰাসৰো বিৰোধী

আল্ফাক গ্ৰেপ্তাৰ কৰাৰ নামত নিৰপৰাধ যুৱকক গ্ৰেপ্তাৰ কৰি অমানুষিক অত্যাচাৰ কৰা হৈছে। ৰাজ্যখনৰ বিভিন্ন ঠাইত সেনাৰ লোকে যুৱতী-কিশোৰী ধৰ্ষণ কৰা, হত্যা কৰাৰ বাতৰি ওলাইছে। আমাৰ দেশৰ সেনাবাহিনীক অত্যাচাৰ নিপীড়নৰ

> অসমক ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন কৰি আনিলে এই আন্দোলন দুৰ্বল হব আৰু সাম্ৰাজ্যবাদী শক্তিৰ হাতোঁৰাৰ পৰা আমাৰ স্বাধীনতা ৰক্ষা কৰাও হয়তো সম্ভৱ নহব।

বিভিন্ন কৌশলেৰে ৰাষ্ট্ৰযন্ত্ৰই শিক্ষিত কৰি তুলিলেও উপযুক্ত নৈতিক শিক্ষাদান দিয়াৰ পৰা বিৰত থাকে। যাতে জনসাধাৰণৰ আন্দোলনক সুযোগ পালেই সেনা বাহিনী প্ৰয়োগ কৰি মষিমূৰ কৰি পেলাব পাৰে। অৱশ্যে অসমত চলি থকা সেনা বাহিনীৰ এই অত্যাচাৰ নিপীড়ন মাতি অনাৰ বাবে আল্ফাৰ সন্ত্ৰাস আৰু উগ্ৰপন্থাই জগৰীয়া। "স্বাধীন অসম"ৰ দাবীত এতিয়াও অবিচলিত হৈ থকাৰ বাবেই চৰকাৰৰ লগত আলোচনাও সম্ভৱপৰ হোৱা নাই। কিন্তু আমি ভাবো আলোচনা অনতিবিলম্বে অনুষ্ঠিত হোৱা উচিত। আলোচনাৰ মেজত দুয়ো পক্ষই নিজৰ নিজৰ যুক্তি বিশ্লেষণ আগবঢ়োৱাৰ যোগেদি সমাধানলৈ আগবঢ়া সম্ভৱ।

চৰকাৰেও কেৱল দমন পীড়নেৰে সমস্যাৰ সমাধান কৰিব নোৱাৰিব। সন্ত্ৰাসবাদী আৰু উগ্ৰপন্থীসকলক জনসাধাৰণৰ পৰা বিচ্ছিন্ন কৰি পেলোৱাৰ বাবে নিৰৱচ্ছিন্ন ভাবে ৰাজনৈতিক আন্দোলন গঢ়ি তোলাৰ বাবে অসমৰ ৰাজনৈতিক দল বিলাকে যি ভূমিকা পালন কৰিব লাগিছিল তাকো দৃঢ়ভাবে পালন কৰা আমি দেখিবলৈ পোৱা নাই। অলপতে পাঞ্জাৱৰ পৰা হাজাৰ হাজাৰ নৰ-নাৰীয়ে বিচ্ছিন্নতাবাদ, সন্ত্ৰাসবাদ, উগ্ৰপন্থাক ৰোধ কৰি পাঞ্জাৱ সমস্যা সমাধান কৰাৰ দাবীত দিল্লীৰ বোট ক্লাবত বিক্ষোভ প্ৰদৰ্শন কৰিছে। অসমত কেইগৰাকীমান বুদ্ধিজীৱীয়ে (ড° হীৰেণ গোহাঁই বিশেষভাবে উল্লেখযোগ্য) সন্ত্ৰাসবাদৰ বিৰুদ্ধে জনমত গঢ়ি তোলাৰ বাবে এক প্ৰচেষ্টা চলাইছে যদিও সামগ্ৰিক ভাবে আটায়ে ইয়াৰ গুৰুত্ব উপলব্ধি কৰিব পৰা নাই।

## গণ-আন্দোলনৰ মূল সুঁতিলৈ উভতি আহঁক

মেঘ ফুকন, অনিৰ্বান হাজৰিকা, নিহত আহত অসংখ্যা আল্ফা সদস্যৰ মাতৃ, বাই ভনী সকলৰ লগত আমিও সমদুখী। সেয়েহে আন্তৰিকতাৰে আশা কৰো যিসকলে আজি সমস্যা সমাধানৰ একমাত্ৰ পথ হিচাপে অস্ত্ৰ হাতত তুলি লৈছে তেওঁলোকে অস্ত্ৰ ত্যাগ কৰি গণ-আন্দোলনৰ মূল সুঁতিলৈ উভতি আহক। আহক আমি কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক পুনৰবিন্যাস কৰি ৰাজ্য সমূহলৈ অধিক ক্ষমতা দিয়াৰ দাবীত, প্ৰতিজন দুখীয়া খেতিয়কলৈ মাটিৰ দাবীত, অসমত ব্যাপক শিল্পোন্নয়নৰ দাবীত, প্ৰতিটি শিশুৰে শিক্ষা, পুষ্টি আৰু বিকাশৰ দাবীত, মাতৃ বাই-ভনী সকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবীত এক প্ৰবল গণ-আন্দোলন গঢ়ি তোলো।

দীপ্তি শইকীয়াঃ নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ কামৰূপ জিলা সমিতিৰ সম্পাদিকা আৰু অসম শাখাৰ যুটীয়া সম্পাদিকা। ৰঙিয়া হাই মদ্ৰাছাৰ শিক্ষয়িত্ৰী শ্ৰীমতী শইকীয়া এগৰাকী সমাজ সেৱিকাও।

# দুগৰাকী সাহসী নাৰী

প্ৰতি বছৰেই নবেল পুৰস্কাৰে আধা ডজন মানুহক ৰাতিটোৰ ভিতৰতে বিশ্ববিখ্যাত কৰি তোলে। এই বছৰ তেনেকৈ যি কেইজন ব্যক্তি বিশ্ববিখ্যাত হ'ল তেওঁলোকৰ তালিকাত আছে দুগৰাকী মহিলাৰ নামঃ নাডিন গৰ্ডিমাৰ আৰু আউঙ ছাঙ ছুউ কী। দক্ষিণ আফ্ৰিকাৰ শ্বেতাংগ লেখিকা নাডিন গৰ্ডিমাৰক সাহিত্যৰ কাৰণে আৰু আউঙ ছাঙ ছুউ কীক শান্তিৰ কাৰণে এই বছৰৰ নবেল পুৰস্কাৰ দিয়া হৈছে।

নবেল পুৰস্কাৰ পোৱাৰ আগলৈকে নাডিন গৰ্ডিমাৰৰ কোনো ৰচনা যদিও আমি পঢ়ি পোৱা নাছিলো, তথাপি তেওঁৰ নামটো আমাৰ কাৰণে একেবাৰে অচিনাকি নাছিল। কেইবছৰমানৰ আগতে ৰাষ্ট্ৰসংঘই যেতিয়া 'আন্তৰ্জাতিক নাৰী বৰ্ষ' উদ্‌যাপন কৰিছিল, সেই বছৰত বিশ্বৰ নাৰী সমাজৰ প্ৰতি সন্মান জনাবলৈ এগৰাকী মহিলা সাহিত্যিকক নবেল পুৰস্কাৰ দিয়াৰ প্ৰস্তাব বিবেচনা কৰা হৈছিল। এই প্ৰসংগত যি দুগৰাকী লেখিকাৰ নাম বিশেষভাবে উল্লিখিত হৈছিল তেওঁলোক আছিল নাডিন গৰ্ডিমাৰ আৰু চাইমন দ্য বভোৱা। নবেল পুৰস্কাৰ নোপোৱাকৈয়ে চাইমন দ্য বভোৱাৰ মৃত্যু হ'ল। কিন্তু অলপ পলমকৈ হলেও নাডিন গৰ্ডিমাৰে এই বহু-বাঞ্ছিত পুৰস্কাৰ লাভ কৰি দক্ষিণ আফ্ৰিকাৰ সাহিত্যৰ প্ৰতি বিশ্ববাসীৰ সশ্ৰদ্ধ মনোযোগ আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ল।



*নাডিন গৰ্ডিমাৰ*

এই বছৰৰ নবেল পুৰস্কাৰ লাভ কৰা দ্বিতীয় গৰাকী মহিলা আউঙ ছাঙ ছুউ কীৰ নামটো বেছিভাগ মানুহৰ কাৰণেই একেবাৰে আচহুৱা। যিসকল লোকে নিয়মিতভাবে আৰু খৰচি মাৰি বাতৰি কাকত পঢ়ে আৰু বিশ্বৰ ঘটনা-প্ৰবাহৰ লগত নিজকে পৰিচিত ৰাখিবলৈ যত্ন কৰে, তেওঁলোকে অৱশ্যে যোৱা বছৰৰ মে' মাহত হঠাৎ এদিন আউঙ ছাঙৰ নামটো শুনিবলৈ পাইছিল, কাৰণ সেই বছৰত মায়ান্‌মাৰত (আগৰ ব্ৰহ্মদেশ) অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত আউঙ ছাঙৰ নেতৃত্বাধীন 'নেশ্যনেল লীগ ফৰ ডেম'ক্ৰেচি' নামৰ দলটোৱে সেইদেশৰ সংসদৰ আশী শতাংশ আসন জয় কৰি চৰকাৰ গঠন কৰাৰ যোগ্যতা অৰ্জন কৰিছিল। কিন্তু ব্ৰহ্মদেশৰ যি বৰ্বৰ আৰু ফেচিষ্ট সামৰিক গোষ্ঠীয়ে ১৯৬২ চনৰ পৰা ব্ৰহ্মদেশ শাসন কৰি আহিছে আৰু সেই দেশৰ চাৰি কোটি মানুহক সমস্ত মানৱ-অধিকাৰৰ পৰা বঞ্চিত কৰি পদদলিত কৰি ৰাখিছে, তেওঁলোকে জনসাধাৰণৰ এই গণতান্ত্ৰিক ৰায় মানি লবলৈ ৰাজী নহ'ল। আউঙ ছাঙক চৰকাৰ গঠন কৰিবলৈ সুযোগ দিয়াৰ পৰিবৰ্তে সামৰিক গোষ্ঠীয়ে তেওঁক গৃহবন্দী কৰি ৰাখিবলৈ সিদ্ধান্ত ললে। যোৱা দেড় বছৰ ধৰি আউঙ ছাঙ গৃহবন্দী। কোনো মানুহৰ লগত –আনকি তেওঁৰ পৰিয়ালৰ মানুহৰ লগতো – তেওঁক দেখা কৰিবলৈ দিয়া নহয়। কাৰো লগত যাতে তেওঁ কথা পাতিব নোৱাৰে বা কোনো ধৰণৰ যোগাযোগ স্থাপন কৰিব নোৱাৰে সেই উদ্দেশ্যে তেওঁৰ ঘৰৰ টেলিফোনৰ লাইনো কাটি দিয়া হৈছে। তেওঁৰ একমাত্ৰ সংগী আছিল এটা পিয়ানো। দূৰৰ পৰা ভাহি অহা পিয়ানোৰ মধুৰ মূৰ্ছনাই মানুহক জাননী দিছিল যে সেই প্ৰহৰী-বেষ্টিত কাৰাগাৰ-সদৃশ ঘৰটোত নিশ্চয় কোনোবা মানুহ থাকে। কিন্তু যোৱা কেইবা মাহো ধৰি পিয়ানোৰ শব্দও কোনেও শুনিবলৈ নোপোৱা হ'ল। পিয়ানোটোকো নিশ্চয় তেওঁৰ পৰা কাঢ়ি নিয়া হ'ল।





স্বাধীন মায়ানমাৰৰ অন্ধকাৰ পাতালত এই বীৰাংগনা এনেকৈয়ে হেৰাই গৈছিল; বিশ্ববাসীয়ে তেওঁৰ কথা সমূলি পাহৰিয়ে গৈছিল। কিন্তু নবেল পুৰস্কাৰক অসংখ্য ধন্যবাদ, একমাত্ৰ নবেল পুৰস্কাৰৰ জহতেই আমি এই অকুতোভয় নাৰী আৰু তেওঁৰ বীৰত্বপূৰ্ণ সংগ্ৰামৰ কাহিনী জানিবলৈ বা স্মৰণ কৰিবলৈ সুযোগ পালো। আউঙ ছাঙৰ পিতৃ আছিল জেনেৰেল আউঙ ছান – ব্ৰহ্মদেশৰ ৰাষ্ট্ৰপিতা হিচাপে তেওঁ সেই দেশৰ ইতিহাসত অমৰ হৈ আছে। কিন্তু ভাৰতৰ ৰাষ্ট্ৰপিতা মহাত্মা গান্ধীৰ নিচিনাকৈ জেনেৰেল আউঙ ছানো ব্ৰহ্মদেশে স্বাধীনতা পোৱাৰ ঠিক পিছতেই আততায়ীৰ হাতত নিহত হয়। আউঙ ছাঙৰ বয়স তেতিয়া মাত্ৰ দুবছৰ। দিল্লীৰ শ্ৰীৰাম মহিলা কলেজ আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়ত উচ্চশিক্ষা লাভ কৰা আউঙ ছাঙে মাইকেল এৰিছ নামৰ এজন ইংৰাজ তিব্বেত-তত্ত্ববিদক বিয়া কৰি বিলাততে স্থায়ীভাবে থাকিবলৈ লৈছিল। কিন্তু বৰ্বৰ ফেচিষ্ট চক্ৰৰ হাতত তেওঁৰ দেশবাসী নিৰ্যাতিত হোৱাৰ বাতৰিয়ে আউঙ ছাঙক ইমান ব্যথিত কৰি তুলিলে যে বিদেশৰ আৰাম আৰু স্বাচ্ছন্দ্যৰ জীৱন ত্যাগ কৰি তেওঁ স্বদেশলৈ ঘূৰি আহিল আৰু গণতন্ত্ৰ পুনৰুদ্ধাৰ কৰাৰ সংগ্ৰামত জঁপিয়াই পৰিল। স্বাধীন মায়ানমাৰৰ পৰাধীন মানুহবোৰেও আউঙ ছাঙক নেতা ৰূপে বৰণ কৰি ললে – যাৰ প্ৰমাণ পোৱা গ'ল ১৯৯০ চনৰ মে' মাহৰ সাধাৰণ নিৰ্বাচনত। ওপৰতেই কৈ অহা হৈছে যে সেই নিৰ্বাচনত আউঙ ছাঙৰ দল 'নেশ্যনেল লীগ ফৰ ডেম'ক্ৰেচিয়ে' আশী শতাংশ আসন লাভ কৰিলে।



*আউঙ ছাঙ ছুউ কী*

যদিও যোৱা দেড় বছৰ ধৰি আউঙ ছাঙ গৃহবন্দী হৈ আছে, কিন্তু ইচ্ছা কৰিলেই যি কোনো মুহূৰ্ততে সেই বন্দী-দশাৰ পৰা তেওঁ মুক্তি লাভ কৰিব পাৰে। মায়ানমাৰৰ শাসক-চক্ৰই বাৰে বাৰে এই কথা কৈ আছে যে আউঙ ছাঙে যদি ৰাজনীতি নকৰো বুলি প্ৰতিশ্ৰুতি দিয়ে বা স্থায়ীভাবে বিদেশলৈ গুচি যাবলৈ সিদ্ধান্ত লয়, তেন্তে এই মুহূৰ্ততে তেওঁক মুক্তি দিয়া হ'ব। কিন্তু মহাত্মা গান্ধীৰ অভয়-মন্ত্ৰত দীক্ষিতা আউঙ ছাঙে মায়ানমাৰৰ শাসক-চক্ৰৰ এই প্ৰস্তাব পৰম ঘৃণাৰে প্ৰত্যাখ্যান কৰি ভয়ংকৰ বন্দী-দশাকেই বৰণ কৰি লবলৈ সংকল্প লৈছে। মায়ানমাৰক গণতন্ত্ৰ আৰু মানৱ-অধিকাৰৰ বধ্য-ভূমিত পৰিণত কৰা সেই দেশৰ বৰ্বৰ ফেচিষ্ট চক্ৰই আজি ভয় কৰে এই এজন মাত্ৰ ব্যক্তিক –নিৰ্জন পোতাশালত বন্দী হৈ থকা এই অকলশৰীয়া, অসহায়া, কৃশকায়া ৰমণী গৰাকীক। কেৱল নৈতিক শক্তিৰ বলেৰে এই অসামান্যা নাৰীয়ে নিজকে পৰিণত কৰিছে প্ৰচন্ড প্ৰতিৰোধৰ প্ৰতীক ৰূপে, এক নিষ্ঠুৰ ৰক্ত-লোলুপ সৈন্যবাহিনীৰ প্ৰবল সমকক্ষ ৰূপে। নবেল পুৰস্কাৰ সমিতিৰ বিচাৰক মন্ডলীয়ে ঠিকেই মন্তব্য কৰিছে যে যোৱা কেইবা দশক ধৰি বিশ্ববাসীয়ে এনে বীৰত্বপূৰ্ণ নৈতিক প্ৰতিৰোধৰ উদাহৰণ দেখিবলৈ পোৱা নাছিল।

এই বছৰ নবেল পুৰস্কাৰ লাভ কৰা দুয়োগৰাকী নাৰীয়েই নৈতিক বীৰ্য আৰু সাহসৰ জীৱন্ত প্ৰতিমূৰ্তি। দক্ষিণ আফ্ৰিকাৰ বীৰাংগনা লেখিকা নাডিন গৰ্ডিমাৰৰ নৈতিক সাহস আৰু সংগ্ৰামো কম প্ৰশংসনীয় নহয়। নিজে শ্বেতাংগ ৰমণী হৈয়ো তেওঁ দক্ষিণ আফ্ৰিকাৰ ক'লা মানুহৰ গণতান্ত্ৰিক অধিকাৰ আৰু মানৱিক মৰ্যাদা ৰক্ষা কৰিবৰ কাৰণে গোটেই জীৱন ধৰি অক্লান্তভাবে সংগ্ৰাম কৰিছে; জনপ্ৰিয়তাৰ লোভে বা অকলশৰীয়া হোৱাৰ ভয়ে তেওঁক মুহূৰ্তৰ কাৰণেও বিচলিত কৰিব পৰা নাই। আজিৰ এই কাপুৰুষৰ যুগত মানৱতাৰ পুনৰুদ্ধাৰৰ কাৰণে যিটো বস্তুৰ প্ৰয়োজন আটাইতকৈ বেছি হৈছে সেইটো হ'ল নৈতিক সাহস। নাডিন গৰ্ডিমাৰ আৰু আউঙ ছাঙ ছুউ কী – এই দুয়োগৰাকী ৰমণীয়েই সেই নৈতিক সাহসৰ জীৱন্ত প্ৰতিমূৰ্তি। তেওঁলোকলৈ নমস্কাৰ। সূ

> যি মানুহ নিৰ্ভীক তেওঁক আন একো মুক্তি নালাগে। তেওঁ নিজেই নিজৰ মুক্তি
>
> *ৰবাৰ্ট ব্ৰীজেছ*

ৰাজনৈতিক প্ৰতিবেদন

# আল্‌ফা আৰু সৈন্যবাহিনী

দুলাল বৰা

আল্‌ফাৰ বাবেই যে অসমভূমিত সৈন্য বাহিনী নিয়োজিত হ'ল সেই কথা বুজিবলৈ আৰু বাকী নাই। সমগ্ৰ দেশৰ প্ৰতিৰক্ষাৰ বাবে মজুত হৈ থকা সৈন্য বাহিনীটোক দেশৰ ভিতৰতেই নিয়োজিত কৰিব লগা হোৱাটো নিঃসন্দেহে এক অত্যন্ত অপ্ৰীতিকৰ ঘটনা। অসমৰ মানুহৰ বাবে কোনো কালে সৈন্য বাহিনী কাম্য নাছিল। শান্তিপ্ৰিয় আৰু গণতান্ত্ৰিক কোনো লোকৰ বাবেই ই কাম্য হ'ব নোৱাৰে। অসমৰ হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন চৰকাৰেও আনকি পোনচাটেই সৈন্য বাহিনী আনিব খোজা নাছিল বা পৰা নাছিল। প্ৰায় আঢ়ৈটা মাহ বিভিন্ন প্ৰকাৰে আল্‌ফাৰ দ্বাৰা সৃষ্ট পৰিস্থিতিটোৰ মোকাবিলা কৰাৰ চেষ্টাহে পৰিলক্ষিত হৈছিল। সম্ভৱতঃ একমাত্ৰ বিজেপি দলৰ দুই এগৰাকী সৰ্বভাৰতীয় নেতাৰ বাহিৰে খোলাখুলিকৈ সৈন্য বাহিনী অসমত নমোৱাৰ দাবী আন কোনেও কৰা নাছিল। 'অসমলৈ সৈন্য বাহিনী ময়েই আনিছো আৰু ইয়াৰ দায়িত্বও মোৰ' বুলি মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই কিছুদিন পিছত কৰা উক্তিটো বহুল প্ৰচাৰিত। গৰ্ব কৰাৰ উদ্দেশ্যেৰে নে দায়িত্বৰ পৰা পলাব নোখোজাৰ উদ্দেশ্যেৰে এই উক্তি মুখ্য মন্ত্ৰী জনাই কৰিছিল, সেই বিষয়ে আলোচনা নকৰিলেও কিন্তু এটা কথা হেলাৰঙে কব পাৰি যে দিছপুৰত নতুন চৰকাৰে ক্ষমতা পোৱাৰ পিছৰে পৰাই আল্‌ফাই হত্যা, সন্ত্ৰাস আৰু অপহৰণেৰে যি এক পৰিস্থিতিৰ জন্ম দিছিল সেই পৰিস্থিতি নোহোৱা হলে মুখ্য মন্ত্ৰী শইকীয়াই অসমলৈ সৈন্য বাহিনী 'অনা'ৰ ক্ষমতাকে নেপালেহেঁতেন। ৰাজ্য চৰকাৰ এটাই দৰ্খাস্ত কৰিলে বুলিয়েই কেন্দ্ৰীয় চৰকাৰে কলৈকো সৈন্য বাহিনী পঠাই দিব নোৱাৰে। তেনে নজিৰো এতিয়ালৈকে নাই। সঁচা অৰ্থত সৈন্য বাহিনী নিয়োজন কৰাৰ ক্ষেত্ৰত মুখ্য মন্ত্ৰী এগৰাকীৰ ভূমিকা তেনেই গৌণ। প্ৰয়োজন বোধ কৰিলে মুখ্য মন্ত্ৰী গৰাকী বা ৰাজ্যিক মন্ত্ৰী সভাক বৰ্খাস্ত কৰি হলেও কেন্দ্ৰীয় চৰকাৰে কাম ফেৰা কৰিবই। সংবিধানেই সেই কৰ্তৃত্বখিনি দি থৈছে। বিগত অপাৰেচন বজৰঙৰ সময়ত গণ পৰিষদ চৰকাৰক বৰ্খাস্তি কৰিয়েই কেন্দ্ৰত থকা অকংগ্ৰেছী চৰকাৰটোৱে অসমলৈ সৈন্য বাহিনী পঠোৱাৰ ঘটনা কাৰো বিস্মৃত নহয়। গতিকে এনে অৱস্থাত মুখ্য মন্ত্ৰী শইকীয়াৰ তেনে উক্তি নিতান্তই সাৰশূন্য।

> "যোৱা বছৰ জোনাক নিশাৰ ৰাতি এটাত, নলবাৰী অঞ্চলৰ পুখুৰী এটাৰ পাৰত আল্‌ফাৰ প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনৰ সৈতে হোৱা সুদীৰ্ঘ আলাপ-আলোচনাৰ মাজতে তেওঁ মোৰ আগত স্বীকাৰ কৰি কৈছিল যে এক বিপ্লৱী উত্থানৰ বাবে প্ৰয়োজনীয় গণভিত্তি আল্‌ফাৰ তেতিয়াও হোৱা নাই। 'আমি সৈন্য বাহিনী অহাটো বিচাৰো, গাওঁবোৰত সৈন্য বাহিনী সোমোৱাটো বিচাৰো, "

সৰ্বসাধাৰণ ৰাইজৰ মাজত হোৱা অস্ত্ৰধাৰী সৈন্য বাহিনীৰ বুট জোতাৰ গিৰিপনিত যে সদায় নিহত হয় অলেখ সত্য, সদায় নিৰ্যাতিত হয় অনেক নিৰপৰাধী মানুহ – সেই কথা বুজাবলৈ বা বুজিবলৈ বক্তৃতা বা বিবৃতি নেলাগে। অসমৰ মাটিত সেই অভিজ্ঞতাকে দিছিল 'অপাৰেচন বজৰঙ'ৰ সময়ছোৱাত। 'আল্‌ফা' সেনানী সকলৰো সেই অভিজ্ঞতা নোহোৱাকৈ থকা নাছিল। কিন্তু তেওঁলোকেই যোৱা জুলাই-আগষ্ট মাহত পুনৰ অসমৰ বুকুত চকুৰ পচাৰতে এনে এক পৰিস্থিতি সৃষ্টি কৰি পেলালে যে সৈন্য বাহিনী নিয়োজনৰ বাহিৰে গত্যন্তৰ নাই বুলি অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক জনোৱাৰ সুযোগ পালে ঠিক যিদৰে অপাৰেচন বজৰঙৰ আগে আগে তেতিয়াৰ ৰাজ্যপাল দেৱীদাস ঠাকুৰেও পাইছিল। আৰু সেইমতে কেন্দ্ৰীয় চৰকাৰেও কামফেৰা কৰাৰ সাহস দুয়োবাৰেই পালে। মুঠৰ ওপৰত, আল্‌ফা সৃষ্ট সন্ত্ৰাসমূলক পৰিস্থিতিয়েই অসমৰ মাটিলৈ সৈন্য বাহিনীক আমন্ত্ৰণ কৰিলে।

কিন্তু আশ্চৰ্যৰ কথা যে সৈন্য বাহিনীক আল্‌ফাৰ সেনানী সকলে কতোৱেই কিঞ্চিতমানো প্ৰতিৰোধ কৰা নাই। ফলস্বৰূপে বহু ক্ষেত্ৰত সৈন্য বাহিনীৰ গচকত সাধাৰণ নিৰপৰাধী অসমীয়া মানুহেই জীয়াতু ভুগিছে। আল্‌ফাৰ কিছু সংখ্যক লোকক ইতিমধ্যে সৈন্য বাহিনীয়ে কৰায়ত্ত কৰিছে সঁচা। কিন্তু এইটোও সঁচা যে সৈন্য বাহিনীক প্ৰতিৰোধ কৰাৰ সলনি তেখেত সকলৰ কিছুৱে নিৰাপদ টিলাৰ পৰা 'সৈন্য বাহিনীৰ অত্যাচাৰ কিমান বৰ্বৰ' সেই কথাহে অসমৰ ৰাইজক বুজোৱাত লাগিছে। যেন কোনেও সেই কথা নেজানেই বা নুবুজে! 'আল্‌ফা'ৰ এনে ভূমিকা ইতিমধ্যে অসমৰ কিছু সংখ্যক কাকত-পত্ৰত সমালোচিত নোহোৱাকৈও থকা নাই।

প্ৰশ্ন হয়, অসমৰ মানুহৰ ভাৰত বিতৃষ্ণা বঢ়োৱাৰ উদ্দেশ্যেৰেই আল্‌ফাই এনে








*সন্ত্ৰাসৰ ভয়ত পেঁপুৱা লাগি পালে পালে পণ্ডিত, বুদ্ধিজীৱী আৰু শিল্পীয়ে তথাকথিত "দিল্লীবাদ বিৰোধিতা"ৰ নিৰাপদ মুখা পিন্ধিবলৈ লোৱাৰ সময়তো, কাশ্মীৰৰ প্ৰথিতযশা চিত্ৰশিল্পী বংশী পৰিমু-ৱে ডিঙিত দুখন সন্ত্ৰাসবাদ বিৰোধিতাৰ পেইন্টিং আঁৰি অলপতে নতুন দিল্লীত বিক্ষোভ কৰাৰ দৃশ্য।*

কৌশল লোৱা নাইতো? গেৰিলা কৌশলৰেই ই এক অংগ নহয়তো? এগৰাকী সাংবাদিকৰ প্ৰতিবেদনত প্ৰকাশিত আল্‌ফাৰ শীৰ্ষ নেতা এগৰাকীৰ বক্তব্যত কিন্তু এনে সন্দেহেই তীব্ৰ হবলৈ বাধ্য। আমেৰিকাৰ 'নিউইয়ৰ্ক টাইমচ্‌' নামৰ প্ৰখ্যাত কাকতখনৰ সংবাদদাতা সঞ্জয় হাজৰীকাৰ এক প্ৰতিবেদন প্ৰকাশিত হৈছিল নতুন দিল্লীৰ 'ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতত যোৱা ২৪ ফেব্ৰুৱাৰী তাৰিখে। 'অপাৰেচন বজৰঙ'ৰ পিছত প্ৰকাশিত হলেও উক্ত প্ৰতিবেদনত আল্‌ফাৰ প্ৰচাৰ বিভাগৰ মুৰব্বী সিদ্ধাৰ্থ ফুকনৰ সৈতে আগৰটো বছৰতে হোৱা সাংবাদিক গৰাকীৰ আলাপৰ কথা উল্লিখিত হৈছিল। সাংবাদিক গৰাকীৰ মতে আল্‌ফাই কৌশলগত কাৰণতে অসমৰ নিৰীহ জনসাধাৰণৰ ওপৰত সৈন্য বাহিনীৰ 'অত্যাচাৰ' হোৱাটো বিচাৰিছিল। উল্লেখযোগ্য যে সাংবাদিক গৰাকীৰ উক্ত প্ৰতিবেদনৰ প্ৰতিবাদ আল্‌ফাৰ তৰফৰ পৰা কৰা হোৱা নাছিল।

প্ৰতিবেদনত কোৱা হৈছিল – "যোৱা বছৰ জোনাক নিশাৰ ৰাতি এটাত, নলবাৰী অঞ্চলৰ পুখুৰী এটাৰ পাৰত আল্‌ফাৰ প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনৰ সৈতে হোৱা সুদীৰ্ঘ আলাপ-আলোচনাৰ মাজতে তেওঁ মোৰ আগত স্বীকাৰ কৰি কৈছিল যে এক বিপ্লৱী উত্থানৰ বাবে প্ৰয়োজনীয় গণভিত্তি আল্‌ফাৰ তেতিয়াও হোৱা নাই। 'আমি সৈন্য বাহিনী অহাটো বিচাৰো, গাওঁবোৰত সৈন্য বাহিনী সোমোৱাটো বিচাৰো, গাঁৱৰ মানুহে সিহঁতক সমৰ্থন নকৰিব বাবেই সৈন্যই অত্যাচাৰো চলাব আৰু ফলস্বৰূপে মানুহখিনিও সৈন্য বাহিনীৰ বিৰুদ্ধে যাব।' গাওঁবোৰত সৈন্য বাহিনীৰ প্ৰতি ঘৃণা ওপজাবৰ বাবে আল্‌ফাই তেতিয়া বেছি কাম নকৰিলেও হ'ব তেতিয়া মানুহবোৰে আমাৰ মুখলৈ 'চাব আৰু আমিও সাজু হৈ পৰিম।"

আল্‌ফা নেতা গৰাকীৰ মুখৰ পৰা ওলোৱা এইখিনি কথা সাংবাদিক গৰাকীয়েই লিপিবদ্ধ কৰিছে। পঢ়ুৱৈৰ সুবিধাৰ বাবে উক্ত অংশটো ইংৰাজীতেই হুবহু তুলি দিয়া হ'ল।

"The scale of the army operations is one basic element of the ULFA strategy. Last year, on a moonlight night, near a village pond in the Nalbari area, Siddharth Phukan, ULFA's publicity secretary, told me during the course of a long conversation during which he acknowledged that ULFA still did not have the mass base for a revolutionary surge: 'We want the army to come, we want it to enter the villages, then they will commit atrocities because people won't support them, and people will turn against them. ULFA will not have to do very much to make the uniform hated in the villages. Then the people will turn to us and we will be ready." (ULFA — Playing a waiting game: by — Sanjoy Hazarika, Indian Express New Delhi, dated February 24, 1991).

এটা কথা মন কৰা দৰকাৰ যে অসমৰ পৰা সৈন্য বাহিনী আঁতৰাব লাগে বুলি স্পষ্টকৈ আল্‌ফাই এতিয়াও কোৱা নাই। কিন্তু 'ৰাষ্ট্ৰ সন্ত্ৰাস' তথা 'অসম বাসীৰ ওপৰত সশস্ত্ৰ দানৱৰ দল'ৰ অত্যাচাৰৰ কথা কৈছে আৰু যিসকল বুদ্ধিজীৱীয়ে ৰাষ্ট্ৰ সন্ত্ৰাসৰ বিৰুদ্ধে আন্দোলনৰ আহ্বান জনাইছিল সেই সকললৈ আদৰণিও জনাইছে।

আল্‌ফাই নিজৰ কৰ্মকাণ্ডৰ যোগেদিয়েই সৈন্য বাহিনীক অসমলৈ আহিবলৈ সুযোগ দিয়া আৰু অসম বাসীক ভাৰত বিৰোধী কৰি তোলাৰ উদ্দেশ্যেৰেই সৈন্য বাহিনীক কতো অকণো প্ৰতিৰোধ নকৰি গাঁৱে-ভূঞে পিয়াপি দি কাণি-মুণি-বাই কৰি থাকিবলৈ দিয়াটো 'গেৰিলা কৌশলে'ই বুলি ধৰি ললেও কিন্তু এটা কথা স্পষ্ট যে এই গোটেই খেলখনৰ মাধমাৰটো অসম আৰু অসমৰ সৰ্বসাধাৰণ ৰাইজৰ মূৰৰ ওপৰতেই মোক্ষমভাবে পৰিছে। সূ

# সচিবালয় প্ৰশাসনত এতিয়াও বিষয়াৰ চিকাৰ-খেল

কিছুদিনৰ আগতে ৰাজ্য চৰকাৰে তিনি গৰাকী জ্যেষ্ঠ আই, এ, এছ বিষয়াৰ পৰা কৈফিয়ৎ বিচাৰিছিল বুলি জানিব পৰা হৈছে। ইয়াৰে দুগৰাকী বিষয়াক চৰকাৰে ইতিমধ্যে সাৱধান কৰি দিছে বুলি জনা যায়। কৈফিয়ৎ বিচৰা তৃতীয় গৰাকী বিষয়া হ'ল, প্ৰফুল্ল চন্দ্ৰ মিশ্ৰ। সম্প্ৰতি এই গৰাকী বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লব পৰা হোৱা নাই বুলি ভূ-ৰখা মহলে জনাইছে। শ্ৰীমিশ্ৰ সম্প্ৰতি অসম ৰাজহ বোৰ্ডৰ চেয়াৰমেন। মহন্ত চৰকৰৰ শাসন কালত খুব কম সময়ৰ বাবে তেওঁ ৰাজ্যৰ মুখ্য সচিব হৈছিল। সেই সময়ত ঘটা এটা ঘটনাৰ ওপৰত ভিত্তি কৰিয়েই শ্ৰীমিশ্ৰৰ পৰা কৈফিয়ৎ বিচাৰিছে বুলি জনা যায়।

বিশ্বস্ত সূত্ৰৰ পৰা জানিব পৰা মতে হৰেন্দ্ৰ নাথ দাস, আই, এ, এছ, গুৱাহাটী চাহ নীলাম কেন্দ্ৰৰ চেয়াৰমেন হৈ থাকোতে তেওঁ নতুন দিল্লীৰ বাণিজ্যিক মন্ত্ৰণালয়লৈ এটা 'টেলেক্স' (Telex) বাৰ্তা প্ৰেৰণ কৰিছিল। সেই বাৰ্তাটোৱেই হেনো ৰাজ্য চৰকাৰখনক বাৰুকৈয়ে বিমোৰত পেলাইছিল। মুখ্য সচিবৰ নিৰ্দেশ ক্ৰমে তেতিয়াৰ গৃহ আয়ুক্ত চন্দ্ৰকান্ত দাসে বিষয়টোৰ ওপৰত অনুসন্ধান কৰি এটা টোকা মুখ্য সচিবক দাখিল কৰে। উক্ত টোকাৰ ওপৰত ভিত্তি কৰিয়েই তেতিয়াৰ চৰকাৰে হৰেন্দ্ৰ নাথ দাসক নিলম্বিত কৰাৰ প্ৰমাণ নথিত দেখা যায়।

এতিয়া প্ৰশ্ন হ'ল উক্ত টেলেক্স বাৰ্তাৰ বিষয় বস্তু কি আছিল, আৰু কিয়ইবা হৰেন্দ্ৰ নাথ দাসক নিলম্বিত কৰা হৈছিল আৰু তেতিয়া বিষয়টো অনুসন্ধান কৰি গৃহ আয়ুক্ত গৰাকীয়ে মুখ্য সচিবক কি টোকা দাখিল কৰিছিল আৰু তেতিয়াৰ মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই বা ফাইলত কি লিখিছিল, সেই সম্পৰ্কে বিতং তথ্যপাতি সম্প্ৰতি পোহৰলৈ আহিছে। অতিৰিক্ত মুখ্য সচিব ভাস্কৰ বৰুৱাই যোৱা ২০ ছেপ্তেম্বৰ তাৰিখে শ্ৰীমিশ্ৰলৈ প্ৰেৰণ কৰা চিঠিত এই বুলি কোৱা জনা যায় যে ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া প্ৰফুল্ল চন্দ্ৰ মিশ্ৰই তেতিয়াৰ মুখ্য মন্ত্ৰী গৰাকীক ভুৱা অভিযোগৰ ভিত্তিতে ইচ্ছাকৃত ভাবে হৰেন্দ্ৰ নাথ দাসৰ বিৰুদ্ধে কাৰ্য ব্যৱস্থা লবলৈ বাট মুকলি কৰি দিছিল। সেয়ে শ্ৰীমিশ্ৰই এই পত্ৰ প্ৰাপ্তিৰ ৭ দিনৰ ভিতৰতে তেওঁ কিয় চৰকাৰৰ এজন জ্যেষ্ঠ বিষয়াৰ বিৰুদ্ধে এনে ধৰণৰ তথ্যগত ভাবে অশুদ্ধ ভিত্তিহীন আৰু একপক্ষীয় টোকা দাখিল কৰিছিল সেই সন্দৰ্ভত তেওঁৰ স্থিতি আৰু আচৰণ সম্পৰ্কীয় গ্ৰহণযোগ্য ব্যাখ্যা দিয়াটো ৰাজ্য চৰকাৰে বিচাৰিছে।

এতিয়া আকৌ প্ৰশ্ন হ'ল, শ্ৰীমিশ্ৰই হৰেন্দ্ৰ নাথ দাসৰ বিৰুদ্ধে কি টোকা মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক দাখিল কৰিছিল, সেই সম্পৰ্কে অবগত হবলৈ হ'লে টেলেক্স বাৰ্তাটোৰ ব্যক্তব্যখিনি জনাটো অতীৱ প্ৰয়োজন। উল্লেখযোগ্য যে উক্ত বাৰ্তা প্ৰেৰণ কৰিছিল যোৱা বছৰ নৱেম্বৰ মাহৰ ২১ তাৰিখে। ইংৰাজীত প্ৰেৰণ কৰা টেলেক্স বাৰ্তাটোৰ অসমীয়া অনুবাদ হ'ল এনে ধৰণৰঃ

"ব্যক্তিগত– প্ৰেৰকঃ শ্ৰী এইছ এন দাস, চেয়াৰমেন, গুৱাহাটী চাহ নীলাম কেন্দ্ৰ, গুৱাহাটী।

প্ৰতি,

শ্ৰীকে, এ, অৰ্ধনাৰীচৰণ, বিশেষ সচিব, বাণিজ্যিক মন্ত্ৰণালয়, নতুন দিল্লী।

মেচাৰ্ছ ব্ৰুক বণ্ড, লিপ্টন আৰু জে, ভি, গকলে গুৱাহাটী চাহ নীলাম কেন্দ্ৰত ৬০ শতাংশৰো অধিক চাহ ক্ৰয় কৰে, সেই কোম্পানীবোৰে অংশ গ্ৰহণ নকৰাৰ ফলত গুৰুতৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বিগত দুটা সপ্তাহত অৰ্থাৎ ১৩ আৰু ১৪ নৱেম্বৰ, ২০ আৰু ২১ নৱেম্বৰৰ সময়ছোৱাত শ্ৰেণী বিভক্ত কৰা ৫০ শতাংশৰো অধিক চাহ দালালৰ (ব্ৰ কাৰ– Broker) দ্বাৰা উঠাই লব লগা হৈছিল। ইয়াৰ ফলত নিশ্চিত ভাবে সমগ্ৰ দেশত দাম ঊৰ্ধগামী হব, আমি বিদেশলৈ জাহাজত পঠিওৱা চাহৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব, পণ্যগাৰ সমূহ বন্ধ হৈ পৰিব আৰু উৎপাদনকাৰী সকলৰ নগদ ধনৰ আদান-প্ৰদানৰ কাৰণে শ্ৰমিক অশান্তি হব। অহা সপ্তাহৰ পৰা গুৱাহাটী চাহ নীলাম কেন্দ্ৰত আকৌ অংশ গ্ৰহণ কৰিবৰ বাবে উক্ত কোম্পানী তিনিটাৰ ওপৰত প্ৰভাৱ বিস্তাৰ আৰু অনতিপলমে এই ক্ষেত্ৰত অনুগ্ৰহ কৰি হস্তক্ষেপ কৰিলে বাধিত হ'ম। বিষয়টো অত্যন্ত জৰুৰী।"

উল্লেখযোগ্য যে চেয়াৰমেন গৰাকীয়ে উক্ত টেলেক্স বাৰ্তাৰ এটা নকল অসমৰ মুখ্য মন্ত্ৰীৰ প্ৰধান ব্যক্তিগত সচিবলৈকো প্ৰেৰণ কৰে। তাত কোৱা হৈছে যে '১৯৯০ চনৰ ১১ নৱেম্বৰত মুখ্য মন্ত্ৰীৰ লগত হোৱা মোৰ আলোচনাৰ প্ৰসংগটো ইয়াৰ লগত প্ৰাসংগিক। এইটো বিশেষ ভাবে প্ৰয়োজনীয় যে উক্ত কোম্পানী তিনিটাৰ কাম-কাজৰ কাৰণে ৰাজ্য চৰকাৰে এটা সুস্থ বাতাবৰণ সৃষ্টি কৰিব লাগে; কিয়নো এই কোম্পানী কেইটাই চাহ নীলামত ভাগ নললে ক্ষুদ্ৰ ক্ষুদ্ৰ ক্ৰেতাসকলৰ মনোবল ভাঙি পৰিব আৰু গুৱাহাটী চাহ নীলাম কেন্দ্ৰৰ স্থিতিকে সন্দেহযুক্ত কৰি তুলিব।" (টেলেক্স বাৰ্তাৰ ফটোকপি ইয়াৰ লগতে প্ৰকাশ কৰা হৈছে।)।

মুখ্য মন্ত্ৰীৰ প্ৰধান ব্যক্তিগত সচিবলৈ প্ৰেৰণ কৰা নকলৰ বক্তব্যখিনি ফঁহীয়াই চালে দেখা যায় যে উক্ত বক্তব্যত চেয়াৰমেন গৰাকীয়ে সেই সময়ত ৰাজ্যখনৰ সাম্প্ৰতিক আইন শৃংখলা সম্পূৰ্ণভাবে ব্যাহত হোৱাৰ ইংগিত দিয়ে যাৰ বাবে চাহ কোম্পানী তিনিটাই নীলামত ভাগ লব পৰা নাই। চেয়াৰমেন গৰাকীৰ তেনে উক্তিয়ে মহন্ত চৰকাৰক যে বিব্ৰত কৰিছিল সেইটো সহজে অনুমান কৰিব পাৰি। গতিকে মুখ্য মন্ত্ৰীয়ে বিচৰা মতে বিষয়টো অনুসন্ধান কৰিবলৈ ভাৰ পৰে তেতিয়াৰ গৃহ আয়ুক্ত চন্দ্ৰকান্ত দাসৰ ওপৰত। ২৩ নৱেম্বৰত গৃহ আয়ুক্তই বিষয়টো অনুসন্ধান কৰি মুখ্য সচিবক এটা টোকা দাখিল কৰে। উক্ত টোকাৰ সাৰাংশ এনে ধৰণৰঃ

মুখ্য সচিব,

১৯৮৯-৯০ (এপ্ৰিল ৮৯ পৰা মে') এই সময়ছোৱাৰ ভিতৰত গুৱাহাটী চাহ নীলাম কেন্দ্ৰত ১৪৯.২ নিযুত কিলোগ্ৰাম চাহ বিক্ৰী





T E L E X

21.11.90

PERSONAL FROM SHRI H. N. DAS, CHAIRMAN, GUWAHATI TEA AUCTION CENTRE, GUWAHATI.

TO SHRI K. A. ARDHANAREESWARAN, SPECIAL SECRETARY COMMERCE MINISTRY NEW DELHI (.) NON-PARTICIPATION OF M/S BROOKE BOND COMMA LIPTON AND J. V. GOKAL WHO TOGETHER NORMALLY BUY MORE THAN SIXTY PERCENT OF TEAS OFFERED AT GUWAHATI AUCTIONS HAS CREATED A SERIOUS SITUATION (.) MORE THAN FIFTY PERCENT OF TEAS CATELOGUED DURING PAST TWO WEEKS THAT IS NOVEMBER 13 AND 14 AND NOVEMBER 20 AND 21 HAD TO BE WITHDRAWN BY BROKERS (.) THIS WILL DEFINITELY RESULT IN PRICE ESCALATION THROUGHOUT COUNTRY COMMA AFFECT OUR FOREIGN SHIPMENTS COMMA CLOG UP WAREHOUSES AND CREATE LABOUR UNREST DUE CASH FLOW PROBLEM OF PRODUCERS (.) GRATEFUL IF YOU KINDLY-INTERVENE URGENTLY AND PREVAIL UPON THESE THREE COMPANIES TO START PARTICIPATING IN GUWAHATI AUCTIONS ONCE AGAIN FROM NEXT WEEK ONWARDS (.) MATTER MOST IMMEDIATE (.) EOM

---

Memo No.GTAC.2/90 -A, dated Dispur the 21st November, 1990.

Post copy in confirmation to Shri K. A. Ardhanareeswaran, Special Secretary, Ministry of Commerce, New Delhi.

Sd/- (H. N. Das)
Chairman,
Guwahati Tea Auction Centre,
Dispur, Guwahati 781006.

Copy (Not on original) to PPS to Chief Minister, Assam. This has reference to the discussion I have had with the Chief Minister on November 11, 1990. It is absolutely essential that the State Government create an atmosphere congenial to the functioning of these three companies because their further non-participation in the auctions will break up the morale of the smaller buyers and put the very existence of the Guwahati Tea Auction Centre in doubt.

(H. N. Das)
Chairman,
Guwahati Tea Auction Centre,
Dispur, Guwahati 781006.






OKDISCD

কৰা হৈছিল। চলিত বছৰত প্ৰথম ৭ মাহত অৰ্থাৎ এপ্ৰিলৰ পৰা অক্টোবৰ ৯০ লৈকে গুৱাহাটী চাহ নীলাম কেন্দ্ৰত ৮৭.৭৪ নিযুত কিলোগ্ৰাম চাহ বিক্ৰী হৈছিল। কালি গুৱাহাটী চাহ নীলাম কেন্দ্ৰৰ পৰা পোৱা অৱস্থিতি ইয়াৰ লগত গাঁথি দিয়া হ'ল। মেচাৰ্ছ ব্ৰুক বণ্ড আৰু মেচাৰ্ছ লিপ্‌টনে এই বছৰত যোৱা বছৰত ক্ৰয় কৰা চাহৰ তুলনাত যথাক্ৰমে শতকৰা ৫০ ভাগ আৰু শতকৰা ৬০ ভাগতকৈও অধিক চাহ ইতিমধ্যেই ক্ৰয় কৰিছে। মেচাৰ্ছ গক্‌লেও যোৱা বছৰত ক্ৰয় কৰা চাহৰ তুলনাত শতকৰা ৬৫ ভাগতকৈও অধিক চাহ ইতিমধ্যে ক্ৰয় কৰিছে। বাকী থকা চাহখিনি ক্ৰয় কৰিবলৈ ৪টা মাহ এতিয়াও বাকী। ১৯৮৯ চনৰ এপ্ৰিলৰ পৰা অক্টোবৰলৈকে গুৱাহাটী চাহ নীলাম কেন্দ্ৰত ৮৫.২০ নিযুত কিলোগ্ৰাম চাহ বিক্ৰী কৰা হৈছিল। চলিত বছৰত সেই একেখিনি সময়ৰ ভিতৰত ৮৭.৭৪ নিযুত কিলোগ্ৰাম চাহ বিক্ৰী কৰা হৈছিল।

থোৰতে ক'বলৈ হ'লে তিনিটা চাহৰ ব্ৰ কাৰে গুৱাহাটী চাহ নীলাম কেন্দ্ৰত ভাগ নললেই যে চাহ বিক্ৰী নহব অথবা কেন্দ্ৰটো অচল হৈ পৰিব সেইদৰে কোৱাটো সত্য নহয়। বিষয়টোৱে সামগ্ৰিক ভাবে চাহ উদ্যোগৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা নাই কিয়নো অসমৰ চাহ উদ্যোগ, গুৱাহাটী চাহ নীলাম কেন্দ্ৰ নোহোৱাকৈয়ে এশ বছৰৰো অধিক কাল ধৰি কেৱল বৰ্তি থকাই নহয়, ইয়াৰ সম্প্ৰসাৰণো হৈছে আৰু ই উন্নতিও কৰিছে। অৱশ্যে গুৱাহাটী চাহ নীলাম কেন্দ্ৰৰ গুৰুত্ব বজাই ৰাখিবলৈ ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ।

যিহেতু গুৱাহাটী চাহ নীলাম কেন্দ্ৰৰ পৰা কেইজনমান ক্ৰেতাই নিজৰ নাম প্ৰত্যাহাৰ কৰিছে, সেয়ে চাহখিনি ৰাজ্যৰ বাহিৰৰ নীলাম কেন্দ্ৰলৈকে পঠাব পাৰি। ইয়াক বন্ধ কৰিবৰ বাবে যদিহে চাহ ৰাজ্যৰ বাহিৰলৈ বিক্ৰীৰ বাবে পঠিওৱা হয়, তেতিয়াহ'লে অনতিপলমে এখন অধ্যাদেশৰ দ্বাৰা আমি প্ৰতিকিলো চাহৰ ওপৰত দুটকাকৈ কৰ আৰোপ কৰিব পাৰো।

ভাৰত চৰকাৰৰ বাণিজ্য মন্ত্ৰণালয়ৰ বিশেষ সচিব শ্ৰীকে, এ, অৰ্ধনাৰীচৰণলৈ গুৱাহাটী চাহ নীলাম কেন্দ্ৰৰ চেয়াৰমেনে প্ৰেৰণ কৰা টেলেক্স বাৰ্তা মুখ্য সচিবে চাব পাৰে। গুৱাহাটী চাহ নীলাম কেন্দ্ৰত চাহ ক্ৰয় কৰিবলৈ বন্ধ কৰি দিয়া উক্ত কোম্পানী


-3-

CM

N.Ws from p/pr is for perusal.
We can't form our opinion on one
sale only. As analysed by Home
Commissioner the two companies have taken
more than they had taken during the
last 6 months.

'X' passage is uncalled for
without consulting State Govt. CM
may kindly decide about the
action to be taken on this count.

P. C. Mishra
23/11/90

'X' above.
He may be placed under suspension
pending proceeding. His present
work would be looked after by
Sri H. Rao until further orders.

/11/90

তিনিটাক কাম কৰিবৰ বাবে ৰাজ্য চৰকাৰে সুস্থ পৰিবেশ এটা সৃষ্টি কৰি দিব লাগে বুলি উক্ত বাৰ্তাত উল্লেখ হৈছিল।

উল্লেখযোগ্য যে সেই সময়ৰ মুখ্য সচিব প্ৰফুল্ল চন্দ্ৰ মিশ্ৰই, গৃহ আয়ুক্ত চন্দ্ৰকান্ত দাসৰ পৰা পোৱা টোকা চাই মুখ্য মন্ত্ৰীলৈ এটা টোকা দিয়ে। উক্ত টোকাত শ্ৰীমিশ্ৰই কয় যে "মাত্ৰ এটা বিক্ৰীৰ ওপৰতে নিৰ্ভৰ কৰি আমি আমাৰ মত দিব নোৱাৰো। গৃহ আয়ুক্তই বিশ্লেষণ কৰা মতে কোম্পানী দুটাই যোৱা ৬ মাহত কৰা ক্ৰয়ৰ তুলনাত অধিক ক্ৰয় কৰিছে। চেয়াৰমেন গৰাকীয়ে ৰাজ্য চৰকাৰৰ লগত আলোচনা নকৰাকৈ তেনেদৰে লিখাটো অবাঞ্ছিত। এই সংক্ৰান্তত লব লগীয়া সিদ্ধান্ত সম্পৰ্কে মুখ্য মন্ত্ৰীয়ে বিবেচনা কৰিব পাৰে।" বিষয়টোৰ সম্পৰ্কত মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ লিখিত আদেশ আছিল এনেধৰণৰ:

"যাবতীয় প্ৰক্ৰিয়া পিছলৈ থৈ তেওঁক নিলম্বিত কৰিব পাৰি। পৰবৰ্তী আদেশ নিদিয়ালৈকে তেওঁৰ বৰ্তমানৰ কাম-কাজ শ্ৰীএইছ পাইছে চোৱাচিতা কৰিব।"

এই গোটেই নাটকখনেই চলিছিল অসমত অপাৰেছন বজৰঙ হোৱাৰ পূৰ্বাহ্নত। গুৱাহাটী চাহ নীলাম কেন্দ্ৰৰ চেয়াৰমেন হিচাপে হৰেন্দ্ৰ নাথ দাসে প্ৰকাশ কৰা উদ্বেগৰ ভিত্তিতে তেতিয়াৰ মুখ্য মন্ত্ৰী গৰাকীয়ে তেওঁক নিলম্বিত কৰি পেলাইছিল আৰু ৰাজ্যজুৰি তাৰ প্ৰতিক্ৰিয়া হৈছিল। কিন্তু নিলম্বিতকৰণৰ দিনাই ৰাষ্ট্ৰপতি শাসন জাৰি হোৱাত, সেই নিৰ্দেশ কাৰ্যতঃ কাৰ্যকৰী হবলৈকে নেপালে।

কিন্তু আমোদজনক কথা যে সেই সময়ৰ নাটকখনৰ জেঙা এতিয়াৰ শইকীয়া চৰকাৰৰ দিনতো লাগিয়েই আছে। বিষয়া বৰ্গৰ মাজত এতিয়াও ওখনা-ওখনি, চল পালেই ইজনে সিজনক চিকাৰ কৰাৰ খেল এখন সম্প্ৰতি চলি আছে। বিভিন্ন সমস্যাৰে জৰ্জৰিত ৰাজ্য এখনত বিষয়া বৰ্গৰ মাজত এনে অৱস্থা ৰাখি শইকীয়া চৰকাৰে সুস্থিৰে কাম-কাজ কৰিব পাৰিব জানো?

**হৰেন বুঢ়াগোহাঞি**



প্ৰতিবেদন

# যোৱা এশ বিশ দিনে চৰকাৰে কি কৰিছে?

সবিতা লহকৰ

অসমৰ শইকীয়া মন্ত্ৰী সভাই কাৰ্যভাৰ গ্ৰহণ কৰাৰ ইতিমধ্যেই চাৰি মাহ পাৰ হৈ গ'ল। এই সময়ছোৱাত অসমৰ সৰ্বসাধাৰণ ৰাইজ, বুদ্ধিজীৱী, আমোলা, ছাত্ৰ-যুৱকৰ পৰা মন্ত্ৰী-বিধায়কলৈকে আটায়েই আপাত-দৃষ্টিত কেৱল আল্‌ফা-পণবন্দী সমস্যা আৰু সেনাবাহিনী নিয়োগৰ ফলত সৃষ্টি হোৱা নানাবিধ সমস্যাক লৈ ব্যস্ত হৈ আছে। অসমৰ সৰ্বসাধাৰণ ৰাইজৰ সমস্যা কিন্তু বিভিন্ন ধৰণৰ। মূল্য বৃদ্ধিৰ সমস্যা, নিবনুৱা সমস্যা, ভূমি সমস্যা, খাদ্য সমস্যাৰ দৰে নানাবিধ জ্বলন্ত সমস্যাই ইতিমধ্যেই মানুহক জুৰুলা কৰি পেলাইছে। তাতে যোৱা পাঁচ বছৰত অগপ চৰকাৰৰ শাসনকালত অসমৰ মানুহ চূড়ান্ত ভাবে প্ৰতাৰিত হৈছে। স্বাভাৱিকতে এনে অৱস্থাত নতুন চৰকাৰখনে কিমান দক্ষতাৰে আৰু ক্ষিপ্ৰতাৰে কাম কৰিব পাৰে তাৰ ওপৰতে বহুলাংশে নিৰ্ভৰ কৰিছে অসমৰ ভৱিষ্যৎ। কাৰণ বঞ্চনা আৰু প্ৰতাৰণাই সেয়া কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্যিক চৰকাৰৰেই হওক জন্ম দিয়ে ক্ষোভ আৰু হতাশাৰ আৰু হতাশা আৰু ক্ষোভৰেই ফল সন্ত্ৰাসবাদ। আনহাতে সন্ত্ৰাসবাদ ৰোধ কৰাৰ এটা প্ৰধান উপায় হ'ল উন্নয়নমূলক কাম-কাজৰ গতি অধিক খৰতকীয়া কৰি কৰ্ম সংস্থানৰ সুযোগ আৰু পৰিসৰ বৃদ্ধি কৰা। সেয়ে যোৱা কেইমাহত ৰাজ্যিক চৰকাৰখনে কেনেধৰণৰ আঁচনি আদি গ্ৰহণ কৰিছে বা চলিত বিত্তীয় বছৰটো শেষ হোৱাৰ আগতে কি কি কাৰ্যসূচী সম্পূৰ্ণ কৰিবলৈ প্ৰস্তুতি চলাইছে তাৰে বুজ লবলৈ আমি কেইগৰাকীমান জ্যেষ্ঠ মন্ত্ৰীৰ কাষ চাপিছিলো।

অসমত নিবনুৱা সমস্যাই ইতিমধ্যেই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বৰ্তমান সমাজ ব্যৱস্থাত নিবনুৱা সমস্যাৰ মূল উৎপাটিত কৰা সম্ভৱ নহলেও ইয়াৰ প্ৰশমনৰ দিহা নিশ্চয় আছে। অসমৰ নিয়োগ মন্ত্ৰীয়েনো এই কামত কেনেকৈ আগবাঢ়িছে জানিব খুজিছিলো। মন্ত্ৰী শ্ৰীচিলভিয়াছ কন্দপানে কলে 'যদিও আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ ঠিক পিছদিনাই আল্‌ফাই চৈধ্যজন বিষয়াক পণবন্দী হিচাপে অপহৰণ কৰাত এক অস্থিৰ পৰিবেশৰ সৃষ্টি হৈছে, তথাপি ই আমাৰ কাম-কাজত বাধা স্বৰূপ হ'ব পৰা নাই। কাৰণ যোৱা এবছৰ ধৰি অসমত উদ্ভৱ হোৱা অস্থিৰতাৰে ই অংশ। এই পৰিস্থিতি আমাৰ বাবে নতুন নহয়। এনে পৰিস্থিতিতে আমি নিৰ্বাচিত হৈ আহিছো। সেয়ে এনে পৰিস্থিতিৰ মুখামুখি হবলৈ একধৰণৰ মানসিক প্ৰস্তুতি আমাৰ আছিলেই। আমি সেয়ে বিভ্ৰান্ত হোৱা নাই। হয়তো ইয়াতকৈও কঠিন পৰিস্থিতি আহি পৰিব পাৰে।' নতুন চৰকাৰখনৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে ক'বলৈ গৈ তেওঁ কয় যে নিয়োগৰ ক্ষেত্ৰত – অকল শিক্ষা বিভাগতে সৃষ্টি কৰা হৈছে ৩৫ হেজাৰ নতুন পদ। বনবিভাগৰো কিছু পদৰ বিজ্ঞাপন ইতিমধ্যে প্ৰকাশ হৈছে। অন্যান্য কেইটামান বিভাগতো এই সময়ছোৱাতে কিছু চাকৰি ওলাব। আনহাতে পঞ্চায়ত বিভাগত চাৰি হেজাৰ জনৰ চাকৰি চৰকাৰী কৰণ কৰা হৈছে। অনতি পলমেই অন্য চাৰি হেজাৰ চাকৰি সৃষ্টি কৰা হ'ব। আমি প্ৰশ্ন কৰিছিলো, এয়াতো চৰকাৰী প্ৰচাৰৰহে অংশ বিশেষ, প্ৰকৃত কাম কিমান শতাংশ হ'ব বুলি আমি আশা কৰিব পাৰো। কন্দপানে দৃঢ়তাৰে কয় যে, প্ৰকৃততেই এই কাম কৰা হ'বই। ১৯ নবেম্বৰৰ প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্ম দিৱসৰ আগতেই ৫০ হেজাৰ জনক কৰ্ম সংস্থান দিয়াটো চৰকাৰে এটা লক্ষ্য হিচাপে লৈছে। আমি বৰ্তমানৰ বিত্তীয় সংকটলৈ আঙুলিওৱাত তেওঁ যে যে মুখ্য মন্ত্ৰীয়ে বিত্ত সম্পৰ্কীয় নিশ্চয়তা ইতিমধ্যে কেন্দ্ৰৰ পৰা আদায় কৰিছে। আৰু কেন্দ্ৰীয় চৰকাৰো এই ক্ষেত্ৰত দায়বদ্ধ কিয়নো কংগ্ৰেছ (ই)ৰ নিৰ্বাচনী ইস্তাহাৰৰ এটা প্ৰধান প্ৰতিশ্ৰুতিয়েই আছিল ১ কোটি নিবনুৱাক কৰ্মসংস্থান দিয়া। গতিকে অসমে নিশ্চয় ২ লাখ নিবনুৱাক সংস্থান দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰৰ সাহায্য পাব। শ্ৰীকন্দপানে অৱশ্যে স্বীকাৰ কৰে যে আল্‌ফা সমস্যাৰ ফলত নিৰাপত্তা ব্যৱস্থাত যথেষ্ট ব্যয় কৰিবলগীয়া হৈছে। অন্যথা এই ধন উন্নয়নমূলক কাম-কাজত খৰচ কৰিব পৰা গ'লহেঁতেন।

নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত উদ্যোগীকৰণৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। অসমত নানাধৰণৰ উদ্যোগ স্থাপনৰ প্ৰচুৰ সম্ভাৱনা আছে। অসমত থকা খনিজাত আৰু বনজ সম্পদৰ বিশাল সম্ভাৰক ভেটি কৰি সৰু-বৰ নানা উদ্যোগ ইয়াত গঢ় লৈ উঠিব পাৰে আৰু এই ঔদ্যোগিক বিকাশেই অসমৰ সামগ্ৰিক উন্নয়নৰ পথ মুকলি কৰিব পাৰে। উদ্যোগ মন্ত্ৰী শ্ৰীবিজিত শইকীয়াই এই সম্পৰ্কত আমাক জনায় যে ইতিমধ্যেই প্ৰায় চাৰি হেজাৰ যুৱকক পৰ্যায়ক্ৰমে আত্মসংস্থাপনমূলক ঋণ দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু এই কাম ১৯ নবেম্বৰৰ ভিতৰতে সমাধা কৰা হ'ব। ইয়াৰ বাহিৰেও ৫টা ক্ষুদ্ৰ চিমেন্ট প্ৰকল্প স্থাপনৰ প্ৰাৰম্ভিক কাম-কাজ চলোৱা হৈছে। ক্ষুদ্ৰ আৰু কুটিৰ



OKDISCD

শিল্প উদ্যোগ সমূহৰ ৰুগ্নাৱস্থা দূৰীকৰণৰ বাবে বিভিন্ন ঋণ আদি দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি শ্ৰীশইকীয়াই আমাক কয়। অসমত থকা প্ৰায় সাতশখন চাহ বাগিচাত প্ৰয়োজন হোৱা সৰু-সুৰা যন্ত্ৰপাতি বা যন্ত্ৰাংশ আৰু অন্যান্য সামগ্ৰী তৈয়াৰ কৰাত স্থানীয় উদ্যোগী যুৱকক জড়িত কৰাৰ বাবে এই সময়ছোৱাতে প্ৰচেষ্টা চলোৱা হৈছে। গুৱাহাটীকে ধৰি অসমৰ দুই-এখন ঠাইত এইধৰণৰ যন্ত্ৰপাতিৰ পৰীক্ষামূলক প্ৰদৰ্শনী অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছিল, যাতে উৎসাহী উদ্যোগীয়ে এইধৰণৰ সামগ্ৰীৰ উদ্যোগ স্থাপনত আগ্ৰহী হয়। শ্ৰীশইকীয়াই আমি সোধা এটা প্ৰশ্নৰ উত্তৰত কয় যে গেছ ক্ৰেকাৰ, শোধনাগাৰ আদি স্থাপনৰ কাম-কাজ যথানিয়মে আগবাঢ়িছে, কিন্তু অশোক কাগজ কলটো খোলাৰ ক্ষেত্ৰত কিছু বিত্তীয় বাধা আছে। পুৰণি ধাৰ ঋণ মাৰি কেৱল কলটো সচল কৰিবলৈকে প্ৰয়োজন ২৬৬ কোটি টকা। এই বৃহৎ পৰিমাণৰ ধাৰ লগাৰ কাৰণ কি আমি জানিব বিচৰাত তেওঁ কয় যে মূলতঃ পৰিকল্পনাৰ অভাৱৰ বাবেই এইটো ঘটিছে। আৰম্ভণিৰ বছৰকেইটাত বিলাসিতা আৰু আমোদ-প্ৰমোদত যথেষ্ট টকা অদূৰদৰ্শিতাৰে খৰচ কৰা হৈছিল। প্ৰশাসনীয় সেৱাৰ বিষয়াৰ সলনি কাৰিকৰী জ্ঞান সম্পন্ন মানুহে উদ্যোগটো পৰিচালনা কৰাহেঁতেন এনে নঘটিলহেঁতেন বুলি শ্ৰীশইকীয়াই বিশ্বাস কৰে।

যোৱা কিছু বছৰৰ পৰা অসমৰ শিক্ষা জগতত দেখা দিয়া স্থবিৰতা আৰু নৈৰাজ্যৰ পৰিপ্ৰেক্ষিতত অতি সোনকালেই এক সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰাৰ অত্যন্ত প্ৰয়োজন হৈছে। সমগ্ৰ শিক্ষা ব্যৱস্থাটো আৰু ইয়াৰ লগত জড়িত সকলো ক্ষেত্ৰৰে পুনৰ্বিন্যাস অবিহনে এই কাম সম্ভৱ নহয়। শিক্ষাৰ প্ৰতি গণ-সচেতনতা বঢ়োৱাৰ ওপৰতো ভালেখিনি কথা নিৰ্ভৰ কৰে। এই সম্পৰ্কীয় আমাৰ প্ৰশ্নৰ উত্তৰত শিক্ষামন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনে অসমৰ শিক্ষাজগতৰ স্থবিৰতা দূৰ কৰিবলৈ কিছু প্ৰচেষ্টা হাতত লৈছে বুলি আমাক জনায়। চৰকাৰে পাঠ্যক্ৰমৰ ক্ষেত্ৰত কিছু সাল-সলনি ঘটোৱাৰ উপৰিও শিক্ষানুষ্ঠান সমূহৰ পৰিচালনা বা শিক্ষক-ছাত্ৰ-অভিভাৱকৰ মাজৰ সম্পৰ্ক আদিৰ ক্ষেত্ৰতো নিৰ্দিষ্ট নীতি নিৰ্দেশনা প্ৰস্তুত কৰিছে। পাঠ্যক্ৰমৰ ক্ষেত্ৰত প্ৰাথমিক স্তৰত নৈতিক শিক্ষাৰ ওপৰত গুৰুত্ব দিবলৈ বিচৰা হৈছে। কাৰণ সাধু কথা বা আখ্যানমূলক ৰচনাই শিশুৰ মনত সহজে ৰেখাপাত কৰে। পাঠ্যক্ৰমৰ যোগেদি যাতে গোষ্ঠীগত বা জাতিগত বিদ্বেষৰ বীজ ৰোপণ নহয় তালৈও বিশেষভাৱে লক্ষ্য ৰখা হ'ব বুলি ডাঃ বৰ্মনে আমাক জনায়। পক্ষপাতহীন নিৰপেক্ষ আৰু যুক্তিগ্ৰাহ্য বাস্তৱধৰ্মী ৰচনাহে পাঠ্যক্ৰমৰ বাবে গ্ৰহণ কৰা হ'ব। তেওঁ অৱশ্যে সন্তোষ প্ৰকাশ কৰে যে, শিক্ষাবিদ আৰু দায়িত্বশীল নাগৰিক সকলেও এতিয়া এই ধৰণৰ কথাৰ প্ৰতি সমুচিত আৰু প্ৰয়োজনীয় গুৰুত্ব দিছে। শিক্ষাক্ষেত্ৰত সুস্থিৰ পৰিবেশ ঘূৰাই অনাৰ ক্ষেত্ৰত নিয়মীয়াকৈ পৰীক্ষাসমূহ অনুষ্ঠিত হোৱাটোও যথেষ্ট প্ৰয়োজনীয়। ডাঃ বৰ্মনে আমাক জনোৱা মতে বিদ্যালয় সমূহত তিনি মহীয়া পৰীক্ষাও বাধ্যতামূলক কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আনহাতে প্ৰতিজন স্কুলীয়া ছাত্ৰৰ বাবে মাহেকীয়া প্ৰগ্ৰেছ ৰিপ'ৰ্ট কৰিবলৈ লোৱা হৈছে – য'ত শিক্ষকে ছাত্ৰৰ উপস্থিতি, পৰীক্ষাৰ ফলাফল, ব্যৱহাৰ, আচাৰ-আচৰণ, নৈতিক চৰিত্ৰ আদিৰ ক্ষেত্ৰত মন্তব্য কৰিব আৰু অভিভাৱকে তাত চহী কৰিব। আনহাতে বিদ্যালয় পৰিদৰ্শক সকলৰ বাবেও তিনি মাহৰ বিৰতিত বিদ্যালয় সমূহ পৰিদৰ্শন কৰাটো বাধ্যতামূলক কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই নিৰ্দেশ সমূহৰ যথাযথ কাৰ্যকৰী কৰণৰ বাবে কিছু কঠোৰ ব্যৱস্থাও ল'ব লগা হৈছে। যেনে কৰ্তব্য সম্পাদনত অৱহেলা কৰা শিক্ষকৰ ওপৰত বিহিত ব্যৱস্থা লবলৈ বিদ্যালয় পৰিচালনা সমিতি সমূহে চৰকাৰলৈ চুপাৰিশ কৰিব পাৰিব। আনহাতে যথানিয়মে স্কুল সমূহৰ পৰিদৰ্শন নকৰা পৰিদৰ্শক সকলৰ পৰিদৰ্শন ভট্টাদি বাতিল কৰা হ'ব। ৰেগিং আদি সমস্যাৰ ক্ষেত্ৰতো, শিক্ষানুষ্ঠানৰ মুৰব্বীয়ে উপযুক্ত বুলি ভবা শাস্তিমূলক ব্যৱস্থা লব পাৰিব। এই ক্ষেত্ৰতো প্ৰয়োজনীয় নিৰ্দেশনা দিয়া হৈছে। ডাঃ বৰ্মনক আমি শিক্ষাক্ষেত্ৰত নিয়োগৰ কেনে সুবিধা আগবঢ়াইছে সোধাত কয় যে, যোৱা পাঁচ বছৰে অসমত প্ৰাথমিক, মাধ্যমিক বা উচ্চ মাধ্যমিক শিক্ষানুষ্ঠান নতুনকৈ খোলাটো চৰকাৰে বন্ধ ৰাখিছিল। এতিয়া আমি প্ৰয়োজনীয়তাৰ ভিত্তিত তেনে অনুষ্ঠান খোলাৰ অনুমতি দি আছো। গতিকে কিছু যুৱকে এনে স্কুলত চাকৰি পোৱাটো নিশ্চিত। আনহাতে এতিয়ালৈকে চৰকাৰীকৰণ নোহোৱা ১০ হাজাৰ প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে ইয়াৰে ১৫শ খন বিদ্যালয়ক চলিত বিত্তীয় বছৰতে চৰকাৰৰ অধীনলৈ অনা হ'ব। প্ৰতিষ্ঠাৰ বছৰ আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত স্কুল সমূহে চৰকাৰী কৰণৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পাব।

যোৱা পাঁচ বছৰত অগপ চৰকাৰৰ শাসনকালত অসমৰ মানুহ চূড়ান্ত ভাবে প্ৰতাৰিত হৈছে। স্বাভাৱিকতে এনে অৱস্থাত নতুন চৰকাৰখনে কিমান দক্ষতাৰে আৰু ক্ষিপ্ৰতাৰে কাম কৰিব পাৰে তাৰ ওপৰতে বহুলাংশে নিৰ্ভৰ কৰিছে অসমৰ ভৱিষ্যৎ।

আন এখন আঁচনিমতে অসমৰ ৭১৬৬ খন এজনীয়া শিক্ষকৰ প্ৰাথমিক বিদ্যালয়ত আৰু একোজনকৈ শিক্ষক নিয়োগ কৰা হ'ব। এই হিচাপমতে নিয়োগ পাবলগীয়া ৭১৬৬ জন যুৱকে ১৯ নৱেম্বৰৰ ভিতৰতে নিযুক্তি লাভ কৰিব বুলি মন্ত্ৰী জনাই দৃঢ়তাৰে কয়। এই চমু সময়ছোৱাৰ ভিতৰতে কিদৰে লাখ লাখ চাকৰি প্ৰাৰ্থীৰ মাজৰ পৰা মাত্ৰ ৭১৬৬ জনক বাছি উলিওৱা সম্ভৱ হ'ব বুলি আমি সোধাত ডাঃ বৰ্মনে কয় যে যিহেতু কিছুমান বিশেষ দিশৰ প্ৰতি লক্ষ্য ৰাখিহে এই বাছনি কৰা হ'ব গতিকে ই তেনে কঠিন কাম নহ'ব। সেই বিশেষ দিশসমূহ সম্পৰ্কে জানিব খোজোতে তেওঁ কয় যে,

১। ৩৫ বছৰ ইতিমধ্যে যি সকলৰ পাৰ হৈ গৈছে, ২। যি সকলৰ ঘৰৰ এজনো উপাৰ্জক নাই আৰু ৩। উগ্ৰপন্থীৰ হাতত যাৰ ঘৰৰ কোনো এজন নিহত হৈছে, তেনে পৰিয়ালৰ লোককহে এই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব। অৱশ্যে মেধাবী প্ৰাৰ্থীয়ে অগ্ৰাধিকাৰ পাবই। উচ্চ, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কলেজ সমূহতো যথেষ্ট সংখ্যক পদ সৃষ্টি কৰা হৈছে। এই সকলো পদ পৰ্যায়ক্ৰমে পূৰণ কৰা হ'ব। ১৯ নৱেম্বৰৰ ভিতৰতে শিক্ষাবিভাগৰ ৩৫ হেজাৰ পদ পূৰণ কৰিবলৈ চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ জনায়। এই ক্ষেত্ৰত বিত্তীয় সংকটৰ জোৰা মাৰিবলৈ কেন্দ্ৰীয় চৰকাৰ আগবাঢ়ি আহিছে বুলিও ডাঃ বৰ্মনে জনায়।

গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰি তোলাৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিব পৰা এটা বিভাগ হ'ল পশুপালন আৰু দুগ্ধ উৎপাদন বিভাগ। অসমত মানুহ এতিয়াও এইবিধ জীৱিকাৰ প্ৰতি বিশেষভাৱে আগ্ৰহী হোৱা নাই। অথচ অসমৰ জনসংখ্যাৰ ভিত্তিত বছৰি গাখীৰৰ চাহিদা হ'ল ২২৭৮.৫ নিযুত লিটাৰ, কণীৰ চাহিদা ৮১৩৭ নিযুতটা আৰু মাংস লাগে ৪,৬১,৩৯৭ টন। ইয়াৰে গাখীৰ ৫৯২ নিযুত লিটাৰ, কণী ৩৯৫ নিযুতটা আৰু মাংস ১২,৫৫৮ টনহে স্থানীয়ভাৱে উৎপাদিত হয়। ৰাজ্যখনৰ ক্ৰমবৰ্দ্ধমান চাহিদা পূৰণৰ অৰ্থে প্ৰতি দিনে ৭ লাখ কণী, ২ লাখ লিটাৰ গাখীৰ আৰু ১০০ টনকৈ মাংস আমদানি কৰা হয় আৰু ইয়াৰ ফলত প্ৰতিদিনে কেইবা লাখো টকা অসমৰ বাহিৰলৈ ওলাই যায়। সেয়ে আমি এই প্ৰচুৰ সম্ভাৱনা থকা বিভাগটোক গতি দিবলৈ যোৱা কেই মাহত কি পৰিকল্পনা হাতত লৈছে মন্ত্ৰী শ্ৰীনকুল দাসক সুধিছিলো। তেওঁ কয় যে, আমাৰ দায়িত্বত থকা পশুপালন আৰু দুগ্ধ উৎপাদন বিভাগে ইতিমধ্যে কেইখনমান আঁচনি কাৰ্যকৰী কৰিবলৈ লৈছে। এনে আঁচনিৰ লক্ষ্য হৈছে ঘাইকৈ কৰ্মসংস্থান, উৎপাদন বৃদ্ধি আৰু তাৰ জৰিয়তে তৃণমূল পৰ্যায়ত গ্ৰাম্য অৰ্থনীতিক শক্তিশালী কৰি তোলা। দায়িত্ব লোৱাৰ কেইদিনমানৰ ভিতৰতে এই বিভাগত ১২ জন পশুচিকিৎসা বিজ্ঞানী আৰু ৯৬ জন প্ৰশিক্ষণ প্ৰাপ্ত পশু চিকিৎসা ক্ষেত্ৰ সহায়কক নিযুক্তি দিয়া হৈছে বুলি তেওঁ কয়। কিছু নতুন কৰ্ম আঁচনি ৰচনা কৰিবলৈ লোৱা বুলি উল্লেখ কৰি শ্ৰীদাসে কয় যে এনে আঁচনিত যাতে চহৰ-নগৰ আৰু গাৱে-ভূঞে থকা শিক্ষিত যুৱক-যুৱতীয়েও সক্ৰিয় অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নতুনকৈ গঠন কৰা অসম পশুধন আৰু হাঁহ-কুকুৰা নিগম নামৰ ৰাজ্য চৰকাৰৰ সংস্থা। এটাৰ জৰিয়তেও ব্যাপক ভিত্তিত আঁচনি গ্ৰহণ কৰা হৈছে। যোৱা ২ অক্টোবৰত ৰাজ্য জুৰি আৰম্ভ কৰা 'বিশেষ গ্ৰাম্য বিকাশ আৰু দৰিদ্ৰতা মোচন আঁচনি'ৰ জৰিয়তে গাঁৱৰ দুখীয়া পৰিয়ালক বিশেষকৈ দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালক উন্নত শ্ৰেণীৰ হাঁহ বিতৰণ কৰা হৈছে। আনহাতে এই বিভাগে গ্ৰহণ কৰা বিভিন্ন কৰ্ম আঁচনিৰ সুফল বৰ্তমানৰ বিত্তীয় বছৰতে লাভ কৰিব পৰা হ'ব বুলি শ্ৰীদাসে আশা কৰে। তেওঁ কয় যে সমুচিত পৰিকল্পনা গ্ৰহণ কৰিব পাৰিলে ধনৰ অভাৱ নহয়। এইক্ষেত্ৰত বিত্ত দপ্তৰৰ দায়িত্ব বহণ কৰা মুখ্য মন্ত্ৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰাও ইতিবাচক সঁহাৰি লাভ কৰা হৈছে। প্ৰয়োজনীয় ক্ষেত্ৰত বিশ্ববেংকৰ সহায়ো পোৱা হ'ব।

দ্বিতীয় মহাযুদ্ধৰ সময়ত জাৰ্মান বিমান বাহিনীৰ অবিৰাম বোমা বৰ্ষণত লণ্ডন মহানগৰী প্ৰায় ধ্বংসস্তূপত পৰিণত হোৱাৰ সময়তো ব্ৰিটেনৰ প্ৰধান মন্ত্ৰী চাৰ্চিলে আলুখেতিৰ কাৰণেও গুৰুত্ব সহকাৰে চিন্তা-চৰ্চা কৰিছিল। কাৰণ তেওঁ জানিছিল যে সাময়িক দুৰ্যোগৰ প্ৰতিৰোধৰ দৰে কৃষি উন্নয়নৰ কথা চিন্তা-চৰ্চা কৰাটোও সমানেই গুৰুত্বপূৰ্ণ।

গড়কাপ্তানী মন্ত্ৰী শ্ৰীগোলোক ৰাজবংশীৰ ওচৰত কিন্তু সম্পূৰ্ণ অন্য ছবি এখনহে পোৱা গ'ল। অত্যন্ত অকপট ভাৱেই মন্ত্ৰী মহোদয়ে আমাৰ আগত বিত্তীয় দুৰ্বলতাৰ কথা তথ্যপাতিসহ দাঙি ধৰিলে। আন্তৰিকতাৰে শ্ৰীৰাজবংশীয়ে আমাৰ সৈতে এই বিভাগৰ প্ৰকৃত সমস্যা সমূহৰ কথা আলোচনা কৰিছিল। আমাৰ প্ৰশ্নৰ উত্তৰত একেষাৰতে তেওঁ কোৱা কথাটো আছিল, 'ইচ্ছা আছে, আঁচনিও আছে, কিন্তু টকা নাই।' তেওঁ কয়, 'এইটো এনে এটা বিভাগ য'ত দহ বছৰ কাম কৰিলেও কোনেও সম্পূৰ্ণ কৃতকাৰ্যতা লাভ কৰিব নোৱাৰে। কাৰণ যদিও বিভিন্ন শিতানৰ বাবে যথেষ্ট পৰিমাণৰ টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা হয়, তথাপি ই প্ৰয়োজনৰ তুলনাত একেবাৰে সামান্য। উদাহৰণ স্বৰূপে মাত্ৰ ১ কিলোমিটাৰ ৰাস্তা পকা (black topping) কৰিবলৈকে ৮ লাখ টকাৰ প্ৰয়োজন হয়; অথচ আমি পাওঁ মাত্ৰ ২ বা ৩ লাখ টকা। গতিকে স্বাভাৱিকতে কাম আধৰুৱা হয় বা ছোৱা-ছোৱাকৈ কৰিবলগীয়া হয়। আকৌ বানপানী নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈকে প্ৰয়োজন হয় ৮১ কোটি টকা। অথচ পোৱা হয় মাত্ৰ ৩০ কোটি টকা – যি ক্ষেত্ৰত ১৮ কোটি ৮০ লাখ টকা বানপানীৰ পিছৰ বছৰেকীয়া মেৰামতিত, আৰু ১৩ কোটি টকা মাষ্টাৰ ৰোল শ্ৰমিকৰ দৰমহাৰ বাবদ ওলাই যায়, বানপানী নিয়ন্ত্ৰণৰ বাবে পইছা থাকেগৈ মাত্ৰ ৫ কোটি ৮০ লাখ টকা। তাৰ উপৰি পূৰ্বৰ চৰকাৰে অনাদায় কৰি ৰখা ঠিকাদাৰ সকলৰ ২১ কোটি টকাও আদায় দিবলগীয়া হৈছে নতুন পৰিকল্পনাৰ ধনৰ পৰাই। এই ক্ষেত্ৰতো সকলোকে পাবলগীয়া টকা দিব পৰা নাই। যাৰ বৰ বেছি টকা সোমাই আছে বা যিয়ে নতুনকৈ কাম কৰিবলৈ লৈছে অগ্ৰাধিকাৰ ভিত্তিত তেওঁলোকৰ টকাহে আদায় দিবলৈ নিৰ্দেশ দিয়া হৈছে।

এইবাৰৰ বছৰেকীয়া পৰিকল্পনা বৰ উৎসাহজনক নহয় বুলি শ্ৰীৰাজবংশীয়ে কয়। পথ-ঘাট নিৰ্মাণৰ দায়িত্ব ৰাজিক গড়কাপ্তানী বিভাগৰ উপৰিও উত্তৰ-পূব পৰিষদ, প্ৰতিৰক্ষা বিভাগ আদিয়েও লয়। এইবাৰ উত্তৰ-পূব পৰিষদক ৩০টা ৰাস্তা দেখুওৱা হৈছে। সমস্যা হ'ল এইটোৱে যে উত্তৰ পূব পৰিষদে ৰাস্তা বান্ধিবলৈহে টকা দিয়ে – মেৰামতিৰ বাবে নিদিয়ে। গতিকে পুৰণি ৰাস্তা মেৰামতি কৰিবলগীয়া হয় নতুন পৰিকল্পনাৰ ধনেৰেহে। প্ৰতিৰক্ষা বিভাগে পোনতে ৫টা ৰাস্তাৰ দায়িত্ব লৈছিল, এতিয়া তাৰে দুটাহে সম্পূৰ্ণ কৰিব খুজিছে। সীমান্তৰ কাটা-তাঁৰৰ বেৰৰ কাষে কাষে নিৰ্মাণ হবলগীয়া পথৰ কাম সম্পূৰ্ণ কৰাতো অসুবিধাই দেখা দিছে। কাৰণ পথ নিৰ্মাণৰ লগে লগে কাটা-তাঁৰৰ বেৰৰ কামো চলে, অথচ কাটা-তাঁৰৰ যোগান দিয়া অনুষ্ঠানটোৱে বৰ্তমানে তেনে সেইবিধ তাঁৰৰ উৎপাদনেই বন্ধ ৰাখিছে। ৰাষ্ট্ৰীয় ঘাই পথৰ সঘন মেৰামতি কৰিবলগীয়া হোৱাটোও বিভাগটোৰ এটা প্ৰধান সমস্যা। পূৰ্বৰ ঠেক ট্ৰাংক ৰোড সমূহকে ঘাই পথলৈ ৰূপান্তৰ কৰাৰ বাবে ইয়াৰ বহণ ক্ষমতা

কম। গতিকে বৰ সঘনে এই পথ সমূহ বেয়া হয় আৰু মেৰামতিৰ বাবে ধনৰ অনুমোদন নথকাত পৰিকল্পনাৰ ধনকে ব্যয় কৰিব লগা হয়। যোৱা চৰকাৰৰ দিনত বৈষম্যৰ চিকাৰ হোৱা কিছু অঞ্চলৰ পিছপৰি থকা কাম-কাজক অগ্ৰাধিকাৰ দিব লগা হোৱা বাবেও নতুন আঁচনি লোৱাত ব্যাঘাত ঘটিছে বুলি শ্ৰীৰাজবংশীয়ে কয়। বৈষম্যৰ উদাহৰণ স্বৰূপে তেওঁ উল্লেখ কৰে যে আমগুৰি সমষ্টিত MNP শিতানত ব্যয় কৰা হৈছিল ২১.৪৯ লাখ, যোৰহাটত ২২.২৫ লাখ, দিছপুৰত ৮৪.৯৪ লাখ, কিন্তু জলেশ্বৰ আৰু চিদলিত কৰা হৈছিল ক্ৰমে ১৭.২৯ লাখ আৰু ১২.৭৫ লাখ টকা। আকৌ OMNP শিতানত আমগুৰিত ৪৫৩.৫০ লাখ, নগাওঁত ৪৩০.৮৬ লাখ, দিছপুৰত ৭০১.৬৯ লাখ, কিন্তু যোৰহাট, জলেশ্বৰ আৰু চিদলিত ক্ৰমে ৪২.৬৫, ৩৭.৭০ আৰু ৩২.৪০ লাখ টকা।

অন্য এটা সমস্যাৰ সমূখীন হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে যিবোৰ অঞ্চলত উগ্ৰপন্থী সকলে বাট পথ, দলং আদি ধ্বংস কৰিছিল তাত যোগাযোগৰ স্বাৰ্থতেই সেইবোৰ পুনৰ নিৰ্মাণৰ আশু প্ৰয়োজন। কিন্তু এই কামৰ নিবিদা আহ্বান কৰা সত্ত্বেও আগ্ৰহী ঠিকাদাৰৰ অভাৱ ঘটিছে।

বিভাগটোত থকা দুৰ্নীতিও ইয়াৰ উন্নয়নৰ অন্তৰায় হোৱা বুলি তেওঁ স্বীকাৰ কৰে। অৰ্থনৈতিক নিৰাপত্তাৰ অনুভৱ অবিহনে দুৰ্নীতি নিবাৰণ সম্ভৱ নহয়। বৰ্তমানৰ আৰ্থ-সামাজিক গাঁথনিৰ পৰিবৰ্তন হলেহে দুৰ্নীতি নিবাৰণ সম্ভৱ হ'ব।

কৃষি প্ৰধান ৰাজ্য অসমৰ মাটি যদিও সাৰুৱা বৰষুণো পৰ্যাপ্ত পৰিমাণে হয়, তথাপিও অসমত পৰিকল্পিত জলসিঞ্চনৰ আৱশ্যকতা নোহোৱা নহয়। কাৰণ বছৰৰ সকলো সময়তে প্ৰয়োজনীয় পৰিমাণৰ বৰষুণ হোৱাৰ নিশ্চয়তা নাথাকে। সাধাৰণতে অসমৰ মানুহে প্ৰধানকৈ দুটা খেতিহে কৰে। সেয়ে ৰবি শস্যৰ প্ৰতি আগ্ৰহ বঢ়াবলৈ জলসিঞ্চনৰ ব্যৱস্থা পৰ্যাপ্ত কৰাৰ প্ৰয়োজন আছে। পাঞ্জাব বা হাৰিয়ানাৰ গাঁৱে গাঁৱে থকা উন্নত জলসিঞ্চন ব্যৱস্থাৰ ফলত তাত সেউজ বিপ্লৱ সম্ভৱ হৈছে। অসম মন্ত্ৰীসভাৰ জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰীজেহিৰুল ইছলামে আমাৰ প্ৰশ্নৰ উত্তৰত জনায় যে এতিয়ালৈকে তেওঁৰ বিভাগে নতুন কোনো আঁচনি গ্ৰহণ কৰা নাই। আৱশ্যকতকৈ কম অনুদান পোৱা বাবে তাৰে অকল আগৰ আধৰুৱা কামহে সম্পূৰ্ণ কৰিব পৰা হ'ব। বৃহৎ আৰু মজলীয়া বিধৰ আঁচনি ৭খন প্ৰস্তুত কৰি পৰিকল্পনা আয়োগৰ অনুমোদনৰ বাবে ইতিমধ্যে পঠোৱা হৈছে।

শ্ৰীইছলামে আমাক জনায় যে অসমৰ ২৭ লাখ হেক্টৰ মাটিত জলসিঞ্চনৰ প্ৰয়োজন আছে। ইয়াৰে মাত্ৰ ৫.৭০ লাখ হেক্টৰ মাটিতহে পানী যোগান দিব পৰাৰ অৱস্থা সৃষ্টি কৰা হৈছে। ইয়াৰো আকৌ ৬০ শতাংশহে প্ৰকৃত ভাবে জলসিঞ্চনৰ বাবে সাজু হৈছে। জলসিঞ্চন কৰিবলগীয়া মুঠ মাটিৰ মাত্ৰ ২১% ভাগতহে কাম কৰিবলৈ লোৱা হৈছে, যি ক্ষেত্ৰত সৰ্বভাৰতীয় ক্ষেত্ৰত ই হ'ল ৭০% ভাগ। ইয়াৰ প্ৰধান কাৰণ হ'ল বিত্তীয় সংকট। অসম সদায়েই এই সংকটৰ বলি হৈ আহিছে। আন এটা কাৰণ হ'ল অসমত মাত্ৰ '৭৩-'৭৪ চনৰ পৰা জলসিঞ্চন বিভাগৰ কাম-কাজ আৰম্ভ হৈছে। শ্ৰীইছলামে কয় 'আমাৰ আঁচনিভুক্ত মাটিৰ অৰ্থাৎ ৫.৭০ লাখ হেক্টৰ মাটিত জলসিঞ্চনৰ বাবে প্ৰয়োজন হ'ল ১০০ কোটি টকা। অথচ আমি অনুদান পাইছো ৪৮.৩৫ কোটি টকা। পৰিকল্পনা আয়োগৰ ৱৰ্কিং গ্ৰুপে অসমৰ জলসিঞ্চন বিভাগৰ বাবে ৩১৩ কোটি টকা অনুমোদন কৰিবলৈ চুপাৰিশ কৰিছিল, কিন্তু কেন্দ্ৰীয় বাজেটত ধাৰ্য কৰা হ'ল বৃহৎ আঁচনিৰ বাবে ১৩৭ কোটি টকা আৰু ক্ষুদ্ৰ আঁচনিৰ বাবে ১৬০ কোটি টকা। কিন্তু ধাৰ্য কৰা পৰিমাণৰ টকাও সপ্তম পাঁচ বছৰীয়া পৰিকল্পনাৰ কালছোৱাত দিয়া নহ'ল। গতিকে সেই সময়ত আৰম্ভ কৰা কাম-সমূহ আধৰুৱা হৈয়ে ৰ'ল। আনহাতে অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাৰ কালছোৱাত আমাৰ আঁচনি ৰূপায়ণৰ বাবে প্ৰয়োজন হ'ব ১০০০ কোটি টকাৰ কিছু বেছি। গতিকে আধৰুৱা কাম সম্পূৰ্ণ নোহোৱাটোৱেই স্বাভাৱিক।'

জলসিঞ্চনৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ সমস্যা হৈছে শক্তি (power)ৰ। ধনৰ অভাৱ নহলেও প্ৰয়োজনীয় শক্তি সম্পদৰ যোগান পোৱা নাযায়। কাৰণ অসমৰ শক্তি উৎপাদন অত্যন্ত সীমিত। শ্ৰীইছলামে কয় যে অকল যাবতীয় খা-খৰচ (maintenance)ৰ বাবেই বছৰত ৫১ কোটি টকা জলসিঞ্চন বিভাগক লাগে – কিন্তু পোৱা হৈছে মাত্ৰ ১৩ কোটি টকা। গতিকে ডিজেল বা বিদ্যুৎ শক্তি ক্ৰয়ৰ ক্ষেত্ৰতো টকাৰ নাটনি হয়। নতুন আঁচনি নহ'লে কৰ্ম-সংস্থানৰ সৃষ্টি হোৱাৰ আশা নাই। তথাপি কিছু কনিষ্ঠ অভিযন্তাৰ পদ খালি হৈছে। শ্ৰীইছলামে জনায় যে তেওঁৰ বিভাগে শোচনীয় বিত্তীয় পৰিস্থিতি সত্ত্বেও অনুমোদিত টকাৰ পৰাই নতুন আঁচনি প্ৰস্তুত আৰু কাৰ্যকৰীকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে যাতে কৰ্মসংস্থানৰ সৃষ্টি কৰিব পৰা যায়।

দ্বিতীয় মহাযুদ্ধৰ সময়ত জাৰ্মানি বিমান বাহিনীৰ অবিৰাম বোমা বৰ্ষণত লণ্ডন মহানগৰী প্ৰায় ধ্বংসস্তূপত পৰিণত হোৱাৰ সময়তো ব্ৰিটেনৰ প্ৰধান মন্ত্ৰী চাৰ্চিলে আলুখেতিৰ কাৰণেও গুৰুত্ব সহকাৰে চিন্তা-চৰ্চা কৰিছিল। কাৰণ তেওঁ জানিছিল যে সাময়িক দুৰ্যোগৰ প্ৰতিৰোধৰ দৰে কৃষি উন্নয়নৰ কথা চিন্তা-চৰ্চা কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। সেয়ে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ কৃষি বিভাগটোৱেনো বৰ্তমানৰ সমস্যা মুখৰ পৰিবেশৰ মাজত কেনেদৰে কাম কৰিছে জানিবলৈ আমি কৃষি মন্ত্ৰী চৈয়দা আনোৱাৰা টাইমুৰক লগ ধৰিবলৈ গৈছিলো। কিন্তু বিভিন্ন ধৰণে চেষ্টা কৰিও আমি মন্ত্ৰী গৰাকীৰ পৰা প্ৰয়োজনীয় উত্তৰ সংগ্ৰহ কৰিব নোৱাৰিলো। আনকি অৱশেষত মুখ্য মন্ত্ৰীৰ সচিবালয়ৰ যোগেদি শেষ চেষ্টা কৰিও আমি যেতিয়া বিফল হলো, তেতিয়া আমি সিদ্ধান্ত লবলৈ বাধ্য হ'লো যে কৃষিবিভাগে হয়তো যোৱা চাৰে-চাৰি মাহে কোনো আঁচনিকে গ্ৰহণ কৰা নাই। সেয়ে কিজানি মন্ত্ৰী মহোদয়াই আমাক আনকি সাক্ষাৎ দিবলৈকো ইচ্ছুক নহ'ল।

বিভিন্ন বিভাগৰ মন্ত্ৰী সকলক লগ ধৰি আমাৰ ধাৰণা হৈছে যে সাম্প্ৰতিক সামাজিক – ৰাজনৈতিক অস্থিৰ পৰিস্থিতিৰ মাজতো তেওঁলোকে যথেষ্ট দৃঢ়তা আৰু উদ্যমেৰে আপোন ক্ষেত্ৰৰ কৰ্তব্য সম্পাদন কৰিবলৈ সচেষ্ট হৈছে। বিত্তীয় অৱস্থাৰ বাবে কিছু অসুবিধাৰ সমুখীন হলেও প্ৰায় প্ৰতিটো বিভাগেই নিজাববীয়া চেষ্টা চলাইছে। এটা কথা লক্ষ্যনীয় যে বৰ্তমানৰ মন্ত্ৰী সকলে পুৰণি অভিজ্ঞতাৰ পৰা শিক্ষা গ্ৰহণ কৰিছে আৰু যথেষ্ট আন্তৰিকতা আৰু দায়িত্বপূৰ্ণ ভাবে জনসাধাৰণৰ ওচৰ চাপিব খুজিছে। মন্ত্ৰী সকলে আমাৰ আগত দাঙি ধৰা আঁচনি সমূহৰ সফল ৰূপায়ণ হলে যে জনসাধাৰণৰ আস্থা লাভ কৰাত সমৰ্থ হ'ব তাত কোনো সন্দেহ নাই। আনহাতে আঁচনি সমূহ যদি কাগজৰ পাত আৰু ফাইলত বন্দী হৈয়েই থাকিব লগীয়া হয়, তেনেহলে ই হ'ব সৰ্বসাধাৰণ ৰাইজৰ প্ৰতি অন্য এক প্ৰতাৰণা। সূ







## অৰণ্যত এজন মৃত

অঞ্জন ভূঞা

জোনাকে ঢাকি থৈছিল
মৃত-মানুহজন
আকাশৰ ধোঁৱাবৰণ শৰ ঢাকনিখন
বৈ বৈ কঁপিছিল

এই যেন বতাহত ভাঁহি আহিব
অঘৰী বাঁহী এটাৰ আপোন মাত

মৃত দেহটোৰ চকুত নিঁয়ৰ সৰিছিল
টুপ্-টুপকৈ আঁতৰি গৈছিল
নিশাচৰ চৰাই;
অৰণ্যৰ একোণত তেতিয়াও জ্বলিছিল চাৰি

বিষাদতো উচুপি উচুপি হাঁহিলে তাই
যন্ত্ৰণাতো হাত ভৰাই আনিলে সোঁত
(তাইৰ কাষত এতিয়া কেও নাই
বতাহে সুঁহুৰি বজোৱা এখন গোপন পথাৰেৰে
কেইবাটাও বাদুলি উৰি গ'ল)

কুঁৱলীৰ আঁৰত কোনোবা পথিকৰ হাত

পানীগছা হৈ উলটি আহিল
মৃতজনৰ চকুৰ নিঁয়ৰ

জোনাকে জোনাকে বৈ গ'ল
অৰণ্যৰ প্ৰতিটো গান □



## কবিতা

যোগেন টাইড্

মই এতিয়া প্ৰিয় সখীৰ দৰে থিয় হব নোৱাৰো গছৰ আগত
কাৰণ ময়েই বহু অৰণ্যৰ সুগন্ধি ফল, উজ্জ্বল সম্ভাৱনা আৰু অৰণ্যলৈ আহিব
ধৰা বৃষ্টিপাত নষ্ট কৰি পেলাইছো

হে মহাৰণ্য, কাতৰ অনুৰোধ কৰিছো তোমাক
তোমাৰ আক্ৰমণেৰে মোক তুমুৰালি কৰা
মই বহুত দিন কাঁইটৰ আঘাতত ওলোৱা তেজ দেখা নাই।
মই এতিয়া প্ৰেম আৰু প্ৰহৰৰ ওচৰত নতজানু হব নাজানো
কাৰণ ময়েই মমতাৰে তিতি থকা মাটিৰ আবেদন বহুবাৰ নাকচ কৰিছো
বহুতো প্ৰহৰৰ সতে ঠিক কৰি থোৱা যুদ্ধময় দিন-তাৰিখ সলনি কৰিছো
এতিয়া মই বিমুগ্ধ হৈ চাই থাকিব নোৱাৰো সেই নদীৰ ঘাটবোৰ
য'ৰ পৰা সকলো নাৰীয়ে তুলি আনিছিল উদ্‌ভ্ৰান্ত যৌৱন
মই সো শৰীৰে চাব নোৱাৰো গৰখীয়াৰ দল, সেউজীয়া তৰু-লতা
কপৌ চাপৰি
মোৰ এই দুৰ্দান্ত হাত দুখনেই হত্যা কৰি থৈ আহিছে
বহু জনপ্ৰিয় পথাৰ উৎসৱৰ উপাদান
আকৌ ময়েই বলিয়াৰ দৰে চিঞৰি ফুৰিছো এই নষ্ট নগৰত
ক'ত আছে সুৱদী সুন্দৰ গাঁও, য'ত মাজে মাজে কুঁৱলিয়ে তিয়াই
দিছিল শইচৰ ফুল মানুহৰ হিয়া

বিলৰে পাৰতে আছিল আমাৰ সুফলা ঘৰ। মেঘ চুমা পাহাৰ তলিতে
আছিল হালধীয়া সৰিয়হৰ খেতি। খেতি মোৰ মৰ্যাদাৰ প্ৰথম আধাৰ
ভ্ৰমণৰ সেউজীয়া টোকা
খেতিৰ পৰা দূৰত থাকিলে কি হয় জানো নিজান-নিঠৰ হৈ থাকে
বুকুৰ সৰু সাগৰ

অথচ আজিকালি মোক নিজকে এজন ঘাতক ঘাতক লাগে
কাৰণ ময়েই ঘোষণা কৰিছো বাৰে বাৰে গান গভীৰ মানুহৰ বিজয়
আকৌ ময়েই খুচি খুচি নিপাত কৰিছো কমলা-খেজুৰৰ দেশ
তোমাৰ ঘৰ পুৰি ছাঁই হোৱাৰ পিছতো চোৱা!
তুষাৰৰ দৰে চেঁচা হৈ আছে মোৰ এই নিষ্ফল হাত
তোমাৰ অসুখৰ বাতৰি পোৱাৰ পিছতো মই আকাশ
আঙুলিয়াব পাহৰিছো। □

## ঘৰ

এম কামালুদ্দিন আহমেদ

মেটেকানি জাঁজি নল খাগৰিত লাগি ৰয় সিহঁতৰ ঘৰ

জল কুঁৱৰীৰ বুকুতে আউজি মোৰ ঘৰ
মণি মুকুতা ৰক্তাক্ত শংখেৰে ঠাহ খাই পৰি থাকে
মেলি ৰাখো আটাইবোৰ দুৱাৰ খিৰিকি
বিনিময় কৰো শিল হৈ গোট নমৰা অশ্ৰু

অশ্ৰু প্লাৱনত উটি যায় কেতিয়াবা ঘৰ মোৰ অকস্মাৎ
ৰতি ক্ৰীড়াত মত্ত হয় পোহৰ
ঘৰৰ ভিতৰৰ ঘৰত পোহৰৰ পোহাৰ বহে

মেটেকানি জাঁজি নল খাগৰিত লাগি ৰয় তেতিয়াও সিহঁতৰ ঘৰ

জল কুঁৱৰীৰ বুকুতে বুকু থৈ চকুতে চকু থৈ
আটাইবোৰ দুৱাৰ খিৰিকি মেলি
মই নিজে এটা ঘৰ। □



প্ৰাত্যহিক

# হে মা দূৰ্গা

গৰিমা হাজৰিকা

মা দূৰ্গা তুমি প্ৰতি বছৰে আমাৰ মাজলৈ আহা। তোমাৰ আগমনত ধনী-দুখীয়া সকলোৱে সমানে দুখ-শোক পাহৰি আনন্দত আত্মহাৰা হয়।

মহিষাসুৰ মৰ্দিনী
বিপদ তাৰিণী;
দেবহিত কাৰিণী দূৰ্গে।

হে দূৰ্গা মা! তুমি সঁচাকৈয়েনো প্ৰবল প্ৰতাপী মহিষাসুৰক মাৰিছিলানে? দেবতা সকলক তুমিয়েই উদ্ধাৰ কৰিছিলানে? যদি তুমি সঁচাকৈয়ে এনে শক্তিশালী কাম কৰিছিলা – তেনেহলে তোমাৰ বংশ হিচাপে বৰ্তমানৰ নাৰীয়ে কিছু শক্তি পাব লাগিছিল। কিন্তু কতা, অসুৰ মৰা দূৰৈৰ কথা – ভাঙুৰা নিশকতীয়া মদাহী স্বামী সকলৰ গালি পিতন খাওঁতেই দিন যায়। সম্পত্তিৰ বাহিৰ, জ্বলোৱা-পোৰা, বিধৱাৰ শাস্তি, এৰা-ধৰাটো আছেই। তোমাৰ অৱশ্যে দহখন হাতত দহ বিধ ডাঙৰ ডাঙৰ অস্ত্ৰ আছিল, অসুৰ মাৰিবলৈ। কিন্তু আমাৰ এতিয়া দুখন হাত, – তাত একোৱেই নাই; শুদা। দিনৰ দিনটো গাধা খাটনি, তথাপিও কয় আমি হেনো একো কামেই নকৰো – ঘৰতে শুই বহি খায় – দিন কটাওঁ। আমাৰ হেনো মন বুলিবলৈ একোৱেই থাকিব নোৱাৰে। বিপদ 'তাৰক' সকলৰ দৰিৰ পুতলা। কেনেকৈনো তোমাৰ দৰে বিপদ তাৰিণীৰ বংশই 'বিপদ তাৰক' সকলৰ তলতীয়া হ'ল ধৰিবই নোৱাৰিলো। মই, এটা কথা ভাবি পোৱা নাই – নাৰী আদি মানৱ অৱস্থাতহে তোমাৰ দৰে শক্তিশালী আছিল। গতিকে তোমাৰ মূৰ্তি আদি মানৱৰ নিচিনা হে হোৱা উচিত। কুটুলা কুটুল চুলি, অলপ কুঁজা, মুখ চকু বান্দৰৰ দৰে। কিন্তু তোমাৰ মূৰ্তি দেখোন অপৰূপ, দেখিলেই ভাল লগা। সামন্ত যুগৰ প্ৰভাৱ নেকি বাৰু? কাৰণ সামন্ত যুগতহে নাৰীক কেৱল সৌন্দৰ্যৰ আকৰ বুলি ধৰিছিল। ৰজা-মহাৰজা সকলৰ দৰবাৰত আৰামেৰে খায়-বই সুখে সন্তোষে থকা পুৰোহিত – অমাত্য সকলেহে তেওঁলোকৰ নিজৰ স্বাৰ্থ আৰু সুবিধাৰ কাৰণে নাৰীক নতুন নতুন ৰূপত সজালে। দৰবাৰত থকা কবি, সাহিত্যিক, গায়ক সকলেও তেওঁলোকৰ নিজ নিজ কল্পনাৰে নাৰীক আৰু সৌন্দৰ্যময়ী কৰি তুলিলে। তেওঁলোকে ৰজা-মহাৰজা সকলৰ কতনো অনুগ্ৰহ পালে তাৰ লেখ নাই। তুমিও সেই সময়তেই আজিৰ এই সুন্দৰ ৰূপটো পালা যেন পাইছো। নহ'লেতো



অংকন: চম্পক বৰবৰা

তোমাক আদি মানৱ ৰূপতেই পূজা কৰিলেহেঁতেন। কাৰণ আদি মানৱ অৱস্থাতেহে নাৰী শক্তিশালী আছিল। তোমাৰ ৰূপৰ দৰে ৰূপ পোৱাৰ পাছতো, কোনো নাৰীয়েই অসুৰ মাৰিব পৰা নাই। বাৰু তোমাৰ এই সুন্দৰ শক্তিময়ী ৰূপটো কিবা বেলেগ শক্তিৰ ৰূপান্তৰৰ ফল নেকি? পৃথিৱীৰ উৰ্বৰা শক্তিটোকেই পুৰোহিত, অমাত্য, কবি, সাহিত্যিক সকলে হালধি, মছলা সানি, শক্তিময়ী দূৰ্গাৰ ৰূপত সজালে নিশ্চয়। সাধাৰণ মুখৰ কথা এটাই চোন ইটো সিটোৰ মুখ বাগৰি এঘন্টাতে বেলেগ ৰূপ লয়। তোমাৰতো বহুত দিনৰ কথা। তোমাৰ বংশক ভাল নজৰত ৰাখিবলৈকে তোমাৰ ৰূপটো তৈয়াৰ কৰা হোৱা নাইতো? পাৰ্বতী, লক্ষ্মী, সৰস্বতী, কালি এই ৰূপবোৰো তেনেকুৱাই কিবা ৰূপান্তৰ নেকি? দেবী লক্ষ্মীতো ধন-ৰত্নৰ অধিকাৰী বুলি কয় – কিন্তু ক'তা তেওঁৰ বংশৰ সৰহ ভাগ নাৰীৰে হাতত নিজে অৰ্জন কৰা ফুটা কড়িও এটা নেথাকে। স্বামীয়ে অৰ্জা খায় জীয়াই থাকে। স্বামী মৰিলে হাহাকাৰ লাগে। ল'ৰাই বা আৰ্জি খুৱাইনে নুখুৱাই? যদি ল'ৰা নাই তেতিয়া? কাব্য পুৰাণে নাম দিয়া লক্ষ্মীস্বৰূপিনী নাৰী আচলতে পইছা পাতি নোহোৱা মৰ্যাদা সহ বনকৰা নাৰী। আনফালে বিদ্যাৰ অধিষ্টাত্ৰী দেবী সৰস্বতীও নাৰী। কিন্তু কি হ'ব তেওঁৰ বংশই বিদ্যা কি বস্তু নেজানেই। অতি লাজ লগা অংশ এটাইহে বংশানুক্ৰমে বিদ্যা কি বস্তু বুজি পাইছে। এয়েই হ'ল শক্তিমতি, ধনবতি, বিদ্যা দেবীৰ বংশ। ধন, ৰত্ন বিদ্যা শক্তি নেথাকিলেও নাৰীৰ কোনো খেদ নাই। দেবীৰ আসন পাইছে, কম ডাঙৰ কথা নে? নাৰী তাতেই সন্তুষ্ট। পুৰুষ পূজাৰী সকলে লঘোনে থাকি দেবী প্ৰসাদ পাবলৈ পূজা অৰ্চনা কৰে – সেইটো নাৰীৰ কাৰণে সৌভাগ্যৰ কথা। কিন্তু মোৰ মতে মনৰ পৰিসৰ বঢ়াবলৈ মানুহক শিক্ষা লাগে। অশিক্ষিত নাৰী এগৰাকীয়ে পৰনিৰ্ভৰশীল হৈ ল'ৰা-ছোৱালীক কি শিক্ষা দিব? জ্ঞান নথকা নাৰী এখন ঘৰৰ অস্তিত্বহীন বস্তু মাত্ৰ। সেয়ে বিদ্যাক নাৰীৰ ৰূপ দিছে – নাৰী শিক্ষিত হোৱা। বি এ, এম এ পাছ কৰিলেই শিক্ষিত নহয় বৈজ্ঞানীক দৃষ্টি ভংগিৰে শিক্ষিত হৈ পৰিয়াল আৰু সমাজক যুক্তিৰে শিক্ষিত কৰা। তেতিয়াহে ঘৰখনৰ শ্ৰীবৃদ্ধি হ'ব – লক্ষ্মীস্বৰূপিনী ৰূপত নাৰী পৰিণত হ'ব। ঘৰখনৰ, সমাজৰ আৰু দেশৰ বেয়া আৰু অনিষ্টকাৰী কথাৰ বিপক্ষে মাত মাতিবলৈ দূৰ্গাৰ দৰে শক্তি অৰ্জন কৰিলেহে নাৰী সুকীয়া এটা শ্ৰেণীত নপৰিব। মানুহ হ'ব– এনে এগৰাকী নাৰী হবলৈ টান। কিন্তু চেষ্টাৰ অসাধ্য একো নাই। মনটোৱে ইচ্ছা কৰিলে দেবী কেইগৰাকীৰ শক্তিৰ কিছু অংশৰ অধিকাৰী হ'ব পাৰি নিশ্চয়। ■

বিশেষ নিবন্ধ

# হিন্দুত্ব আৰু ভাৰতীয় জাতীয়তাবাদ

ড০ মছউদুল হক

যোৱা দুটা বছৰত হিন্দুত্ব শব্দটো ঘনাই প্ৰয়োগ হোৱা দেখা গৈছে। ১৯২৩ চনত বীৰ বিনায়ক দামোদৰ চাভাৰকাৰৰ 'হিন্দুত্ব' পুথিখন প্ৰথম প্ৰকাশ হৈছিল। হিন্দু মহাসভা, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ আদি দল আৰু অনুষ্ঠানৰ নথি-পত্ৰ আৰু পুস্তিকাত শব্দটোৰ সঘন প্ৰয়োগ আছিল। কিন্তু জনসাধাৰণৰ সৰহ ভাগে পঢ়িবলৈ পোৱা বাতৰি কাকত, আলোচনী, কিতাপ-পত্ৰত হিন্দুত্ব শব্দটোৰ ব্যৱহাৰ বিৰল। ১৯৯০ চনৰ আৰম্ভণিৰ পৰা শব্দটোৱে এটা অতি অৰ্থব্যঞ্জক আৰু বহুল প্ৰচাৰিত ৰূপ পাইছে। বিভিন্ন পণ্ডিত আৰু আলোচকৰ লেখাৰ সহায়ত হিন্দুত্বৰ ধাৰণাটোৰ ওপৰত কিঞ্চিত আলোকপাত কৰাৰ প্ৰয়াস কৰিছো। সুধীজনে বিষয়টো মুকলি আলোচনালৈ নিলে আমাৰ উপকাৰ হব।

## হিন্দুত্বৰ ধাৰণাটো

ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, বিশ্ব হিন্দু পৰিষদ, ভাৰতীয় জনতা পাৰ্টি আৰু আন সমভাবাপন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰচাৰিত লেখা মতে 'হিন্দু হোৱাৰ ফলত যি বিশেষ মানসিক গঠন সৃষ্টি হব তাকে হিন্দুত্ব বোলে।' এই মানসিক গঠন মুছলমান বা খৃষ্টানৰ পৰা স্পষ্টভাবে পৃথক বুলি ক'ব খোজা হৈছে। এই কথাটোকে এনে ধৰণেও কোৱা হৈছে– "এটা নিৰ্দিষ্ট সংস্কৃতি, যিটো হিন্ধুৰ সংস্কৃতি– তাৰ পৰা উদ্ভৱ হোৱা চিন্তাধাৰাই হ'ল হিন্দুত্ব।" বীৰ চাভাৰকাৰে তেওঁৰ 'হিন্দুত্ব' পুথিখনত হিন্দুত্বৰ ব্যাখ্যা দিয়াৰ আগতে হিন্দু শব্দটোৰ ব্যাখ্যা কৰিছে এনে ধৰণে– "সিন্দুৰ পৰা সাগৰলৈকে বিয়পি থকা আমাৰ বিশাল দেশখনক যি নিজৰ পিতৃভূমি বুলি ভাবে, যি একে সংস্কৃত ভাষাৰ মাজেদি পূৰ্বপুৰুষৰ তেজৰ উত্তৰাধিকাৰ দাবী কৰে, যি এই দেশখনক পূণ্যভূমি আৰু পিতৃভূমি বুলি গণ্য কৰে, ইয়াৰ সাধু-সন্ত আৰু দেৱ-দেৱীক শ্ৰদ্ধা কৰে– তেওঁলোকেই হিন্দু।"

চাভাৰকাৰৰ হিন্দুত্বৰ সাৰ বস্তু হ'ল এটা জাতি (race), এটা ভাষা আৰু এটা সংস্কৃতি। চাভাৰকাৰৰ মতে বৈদিক, সনাতনী, জৈন, বৌদ্ধ, শিখ আদি সকলো ধৰ্মৰ মানুহ হিন্দু– কাৰণ এই সকলো ধৰ্মৰ মানুহৰ বাবে এই দেশখন পিতৃভূমি আৰু পুণ্যভূমি। খৃষ্টান বা ইছলাম হ'ল বিদেশী ধৰ্ম। গতিকে এইবোৰ ধৰ্মাৱলম্বী মানুহ জন্ম, ভাষা আৰু সংস্কৃতিৰ সূত্ৰে এইখন দেশৰ মানুহ হব পাৰে, কিন্তু হিন্দু হব নোৱাৰে। এইখন দেশ তেওঁলোকৰ পিতৃভূমি হ'লেও পুণ্যভূমি নহয়। তেওঁলোকৰ পুণ্যভূমি আছে পেলেষ্টাইন আৰু মক্কাত। গতিকে তেওঁলোকৰ দেশপ্ৰেম বিভক্ত।

চাভাৰকাৰে ভাৰতৰ বিভিন্ন অঞ্চলৰ সাংস্কৃতিক ঐক্যৰ কথা ক'বলৈ গৈ সকলো ভাৰতীয় ভাষাৰে মূল সংস্কৃত ভাষা বুলিও দৃঢ় মত পোষণ কৰিছে। (ভাষাবিদ পণ্ডিত সকলে কিন্তু সংস্কৃত ভাষাই সকলো ভাৰতীয় ভাষাৰ মূল বুলি মানি নলয়)। হিন্দু মহাসভাৰ সভাপতি ৰূপে চাভাৰকাৰে নথিভুক্ত লেখাত কৈছে– "অ-হিন্দুৱে ইয়াত থাকিব পাৰিব যদিহে তেওঁ মানি লয় যে এইখন দেশ হিন্দুসকলৰ দেশ আৰু আনৰ ইয়াত কোনো অধিকাৰ নাই। অ-হিন্দুৱে সাধাৰণ শিক্ষা-সংস্কৃতিৰ অধিকাৰ পাব পাৰে, কিন্তু চাকৰি বা নিৰ্বাচনৰ ক্ষেত্ৰত কোনো ৰক্ষণাবেক্ষণ পাব নোৱাৰিব।" গুৰু গোলৱাকাৰে আৰু এখোজ আগুৱাই গৈ কৈছে, "হিন্দু ধৰ্ম আৰু হিন্দু সংস্কৃতিয়েই ভাৰতৰ ৰাজনীতিৰ প্ৰাথমিক প্ৰয়োজন বুলি গণ্য হব লাগিব। স্বাধীনতা সংগ্ৰাম বা বৃটিছ বিৰোধী মনোভাব সুদৃঢ় কৰিবলৈকো হিন্দু সকলৰ সাংস্কৃতিক পুনৰ গঠন প্ৰয়োজন। হিন্দু আৰু অ-হিন্দুৱে একেলগে আগবঢ়া কথাটো হিন্দুত্বৰ ধাৰণাটোৰ পৰিপন্থী। যিহেতু স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰোতা আৰু ধন যোগাওঁতা সৰহভাগেই হিন্দু, গতিকে এইটো হিন্দুৰ সংগ্ৰাম।"

এইখিনিতে মনত ৰখা প্ৰয়োজন হব যে হিন্দুত্বৰ এনে সৰলীকৃত পৰিষ্কাৰ ধাৰণা প্ৰকাশৰ সময়ত দ্বিজাতি তত্ত্ব, পাকিস্তান আদি ধাৰণাবোৰ ওলোৱা নাছিল। কংগ্ৰেছ 'ইলাইট' সকলৰ মধ্যমণি চিত্তৰঞ্জন আৰু মতিলালৰ লগতে জিন্না তেতিয়া 'স্বৰাজিষ্ট' গ্ৰুপৰ মুখিয়াল।

## হিন্দু শব্দটো

হিন্দু শব্দটো পাৰ্চি ভাষাৰ ইন্দে বা Inde ইন্দ্ শব্দৰ পৰা আহিছে। ইন্দ্ শব্দই বুজাইছিল সিন্ধ্ বা সিন্ধু নদীক। তাৰে পৰাই আহিছে ইন্দু বা সিন্ধু শব্দটো যাৰ দ্বাৰা বুজাইছিল সিন্ধু নদীৰ পাৰৰ মানুহখিনিক। মাত্ৰ তিনিশ বছৰমান আগৰ পৰা আৰু বিশেষকৈ যোৱা দেৰশ বছৰত হিন্দু শব্দটো কিছুমান নিৰ্দিষ্ট আচাৰ-অনুষ্ঠান পালন কৰা মানুহখিনিক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। হিন্দু ধৰ্মৰ আচাৰ-অনুষ্ঠানো আকৌ নিৰ্দিষ্ট গণ্ডিৰ ভিতৰত আবদ্ধ নহয়। পৃথিৱীৰ আন প্ৰধান ধৰ্মবোৰৰ দৰে হিন্দু ধৰ্ম কোনো নিৰ্দিষ্ট দৰ্শনক কেন্দ্ৰ কৰি গঢ়ি উঠা নাই। এটা সময়ত আৰ্য শব্দেৰে বুজোৱা হৈছিল বিদেশী (অৰি)-ক। পিছৰ যুগত আৰ্য শব্দই সভ্য বা উন্নত বুজালে। আৰ্য সকলৰ প্ৰাচীনতম গ্ৰন্থ ঋক্‌বেদত হিন্দু শব্দটোৰ উল্লেখ নাই। বেদৰ ধৰ্মৰ অনুগামী আৰ্যসকলে সিন্ধু নদীৰ পাৰৰ প্ৰাচীন সভ্যতাৰ (মহেঞ্জোদাৰো-হাৰপ্পাৰ) জনক সকলক যুদ্ধত পৰাস্ত কৰি খেদি পঠাইছিল পূব আৰু দক্ষিণলৈ। কিন্তু এই পৰাজিত সভ্যতাৰ দেৱ-দেৱী, আচাৰ-অনুষ্ঠান বেদৰ ব্ৰহ্মৰ লগত মিহলি হ'ল। ব্ৰহ্মৰ লগত শিৱ-দূৰ্গা-গনেশ আদি আৰ্য ভিন্ন গোষ্ঠীৰ

দেৱতাও উপাস্য হ'ল। এই মিশ্ৰিত ধৰ্ম আৰু সংস্কৃতি ৰামায়ণ, মহাভাৰতৰ সময়তকৈও আগৰ (সম্ভৱ ঋক্‌বেদতকৈও)।

## হিন্দুত্ব আৰু সিন্ধু নদীৰ সভ্যতা

চাভাৰকাৰ আৰু গোলৱাকাৰৰ হিন্দুত্বৰ ব্যাখ্যাই সংমিশ্ৰণ আৰু ক্ৰমবিকাশৰ বৈজ্ঞানিক তত্ত্ব অস্বীকাৰ কৰে। লোকমান্য বাল গংগাধৰ তিলক আৰু ৰাহুল সংস্কৃতায়নৰ দৰে বিদগ্ধ পণ্ডিত আৰ্য সভ্যতাৰ প্ৰবল গুণগ্ৰাহী আছিল। তেওঁলোকৰ বলিষ্ঠ লেখাত সুন্দৰ যুক্তিৰে তেখেত সকলে প্ৰমাণ কৰি থৈছে যে আৰ্যসকলে বৰ্তমানৰ ৰুছ দেশৰ উত্তৰ অঞ্চল বা একেবাৰে উত্তৰ মেৰুৰ ওচৰৰ পৰা প্ৰব্ৰজন কৰি আহি সিন্ধুৰ তীৰত উপস্থিত হৈছিল। বেদ আৰু পুৰাণৰ বহু সাক্ষ্যৰে তেওঁলোকে যুক্তি আগবঢ়াইছিল। বৰ্তমানৰ হিন্দুত্বৰ ধাৰণাটোৱে এই সমস্ত বৈজ্ঞানিক ধ্যান-ধাৰণা নস্যাৎ কৰে।

বৰ্তমানৰ হিন্দুত্বৰ প্ৰবক্তা সকলৰ মতে হিন্দু ধৰ্ম সনাতন ধৰ্ম। ই সৃষ্টিৰ আদিৰে পৰা আমাৰ ভাৰতবৰ্ষত চলি আছে। বিভিন্ন ধাৰা, মতবাদ আৰু দাৰ্শনিক চিন্তাবোৰ তাৰ পৰাহে ওলাইছে। পিছে আজিৰ বিজ্ঞানে আমাক কয় যে ব্ৰহ্মপুত্ৰ, গংগা আৰু সিন্ধু উপত্যকা গোটেই হিমালয় পৰ্বতেৰে সৈতে সাগৰৰ তলিৰ পৰা ওলাইছে সৃষ্টিৰ পাতনিৰ বহু কোটি বছৰ পাছত। প্ৰমাণ ফচিলবোৰ। দাক্ষিণাত্য হয়তো আন্দামান-নিকোবৰ, মালয়, ইন্দো-চীনৰ মাজেদি যুক্ত আছিল অষ্ট্ৰেলিয়াৰ লগত। কিন্তু হিন্দুত্বৰ প্ৰবক্তা সকলৰ বক্তব্য মতে সৃষ্টিৰ পাতনিৰে পৰা ভাৰতবৰ্ষ এখন দেশ, এটা ভাষা, এটা সংস্কৃতিৰ লীলাভূমি।

## হিন্দু মহাসভা আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ

হিন্দু মহাসভা গঠন হৈছিল ১৯৩৭ চনত আৰু মূল দৰ্শন আছিল চাভাৰকাৰৰ 'হিন্দুত্ব' পুথিখন। বীৰ চাভাৰকাৰ ১৯৪৮ চনত গান্ধী হত্যাৰ লগত পৰোক্ষ ভাবে হ'লেও জড়িত হৈ পৰাৰ সময়লৈকে হিন্দু মহাসভাৰ সভাপতি আছিল। ইফালে তেখেতৰ সমসাময়িক পণ্ডিত ড০ হেগড়েৱাৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ প্ৰতিষ্ঠা কৰি তাৰ প্ৰধান কাৰ্যসূচী হিচাপে লৈছিল হিন্দুত্বৰ প্ৰচাৰ, প্ৰসাৰ আৰু ৰক্ষণাবেক্ষণৰ বাবে সেৱক সংগ্ৰহ কৰা। গান্ধী হত্যাৰ পাছত নিষিদ্ধ সংগঠন হোৱাৰ আগলৈকে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই উগ্ৰ সাম্প্ৰদায়িক প্ৰচাৰেৰে তাৰ শক্তি বৃদ্ধি কৰিছিল, আকৃষ্ট কৰিছিল যুৱকচামক। অৱশ্যে এই শক্তি বৃদ্ধিত মুছলিম লীগৰ 'পাকিস্তান'ৰ দাবীয়ে পৰোক্ষ ভাবে অৰিহণা যোগাইছিল। ১৯৪০ চনৰ পৰা ১৯৭৩ চনলৈকে চৰসংঘচালক বা সৰ্বাধিনায়ক হৈ থকা গুৰু গোলৱাকাৰ আছিল অতি গোড়া আৰু কট্টৰপন্থী। তেখেতৰ সময়তে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যকলাপ ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰতিটো স্তৰ, প্ৰচাৰ মাধ্যম আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানলৈ বিস্তৃত হৈ পৰিছিল। সংঘৰ বাহিৰৰ কাম-কাজ পৰিচালনা আৰু হিন্দুত্বৰ ধাৰণাটো প্ৰচাৰ কৰাৰ কামটো কৰিছিল ভাই পৰমানন্দ আৰু ড০ বি এচ মুনজীয়ে।

গোলৱাকাৰ আৰু তেওঁৰ দুই প্ৰধান সহযোগী ভাই পৰমানন্দ আৰু ড০ মুনজীৰ মূল তত্ত্ব আছিল 'ভাৰতীয় জাতীয়তাবাদৰ ভেটি হব লাগে হিন্দুত্ব'। নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰত থকা সকলো মানুহক একগোট কৰিবলৈ জাতীয়তাবাদী চিন্তা যে অপৰিহাৰ্য এই বিষয়ে তেখেতসকল ভালদৰে অৱগত আছিল। ইউৰোপীয় শিক্ষাৰ সৰ্বোৎকৃষ্ট অংশ লাভ কৰাৰ পাছতো কিন্তু তেওঁলোকৰ জাতীয়তাবাদী চিন্তাত উদাৰতা আৰু মানৱতাবাদী উপাদান বৰ কম আছিল। তাতোকৈ ডাঙৰ কথা হ'ল তেওঁলোক আছিল সমালোচনাৰ প্ৰতি অসহিষ্ণু। তেওঁলোকৰ জাতীয়তাবাদ আছিল হিন্দু ধৰ্ম-সংস্কৃতি ভিত্তিক। চাভাৰকাৰ হেগড়েৱাৰ গোলৱাকাৰৰ দৰ্শনত জাতীয়তাবাদ আছিল হিন্দুত্বৰ সমাৰ্থক।

হিন্দুবাদেই আছিল তেখেতসকলৰ জাতীয়তাবাদ। খৃষ্টান বা মুছলমানে হিন্দুত্বৰ অংশীদাৰ বা ভাগীদাৰ হবলৈ কি কৰিব লাগিব সেই সম্পৰ্কেও তেওঁলোকৰ আছিল স্পষ্ট ধাৰণা আৰু নিৰ্দেশ। "তেওঁলোকে হিন্দুত্ব গ্ৰহণ কৰিব পাৰে– যদিহে বিশাল মানসিক আৰু আবেগিক পৰিৱৰ্তনৰ যোগেদি তেওঁলোকে যোগ্যতাৰ পৰিচয় দিব পাৰে, যদিহে তেওঁলোকে এইখন দেশক পিতৃভূমি আৰু পূণ্যভূমি বুলি ভাবে, ইয়াৰ সাধু-সন্ত আৰু দেৱ-দেৱীক শ্ৰদ্ধা কৰে, হিন্দুক বিয়া কৰে আৰু হিন্দুৰ সংস্কৃতি গ্ৰহণ কৰে।"

তেখেত সকলৰ এনেবোৰ ধাৰণা আৰু উক্তিয়ে তৃণমূল পৰ্যায়ৰ কৰ্মী আৰু সমৰ্থকৰ মাজত এনে ধাৰণা দিছিল আৰু এতিয়াও দিয়ে যে মুছলমান-খৃষ্টান আদিয়ে যেতিয়ালৈকে ধৰ্মবিশ্বাস নেৰে, পেলেষ্টাইন আৰু মক্কাৰ দৰে বিদেশৰ পূণ্যভূমিৰ মুখাপেক্ষী হৈ থাকে তেতিয়ালৈকে তেওঁলোক ভাৰতীয় হব নোৱাৰে। উচ্চ পৰ্যায়ত এই কথাটোকে বেলেগ ধৰণে কোৱা হয়। কোৱা হয় 'মাইন'ৰিটিজম' বা সংখ্যালঘুবাদ নামৰ কাল্পনিক 'বাদ'ৰ কথা, কোৱা হয় সংখ্যালঘুৰ স্বাৰ্থত সংখ্যাগুৰুক বঞ্চিত কৰা কথা, কোৱা হয় আৰব দেশত বা পাকিস্তানত আন ধৰ্মৰ মানুহক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ দৰে ভাৰততো কৰিব লাগে, কোৱা হয় মুছলমানে ভাৰতীয় সংস্কৃতিক গ্ৰাস কৰিব খোজা কথা ইত্যাদি। গোটেই কথাবোৰৰ সাৰ হ'ল যিহেতু ভাৰতৰ জনসংখ্যাৰ ৮৫ শতাংশ হিন্দু, গতিকে তেওঁলোকৰ বাবেহে ৰাষ্ট্ৰই চিন্তা কৰিব লাগে। আওপকীয়া ভাবে ৰাষ্ট্ৰ আৰু চৰকাৰ ৮৫ শতাংশৰ বাবেহে, বাকী ১৫ শতাংশৰ বাবে নহয়।

## সংখ্যাগুৰুৰ জাতীয়তাবাদ

ভাৰত বুৰঞ্জীৰ আৰম্ভণি যদি আমি হাৰপ্পা-মহেঞ্জাদাৰোৰ পৰা ধৰো তেন্তে দেখিম যে আৰ্যসকলৰ আগৰ এই সভ্যতা আছিল সু-বিকশিত, নগৰকেন্দ্ৰিক, বাণিজ্যভিত্তিক সভ্যতা। প্ৰাচীনত্ব আৰু বিকাশৰ স্তৰৰ পৰা দেখা যায় যে এনে উন্নত প্ৰাচীন সভ্যতা বেবিলন (ইৰাক), ইজিপ্ত আৰু দক্ষিণ চীনৰ বাহিৰে পৃথিৱীৰ আন ঠাইত থকাৰ প্ৰমাণ এতিয়াও পোৱা নাই। আক্ৰমণকাৰীৰ বল প্ৰয়োগত এটা সময়ত এই সভ্যতা ধ্বংস হ'ল। বুৰঞ্জীবিদ পণ্ডিত সকলে আক্ৰমণকাৰী সকলক উত্তৰ-পশ্চিমৰ পৰা অহা আৰ্য বুলি চিনাক্ত কৰিছে। একেষাৰতে আমি ক'ব পাৰো যে হিন্দুত্বৰ প্ৰবক্তাসকলে ক'ব খোজাৰ দৰে আৰ্য সভ্যতাই আমাৰ দেশৰ প্ৰাচীনতম সভ্যতা নহয়।

কালচক্ৰত আৰ্যসকল শাসক গোষ্ঠীত আৰু আগৰ সভ্য বাসিন্দাসকল শাসিত গোষ্ঠীত পৰিণত হ'ল। শাসক সকলে শাসিতৰ বলবান আৰু বিত্তবান সকলক শাসক গোষ্ঠীৰে নিম্নতম খাপত সামৰি ললে। এই সকল হ'ল উচ্চ বৰ্ণ আৰু বাকী গৰিষ্ঠ সংখ্যক হ'ল নিম্নবৰ্ণ। শ শ বছৰ জুৰি শাসক আৰু শাসিতৰ কৃষ্টি-সংস্কৃতি, ভাষা-ধৰ্মৰ মাজত চলা সংগ্ৰাম আৰু শেহত সহ অৱস্থানৰ ফলত ভিত্তি পত্তন হ'ল বিশাল ভাৰতীয় সংস্কৃতিৰ। শক্‌ হূন, কুশান, পাৰ্চি,





স্কাইথিয়ান, গ্ৰীক, তাৰ্কি, পাঠান, মোগল ইত্যাদি অসংখ্য গোষ্ঠীয়ে আমাৰ দেশখন আক্ৰমণ কৰিছে। বহুতে স্থায়ী ভাবে ইয়াতে ৰৈ গৈছে। আক্ৰমণ, যুদ্ধ আৰু শান্তিৰ মাজেদি সেইবোৰ দেশৰ সংস্কৃতি-ভাষা-ধৰ্মৰ প্ৰভাৱ ৰৈ গৈছে। পিছে আৰ্যসকলৰ পিছত অহা কোনো প্ৰব্ৰজনকাৰী বা আক্ৰমণকাৰীয়ে আমাৰ এই বিশাল দেশখনৰ চিন্তা-চৰ্চা সম্পূৰ্ণৰূপে গ্ৰাস কৰিব পৰা নাই।

জৱাহৰলাল নেহৰুৱে Past and Present ৰচনাত লিখিছে, "যিমানে মই আৰ্যসকলৰ কথা পঢ়ো, সিমানে তেওঁলোকৰ বহুমুখী প্ৰতিভা দেখি অবাক বিস্ময়ত অভিভূত হওঁ। ........................। প্ৰতিজন ভাৰতীয়ই আৰ্য সভ্যতাৰ উৎকৰ্ষক লৈ গৌৰৱ কৰিব পাৰে– যিদৰে গ্ৰীচ বা ইটালিৰ নাগৰিকে প্ৰাচীন ৰোম বা গ্ৰীচৰ সভ্যতাকলৈ গৌৰৱ কৰিব পাৰে। যদি ভাৰতৰ সকলো মানুহ খৃষ্টান বা ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হ'লহেঁতেন তেতিয়াও সেই আৰ্য যুগৰ গৌৰৱোজ্জ্বল ঐতিহ্যই আমাক প্ৰভাৱিত (inspire) কৰি থাকিলহেঁতেন।"

আৰ্যসকলে পূৰ্বৰ অধিবাসীৰ কৃষ্টি-সংস্কৃতি-ধৰ্মৰ বুজন অংশ গ্ৰহণ কৰি প্ৰতিষ্ঠা কৰা জাতীয় ঐতিহ্যৰ ভেটিটোত পাছত অহা বিদেশী প্ৰব্ৰজনকাৰী আৰু আক্ৰমণকাৰী সকলৰ অবদানো কম নহয়। এই তথ্যটো অস্বীকাৰ কৰিলে সত্যৰ অপলাপ হব। তথাপি আমি নেহৰুৰ ভাষাতে ক'ব পাৰো 'আৰ্য সভ্যতা ভাৰত বুৰঞ্জীৰ অতি আমোদজনক আৰু সৃষ্টিশীল সময়।' সেই বুলি হিন্দু ধৰ্মক ভিত্তি কৰি কোনো সংস্কৃতি থকা কথাটো সঁচা নহয়। হিন্দু ধৰ্মৰ ভিতৰত আছে সীমাহীন বিভিন্নতা। যুগ যুগ ধৰি চলি অহা হিন্দু ধৰ্মৰ একীকৰণ (assimilation) প্ৰক্ৰিয়াটো সত্বেও হিন্দু ধৰ্ম অসংখ্য দৰ্শন আৰু ধাৰাত বিভক্ত। তাৰ ফলত বহুত পৰস্পৰ বিৰোধী ধাৰণা আৰু আচাৰ অনুষ্ঠানেও হিন্দু ধৰ্মত স্থান পাইছে। এসময়ত চৰ্বাক আৰু সাংখ্য দৰ্শনে আৰু পাছত জৈন আৰু বৌদ্ধ দৰ্শনে বেদৰ ধৰ্মৰ ভেটিটো কঁপাই দিছিল। কিন্তু একীকৰণৰ প্ৰক্ৰিয়াত চৰ্বাক, সাংখ্য, জৈন, বৌদ্ধ আৰু আনকি শিখ দৰ্শনকো হিন্দু ধৰ্মৰ মাজত সাবটি লোৱাৰ চেষ্টা হৈছে। বৌদ্ধ আৰু শিখ সকলে নিজৰ স্বকীয়তা বজাই ৰাখিব খোজাটো বেলেগ কথা।

ইংৰাজ তাত্ত্বিক চি ই এম জোডে একে সুৰতে কৈছে– "ভাৰতৰ যিকোনো অঞ্চলৰ মানুহৰ মানৱ সভ্যতালৈ উল্লেখযোগ্য অৱদান হ'ল বিভিন্ন ধৰণৰ চিন্তা সত্বেও মানুহৰ মাজত একাত্মতা প্ৰতিষ্ঠা কৰি অনৈক্যৰ মাজত ঐক্য সৃষ্টি কৰা।"

## হিন্দুত্বৰ ধাৰণাটোৰ প্ৰভাৱ

হিন্দুত্বৰ চাভাৰকাৰ-গোলৱাকাৰৰ তত্ত্বই প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিছে প্ৰধানকৈ উচ্চ বিত্ত, উচ্চ শিক্ষিত, উচ্চ বৰ্ণৰ মাজত। যোৱা কেইটামান বছৰত মধ্যবিত্তৰ চাকৰিজীৱী আৰু ব্যৱসায়ীৰ মাজত ব্যাপক বিস্তাৰ হৈছে। সমাজ বিজ্ঞানী সকলে এই নতুন অৱস্থাটোৰ বিস্তৃত অধ্যয়ন আৰম্ভহে কৰিছে। তথাপি বিখ্যাত বুৰঞ্জীবিদ পণ্ডিত বিপন চন্দ্ৰ, হৰবংশ মুখিয়া, সৰ্বপল্লী গোপাল, ৰোমিলা থাপাৰ, ইৰফান হাবিব, পাৰ্থ চেটাৰ্জী, সংস্কৃত পণ্ডিত ৰবিশংকৰ বেনাৰ্জী, উৰ্বশী ধামিজা আদিয়ে ভালেমান প্ৰবন্ধ পাতিত বিষয়টো আলোচনা কৰিছে। তেওঁলোকৰ মতে ১৭ শতিকাত বৃটিছে ভাৰতত বাণিজ্য কৰিবলৈ আহোতে ভাৰতত দাৰ্শনিক, কাৰিকৰী বিদ্যা, জ্ঞান, আৰ্থ-ৰাজনৈতিক অৱস্থা আটাইবোৰেই নিম্ন স্তৰ পাইছিলগৈ। সামন্ততান্ত্ৰিক ক্ষুদ্ৰ গোষ্ঠী চিন্তাই ভাৰতীয় সংস্কৃতিৰ বহল পথাৰখন ঠেকাই পেলাইছিল। ফলত বৃটিছ বণিকে ৰাজদণ্ড লোৱাটো সহজ হৈছিল। আগৰবোৰ আক্ৰমণতকৈ বৃটিছৰ ব্যৱস্থাৱলী গুণগত ভাবে বেলেগ আছিল। শিল্প ভিত্তিক ধনতান্ত্ৰিক ব্যৱস্থাই ভাৰতীয় সংস্কৃতিৰ পৰম্পৰাক উভালি পেলোৱাৰ উপক্ৰম হৈছিল। তেওঁলোকে নিজৰ শোষণ আৰু শাসনৰ স্বাৰ্থত গঢ়ি তুলিছিল পাশ্চাত্যৰ শিক্ষা ব্যৱস্থা। ইয়াৰ ফলত যি চাম শিক্ষিতৰ সৃষ্টি হ'ল তেওঁলোকৰ সৰহভাগেই শাসক সকলৰ অনুকৰণতে ভাৰতীয় সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰাক অন্ধবিশ্বাস বুলি উৰাই দিয়াৰ প্ৰবণতা দেখুৱাইছিল।

ইংৰাজী শিক্ষাৰে শিক্ষিত সকলে ভাৰতীয় ধৰ্ম আৰু সংস্কৃতিক কৰা অপমানজনক সমালোচনাৰ ফলত ভাৰতীয় চিন্তা, জ্ঞান, শিক্ষা-সংস্কৃতিৰ ভাল দিশবোৰো অৱহেলিত হ'ল। নষ্ট হ'ল আমাৰ আত্মসন্মান। সৃষ্টি হ'ল ইংৰাজক অনুকৰণ কৰা প্ৰবণতা। এফালে জনসাধাৰণ শোষণৰ বলি হৈছে বেছিকৈ, আচ্ছন্ন হৈছে অন্ধবিশ্বাস আৰু কু-সংস্কাৰত। আনফালে নেতৃত্ব দিব পৰা চাম মজিছে পাশ্চাত্যৰ অন্ধ অনুকৰণত। এই ভাৰতীয় চিন্তা আৰু ঐতিহ্যৰ পৰা আঁতৰত থকা নেতা সকলে বৃটিছৰ প্ৰস্থানৰ পাছতো আমাৰ শিক্ষাৰ পৰা ৰাজনীতিলৈকে সকলো স্তৰতে নেতৃত্বত বহি আছে।

মধ্যবিত্ত শ্ৰেণীৰ স্থিতি সবল হোৱাটো উন্নতিৰ লক্ষণ। পিছে তেওঁলোকৰ অন্তৰ্দ্বন্দ্ব আৰু দোদুল্যমান মানসিক অৱস্থা উন্নতিৰ পথত বাধা। এফালে তেওঁলোক পশ্চিমীয়া সংস্কৃতিৰ অন্ধ ভক্ত আৰু আনফালে অতীতমুখী আৰু অন্ধবিশ্বাস, কু-সংস্কাৰৰ দাস। আচৰিত যেন লাগিলেও আমাৰ উচ্চ শিক্ষিতে আমাৰ কৃষ্টি-সংস্কৃতি-ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল হয়গৈ বিদেশত পঢ়িবলৈ গৈ। আমাৰ উচ্চ চাকৰিয়ালে কৃষ্টি-সংস্কৃতিৰ শিক্ষা লয় টি ভি, চিনেমা আৰু বিদেশী লেখকৰ লেখাৰ পৰা। এইবোৰ মানুহ ভোগে আত্মগ্লানিত। আমাৰ জাতীয় ঐতিহ্য, কৃষ্টি, সংস্কৃতি আৰু ধৰ্মৰ জ্ঞানৰ বাবে চমুবাট বিচাৰি শৰণাপন্ন হয় উগ্ৰ সাম্প্ৰদায়িক সংগঠনৰ। কি হিন্দু, কি মুছলমান সকলোৰে ক্ষেত্ৰতে এই কথা খাটে। সেয়ে আজিৰ মৌলবাদী সংগঠনবোৰত এই তথাকথিত উচ্চ শিক্ষিত, উচ্চ চাকৰিয়ালৰ ভিৰ।

লক্ষ্য কৰিলে দেখা যাব আমাৰ বিশ্ব হিন্দু পৰিষদ বা জামাতি-ইছলামিৰ দৰে সংগঠনে শক্তি আৰু জন সমৰ্থন প্ৰদৰ্শনত ব্যস্ত থাকে। কাৰ্য ক্ষেত্ৰত ইটোৱে সিটোৰ শক্তি বৃদ্ধিত অৰিহণা যোগায়। আচৰিত যেন লাগিলেও আজিও হিন্দু ধৰ্মশাস্ত্ৰ, সংস্কৃতি আদিৰ বিষয়ে গৱেষণাৰ আটাইতকৈ বেছি সুবিধা আছে চিকাগ' আৰু বাৰ্লিন বিশ্ববিদ্যালয়ত। ইছলামী শাস্ত্ৰ আৰু সংস্কৃতিৰ উচ্চ পৰ্যায়ৰ গৱেষণাৰ আটাইতকৈ বেছি সুবিধা আছে লণ্ডন আৰু পেৰিছত। ইয়াৰ পৰাই দেখা যাব যে প্ৰকৃত জাতীয়তাবাদ আমি এতিয়াও শিকাই নাই।

আমাৰ বাবে ভাল-বেয়া, পঢ়িব লগীয়া, শিকিব লগীয়া, টি ভি-ৰ কাৰ্যসূচীৰ পৰা চিনেমাৰ বিষয় বস্তুলৈকে আটাইবোৰ কথাই নিৰূপণ কৰে 'ইলাইট' মধ্য শ্ৰেণীয়ে। এই ইলাইটসকল নিজেই দোদুল্যমান। গতিকে আমাৰ জাতীয় চৰিত্ৰ, জাতীয় সংস্কৃতি, জাতীয় কৃষ্টি একোৱেই সুস্পষ্ট ৰূপ পোৱা নাই। এনে অৱস্থাত হিন্দুত্ব বা ইছলামত্বৰ নিচিনা ধ্যান-ধাৰণাই আমাক কৰি নিছে আৰু নিব এই বিষয়ে ভালকৈ আলোচনা কৰাৰ প্ৰয়োজন আছে বুলি আমি ভাবো। সূ





OKDISCD

# কং(ই) বিসম্বাদী আৰু অগপ-ৰ গোপন বৈঠক

অসম প্ৰদেশ কংগ্ৰেছ (ই) বিধায়িনী দলৰ বিসম্বাদী গোষ্ঠীটোৱে হিতেশ্বৰ শইকীয়াক নেতৃত্বৰ পৰা আঁতৰোৱাৰ উদ্দেশ্যে এক নতুন কৌশল হাতত লৈছে। এই কৌশলৰ অংশ হিচাপেই বিধায়িনী দলৰ এটা সৰু গোটে দিল্লীত প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওক চলিত মাহৰ আৰম্ভণিত সাক্ষাৎ কৰাৰ উদ্দেশ্যে কেইবাদিনো ধৰি বাহৰ পাতি থাকে। দিল্লীত এই সৰু গোটটোৰ সৈতে মিলিত হয় সংসদ সদস্য কিৰিপ চলিহা, ভুৱনেশ্বৰ কলিতা আদিয়ে। কিন্তু জানিব পৰা মতে কেইবাদিনো চেষ্টা কৰিও বিধায়িনী দলৰ এই সৰু গোটটোৱে প্ৰধান মন্ত্ৰীক সাক্ষাৎ কৰিব নোৱাৰিলে। কেশৱ গগৈ, ৰাজ্যিক মন্ত্ৰী চিত্তৰঞ্জন পাটোৱাৰীয়ে কেইবাদিনো ধৰি বাহৰ পাতি থাকি ৰাওক সাক্ষাৎ কৰিব নোৱাৰি চাৰি নৱেম্বৰত গুৱাহাটীলৈ ঘূৰি আহে। জানিব পৰা মতে দিল্লীত থকাৰ সময়ত সংসদ সদস্য কিৰিপ চলিহা, ভুৱনেশ্বৰ কলিতা আদিয়ে বিসম্বাদী গোষ্ঠীটোক আশ্বাস দিয়ে যে ১৮ নৱেম্বৰৰ পিছত প্ৰধান মন্ত্ৰী ৰাওক সাক্ষাৎ কৰাটো সম্ভৱ হৈ উঠিব। কিয়নো ১৮ নৱেম্বৰৰ ভিতৰত বিভিন্ন ৰাজ্যত হব লগীয়া উপনিৰ্বাচন সমাপ্ত হব। ইয়াৰ পিছত বিসম্বাদী গোষ্ঠীটোৱে গুৱাহাটীলৈ আহি কংগ্ৰেছ (ই) বিধায়িনী দলৰ মাজত প্ৰচাৰ চলাই যে ১৮ নৱেম্বৰৰ পিছত সকলো ঠিক হৈ যাব। তেওঁলোকে প্ৰকাৰান্তৰে এইটোকে বুজাবলৈ চেষ্টা কৰিছে যে ১৮ নৱেম্বৰৰ পিছত প্ৰদেশ কংগ্ৰেছ বিধায়িনী দলৰ নেতৃত্ব সলনি হোৱাটো খাটাং।

বিসম্বাদী গোষ্ঠীটোৱে দিল্লীত এটাই প্ৰচাৰ চলাইছে যে হিতেশ্বৰ শইকীয়া নেতৃত্বত থকালৈকে আলফা সমস্যাৰ সমাধান নহয় আৰু আলফা সমস্যা সমাধান নহ'লে অসমত কংগ্ৰেছ দলৰ কোনো ভৱিষ্যত নাই। এই বিসম্বাদী গোষ্ঠীটোৰ সৈতে প্ৰকাশ্যে নহ'লেও ভিতৰি ভিতৰি গড় কাপ্তানি মন্ত্ৰী গোলোক ৰাজবংশী, কৃষি মন্ত্ৰী আনোৱাৰা টাইমুৰে সমৰ্থন দিয়ে। জানিব পৰা মতে এই বিসম্বাদী গোষ্ঠীটোৰে প্ৰয়োজন হ'লে বিধান সভাৰ অধ্যক্ষ জীৱকান্ত গগৈকো বিধায়িনী দলৰ নেতা পাতিবলৈ প্ৰস্তুত। অৱশ্যে এই পৰ্যন্ত জীৱকান্ত গগৈয়ে এনে ধৰণৰ পদক্ষেপৰ প্ৰতি সঁহাৰি দিয়া নাই।

আনহাতে কংগ্ৰেছ (ই) বিধায়িনী দলৰ বিসম্বাদী গোষ্ঠীটোৰ সৈতে হেনো অগপ দলৰ বিধায়িনী দলটোও জড়িত হৈ পৰিছে। অগপ দলৰ এটাই উদ্দেশ্য যে যি কোনো প্ৰকাৰে হিতেশ্বৰ শইকীয়াক নেতৃত্বৰ পৰা আঁতৰ কৰিব লাগে। জানিব পৰা মতে দিল্লীত বিসম্বাদী গোষ্ঠীটোৱে বাহৰ পাতি থকাৰ সময়ত প্ৰফুল্ল মহন্তৰ নেতৃত্বত অগপ-ৰ বিধায়িনী দলৰ গোট এটাও দিল্লীলৈ গৈছিল। দিল্লীত বিসম্বাদী গোষ্ঠীটোৰ সৈতে হেনো অগপ বিধায়িনী দলটো গোপন বৈঠকত মিলিত হয়। এই গোপন বৈঠকত হেনো সংসদ সদস্য কিৰিপ চলিহা, ভুৱনেশ্বৰ কলিতা আদিও উপস্থিত থাকে।

## আল্‌ফা নেতাৰ মুক্তিৰ বাবে মন্ত্ৰীৰ আবেদন

অলপতে গুৱাহাটীত গ্ৰেপ্তাৰ কৰা আল্‌ফাৰ এজন নেতাক মুকলি কৰাৰ বাবে অসম মন্ত্ৰী সভাৰ এজন ৰাজ্যিক মন্ত্ৰীয়ে দিল্লীত প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওৰ ওচৰত এখন আবেদন দাখিল কৰিবলৈ যায়। কিন্তু প্ৰধান মন্ত্ৰীৰ সচিবালয়ৰ এজন উচ্চ পদস্থ বিষয়াই ৰাজ্যিক মন্ত্ৰীজনক জনায় যে এনে ধৰণৰ আবেদন মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ জৰিয়তহে আহিব লাগিব। অন্যথা এনে ধৰণৰ আবেদন প্ৰধান মন্ত্ৰীৰ ওচৰত দাখিল কৰাৰ কোনো নিয়ম নাই। উপায়ান্তৰ হৈ মন্ত্ৰীজনে বিফল মনোৰথ হৈ ঘূৰি আহে।

জানিব পৰা মতে উক্ত আল্‌ফা নেতাজন মন্ত্ৰীৰ নিকট আত্মীয়।

## পৰিবহণ বিভাগত হাস্যকৰ ব্যৱস্থা

ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগটোত চলি থকা ব্যাপক দুৰ্নীতিৰ বিষয়ে প্ৰায় সকলোৱে জানে। যান-বাহনৰ পাৰ্মিট, পঞ্জীয়ন আদিৰ ক্ষেত্ৰত চলি থকা দুৰ্নীতিৰ বিষয়ে ইতিমধ্যে বিভিন্ন বাতৰি কাকতত প্ৰকাশ পাইছে।

এই পৰিবহণ বিভাগটোত চলি থকা দুৰ্নীতি কিছু ৰোধ কৰাৰ বাবে কোনোবা বিষয়াই চেষ্টা কৰিলেও অৱশেষত অবাধে দুৰ্নীতি চলাই থকা নাস্ত স্বাৰ্থৰ হাতত তেওঁ হাৰ মানিব লগীয়া হয়।

টাটা ৪০৭ নামৰ এখন গাড়ী টেক্সী হিচাপে ৰাজখনত চলে। এই গাড়ীখন টেক্সী হিচাপে চলাবলৈ অনুমতি দিয়াৰ আগেয়ে এম ভি আই (মটৰ পৰিদৰ্শক)-য়ে গাড়ীখন পৰীক্ষা নিৰীক্ষা কৰে। এম ভি আইজন হ'ল কাৰিকৰী দিশত অভিজ্ঞতা থকা লোক। এম ভি আই-য়ে পৰীক্ষা কৰাৰ পিছতহে জিলা পৰিবহণ কাৰ্যালয়ত গাড়ীখন পঞ্জীয়ন কৰা হয়।

কিন্তু পঞ্জীয়ন হোৱাৰ পিছতো গাড়ীখন টেক্সী হিচাপে চলাবলৈ অনুমতি দিয়া হয়, তেতিয়াহে যেতিয়া গাড়ীখন গুৱাহাটীত থকা পৰিবহণ আয়ুক্তৰ কাৰ্যালয়লৈ লৈ অহা হয়। গাড়ীখন আয়ুক্তৰ কাৰ্যালয়লৈ অনাৰ পিছত এজন অ-কাৰিকৰী লোকে পৰীক্ষা কৰে। জানিব পৰা মতে গাড়ীখনৰ মালিকৰ পৰা কিবা এটা আদায় কৰাৰ পিছত গাড়ীখন চলাবলৈ অনুমতি দিয়া হয়। ইয়াৰ বাবেই হেনো কাৰিকৰী দিশত অভিজ্ঞতা থকা লোকে পৰীক্ষা কৰাৰ পিছতো অ কাৰিকৰী লোকে গাড়ী পৰীক্ষা কৰাৰ ব্যৱস্থা এটা পৰিবহণ বিভাগত চলি আছে।

জানিব পৰা মতে বৰ্তমানৰ পৰিবহণ বিভাগৰ সচিবজনে এই হাস্যকৰ ব্যৱস্থাটো উঠাই দিবলৈ উঠি পৰি লাগিও সফল হব পৰা নাই। নাস্ত স্বাৰ্থ মহলটোৱে তেওঁৰ এই কামত বাধা দি আছে। অমনি বাছৰ ক্ষেত্ৰতো হেনো এই হাস্যকৰ ব্যৱস্থাটো চলি আছে।





## উন্নয়নমূলক কাম-কাজ স্তব্ধ

নতুন চৰকাৰখনে উন্নয়নমূলক কাম-কাজৰ কথা দোহাৰি থাকিলেও প্ৰকৃততে যোৱা চাৰি মাহত বিভিন্ন বিভাগৰ উন্নয়নমূলক কাম-কাজ সম্পূৰ্ণ ৰূপে বন্ধ হৈ আছে। কাম-কাজৰ কোনো আঁচনি নথকাৰ বাবেই বিভিন্ন বিভাগৰ বিষয়া সকল এক প্ৰকাৰ হাত সাবটি বহি আছে। জানিব পৰা মতে বিত্তীয় নাটনিৰ ফলতেই উন্নয়নমূলক কাম-কাজ স্তব্ধ হৈ পৰিছে।

এটা সূত্ৰৰ পৰা জানিব পৰা মতে বিভিন্ন বিভাগত মন্ত্ৰীৰ নিৰ্দেশিত এতিয়া কেৱল বদলি আৰু বদলি স্থগিতকৰণৰ কামকাজহে চলি আছে।

## কিৰিপ চলিহা অপসাৰিত হব?

নিখিল ভাৰত যুৱ কংগ্ৰেছ (ই)-ৰ নেতৃত্বৰ পৰা সংসদ সদস্য কিৰিপ চলিহাক বাদ দিয়াৰ সম্ভাৱনা আছে। জানিব পৰা মতে কংগ্ৰেছ (ই) হাইকমাণ্ডৰ লগতে যুৱক কংগ্ৰেছৰ উৰ্দ্ধতম নেতৃবৃন্দ কিৰিপ চলিহাৰ কাম-কাজত মুঠেই সন্তুষ্ট নহয়।

অলপতে নিখিল ভাৰত যুৱ কংগ্ৰেছ (ই)ৰ যি সম্মিলন হৈ যায়, তাত কিৰিপ চলিহাৰ ভূমিকা একেবাৰে নিস্পৃহ হৈ আছিল।

উল্লেখযোগ্য যে কিৰিপ চলিহা নিখিল ভাৰত যুৱ কংগ্ৰেছৰ এজন সম্পাদক।

## নিযুক্তিত অসন্তুষ্টি

চৰকাৰী অধীনস্থ বিভিন্ন প্ৰতিষ্ঠানৰ চেয়াৰমেন পদ লাভ কৰাৰ বাবে কংগ্ৰেছী বিধায়ক আৰু পালি নেতাসকলৰ মাজত হেতা-ওপৰা লাগিছে।

এই পদ বিতৰণক কেন্দ্ৰ কৰি কংগ্ৰেছী পালি নেতা সকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে বুলিও জানিব পৰা গৈছে। ৰাজ্যিক আৰ্টফেডৰ চেয়াৰমেন পদত এগৰাকী মহিলাক নিযুক্তি দিয়াৰ বাবে একাংশ কংগ্ৰেছী পালি নেতা অসন্তুষ্ট হৈছে। এই পালি নেতাসকলৰ মতে চেয়াৰমেন পদত নিযুক্তি পোৱা মহিলা গৰাকীয়ে হেনো যোৱা নিৰ্বাচনৰ সময়ত পশ্চিম গুৱাহাটীৰ কংগ্ৰেছ (ই) প্ৰাৰ্থী পাৰুল বৰাৰ বিৰুদ্ধে গোপনে প্ৰচাৰ অভিযান চলাইছিল।

·ত্ৰিনয়ন

# আল্‌ফা, প্ৰত্যক্ষ আলোচনা আৰু হংকং যাত্ৰা

হিতেন মহন্ত

কেন্দ্ৰীয় চৰকাৰৰ সৈতে আল্‌ফাৰ 'প্ৰত্যক্ষ' আলোচনা। যোৱা কিছু দিনত অসমৰ ৰাজনৈতিক মহলত এইটোৱেই হৈছে প্ৰধান আলোচ্য বিষয়। অসমৰ প্ৰায়বোৰ ৰাজনৈতিক দলেই অসম চৰকাৰক বাদ দি আল্‌ফাৰ সৈতে প্ৰত্যক্ষ আলোচনাত বহিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাইছে।

অসম চৰকাৰক বাদ দি আল্‌ফাৰ সৈতে প্ৰত্যক্ষ আলোচনাত বহিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনোৱাৰ ব্যাখ্যা দাঙি ধৰি ৰাজনৈতিক দলবোৰে কৈছে যে মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই আলোচনা হোৱাৰ ক্ষেত্ৰত বিধি পথালি দিছে। অন্ততঃ যোৱা কিছুদিনত প্ৰায়বোৰ বিৰোধী ৰাজনৈতিক দলে এই বিষয়টো জোৰকৈ প্ৰচাৰ চলাইছে। তেওঁলোকে এইটোও কব বিচাৰিছে যে হিতেশ্বৰ শইকীয়াই আলোচনাৰ জৰিয়তে আল্‌ফা সমস্যাৰ সমাধান নিবিচাৰে। সেয়ে বিৰোধী ৰাজনৈতিক দলবোৰে খোলাখুলি ভাবে অসম চৰকাৰক বা মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াক বাদ দি আল্‌ফাৰ সৈতে প্ৰত্যক্ষ যোগাযোগ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

আনহাতে মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই বিৰোধী ৰাজনৈতিক দলবোৰৰ অভিযোগ খণ্ডন কৰি কৈছে যে তেওঁ কেতিয়াও আলোচনাৰ পদক্ষেপত বিধি পথালি দিয়া নাই। কেন্দ্ৰীয় চৰকাৰে আল্‌ফাৰ সৈতে প্ৰত্যক্ষ আলোচনাত বহিলে তেওঁৰ আপত্তি কৰিব লগীয়া একো নাই। এফালে বিৰোধী পক্ষৰ প্ৰচাৰ বা অভিযোগ আৰু আনফালে মুখ্য মন্ত্ৰীৰ দ্বাৰা অভিযোগ অস্বীকাৰ এই বিষয় দুটাই ৰাইজৰ মাজত খেলিমেলিৰ সৃষ্টি কৰিছে। আলোচনাৰ জৰিয়তে আল্‌ফা সমস্যা সমাধান আৰু ৰাজ্যখনত এক শান্তিৰ পৰিবেশ বিচৰা ৰাইজে কোনটো সঁচা আৰু কোনটো মিছা তাৰ উঁহ বিচাৰি হাবুডুবু খাইছে।

সি যি কি নহওক মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াক বাদ দি বা গণতান্ত্ৰিক ভাবে নিৰ্বাচিত চৰকাৰ এখনক বাদ দি আল্‌ফাৰ সৈতে আলোচনাত বহিবলৈ বিৰোধী ৰাজনৈতিক দলবোৰে দাবী জনোৱাৰ আঁৰত যে এক ৰাজনৈতিক উদ্দেশ্য নিহিত হৈ আছে সেই বিষয়ে কোনো সন্দেহ নাই। দীঘলীয়া অসম আন্দোলনৰ পিছত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ সময়তো সেই একেটা দাবী উত্থাপন কৰা হৈছিল। সেই সময়ত আন্দোলনৰ নেতৃবৃন্দই অসম চুক্তি স্বাক্ষৰ দান কৰাৰ চৰ্ত আগবঢ়াই কৈছিল যে, শইকীয়াৰ অবিহনেহে তেওঁলোকে চুক্তিত চহী কৰিবলৈ ৰাজী আছে। কেন্দ্ৰীয় চৰকাৰে আন্দোলনৰ নেতৃবৃন্দৰ সেই দাবী মানি লৈছিল আৰু সেই সময়ৰ মুখ্য মন্ত্ৰী শইকীয়াৰ অবিহনে অসম চুক্তি স্বাক্ষৰিত হৈছিল। কিন্তু সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতি আৰু এতিয়াৰ ৰাজনৈতিক পৰিস্থিতিৰ মাজত পাৰ্থক্য আছে। ১৯৮৩ চনৰ নিৰ্বাচনটোক অবৈধ বুলি কোৱা হৈছিল। কাৰণ অবৈধ ভোটাৰ তালিকাৰে সেই সময়ত নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। অবৈধ নিৰ্বাচনৰ জৰিয়তে শাসন ক্ষমতালৈ অহা চৰকাৰখনকো অবৈধ বুলি ঘোষণা কৰা হৈছিল। মূল কথাটো আছিল এয়ে যে ১৯৮৩ চনৰ নিৰ্বাচনত ৰাজখনৰ সৰহ সংখ্যক ৰাইজে অংশ গ্ৰহণ কৰা নাছিল। কিন্তু ১৯৯১ চনৰ পৰিস্থিতি সম্পূৰ্ণ বেলেগ। কিয়নো ১৯৯১ চনৰ নিৰ্বাচনটোক অবৈধ বুলি কোৱা হোৱা নাই। আটাইবোৰ



OKDISCD

ৰাজনৈতিক দলেই এই নিৰ্বাচনটোত অংশ গ্ৰহণ কৰিছিল। তাৰ উপৰি ৰাজ্যখনৰ ষাঠি শতাংশ ভোটাৰে ১৯৯১ চনৰ নিৰ্বাচনত ভোট দান কৰে। এই নিৰ্বাচনত সংখ্যা গৰিষ্ঠতা লাভ কৰি শইকীয়াৰ নেতৃত্বত কংগ্ৰেছ দলে চৰকাৰ গঠন কৰিছে। তেনে স্থলত অসম চৰকাৰক বাদ দি আল্‌ফাৰ সৈতে প্ৰত্যক্ষ আলোচনাত বহিবলৈ বিৰোধী ৰাজনৈতিক দলবোৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত জনোৱা দাবীৰ যুক্তি যুক্ততা ক'ত? বিৰোধী ৰাজনৈতিক দলবোৰে এই দাবীৰ দ্বাৰা গণতান্ত্ৰিক পদ্ধতিটোৰ লগতে ৰাইজৰ মতামতক উপলুঙা কৰা নাই নে? কিয়নো অসমৰ ৰাইজেই ৰাজ্যখনৰ যিকোনো সমস্যা সমাধানৰ বাবে বৰ্তমানৰ চৰকাৰখনক কৰ্তৃত্ব প্ৰদান কৰা নাইনে? তাৰ উপৰি আল্‌ফা সংগঠনেও এই পৰ্যন্ত উক্ত দাবী উত্থাপন কৰা নাই।

মন কৰিবলগীয়া কথাটো হ'ল এয়ে যে বৰ্তমানৰ চৰকাৰখন শাসন ক্ষমতালৈ অহাৰ পিছতেই অগপ, নঅগপ, চি পি আই আদি ৰাজনৈতিক দলবোৰে প্ৰত্যক্ষ আলোচনাৰ দাবীটো উত্থাপন কৰিছে। অথচ শাসন ক্ষমতাত থকাৰ সময়ত অগপ দলে আল্‌ফাৰ সৈতে আলোচনা কৰাৰ বাবে কোনো ধৰণৰ উদ্যোগ লোৱা নাছিল। অগপ চৰকাৰে সেই সময়ত আল্‌ফাৰ সৈতে আলোচনাত বহিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আন্তৰিকতাৰে কোনো ধৰণৰ হেঁচা প্ৰয়োগ কৰা নাছিল কিয়? অগপ চৰকাৰ শাসন ক্ষমতাত থকাৰ সময়ত ৰাজ্য চৰকাৰক বাদ দি আবছুৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ প্ৰত্যক্ষ আলোচনাৰ বাবে দাবী কৰা হৈছিল নে? কোনোবাই সেই দাবী উত্থাপন কৰিলেও অগপই সেই সময়ত উক্ত দাবীৰ যুক্তি যুক্ততা মানি ল'লেহেঁতেননে?

আনহাতে কেৱল বিৰোধী ৰাজনৈতিক দলবোৰেই যে প্ৰত্যক্ষ আলোচনাৰ দাবী উত্থাপন কৰিছে এনে নহয়, কিছু সংখ্যক কংগ্ৰেছী লোকেও হিতেশ্বৰ শইকীয়াক বাদ দি আল্‌ফাৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ প্ৰত্যক্ষ আলোচনাৰ পৃষ্ঠপোষকতা কৰিছে। কিছু সংখ্যক কংগ্ৰেছী লোকৰ এই ভূমিকাই আলোচনাৰ বিষয়টো অধিক জটিল কৰাৰ লগতে ৰাইজক বিভ্ৰান্ত কৰিছে। আচলতে এই আলোচনাৰ বিষয়টোক কেন্দ্ৰ কৰি সকলো পক্ষই ৰাজনীতি কৰাতহে ব্যস্ত হৈছে। ফলস্বৰূপে আলোচনাৰ বিষয়টো গৌণ আৰু ক্ষমতাৰ ৰাজনীতি মুখ্য হৈ পৰিছে। অৱশ্যে কংগ্ৰেছৰ সেই সংখ্যক লোকে এতিয়াও আনুষ্ঠানিক ভাবে প্ৰত্যক্ষ আলোচনাৰ কথাটো ক'ব পৰা নাই। প্ৰশ্ন হয় যদিহে তেওঁলোকে আল্‌ফাৰ সৈতে কেন্দ্ৰীয় চৰকাৰ প্ৰত্যক্ষ আলোচনাত বহাটো বিচাৰিছে, তেনেহলে খোলাখুলিভাবে সেই দাবী উত্থাপন কৰা নাই কিয়? যদিহে শইকীয়াৰ নেতৃত্বত তেওঁলোকৰ আস্থা নাই, তেনেহলে প্ৰকাশ্যে তাৰ বিৰুদ্ধে বিদ্ৰোহ কৰা নাই কিয়?

কেন্দ্ৰীয় চৰকাৰৰ ভূমিকাও এই ক্ষেত্ৰত অতি হতাশজনক। আল্‌ফাৰ সৈতে আলোচনা বিষয়ত প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওকে ধৰি কেন্দ্ৰীয় নেতৃবৃন্দই এই পৰ্যন্ত কোনো ধৰণৰ স্পষ্ট মত প্ৰকাশ কৰা নাই। বৰং কেন্দ্ৰীয় নেতৃবৃন্দই এই বিষয়ত অস্পষ্ট আৰু পৰস্পৰ বিৰোধী বক্তব্য দাঙি ধৰিছে। যোৱা অক্টোবৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী এছ বি চৱনে দিল্লীত সাংবাদিকৰ আগত কৈছিল যে আল্‌ফাৰ সৈতে আলোচনা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ আগ্ৰহী। কিন্তু কিছুদিন আগেয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে পূৰ্বৰ মত সলনি কৰি ক'লে যে অসমত সামৰিক বাহিনী থকা পৰ্যন্ত আল্‌ফাৰ সৈতে আলোচনা সম্ভৱ নহয়। কেন্দ্ৰীয় নেতৃবৃন্দৰ এই পৰস্পৰ বিৰোধী বক্তব্যই অদূৰ ভৱিষ্যতেও আল্‌ফাৰ সৈতে কেন্দ্ৰীয় চৰকাৰ আলোচনাত বহাৰ বিষয়টো সন্দিহান কৰি তুলিছে।

এনে অৱস্থাত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ পৃষ্ঠপোষকতা কৰা ৰাজ্যখনৰ ৰাজনৈতিক দলবোৰে আলোচনাৰ সপক্ষে প্ৰবল জনমত গঢ়ি ৰাজ্য চৰকাৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰা উচিত নাছিল নে? কিন্তু ৰাজ্যখনৰ ৰাজনৈতিক দলবোৰৰ নেতৃবৃন্দই সেই দায়িত্ব পালন কৰিলেনে? বৰং ৰাজ্যখনত সামৰিক বাহিনীৰ আতিশয্যৰ বিৰুদ্ধে বাতৰি কাকতত বিবৃতি দি লম্ফ-জম্ফ কৰা প্ৰফুল্ল মহন্ত, জয়নাথ শৰ্মা, যতীন মালী, আৰু কমলা কলিতাহঁতে কৰিলে কি? ৰাজ্যখনত সামৰিক বাহিনীৰ অভিযান চলি থকা অৱস্থাতে তেওঁলোকে চৰকাৰী সা-সুবিধাৰে বিধানসভাৰ অধ্যক্ষৰ সৈতে ফুৰিবলৈ গ'ল হংকঙলৈ? কোৱা হৈছে যে তেওঁলোকে অধ্যক্ষৰ সৈতে কমনৱেলথৰ সদস্য দেশৰ সংসদ ব্যৱস্থা অধ্যয়ন কৰাৰ বাবে বিধায়ক হিচাপে হংকঙলৈ গৈছে। কিন্তু স্বয়ং অধ্যক্ষই এই বিষয়ত স্পষ্টকৈ কোনো ধৰণৰ কথা কোৱা নাই। যদিও ধৰি লোৱা হয় যে তেওঁলোকে বিধায়ক হিচাপে অধ্যয়নৰ বাবেই হংকঙলৈ গৈছে, পৰিয়াল লগত লৈ যোৱাৰ কাৰণ কি? তাৰ উপৰি তেওঁলোকে অধ্যয়ন কৰাৰ বাবে এইটো সময়হে বাছি ল'ব পাৰিলেনে? অৱশ্যে ইয়াৰ বাবে অধ্যক্ষ জীৱকান্ত গগৈক ধন্যবাদহে দিব লাগিব। কাৰণ ৰাজ্যখনত সামৰিক বাহিনী জাপি দিয়াৰ বাবে চৰকাৰৰ বিৰুদ্ধে লম্ফ-জম্ফ কৰা সকলক অন্ততঃ তেওঁ চৰকাৰী সা-সুবিধাৰে হংকঙলৈ নিব পাৰিছে। তেওঁ কমপক্ষেও এইটো প্ৰমাণ কৰিব পাৰিছে যে এই নেতা সকলে ইমান দিনে সামৰিক বাহিনীৰ আতিশয্যৰ কথা কৈ জনসাধাৰণৰ হৈ ঘৰিয়ালৰ চকুপানী টুকিছিল। ■


সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব।
বছৰেকীয়া বৰঙণি: ১৩২ টকা (২৪ টা সংখ্যা)
ছমহীয়া বৰঙণি: ৬৬ টকা (১২ টা সংখ্যা)
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমাণ্ড ড্ৰাফ্ট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউছ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১







# মাৰ্ক্স আৰু গান্ধীৰ 'ভণ্ডামি' আৰু 'প্ৰৱঞ্চনা' মৌলবাদী সকলৰ ভূমিকা

## এক মুকলি চিন্তা

অৰূপা বৰুৱা

গান্ধী আৰু মাৰ্ক্স এই শতিকাটোৰ দুজন আটাইতকৈ বিতৰ্কিত, সন্মানিত আৰু যুগান্তকাৰী জননায়ক। কিন্তু আশ্চৰ্যজনকভাবে এওঁলোক দুয়োকে দুটা তথাকথিত 'বিৰোধী' শিবিৰত বন্দী কৰি ৰখা হৈছে। যোৱা দশকটোত, বিশেষকৈ পূৰ্ব ইউৰোপত হোৱা ৰাজনৈতিক পৰিবৰ্তনে দুয়োটা শিবিৰৰ লোককে জোঁকাৰি দিছে, মানুহৰ চিন্তা জগতত এক নতুন প্ৰশ্নৰ অৱতাৰণা হৈছে। কোন অবান্তৰ? মাৰ্ক্স নে গান্ধী? নে দুয়োজনেই? নে দুয়োজনেই সমানেই প্ৰাসঙ্গিক?




মাৰ্ক্স আৰু গান্ধী দুয়ো নিপীড়িত জনতাৰ বা মানুহৰ মুক্তিৰ বাবে সংগ্ৰাম কৰিছিল; সন্ধান কৰিছিল দুটা ভিন্ন মুখী পদ্ধতিৰে, পথেৰে। লক্ষ্য একেই আছিল। দুয়োৰে জীৱন প্ৰচাৰিত (Professed) আদৰ্শ আৰু মতবাদৰ লগত একাকাৰ হৈ গৈছে। তেওঁলোকৰ সংগ্ৰামৰ ক্ষেত্ৰ বা কৰ্মজীৱন আৰু ব্যক্তিগত জীৱনৰ মাজত কোনো বিৰোধ, বিসংগতি নাই। এজন সম্পূৰ্ণ অহিংস পথেৰে সত্যাগ্ৰহ আৰু সৰ্বাত্মক অসহযোগিতাৰে শোষণৰ চক্ৰ স্থবিৰ কৰি দিয়াৰ পক্ষত। তেওঁৰ বাবে কামানৰ শক্তিতকৈ জনতাৰ ঐক্যবদ্ধ শক্তি আৰু ইচ্ছা (will)ৰ শক্তি অধিক, অব্যৰ্থ হাতিয়াৰ। আনজনে জনতাক সংঘবদ্ধ কৰাৰ প্ৰয়োজনীয়তাক সমানেই গুৰুত্ব দিছে। কিন্তু তেওঁ সংঘবদ্ধ জনতাৰ সক্ৰিয়, অহিংস প্ৰতিৰোধৰ শক্তিৰ ওপৰতে অকল নিৰ্ভৰ কৰাৰ সপক্ষে নহয়। গতিকেই সংগ্ৰামী জনগণৰ হাতত শোষকৰ অস্ত্ৰ শক্তিৰ লগত মোকাবিলা কৰিবৰ বাবে উপযুক্ত পৰিমানে অস্ত্ৰশক্তি থকাটো তেওঁ অপৰিহাৰ্য বুলি গণ্য কৰে।

ইতিহাসৰ পাতত আমি এই দুয়োবিধ হাতিয়াৰতেই বিজয় চিহ্ন দেখিবলৈ পাইছো। বহু সময়ত একো একোটা আন্দোলন বা গণজাগৰণত হিংসা আৰু অহিংসাই সমান্তৰাল ভাবে সংগ্ৰামৰ গতি নিৰ্দ্ধাৰণ কৰিছে। কাৰ অৱদান অধিক তাক বিচাৰ কৰা এনেবোৰ সময়ত অসম্ভৱ হৈ পৰে। যেনে ভাৰতবৰ্ষৰ স্বাধীনতাৰ আন্দোলন।

কিন্তু দুখৰ বিষয় আৰু চিন্তাৰ বিষয় এইটোৱেই যে মাৰ্ক্সবাদী আৰু গান্ধীবাদী শিবিৰত এক কথাত পৰস্পৰক নাকচ কৰি দিয়াৰ মনোভাবে, গোড়ামিয়ে অনুসন্ধানৰ পথ ৰুদ্ধ কৰি দিছে। এই ৰুদ্ধ দুৱাৰ মুকলি নহ'লে আমি কেতিয়াও দুয়োটা দৰ্শনৰ, এই শতিকাৰ গণজাগৰণৰ আটাইতকৈ শক্তিশালী ধাৰা দুটাৰ সম্যক উপলব্ধি কৰিব নোৱাৰিম।

এইখিনিতে অলপতে ঘটা এটা ঘটনা প্ৰাসংগিক হ'ব বুলিয়েই উল্লেখ কৰিছো। দুই অক্টোবৰৰ দিনা আমাৰ ঘৰলৈ অহা এজন বন্ধুৱে দূৰদৰ্শনৰ পৰ্দাত গান্ধীৰ সম্পৰ্কে বিভিন্ন জনৰ মতামত শুনাৰ পাছত অতি তিক্ততাৰে মন্তব্য কৰিলে – 'এই গান্ধীয়েই দেশখন শেষ কৰি থৈ গ'ল। ই এটা মহাভণ্ড আছিল। আমাৰ প্ৰাপ্য স্বাধীনতা ই ভিক্ষাপাত্ৰ লৈ খুজি আনিলে। আৰু দি থৈ গ'ল কাক? নেহৰুৰ হাতত বংশৰ সম্পত্তি হিচাপে।' - - - ইত্যাদি। তেওঁ আৰু বহু কথাই কৈছিল আৰু গান্ধীৰ প্ৰতি থকা এক তীব্ৰ বিদ্বেষ প্ৰতিটো বাক্যতে স্পষ্ট হৈ পৰিছিল। গান্ধীৰ ৰাজনৈতিক দৰ্শনৰ বিৰোধিতা তেতিয়াও বহুজনে



কৰিছিল (আৰু সকলো সমালোচনা ভিত্তিহীন নহয়) এতিয়াও সমালোচনা কৰি আছে, ভৱিষ্যতেও কৰিব। কিন্তু যিকোনো মতবাদ, দৰ্শন (সি প্ৰাচ্যৰে হওক বা পাশ্চাত্যৰে হওক) বিষয়বস্তুৰ গভীৰলৈ গৈ তাৰ সম্পৰ্কে স্পষ্ট ধাৰণা এটা পোৱাৰ পূৰ্বেই গ্ৰহণ বা বৰ্জন কৰিব নালাগে। এনে কৰিলে সংশ্লিষ্ট দৰ্শনৰ প্ৰতিয়ে যে অবিচাৰ

কৰা হয় তেনে নহয়, নিজৰ প্ৰতিও অবিচাৰ কৰা হয়।

গান্ধী বিদ্বেষী বন্ধু জনক বহুদিনৰ পৰাই ঘনিষ্ঠ ভাবে জনাৰ বাবে তেওঁৰ অধ্যয়নৰ পৰিসৰ বা ৰুচি সম্পৰ্কেও কিছু জনাৰ সৌভাগ্য আমাৰ হৈছিল। তেওঁ মাৰ্ক্স বা গান্ধী, নাইবা বিশ্বৰ কোনো ৰাজনৈতিক দৰ্শন সম্পৰ্কে অধ্যয়ন কৰাটো বাদেই, তেনে বিষয়বোৰত বিশেষ ৰুচি আছে বুলিও নাভাবো। তেওঁক কিন্তু মূৰ্খ বা crude আখ্যাও দিব নোৱাৰি। কিছু বিক্ষিপ্ত ধৰণৰ কিতাপ তেওঁ অধ্যয়ন কৰিছে। বিশেষকৈ ভাৰতবৰ্ষৰ ইতিহাসৰ ভাল জ্ঞান তেওঁৰ আছে।

তেওঁৰ লগত সেইদিনা কথা পাতিয়ে নহয়, ই মোৰ বদ্ধমূল ধাৰণা যে তেওঁ ভাৰত বুৰঞ্জীৰ পৰাই আৰু বাতৰি কাকত, আলোচনীৰ পাতৰ পৰাই গান্ধী সম্পৰ্কে কিছু তথ্য গোটাই লৈ নিজস্ব ধাৰণা এটা গঢ় দি লৈছে। লওক, তাত আপত্তি কৰিব লগীয়া একো নাই। কিন্তু আমি তেওঁৰ একপক্ষীয় আৰু অহমিকা ভৰা (লগতে তথাকথিত পাণ্ডিত্যৰ গোন্ধ থকা) কথাবোৰ গ্ৰহণ কৰিব নোৱাৰিলো, যদিও ময়ো গান্ধীবাদৰ অন্ধ ভক্ত নহয়।

তেওঁৰ কথাৰ মাজতে দুই এবাৰ তেওঁক নিজে ভবা কথাবোৰ কবলৈ চেষ্টা কৰিছিলো। কিন্তু গান্ধীজীৰ 'ভণ্ডামি'ক ক্ষমা কৰিবলৈ তেওঁ নাৰাজ।

বন্ধুজন যোৱাৰ পাছতো বহু পৰলৈ গান্ধীজীৰ 'ভণ্ডামি' সম্পৰ্কত চিন্তা কৰিছিলো। তেওঁৰ কথাবোৰে যেন মনৰ মাজত স্তব্ধ হৈ থকা তাঁৰ এডাল জোঁকাৰি দিলে। মনত পৰিল আমি পঢ়াৰ সৌভাগ্য হোৱা বিশ্বৰ বহুতো বিখ্যাত চিন্তাবিদ, সমালোচকৰ গান্ধী, তেওঁৰ দৰ্শন, জীৱন তথা চিন্তাধাৰা, কৰ্মপদ্ধতি সম্পৰ্কত বিভিন্ন উক্তি আৰু মন্তব্য। গান্ধীজীৰ অত্যন্ত কঠোৰ সমালোচকেও তেওঁৰ দেশপ্ৰেম বা মানুহৰ প্ৰতি দুৰ্দান্ত দুৰ্বাৰ ভালপোৱা সন্দেহ প্ৰকাশ কৰা নাই। এই বন্ধুজনৰ দৰে আৰু এজন চি পি এম বিদ্বেষী মানুহ লগ পাইছিলো যি পূৰ্ব-ইউৰোপ তথা ৰাছিয়াকে লৈ কমিউনিষ্ট দুৰ্গবোৰত ঘটা ঘটনাৱলী আৰু পৰিৱৰ্তনৰ মাজত এক বিকৃত সন্তুষ্টি অনুভৱ কৰিছিল – তেওঁ বীৰদৰ্পে ঘোষণা কৰিছিল যে এয়েই 'সমাজবাদ'ৰ শেষ পৰিণতি।

এওঁলোকৰ দৰে কমিউনিষ্ট বিদ্বেষী আৰু গান্ধী বিদ্বেষী বহুলোক ওলাব যি একপক্ষীয় দৃষ্টিভংগীৰে আনটো পক্ষৰ প্ৰতিটো যুক্তি, প্ৰচাৰিত সত্য আৰু তথ্যক নাকচ কৰি দিয়ে। এই একেকোবেই নাকচ কৰি দিয়াৰ মনোভাব বা Tendencyটো অত্যন্ত ক্ষতিকাৰক। ই সকলো ধৰণৰ মানসিক উৎকৰ্ষৰ পথ বন্ধ কৰি দিয়ে আৰু নিজৰ মতৰ বাহিৰে আন সকলোৰে প্ৰতি এক ভয়াবহ, ধ্বংসমুখী অশ্ৰদ্ধাৰ সৃষ্টি কৰে। এই অশ্ৰদ্ধাই সকলো পক্ষৰেই ক্ষতি কৰে।

গান্ধীজীৰ আটাইতকৈ কঠোৰ সমালোচনা কৰিছিল স্বাভাৱিকতেই, বাওঁপন্থী সকলে। কাৰণ গান্ধীজীৰ সংগ্ৰামৰ মূল ষ্ট্ৰেটেজী 'অহিংসা'ৰ সৈতে তেওঁলোকৰ সংগ্ৰামৰ পদ্ধতিৰ মূলগত বিৰোধ আছিল। কিন্তু বিখ্যাত বাওঁপন্থী বিপ্লৱী সকলেও তেওঁৰ ব্যক্তিত্বৰ বিশালতা, অক্লান্ত সেৱা আৰু নিৰৱচ্ছিন্ন, অদম্য সংগ্ৰামৰ ওচৰত মূৰ দোৱাই শ্ৰদ্ধা জ্ঞাপন কৰি গৈছে। এনে কৰাৰ পৰা সেই বিপ্লৱী সকল সৰু হৈ গৈছিল নেকি? নে তেওঁলোকে 'আপোচ' কৰিছিল বুলি কোনোবাই ক'ব পাৰিব?

পান্নালাল দাশগুপ্ত বাওঁপন্থী আন্দোলনৰ জগতত এক অবিস্মৰণীয় নাম। স্বাধীন ভাৰততো তেওঁ জীৱনৰ সুদীৰ্ঘ সময় কাৰাগাৰত কটাবলগীয়া হৈছিল। ১৯৫৪-৫৫ চনত আলিপুৰ চেণ্ট্ৰেল জেলত থকা সময়ত তেওঁ 'গান্ধী গৱেষণা' নামৰ এখনি গৱেষণামূলক গ্ৰন্থ লিখিছিল। গান্ধীজীৰ ওপৰত নিৰ্মোহ, নিৰপেক্ষ বিশ্লেষণেৰে সমৃদ্ধ এইখন এখন অমূল্য গ্ৰন্থ। প্ৰতি বিপ্লৱীৰ বাবেই অপৰিহাৰ্য। বহু অভাৱ অসুবিধাৰ বাবে তিনিশ পয়সত্তৰ পৃষ্ঠীয়া এই গ্ৰন্থখনে গৈ গৈ '৮৪ চনতহে প্ৰকাশৰ মুখ দেখিলে। দুৰ্ঘোৰ বাওঁপন্থী, সশস্ত্ৰ বিপ্লৱত বিশ্বাসী এই বিপ্লৱী ব্যক্তি গৰাকীয়ে গান্ধীক লৈ কিয় গৱেষণা কৰিলে?

আমাৰ মাজৰ বহু জ্ঞানী লোক, বিপ্লৱী আৰু পণ্ডিতে নিশ্চয় এই গ্ৰন্থখনি পঢ়িছে। কিন্তু বহু লোকে যে পঢ়া নাই সিও সত্য। চিন্তাৰ খোৰাক হিচাপেই আৰু আমাৰ আলোচনাৰ বিষয়ৰ লগত তাৰ প্ৰাসংগিকতা উপলব্ধি কৰি পাতনিৰ কিছু গুৰুত্বপূৰ্ণ অংশ বঙলা ভাষাৰ পৰা হুবহু অনুবাদ কৰি দাঙি ধৰিলো–

'বাঙালীসকল যি কাৰণতেই হওক গান্ধীজীৰ আটাইতকৈ কঠোৰ সমালোচক। বহুতো কাৰণ – ঐতিহাসিক বা ৰাজনৈতিক। মোৰ মতে গান্ধীজী সম্পৰ্কে বাঙালী সকলৰ এই বিৰূপ মনোভাবে বাঙালী সকলৰেই বেছি ক্ষতি কৰিছে, বিশেষকৈ বাওঁপন্থী কমিউনিষ্ট ভাবাপন্ন দলবোৰৰ। সেয়ে বাঙালী সকলৰ বাবেই গান্ধীজী সম্পৰ্কে এখনি প্ৰামাণ্য গ্ৰন্থ উপস্থাপিত কৰাৰ প্ৰয়োজন আটাইতকৈ বেছি বুলি মই ভাবো। ........মই মাৰ্ক্সবাদী দৃষ্টিভংগীৰে গান্ধীৰ চিন্তা আৰু কৰ্মাৱলী চাবলৈ চেষ্টা কৰিছো। মোৰ ধাৰণা যে মাৰ্ক্সবাদ, লেনিনবাদ কি মই জানো। মাৰ্ক্স, এংগেলচ্ ষ্টেলিন, ট্ৰটস্কি আনকি চে, গুৱেভাৰা – এওঁলোক সকলোৰে লেখা পঢ়িছো আৰু বাস্তৱ ৰাজনীতিৰ ক্ষেত্ৰত হাতে-কলমে প্ৰয়োগ কৰিছো। মোৰ জীৱনৰ বেছিভাগ সময় এই পথেৰেই পাৰ হৈছে, বাহিৰত আৰু জেলৰ ভিতৰত। আকৌ, মই ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সকলো ক্ষেত্ৰতে যুক্ত আছিলো বাবেই কংগ্ৰেছ আৰু গান্ধী আন্দোলন সম্পৰ্কেও ওৱাকিবহাল আছিলো। সুদীৰ্ঘ জেল জীৱনত নানান মতবাদৰ নানা কথা পঢ়া আৰু শুনাৰ অৱকাশো মোৰ হৈছিল।

গতিকেই মই ভাবো যে মই যিদৰে মাৰ্ক্সবাদী দৃষ্টিভংগীৰে গান্ধীবাদক ফঁহিয়াই দেখুৱাব পাৰো, ঠিক তেনেদৰে গান্ধীবাদী দৃষ্টিভংগীৰে মাৰ্ক্সবাদী চিন্তা-চেতনা আৰু কৰ্মাৱলীকো ফঁহিয়াই দেখুৱাব পাৰো। এই দেশৰ মাৰ্ক্সবাদী সকলে কেতিয়াও গান্ধীক ভালকৈ বুজিবৰ চেষ্টা নকৰিলে আৰু গান্ধীবাদী সকলেও মাৰ্ক্সবাদক ভালকৈ বুজাৰ চেষ্টা নকৰিলে। গতিকে মই ভাবিছিলো যে দুয়োপক্ষকে বৰ্তমান কালৰ দুটি সকলোতকৈ গুৰুত্বপূৰ্ণ ঘটনা আৰু মতবাদ সম্পৰ্কে অবগত কৰোৱাটো এটা গুৰুত্বপূৰ্ণ কাম। নহ'লে পৰস্পৰক বুজাৰ কোনো ক্ষেত্ৰই নাথাকেগৈ। অন্ধ সংস্কাৰ, অন্ধ ভক্তি আৰু অন্ধ বিদ্বেষে যুক্তিৰ আকাশ অন্ধকাৰ কৰি ৰাখে। এই উপলব্ধিৰ পৰাই মোৰ এই প্ৰচেষ্টাৰ জন্ম হৈছিল।..........

গান্ধী এনে এটি বিচিত্ৰ চৰিত্ৰ আৰু এনে জটিল অৱস্থাত তেওঁৰ সংগ্ৰামৰ পটভূমি আছিল যে সেই সমস্ত ঘটনা বহুতৰ বাবে এতিয়াও দুৰ্বোধ্য। আটেনবুৰোৰ 'গান্ধী' কথাছবিয়ে পুনৰ গান্ধী সম্পৰ্কে যি ঔৎসুক্যৰ সৃষ্টি কৰিলে তাৰ পৰাই গান্ধী সম্পৰ্কত নতুন বিতৰ্কৰ সৃষ্টি হোৱা দেখিলো। আমি যিমানেই তৰ্ক-বিতৰ্ক নকৰো কিয় গান্ধীক পাহৰা সম্ভৱ নহয়।



এই প্ৰসংগত ঋষি-বিজ্ঞানী আইনষ্টাইনৰ গান্ধীৰ মৃত্যুৰ ক্ষণত কৰা উক্তি উল্লেখযোগ্য– 'আজিৰ পৰা বহু হাজাৰ বছৰৰ পাছত মানুহে এদিন অবাক হৈ ভাবিব যে এনে এজন লোকেও এদিন এই পৃথিৱীৰ ধূলিত বিচৰণ কৰিছিল, আশ্চৰ্য!'

বস্তুতঃ 'গান্ধী অবান্তৰ' হৈ যোৱাটো নায়েই বৰং আজিৰ পৃথিৱীত গান্ধী, তেওঁৰ চিন্তা আৰু কৰ্মপদ্ধতি সম্পৰ্কে ঔৎসুক্য দিনক দিনে বাঢ়ি যাব বুলিয়েই মোৰ বিশ্বাস। কাৰণ তেওঁ এনে কিছুমান মৌলিক প্ৰশ্নৰ অৱতাৰণা কৰিছিল যিবোৰৰ কোনো সদুত্তৰ আজি পৰ্যন্ত কোনো ইজিম বা মতবাদে দিব নোৱাৰিলে।'

নিৰলস জীৱন বি[illegible]ৱী পান্নালাল দাশগুপ্তৰ এই চিন্তাধ[illegible]া আৰু লেখা তথাকথিত বহুতো গান্ধীবাদৰ মৌলবাদী (Fundamentalist) লোকৰ ব্যাখ্যা বা মন্তব্যতকৈ অধিক গুৰুত্বপূৰ্ণ। কাৰণ বাস্তৱৰ কষটি শিলত ঘঁহি তেওঁ গান্ধীবাদ আৰু মাৰ্ক্সবাদক পৰীক্ষা কৰিছে। 'চিৰদিনেই প্ৰতিটো দৰ্শন আৰু মতৱাদ বা আদৰ্শৰ ক্ষেত্ৰত মৌলবাদী সকলে এক প্ৰতিবন্ধকৰ ভূমিকা পালন কৰে। সংশ্লিষ্ট আদৰ্শ, মতবাদক বিশেষ ঢাঁচৰ টিকা-টিপ্পনী আৰু পায়-নাপায় (do's and don'ts)ৰ মাজত আৱদ্ধ কৰি তাৰ বিকাশ আৰু লগতে বিস্তাৰৰ পথো ৰুদ্ধ কৰি দিয়ে। এই কাম তেওঁলোকে কিয় কৰে সি (এক অত্যন্ত মন কৰিবলগীয়া) আন প্ৰসংগ।

অকল ভাৰতবৰ্ষত গান্ধীবাদৰ ক্ষেত্ৰতে এনে হোৱা নাই, পূৰ্ব ইউৰোপৰ কমিউনিষ্ট দুৰ্গবোৰতো, (শেহতীয়াভাবে ছোভিয়েত ৰাছিয়াকে ধৰি) মাৰ্ক্সবাদকো মৌলবাদী সকলে এনেদৰেই জনতাৰ পৰা আঁতৰাই আনি দুৰ্গৰ মাজত বন্দী কৰি পেলোৱাৰ ফলত, মাৰ্ক্সবাদো গান্ধীবাদৰ দৰেই এক 'বেনাৰ'ত পৰিণত হৈছিল। তাৰ ফলাফল আমি দেখিবলৈ পাইছোৱেই।

গৰ্বাচিভে দেৱালৰ লিখন পঢ়িবগৈ সক্ষম হৈছিল বাবেই পুনৰ্বিন্যাস আৰু মুক্ত চিন্তাৰ জোৱাৰ আনি মৌলবাদী সকলৰ হাতত বন্দী হৈ পৰা এটা প্ৰক্ৰিয়াক মুক্ত কৰি গতিশীল কৰি দিলে। পৰৱৰ্তী পৰ্যায়ত এই পৰিৱৰ্তনকামী বা radical চিন্তাধাৰা আৰু পৰিৱৰ্তনক গতি কৰিবৰ বাবে গৰ্বাচভক বন্দী কৰি মৌলবাদী সকলে ব্যৰ্থ অভ্যুত্থান চলোৱাৰ পৰতো মৌলবাদীৰ অস্ত্ৰ শক্তিৰ বিপৰীতে জনসাধাৰণৰ সামূহিক ইচ্ছা (common will) আৰু শক্তিৰেই বিজয় হ'ল।

এইখিনিতে এটা কথা বিশেষভাবে উল্লেখযোগ্য যে গণতন্ত্ৰক আদৰিবলৈ গৈ মুক্তিৰ আনন্দত উন্মত্ত যিসকল ৰাছিয়ান লোকে বিপ্লৱৰ পিতৃ স্বৰূপ মাৰ্ক্স আৰু জননায়ক লেনিনৰ মূৰ্তিক (সমাজবাদৰ প্ৰতীক ৰূপত) পদানত কৰি অশ্ৰদ্ধা প্ৰকাশ কৰিলে তেওঁলোক মহৎ হৈ যোৱা নাই। মাৰ্ক্স বা লেনিনক তেওঁলোকে স্বস্থানৰ পৰা মহত্বৰ পৰ্যায়ৰ পৰা নমাই দিবও নোৱাৰিলে। এনে গণতান্ত্ৰিক অসহিষ্ণুতাৰ আঁৰত মৌলবাদী সকলৰ দৰেই গোড়ামি আৰু আত্মবিশ্বাস হীনতা প্ৰকাশ পাইছে।

ইতিহাসৰ ধাৰাবাহিকতাক এনেধৰণৰ অশ্ৰদ্ধা প্ৰকাশৰ দ্বাৰা ভংগ কৰিব পৰা নাযায়। বৰং এনে উগ্ৰ অশ্ৰদ্ধাই একোটা জাতিৰ স্বকীয়তা আৰু সংস্কৃতিৰ মূলোচ্ছেদ কৰাৰেই আশংকা অধিক।

মনলৈ প্ৰশ্ন আহিছিল মাৰ্ক্সবাদী সকলে ধৰ্মঘট, সত্যাগ্ৰহ, ধৰ্ণা আদি প্ৰতিবাদৰ গণতান্ত্ৰিক পদ্ধতিবোৰ অৱলম্বন কৰা উচিত হয় নে নহয়? দাশগুপ্তই এই প্ৰশ্নৰ উত্তৰ এনেদৰে দিছে – 'দেশী, বিদেশী সকলো প্ৰকাৰৰ জুলুম, অত্যাচাৰৰ পৰা মুক্ত হোৱাৰ হাতিয়াৰ হিচাপেই গান্ধীজীয়ে দৰিদ্ৰ সকলৰ হাতত সত্যাগ্ৰহ নামৰ অস্ত্ৰটি তুলি দি গৈছে। মাৰ্ক্সবাদী সকলে এই অস্ত্ৰ ব্যৱহাৰ নকৰিব বোলাটো হাস্যকৰ কথা। মাৰ্ক্সে ধৰ্মঘট বা ৰাস্তাৰ যুদ্ধ (Barricade fight) আৱিষ্কাৰ কৰা নাছিল। তেওঁ প্ৰচলিত অভিজ্ঞতা আৰু সংগ্ৰামৰ চালু কৌশলবোৰকে মাৰ্ক্সবাদৰ অস্ত্ৰাগাৰত গ্ৰহণ কৰিছিল। বন্দুক, কামান, বাৰুদ কমিউনিষ্ট সকলে আৱিষ্কাৰ কৰা নাই। তথাপি তেওঁলোকে অতদিন ধৰি কিয় সেইবোৰ ব্যৱহাৰ কৰিছে? মহাত্মা গান্ধীয়ে জনগণৰ হাতত তেওঁলোকৰ মুক্তি-সংগ্ৰামৰ বাবে সত্যাগ্ৰহ নামৰ হাতিয়াৰ তুলি দিছে বাবেই মাৰ্ক্সবাদী সকলে সেই হাতিয়াৰটি গ্ৰহণ কৰিবলৈ কুণ্ঠিত হ'লে মই কম যে জনতাৰ স্বাৰ্থতকৈ তেওঁলোকৰ গোড়ামিৰ স্বাৰ্থই মুখ্যস্থান লাভ কৰিছে।' (পৃঃ ৮৩)।

মাৰ্ক্সবাদ আৰু গান্ধী দৰ্শনৰ বহুল প্ৰচাৰিত অন্ত 'বিৰোধ'ৰ সৰহ অংশই যুক্তি আৰু তৰ্ক সৃষ্ট বিৰোধ বুলি ক'ব পৰা যায় নেকি? যদি যায় তেনেহলে সংগ্ৰামী মানুহৰ হাতত সংগ্ৰামৰ হাতিয়াৰ হিচাপে, অমোঘ অস্ত্ৰ হিচাপে কি ৰয়গৈ? অস্ত্ৰ, সত্যাগ্ৰহ নে দুয়োটাই? দাশগুপ্তই বিপ্লৱৰ পথত অস্ত্ৰৰ সংযত ব্যৱহাৰক নুই কৰা নাই – কিন্তু অসহযোগ আৰু সত্যাগ্ৰহৰ দৰে অহিংস অস্ত্ৰকো বিপ্লৱী জনগণৰ হাতত অমোঘ অস্ত্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে।

যি সকলে বাওঁপন্থী আন্দোলনৰ ইতিহাসৰ গতি অনুসৰণ কৰিছে সেই সকলে গান্ধীৰ ওপৰত কাৰাগাৰতে বহি গৱেষণা কৰা বিপ্লৱী পান্নালাল দাশগুপ্তক ফেবিয়ান ছচিয়েলিষ্ট (Fabian Socialist) বা যুক্তিবাদী (Rationalist) বুলি থাউকতে তেওঁৰ চিন্তাক নাকচ কৰিব নোৱাৰে।

সংগ্ৰামৰ হাতিয়াৰ হিচাপে তেওঁ যুক্তি, অস্ত্ৰ আৰু সত্যাগ্ৰহৰ এক সমন্বয়ৰ প্ৰয়োজনীয়তা প্ৰতিপাদিত কৰিছে। তেওঁ ভুল নে শুদ্ধ তাৰ বিচাৰ জ্ঞানী আৰু বিপ্লৱী সকলৰ হাতত।

গান্ধীবাদেই হওক, মাৰ্ক্সবাদেই হওক এটা সত্য দুয়োপক্ষই স্বীকাৰ কৰিছে যে জনসাধাৰণৰ লগত একত্ৰিত, যুক্ত হোৱাৰ সাধনাই সকলো শক্তিৰ আধাৰ। গান্ধীৰ এটা সাৱধান বাণী এইক্ষেত্ৰত উল্লেখযোগ্য–

"Note down these words of an old man past the age of three score and ten; in the tymes to come people will not judge us by any reed we profess or the label we wear, or the slogan we shout; but our work, industry, sacrifice, honesty and purity of character. They will want to know what we have done for them. But if you do not listen, if taking advantage of the prevailing misery and discontent of the people, you sit about to accentuate and exploit it for party ends, it will recoil upon your head and even God will not forgive you for the betrayal of the people." [(Last page. Vol. II.) page 255]

ইয়াৰ পাছত আৰু গান্ধীজী বা মাৰ্ক্সৰ ভণ্ডামি, প্ৰৱঞ্চনা, ব্যৰ্থতা সম্পৰ্কত বিশেষ ক'বলগীয়া নাথাকে। তেওঁলোকৰ কোনো গৰাকীয়েই সমালোচনাৰ ঊৰ্দ্ধত নহয়। কিন্তু পৃথিৱীয়ে তেওঁলোকক কোনো কালেই পাহৰিব নোৱাৰিব। যি যুগান্তকাৰী সংগ্ৰামৰ তেওঁলোক অংশীদাৰ আছিল সেই সংগ্ৰামখন অবান্তৰ হৈ গ'লেহে গান্ধী বা মাৰ্ক্স অবান্তৰ হৈ যোৱাৰ প্ৰশ্ন উঠিব পাৰে। তাৰ পূৰ্বে নহয়।

# নিৰ্বাচনৰ লেছেৰি-বোটলা

ঘনকান্ত লস্কৰ

ভোট গ্ৰহণ কেন্দ্ৰৰ পৰা আহি বাৰান্দাৰ ৰেলিঙত ভৰিহাল মেলি দি চকীখনত বহি পৰিলো যেন দিগ্বিজয় কৰি আহিলো।

ভাৰতত প্ৰথম প্ৰাপ্ত বয়স্ক ভোটাধিকাৰ (Adult franchise) প্ৰচলন কৰোতে পৃথিৱীৰ বহুত উন্নত দেশত ই আকাশ-কুসুম হৈয়েই আছিল। এতিয়াও কিজানি বহুত তথাকথিত উন্নত দেশত ইয়াৰ প্ৰচলন হোৱা নাই। এতিয়াও অনেক দেশ আছে য'ত মহিলাই ভোটাধিকাৰ পোৱা নাই। ভাৰতৰ প্ৰধান মন্ত্ৰীক সমালোচনা কৰি এনেদৰে কোৱা হৈছিল– Indian people still go by symbols while voting for candidates. It is a mis-adventure for Nehru to go for universal adult franchise. নেহৰুৱে তাৰ প্ৰত্যুত্তৰ এইদৰে দিছিল– I had a contact with the Indian masses for a period of forty year. I claim that I know the Indian masses more than the foreign press and say that the Indian masses may not be educated in the sense that they do not know ABCD; but they are educated in their own way. They know who are to be elected and who are not.

আগৰ দিনত ভোটাৰৰ যোগ্যতা নিৰ্দিষ্ট নিম্নতম বছৰেকীয়া মাটিৰ খাজানাৰ পৰত নিৰ্ভৰ কৰিছিল। তেতিয়া মাটিৰ খাজানা খুব কম আছিল। এতিয়াও অন্যান্য কৰৰ তুলনাত বেছি বুলি কব নোৱাৰি। কৃষকৰ ভিতৰতে সৰ্বাধিক ভোটাৰ আছে। কোনো গৱৰ্ণমেন্টে যি পাৰ্টিৰে গৱৰ্ণমেন্ট নহওক –কৃষকৰ মাটিৰ খাজানা বঢ়াবলৈ সাহ নকৰে। খেতি-মাটিৰ উৎপাদিত ধানৰ দাম যি পৰিমাণে বাঢ়িল মাটিৰ খাজানা সেই অনুপাতে বঢ়া নাই। ৰাসায়নিক সাৰৰ চাৱচিডি (subsidy) দিওঁতে বছৰে কেইবা হেজাৰ কোটি টকা চৰকাৰৰ লোকচান হৈ বৃহৎ পৰিমাণৰ বাজেট ঘাটি হয়। চাৱচিডি বন্ধ কৰিলেই কোদোৰ বাহত হাত পৰে।

যা হওক, ভোটাৰ হবলৈ হলে যথেষ্ট মাটিৰ মালিক হ'ব লাগিছিল। ভোটাৰ হবৰ জোখাৰে নিজৰ মাটি নেথাকিলে চৰকাৰী মাটি প্ৰিমিয়াম দি পট্টা কৰাই লৈছিল। চৰকাৰী মাটি পৰ্যাপ্ত পৰিমাণে পোৱা গৈছিল। প্ৰিমিয়াম খুব কম। বৰ্তমান নাৰেঙ্গী মিলিটেৰী কেন্টনমেন্টৰ মাটিখিনি ফকৰুদ্দিন চাহাবে বিক্ৰী কৰা মাটি। শুনা কথা সেইখিনি মাটি অতীজতে প্ৰিমিয়াম দি লোৱা মাটি। সৰহীয়া মাটিৰ মালিকহে ভোটাৰ হ'ব পাৰিছিল। গতিকে ভোটাৰ সকল কাৰ্যতঃ বৃহৎ সামন্তবাদী মাটিৰ মালিক আছিল। তেওঁলোকেই বৃটিছ ঔপনিবেশিক ৰাজত্বৰ ৰক্ষা কবচ আছিল।

ৰোমান সকলেই হেনো মানৱ-অধিকাৰ সচেতন প্ৰথম জাতি আছিল আৰু সেই অধিকাৰ সাব্যস্ত কৰিবলৈ গোপনীয় ভোটদান পদ্ধতি আৱিষ্কাৰ কৰিছিল। বেলট কাকত ব্যৱহাৰ আৰু গোটেই প্ৰক্ৰিয়াটো ৰোমান সকলেই কৰিছিল।

ভোট দান কেন্দ্ৰৰ কথালৈ আহো। নিৰ্বাচনৰ আগ মুহূৰ্তলৈকে বহুত জল্পনা কল্পনা হৈছিল। বাটে পথে কোৱা কুই, খবৰ কাগজ সকলোতে এইবাৰ মানুহৰ ভোট দিয়াত আগ্ৰহ নাই বুলি প্ৰকাশ পাইছিল। 'ভোট বিচাৰি আমনি নিদিব, ৰাইজক পুনৰ প্ৰলোভিত নকৰিব' এনেকুৱা পোষ্টাৰৰ খবৰো কাগজত ওলাইছিল। ভোটদান কেন্দ্ৰত ভিৰ নহ'ব বুলিয়েই ভাবিছিলো। হাতত ছাতিটো লৈ অলস ভাবে কেন্দ্ৰলৈ গলো।

গৈ দেখিলো কেন্দ্ৰত ভোট দাতাৰ বেছ ভিৰ। কিন্তু ছত্ৰধাৰী মইয়ে অকল অস্বস্তি বোধ কৰিলো। লগতে মনত পৰিল ৰীদ চাহাবৰ (Mr. Reid) ছাতি ফবিয়া (Phobia) কথা। ছাতি দেখিলে তেওঁৰ বায়ু ওলাইছিল। দুয়োখন হাত গল ছাতি মেলোতে আৰু জপাওঁতে, কাম কৰিবা কোন হাতে। এইয়া তেওঁৰ মত। যাহওক ছাতিটোৰ পৰা মুক্ত হোৱা শ্ৰেয় বুলি ভাবিলো। বাৰান্দাত দুজন পুলিচ গাৰ্ড আছিল, এজন চি আৰ পি হাতত ষ্টেনগান লৈ। আনজন ৰঙা টুপী পিন্ধা, টেবুলৰ ওপৰত বহি ভৰি দুখন ওলোমাই জোঁকাৰি তামোল চোবাই ওঁঠ ৰঙা কৰি (Assamese lip-stick) আছে। তেওঁকেই ৰিক্ত হস্ত দেখি তেওঁৰ ফালে ছাতিটো টোঁৱালো। কোনো সঁহাৰি নেপাই ইজনকে কলো – জেৰা মদত দিজিয়েগা। তেওঁ ছাতিটো লৈ তামুলী সহকৰ্মী জনক দিলে।

ভোট দি ওলাই আহি তেওঁৰ হাতৰ পৰা ছাতিটো ললো আৰু ধন্যবাদটো দিলো চি আৰ পি গাৰ্ডজনক কাৰণ ভোট দিব লাগে যোগ্যতাৰ ভিত্তিত আৰু ধন্যবাদ দিব লাগে যোগ্য জনক। আহিবৰ সময়ত ৰঙা টুপী পিন্ধা গাৰ্ড জনৰ বুকুলৈ চালো। তেওঁৰ কোনো নম্বৰ নাই। পুলিচ কনষ্টবলৰ একোটা নম্বৰ থাকে। সেই নম্বৰ প্লেটটো বুকুত লগাই লব লাগে। সেইটোৱেই তেওঁৰ পৰিচয়। মিলিটেৰী চিপাহীয়ে বুকুত নিজৰ নামৰ প্লেট লগাই লয়। এই জনৰ নম্বৰো নাই নামো নাই। নম্বৰ নলগোৱাৰ লগত এটা কীৰ্তি জড়িত আছে। যোৱা যুদ্ধৰ দিনত চিপাহীয়ে ৰাতি ডিউটিত থাকোতে মানুহৰ পৰা টকা-পইছা ঘড়ী কাঢ়ি লৈছিল। ধৰা পৰাৰ পৰা ৰক্ষা পাবলৈ নম্বৰপ্লেট নিপিন্ধিছিল। তেতিয়াৰ সেই অনিয়মটো পিছত নিয়মত পৰিণত হ'ল। সেই প্ৰসংগতহে কনষ্টবল জনৰ নম্বৰপ্লেটৰ উল্লেখ কৰিলো। ইয়াৰ বাবে উচ্চ পদস্থ বিষয়া তেওঁলোকৰ উদাসীনতাৰ বাবে দায়ী। এনে পৰিচয় টকাৰ মতলবী লোক পালে ৰাইজ সাবধান থাকে যেন।

এজন ভোটাৰৰ ভোটদান প্ৰক্ৰিয়াটোত কমেও এক মিনিট সময় লাগে। দিনটোত আঠ ঘন্টা ভোটদান চলে। সেই হিচাপে এটা ভোটদান কেন্দ্ৰত ৪৮০ খন বেলট পেপাৰ লাগে। উক্ত কেন্দ্ৰত ৬০০ মান বেলট কাগজ থাকে। বাকীখিনিৰ অপব্যৱহাৰৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

বহুত বছৰৰ আগৰ কথা। ইংলণ্ডৰ ৰাণী এলিজাবেথ তেওঁৰ স্বামী প্ৰিন্স ফিলিপচ ভাৰত ভ্ৰমণলৈ আহি ৰাণী গুজৰাটৰ গীৰ অভয়াৰণ্যত বগা বাঘ চাবলৈ গ'ল আৰু প্ৰিন্স ফিলিপচ অসমলৈ আহি যোৰহাটৰ ৰ'ৰৈয়া বিমান বন্দৰত নামিল। তেওঁক আদৰিবলৈ চৰকাৰী বন্দবস্ত কৰা হৈছিল। ৰাণীৰ স্বামী এনে বন্দবস্ত কৰা হৈছিল কাৰণ তেওঁ ৰাণীৰ স্বামী হ'ব পাৰে কিন্তু ৰজা নহয়। সেই সময়ৰ ৰাজ্যপাল জেনেৰেল শ্ৰীনাগেশে তেওঁক বিমানৰ পৰা আগবঢ়াই আনিলে। পুলিচ গাৰ্ড অৱ অনাৰ (Guard of honour) পৰিদৰ্শন কৰাৰ পাছত গৱৰ্ণৰে তেওঁক অনতিদূৰত শাৰী পাতি থিয় হৈ থকা অপেক্ষাৰত বিশিষ্ট গণ্যমান্যলোক সকলৰ ওচৰলৈ লৈ গল। পৰিচয় পৰ্ব আৰম্ভ হ'ল। প্ৰিন্সে প্ৰত্যেকৰ লগত কৰমৰ্দন কৰিলে আৰু দুই-চাৰি কথা পাতিলে। এবাৰ অকস্মাতে এজনক তেওঁ সুধি পেলালে – What is your profession? ভদ্ৰলোকজনে তপৰাই উত্তৰ দিলে – MLA। প্ৰিন্স ফিলিপচে নেহাঁহিলে কিন্তু ৰজা সুলভ গহীনতা ৰক্ষা কৰি কলে –MLA is not a profession.

আজিৰ ৰাজনৈতিক সংস্কৃতি এইটোৱেই যিটো MLAৰ মুখৰ পৰা তপৰাই ওলাই পৰিছিল। এম এল এ হবলৈ ইমান হেতা-ওপৰা কিয়। এইটো এটা লাভজনক ব্যৱসায়ত পৰিণত হৈছে। সেই কাৰণেই পুঁজিপতি আনকি বৃহৎ উদ্যোগপতি কিছুমানে নিৰ্বাচন খেলিবলৈ সম্ভাৱনাপূৰ্ণ প্ৰাৰ্থীক আৰু দলক গোপনে পুঁজিৰ যোগান ধৰে। এইবোৰ ক'লা টকা (Black money) লগতে থাকে এটা লবি (Lobby) লেমটো বা ধামা ধৰাৰ দল যি ছেগ বুজি প্ৰচাৰ চলায়। কিছুমান জাকজমকীয়া সাংস্কৃতিক অনুষ্ঠান এই ক'লা টকা বগা কৰাৰ কৌশল আৰু চাতুৰ্যপূৰ্ণ প্ৰচাৰ পদ্ধতি।

পিছে এই ৰাজনৈতিক ফান্দখন পতাত আমি সকলোৱে জড়িত। আজি প্ৰত্যেকটো ৰাজনৈতিক দলেই ক্ষমতাত অধিষ্ঠিত বিৰোধী পক্ষৰ যিয়েই হওক – ৰাজনৈতিক লাভালাভ হিচাপ কৰিহে কাৰ্য পন্থা অৱলম্বন কৰে। ৰাইজৰ মংগল হওক নহওক সেইটো বিচাৰ্য – নহয়। সেইটো অৱশ্যে পলিটিকেল শ্লোগান। ফলত ৰাইজ বিভ্ৰান্ত হৈ এবাৰ ইফালে এবাৰ সিফালে ডলাৰ বগৰিৰ দৰে বাগৰি ফুৰিছে।

এজনে দুটা সমষ্টিৰ প্ৰাৰ্থী হোৱাত আইনৰ বাধা নাই। কিন্তু এজন ব্যক্তি এটা সমষ্টিৰহে প্ৰতিনিধি হ'ব পাৰে। গতিকে দুয়োটা সমষ্টিত জিকিলে এটা বাদ দিব লাগিব। বাদ দিয়া সমষ্টিটোৰ পুনৰ নিৰ্বাচন হ'ব। এইটো অতিৰিক্ত খৰচ। বহু সমষ্টিৰ প্ৰাৰ্থীজন নিশ্চিত ভাবে ব্যৱসায়সুলভ প্ৰবৃত্তিৰ– মানুহ সেৱা প্ৰবৃত্তিৰ নহয়। এনেকুৱা প্ৰাৰ্থী সকলে জয়-পৰাজয় নিজৰ বুলি ভাবে, নিৰ্বাচনত মাত্ৰাধিক খৰচ কৰে আৰু নিৰ্বাচনত জিকি সেই টকা দুৰ্নীতিৰে উচল কৰে।

অগপ দলে গৱৰ্ণমেন্ট গঠন কৰিয়েই দৰমহা বৃদ্ধি কৰি ললে – যুক্তি দিলে দৰমহা কম কাৰণেই বিধায়ক মন্ত্ৰী সকল দুৰ্নীতিত লিপ্ত হয়। কিন্তু আচলতে সেইটো নহয়। অভাৱতকৈ স্বভাৱহে দুৰ্নীতিৰ বাবে জগৰীয়া। চব চোৰ অভাৱগ্ৰস্ত নহয়। ভাল স্বভাৱৰ মানুহ দুখীয়া হলেও চুৰি নকৰে বৰং মাগি খাব।

চৰাইক উৰিব নোৱৰা কৰিবলৈ হলে তাৰ পাখী গুৰি চপাই কাটি দিব লাগে। দুৰ্নীতি একেবাৰে নিৰ্মূল নহ'ব পাৰে, কিন্তু ইয়াক নিয়ন্ত্ৰণ কৰিব পৰা যায়। তাৰ কাৰণে দুৰ্নীতিৰ পথাৰখন যিমানদূৰ সম্ভৱ সংকুচিত কৰিব লাগিব। চাকৰি দিয়া, ঠিকা ঠুকলি আদি দিয়া ক্ষমতাৰ বাঘ-জৰিডাল চুটিৰো চুটি এৰাল ডালৰ জোখৰ কৰিব লাগে। ৰাজনীতিকে পুঁজিবাদীক ক্ষীৰাই থাকিব পৰা অৱস্থাটো নোহোৱা কৰিব লাগে।

বৰদলৈ মন্ত্ৰীসভাত নিকলচ ৰয় পি ডব্লিউ বিভাগৰ মন্ত্ৰী আছিল। এদিন তেওঁ ডিব্ৰুগড়ৰ পৰা ছিলঙলৈ যাওঁতে বাটত শিৱসাগৰ চাৰ্কিট হাউচত ক্ষন্তেক ৰৈছিল। স্থানীয় এম এল এ প্ৰমুখ্যে কেইজনমান গণ্যমান্য লোকে তেওঁক বাঘে ধৰা দিলে। তেওঁলোকে অভিযোগ কৰি কলে দেশ স্বাধীন হৈছে, উন্নয়নমূলক কামবোৰ দ্ৰুত গতিত হ'ব লাগে। হ'ব ক'ত। যি অলপ টকা বিতৰণ কৰা হৈছে তাৰো অধিকাংশ খৰচ কৰিব নোৱাৰি ঘূৰাই দিয়া হ'ল। 'If I with thirty years business experience could not do it, no body could do it' এইবুলি উষ্মা প্ৰকাশ কৰিয়েই তেওঁ আৰম্ভ কৰিলে। 'অকল টকা খৰচ কৰায়েই যদি কামৰ মাপকাঠি, মই কেতিয়াবাই বাজেটৰ আবন্টন টকা খৰচ কৰিলোহেঁতেন। মই ৰাইজৰ টকা জধেমধে খৰচ নকৰো। এটা টকাৰ বিনিময়ত কিমান কাম হ'ল, তাৰ হিচাপ কৰিহে দ্বিতীয়টো টকা খৰচ কৰো। কাম মানুহে কৰে টকাই নকৰে। আমাৰ কাম কৰা মানুহ নাই। কেৰালা আৰু অন্যান্য ঠাইৰ পৰা ইঞ্জিনিয়াৰ নিপুণ বনুৱা (skill labour) আনি লাগে। তেওঁলোকে উচ্চ হাৰত দৰমহা বিচাৰে। আমাৰ বেছিভাগ টকা তেওঁলোকৰ বেতন ভাট্টা দিওঁতে যায়। হিচাপ কৰি দেখা গৈছে অসমৰ উন্নয়নমূলক কামৰ বাবে ঘৰতকৈ পৰৰ মানুহহে বেছি উপকৃত হৈছে। অসমে কৰ্মবিমুখতাৰ কাৰণে ভৱিষ্যতে ভুগিব লাগিব।'

কাম দ্ৰুত গতিত চলিবলৈ হলে প্ৰশাসনীয় যন্ত্ৰটোও দ্ৰুত গতিত চলিব লাগিব। সেইটোৰ অভাৱ হৈছে। মই ভাবো ইয়াৰ ক্ৰমোন্নতি হোৱা কঠিন কাম হ'ব। কিছুদিনৰ আগতে মই আমেৰিকা আৰু পশ্চিম ইউৰোপীয় দেশ ভ্ৰমণ কৰি আহিছো। তাত যিটো হৈ গৈছে আজিৰ বাদে কাইলৈ আমাৰ ইয়াতো হ'ব। সেইটো হৈছে প্ৰতিভাশালী মানুহে চৰকাৰী চাকৰি নকৰিব। চৰকাৰী চাকৰিৰ কৰ্মক্ষেত্ৰ খুব সীমিত। তেওঁলোকে এনেকুৱা কৰ্মক্ষেত্ৰ বাছি লব য'ত ব্যক্তিগত উদ্যোগ পৰিশ্ৰম কৰ্মশক্তি কৰ্মপ্ৰেৰণা আৰু দক্ষতাৰ পূৰ্ণ বিকাশ কৰিব পাৰিব। ৰাজনীতিৰ প্ৰতিও মানুহৰ আকৰ্ষণ কমি যাব। এক কলমৰ খোচতে মহাপ্ৰতাপী চাৰ মহম্মদ চাদুল্লাৰ ৰাজনৈতিক জীৱন – নাম নোহোৱা হ'ল। খনীন্দ্ৰ চন্দ্ৰ বৰুৱাই কিবা দোষত মনোনয়ন পত্ৰ নাকচ কৰিলে। চাদুল্লা চাহাব যি পৰিল আৰু উঠিব নোৱাৰিলে। সৎসাহসী অফিচাৰৰ হাতত দুৰ্নীতি পৰায়ণ ৰাজনীতিকে তুৰিমুৰি কৰিব নোৱাৰে। এনে অনিশ্চয়তাই ৰাজনীতিৰ আকৰ্ষণ কমাব। ক্ৰমান্বয়ে নাগৰিক সচেতন হ'ব আৰু ৰাজনীতিকৰ দুৰ্নীতিক প্ৰশ্ৰয় নিদিয়া হ'ব।

এজন চিন্তাবিদে কৈছে মানৱ সভ্যতাৰ ক্ৰম বিকাশলৈ লক্ষ্য কৰিলে আমি কি দেখিবলৈ পাওঁ। প্ৰাকৃতিক ৰিজ্ঞান আৰু কাৰিকৰী বিদ্যা দ্ৰুত গতিত আগবাঢ়িছে। ইমানেই আগবাঢ়িছে যে পোন্ধৰ বছৰৰ গৱেষণাৰ ফলস্বৰূপে মানুহে চন্দ্ৰত অৱতাৰণ কৰিলে। অৱশ্যে নবগ্ৰহ পূজাত এতিয়াও চন্দ্ৰৰ নামত চন্দ্ৰায় নমঃ মন্ত্ৰ উচ্চাৰণ আৰু যথাবিহিত উছৰ্গা হৈ আছে। প্ৰাচীন গ্ৰীচত প্ৰথমে ৰাজনীতিৰ চৰ্চা হৈছিল। প্লেটো এৰিষ্টটল সেই সকলেই ৰাজনৈতিক চিন্তাবিদ। সেইবোৰ খৃষ্ট-পূৰ্ব ২/৩ শ বছৰ আগৰ কথা। এতিয়াও একেবোৰ কথাকে কৈ থকা হৈছে। বিশ্বত এতিয়াও এটা সুস্থিৰ ৰাজনৈতিক আদৰ্শ স্থাপিত হোৱা নাই।

মানুহৰ চাৰিত্ৰিক বৈচিত্ৰ্য আৰু জটিলতাৰ কাৰণেই সকলোৱে গ্ৰহণীয় এটা নিখুঁত ৰাজনৈতিক মতাদৰ্শ স্থাপিত হোৱা অতি দুৰূহ। কিন্তু এইটোও ঠিক যে অন্যান্য বিজ্ঞানৰ তুলনাত ৰাজনীতি বিজ্ঞানৰ উৎকৰ্ষ সাধন হোৱা নাই। জৰ্জ বাৰ্ণাৰ্ড শ্ব-ই কৈছিল Politics is the last resort of the scoundrel. এই ইতিকিং-পূৰ্ণ মন্তব্যটোৰ প্ৰাসংগিকতা এতিয়াও আছে। ■

দৃষ্টিকোণ

# আল্‌ফা সমস্যা সমাধানৰ বাবে কিছু মুকলি চিন্তা

দেৱানন্দ বৰা

'অসমৰ স্বাধীনতা' প্ৰশ্নটো আলোচনাৰ এটা বিষয় হিচাপে অন্তৰ্ভুক্ত হলেহে আল্‌ফাই আলোচনাৰ মেজত বহিব বুলি অলপতে কৰা ঘোষণা আৰু ইয়াক মুখ্য মন্ত্ৰীয়ে পোনপটীয়া ভাবে অগ্ৰাহ্য কৰাৰ পিছত অসমৰ এই জটিল সমস্যাটো শান্তিপূৰ্ণ আলোচনাৰ মাজেৰে সোনকালে সমাধান হোৱাৰ আশা কৰিব পৰা নেযায়। নিৰ্বাচিত চৰকাৰ গঠন হোৱাৰ লগে লগেই অসমৰ আইন-শৃংখলা দ্ৰুত গতিত অৱনতি আৰু অধিক ব্যাপক হোৱাত, ৰাজ্যখনৰ সাধাৰণ আইন শৃংখলা ৰক্ষা কৰিবৰ কাৰণে সৈন্য বাহিনী নিয়োজিত কৰিব লগীয়া হোৱাটো অকল কষ্টদায়কেই নহয় ই দুঃখ জনকো। কিয়নো যি কোনো বিদেশী আক্ৰমণৰ পৰা নিজৰ দেশখন ৰক্ষা কৰাটোহে সৈন্য বাহিনীৰ প্ৰাথমিক দায়িত্ব। যদি আল্‌ফাই আলোচনাৰ মেজত বহিবলৈ ইচ্ছা কৰে তেনেহলে সৈন্যবাহিনী তৎকালে অপসাৰিত কৰিব পৰা যাব। তাৰ উপৰি আল্‌ফাই আৰোপ কৰা চৰ্ত 'স্বাধীন অসম' প্ৰশ্নটোও আলোচনাৰ যোগেদি এৰা-ধৰা কৰি এক মধ্যম পথত উপনীত হ'ব পৰা যায়। কিন্তু এইক্ষেত্ৰত আল্‌ফাই লোৱা অলৰ, অচৰ স্হিতিয়ে সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ পথ বাছি উলিওৱাটো অসম্ভৱ কৰি তুলিছে।

অসমক সশস্ত্ৰ সংগ্ৰামেৰে স্বাধীন কৰাটো সহজসাধ্য নহয়। এনেধৰণৰ সশস্ত্ৰ বিপ্লৱ পৃথিৱীৰ অন্যান্য দেশত বিফল হোৱাৰ অসংখ্য উদাহৰণ আছে। সশস্ত্ৰ বিপ্লৱ কৰি নিজৰ জীৱন উৎসৰ্গা কৰিবলৈ ওলাই অহা ডেকা সকলৰ সাহস আৰু আত্মত্যাগ প্ৰশংসনীয় হলেও কোনো কালে কৃতকাৰ্য হোৱাৰ আশা নথকা কাৰ্যৰ বাবে এই ডেকা সকলে মৃত্যু বৰণ কৰাটোৱো আমি নিবিচাৰো।

অসমৰ সুকীয়া পৰিচয়, ভাষা-সংস্কৃতি, পৰম্পৰা আৰু অসমীয়া জাতিৰ সৰ্বাঙগীন বিকাশ কৰাটোৱেই এই বিপ্লৱী ডেকা সকলৰ মূল উদ্দেশ্য। সকলো শ্ৰেণীৰ জাতি-উপজাতিৰ আৰু জনগোষ্ঠীৰ নিজ নিজ ভাষা সংস্কৃতি, পৰম্পৰা – অন্য জাতিৰ ভাষা-সংস্কৃতি, পৰম্পৰাৰ দ্বাৰা নিচিহ্ন কৰিবলৈ কোনেও এৰি নিদিয়ে। দেশ বিভাজনৰ আগে-পিছে অকল বংগদেশৰ পৰাই নহয় ভাৰতৰ অন্য প্ৰান্তৰ পৰাও লাখ লাখ মানুহৰ অবাধ প্ৰব্ৰজনে অসমীয়া আৰু ইয়াৰ ভূমি পুত্ৰ জনজাতি সকলৰ ভাষা-কৃষ্টি পৰম্পৰা জীয়াই ৰক্ষাৰ ভাবুকি হৈ পৰাৰ বাবে অসমৰ জনসাধাৰণে আন্দোলনত জঁপিয়াই পৰিছিল। কিন্তু ছয় বছৰীয়া বিদেশী খেদা আন্দোলনক, আন্দোলনকাৰী সংগঠন সমূহে বিশ্বাস ঘাতকতা কৰাৰ পিছত, আন্দোলনৰ মাজৰে এই সকল ডেকাই হাতত বন্দুক তুলি লবলৈ বাধ্য হল। এই কথাও সত্য যে স্বাধীনতাৰ চাৰিটা দশকতকৈয়ো অধিককাল পাৰ হৈ যোৱাৰ পিছতো ভাৰতবৰ্ষৰ আধা ভাগ মানুহৰ আজিও দুবেলা খাবলৈ যোত্ৰ নাই, থাকিবলৈ ঘৰ নাই, শিক্ষা-দীক্ষা, স্বাস্থ্য ৰক্ষাৰ কথা বাদেই। এইবোৰ মানুহ ৰ'দ দিলেও মৰে, বৰষুণ দিলেও মৰে, জাৰতো মৰে গৰমতো মৰে, বানপানী বাঢ়িলে মৰে খৰাং বতৰতো খাবলৈ নেপাই মৰে। স্বাধীনতাৰ পিছত হোৱা বৰ্ধিত জাতীয় আয় মাত্ৰ দেশখনৰ শতকৰা কুৰি ভাগ মানুহে আজি উপভোগ কৰি আছে। মানুহে মানুহৰ ওপৰত চলোৱা শোষণ, নিপীড়ন, ধনী দুখীয়াৰ ব্যৱধান কমক চাৰি বৃদ্ধিহে পাইছে যদিও আমাৰ সংবিধানে ভাৰতবৰ্ষক এখন সমাজবাদী ৰাষ্ট্ৰ বুলি ঘোষণা কৰিছে। আনহাতেদি যিখিনি অৰ্থনৈতিক উন্নয়ন হৈছে সিয়ো দেশখনৰ চুকে কোণে সকলো অঞ্চলতে সমভাবে নোহোৱাৰ বাবে বহুবোৰ অঞ্চল পিছ পৰি আছে। দেশৰ বছা বছা কেইটামান অঞ্চলত এই বিকাশ সীমাবদ্ধ আছে। এনেধৰণৰ আঞ্চলিক অনগ্ৰসৰতাই আঞ্চলিকতাবাদৰ জন্ম দিয়ে আৰু এই আঞ্চলিকতাবাদৰ পৰাই বিচ্ছিন্নতাবাদৰ জন্ম হয়। ভাৰতৰ উত্তৰ-পূব অঞ্চলত মূৰ দাঙি উঠা বিচ্ছিন্নতাবাদৰ ইয়েই এটা মূল কাৰণ।

এখন স্বাধীন ৰাষ্ট্ৰত এনেধৰণৰ আঞ্চলিক বৈষম্য, মানুহৰ ওপৰত মানুহৰ শোষণ, নিপীড়ন চলি থাকিব নোৱাৰে। এইবোৰ বন্ধ হ'ব লাগিব। প্ৰতিটো জাতি-উপজাতি, জনগোষ্ঠীৰ নিজস্ব ভাষা-সংস্কৃতি, পৰম্পৰা সৰ্বতি কালৰ বাবে সুৰক্ষিত হ'ব লাগিব। ইয়াৰ বাবে ৰাজ্য সমূহৰ উপযুক্ত আইন প্ৰণয়ন কৰাৰ ক্ষমতা থাকিব লাগে। নিজস্ব প্ৰাকৃতিক সম্পদ সমূহৰ পূৰ্ণ ব্যৱহাৰ কৰিব পৰা ক্ষমতাও ৰাজ্যবিলাকে পোৱা উচিত। ৰাজ্যৰ কৰ আৰু ৰাজহ সংগ্ৰহৰ ক্ষমতা অধিক হোৱাৰ প্ৰয়োজন। তেতিয়াহে আঞ্চলিক বৈষম্য দূৰীভূত হ'ব। ৰাজনৈতিক, অৰ্থনৈতিক ক্ষমতা পূৰ্ণ বিকেন্দ্ৰীকৃত কৰাৰ বাবে ৰাজ্য সমূহক নিজস্ব সংবিধান প্ৰণয়নৰ ক্ষমতা দি কেন্দ্ৰীয় সংবিধানত মাত্ৰ পৰৰাষ্ট্ৰ, প্ৰতিৰক্ষা আণবিক শক্তি আৰু ৰাজ্য আৰু ৰাজ্যৰ মাজৰ সম্বন্ধ বিষয় সমূহতে সীমাবদ্ধ ৰাখিব লাগে। সূ

### শুধৰণি

যোৱা সংখ্যা (১-১৫ নবেম্বৰ '৯১)ত প্ৰকাশিত 'আল্‌ফা সমস্যাৰ সমাধান কেনেকৈ হোৱা উচিত' শীৰ্ষক মুকলি মঞ্চত শ্ৰীশৰৎ চন্দ্ৰ সিংহই কোৱা বুলি প্ৰকাশ হোৱা equiment শব্দটো প্ৰকৃততে Acumen হে হ'ব লাগিছিল। অনিচ্ছাকৃত এই ছপাৰ ভুলৰ বাবে আমি দুঃখিত।

সম্পাদক, 'সূত্ৰধাৰ'



OKDISCD

# অসমৰ শিক্ষা ব্যৱস্থাৰ বৰ্তমান আৰু ভৱিষ্যৎ

ড০ পবিত্ৰ কুমাৰ শৰ্মা

অসমৰ শিক্ষ ব্যৱস্থাত কি কি আঁসোৱাহ আছে সেই সম্পৰ্কে সময়ে সময়ে বিভিন্ন বাতৰি, আলোচনী, আলোচনা চক্ৰ আদিত আলোচনা হৈ আছে। এতিয়া অসমৰ শিক্ষা মন্ত্ৰীয়েও শিক্ষা সংস্কাৰ আয়োগ গঠনৰ কথা কৈছে। সদৌ অসম ছাত্ৰ সংস্থাইও শৈক্ষিক পৰিবেশৰ কাৰণে সংহত শৈক্ষিক পঞ্জীৰ কথা দোহাৰি আছে। ৰাষ্ট্ৰীয় পৰ্যায়তো ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ত শিক্ষা নীতিৰ কাৰ্যকৰীকৰণত অগ্ৰগতিৰ খতিয়ান লোৱাৰ দিহা দিয়া হৈছে। অথচ শিক্ষা নীতিৰ আধাৰ যে মানৱ শক্তি আঁচনি ভিত্তিক হ'ব লাগে সেই সম্পৰ্কে ভাৰতত স্পষ্ট পৰিকল্পনা হোৱা নাই। ইয়াৰ কাৰণ হ'ল দেশৰ উন্নয়নৰ কাৰণে জনসম্পদৰ প্ৰয়োজনীয় দাতা সময়মতে প্ৰস্তুত নোহোৱাটো। ১৯৯০ চনৰ আঁচনিৰ কাৰণে ১৯৮৮ চনৰ দাতা ভিত্তি হ'ব নোৱাৰে। ৪৪ বছৰত এই ক্ষেত্ৰত কোনো ক্ষিপ্ৰ কাৰ্যকৰী ব্যৱস্থা লোৱা হোৱা নাই।

ভাৰতৰ প্ৰথিতযশা শিক্ষাবিদ সকলে এতিয়া সঘনাই প্ৰাথমিক শিক্ষা আৰু সাক্ষৰতাৰ ওপৰত গুৰুত্ব দি বিভিন্ন আলোচনা কৰিছে। তথাপি সংবিধান স্বীকৃত প্ৰাথমিক শিক্ষা ব্যৱস্থা ২০০০ চনৰ ভিতৰতো সম্ভৱ হোৱাৰ কাৰণে এতিয়াও বাজেটত পুঁজি ধৰা নহয়। অসমৰ শিক্ষা বাজেটত যোৱা বছৰতকৈ ১২ কোটি টকা অধিক ধৰা হৈছে। অথচ অসমৰ শিক্ষা সম্প্ৰসাৰণৰ বাবে (প্ৰকৃত শিক্ষাৰ কাৰণে) কিমান পুঁজিৰ প্ৰয়োজন তাকো চৰকাৰে তথ্যসহ দাঙি ধৰাৰ প্ৰয়োজন বোধ নকৰে। অসমত ০-১৪ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪০ লাখ। তেওঁলোকৰ সকলোৰে বাবে প্ৰাথমিক স্কুল লাগে ৪০,০০০ খন। অসমত বৰ্তমান থকা প্ৰাথমিক স্কুলৰ সংখ্যা ২৭০০০। শিক্ষক ৬০,০০০। ৪০,০০০ প্ৰাথমিক স্কুলত প্ৰতিখনতে ৫ জনকৈ ধৰিলে প্ৰয়োজনীয় শিক্ষকৰ সংখ্যা ২ লাখ। প্ৰাথমিক স্কুল সমূহৰ লগতে প্ৰধান শিক্ষকৰ আবাস গৃহ নিৰ্মাণ কৰি থকাৰ ব্যৱস্থা কৰিলেহে স্কুলত পুথিভঁৰাল আৰু শিক্ষণ সামগ্ৰী ৰখা সম্ভৱ। স্কুলৰ গৃহ নিৰ্মাণ, প্ৰধান শিক্ষকৰ গৃহ নিৰ্মাণ, শিক্ষকৰ দৰমহা, বিনামূলীয়া পাঠ্যপুথি যোগান, শিক্ষণ আৰু পঠন সামগ্ৰী ধৰিলে একোখন স্কুলত ২ লাখ গড় হিচাপে ৪০,০০০ প্ৰাথমিক স্কুলৰ বাবে ৮০ কোটি টকা প্ৰয়োজন। আনহাতে সাক্ষৰতা অভিযানৰ বাবেও চৰকাৰে ৪০ কোটি পুঁজিৰ ব্যৱস্থা কৰিলেহে সাক্ষৰতা অভিযান ফলপ্ৰসূ হ'ব।

প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে আধৰুৱাকৈ স্কুল এৰি গুচি যায় বাবে বিনামূলীয়া আহাৰ, বিনামূলীয়া পোছাক আদি ব্যৱস্থা লৈ থকা বুলি চৰকাৰে ঘোষণা কৰে। দুখীয়া অভিভাৱকে ছাত্ৰ-ছাত্ৰীক পঢ়াবলৈ পথাৰলৈ আগ্ৰহী হ'ব তেওঁলোকৰ উপাৰ্জন বাঢ়িলেহে। আচলতে অভিভাৱক বা মাক-বাপেকৰ উপাৰ্জন নিশ্চিত কৰিহে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীক স্কুললৈ পঢ়িবলৈ আহিবলৈ উৎসাহী কৰা সম্ভৱ। ঘৰত কাম বন কৰা, চাহ দোকানত থকা বা অন্যান্য হোটেল ৰেষ্টোৰাঁত কামত লগোৱা ল'ৰাখিনিৰ কথা চৰকাৰৰ হিচাপত নপৰে। তেওঁলোক সমাজৰ আৱৰ্জনাত পৰিণত হৈছে। অসমত প্ৰাক্তন চাহ বনুৱা, চৰ অঞ্চলৰ পমুৱা, জনজাতি আৰু অন্যান্য পিছ পৰা সম্প্ৰদায়ৰ ০-১৪ বছৰৰ ছাত্ৰ-ছাত্ৰীক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰাত চৰকাৰৰ পুঁজিত অগ্ৰাধিকাৰ পাব লাগে। কিন্তু কাৰ্যক্ষেত্ৰত তেনে হ'ব পাৰেনে?

প্ৰাথমিক স্তৰৰ ৪০ লাখ ছাত্ৰ-ছাত্ৰীয়ে নিয়মমতে অকৃতকাৰ্য নোহোৱাকৈ প্ৰত্যেকেই মাধ্যমিক স্তৰত ভৰ্তি হ'ব লাগে। প্ৰতিজন ছাত্ৰই মাধ্যমিক স্তৰত ভৰ্তি হ'লে মাধ্যমিক স্তৰত গড়ে ৫০০কৈ ছাত্ৰ ধৰিলে প্ৰয়োজনীয় স্কুলৰ সংখ্যা হ'ব ৮,০০০। ভাৰতত এতিয়াও এজন নাগৰিকৰ ন্যূনতম শিক্ষা কিমান হোৱা উচিত তাক নিৰ্ণয় কৰা হোৱা নাই। প্ৰথম পৰ্যায়ত অন্ততঃ ৮ম মান শ্ৰেণী পাছ কৰাৰ সীমা ল'ব পাৰি। অষ্টমমান শ্ৰেণীত ৫০ শতাংশ ছাত্ৰক কাৰিকৰী বা বৃত্তিমূলক প্ৰশিক্ষণ ব্যৱস্থাৰে অৰ্হতা যুক্ত কৰিলেও ২০ লাখ ছাত্ৰ-ছাত্ৰীয়ে অসমত হাইস্কুল পৰ্যায়ত পঢ়িব লাগিব। ২০ লাখ ছাত্ৰ-ছাত্ৰীৰ কাৰণে প্ৰয়োজনীয় দশম মানলৈ ব্যৱস্থা থকা হাইস্কুলৰ সংখ্যা হ'ব লাগে ৪০০০। গড়ে ১৫ জনকৈ শিক্ষক ধৰিলে মাধ্যমিক স্তৰৰ কাৰণে শিক্ষকৰ প্ৰয়োজন ১,২০,০০০। মাধ্যমিক স্তৰৰ। ৪০০০ স্কুলৰ প্ৰতিখনৰ পৰা গড়ে ১০০ ল'ৰাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত বহিলে পৰীক্ষাৰ্থীৰ সংখ্যা হয়গৈ ৪ লাখ। এই ৪ লাখ ছাত্ৰ-ছাত্ৰীয়ে কেনে শিক্ষা পোৱা উচিত? ইয়াৰে এক তৃতীয়াংশই উচ্চতৰ মাধ্যমিক, বিজ্ঞান, কলা আৰু বাণিজ্য শাখাত পঢ়াৰ সুবিধা পাব লাগে। বাকী দুই তৃতীয়াংশই বৃত্তিমূলক, কৃষি আৰু অন্যান্য কামত নিয়োজিত হবৰ কাৰণে অৰ্হতা লভিব লাগে। বৃত্তিমূলক আৰু কাৰিকৰী প্ৰশিক্ষণ লাভ কৰা সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আত্ম-সংস্থাপনৰ সুবিধা লভিব লাগিব। এই সম্পৰ্কে ১৯৮৫ চনত চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় সমিতিৰ প্ৰতিবেদনত কোৱা হৈছে –"Our socialist modernization not only requires senior scientific and technical experts but also urgently requires millions of intermediate and junior engineers, managerial personnel and technicians who have received adequate vocational and technical education as well as urban and rural workers who are well trained vocationally. Vocational and technical education constitute the weakest link in the whole chain of China's education." (Reform of China's Educational Structure Page 10) ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ত ভাৰতত ৫০০ বৃত্তিমূলক বিষয় নিৰ্বাচিত কৰা হৈছিল। কিন্তু ১৯৯০ চনলৈ ১০০ বিষয়ৰো পাঠ্যক্ৰম প্ৰস্তুত কৰা নহ'ল। এতিয়া অৱশ্যে ১৫০টা বিষয়ৰ পাঠ্যক্ৰম প্ৰস্তুত হৈছে বুলি জনা গৈছে। ইয়াৰ আধাৰত কিছুমান বৃত্তিমূলক শিক্ষানুষ্ঠানো প্ৰতিষ্ঠা কৰাৰ আঁচনিত কেন্দ্ৰীয় মাধ্যমিক ব'ৰ্ডৰ উপদেষ্টা সমিতিয়ে অনুমোদন জনাইছে। এনে শিক্ষানুষ্ঠান ৪খন অসমত প্ৰতিষ্ঠা হোৱাৰ কথা। সমাজৰ কামত অহা উৎপাদনশীল শ্ৰমত যদি ছাত্ৰ-ছাত্ৰীক নিয়োজিত হবলৈ শিক্ষা ব্যৱস্থাত নতুন পদ্ধতি প্ৰবৰ্তন কৰা নহয় তেতিয়াহলে এই দুই-তৃতীয়াংশ যুৱক যুৱতীৰ ভৱিষ্যৎ অন্ধকাৰ হৈ পৰিব। অসমৰ বৰ্তমান যুৱ শক্তিৰ অপচয় ৰোধৰ কোনো পৰিকল্পনা নোহোৱাকৈ শিক্ষা ব্যৱস্থা এটা চলি থকাতো চৰকাৰৰ লগতে সচেতন জনসাধাৰণৰ বিশেষ উদ্বিগ্নতা দেখা নাযায়। বুদ্ধিজীৱীয়ে ৰাজপথত বিক্ষোভ আৰু শোভাযাত্ৰা কৰি অসমৰ জ্বলন্ত সমস্যা সমাধান কৰিব নোৱাৰে। তাৰ কাৰণে সুচিন্তিত পৰিকল্পনা কাৰ্যকৰী কৰিবলৈ চৰকাৰক সুপথে পৰিচালিত কৰিব লাগিব।

কৃষি ভিত্তিক আধুনিকীকৰণৰ জৰিয়তে অসমত কৃষি উৎপাদন আন্দোলনত যুৱশ্ৰম নিয়োজিত হ'ব পাৰে। চীনত স্কুলৰ ছাত্ৰ-ছাত্ৰীকৰ বছৰেকত ৪০ দিন শাৰীৰিক শ্ৰম শিক্ষা অৰ্হতাৰ লগত সাঙোৰা হৈছে। অসমতো কৃষি স্কুল স্থাপন কৰি শাৰীৰিক শ্ৰমৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰাৰ ব্যৱস্থা লোৱা উচিত। কৃষি উৎপাদনত স্বাবলম্বিতা লভিলেও অসমে ৭০০ কোটি টকা বছৰি অসমতে ৰাখিব পাৰিব। চৰ আৰু চাহ বনুৱা অধ্যুষিত অঞ্চলত কৃষি উৎপাদন ভিত্তিক স্কুল অধিক কাৰ্যকৰী হ'ব।

উচ্চতৰ মাধ্যমিক শ্ৰেণীত ১ লাখ ছাত্ৰ ভৰ্তিৰ কাৰণে প্ৰয়োজনীয় শিক্ষানুষ্ঠান প্ৰতিষ্ঠা হ'ব লাগিব। বৰ্তমান অসমত নতুনকৈ লব খোজা স্কুলৰ সৈতে প্ৰায় ৪০০খন এনে স্কুল আছে। প্ৰতিখন স্কুলত ১০০ ছাত্ৰ-ছাত্ৰী ধৰিলেও ১০০০খন স্কুলত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ব্যৱস্থা হ'ব লাগে। এনে স্কুলৰ বিজ্ঞান, বাণিজ্য আৰু কলা শাখাৰ অনুপাত ১ঃ২ঃ৩ হ'ব পাৰে। অসমত এতিয়া কলেজ আৰু উচ্চতৰ মাধ্যমিক স্কুল দুয়ো পৰ্যায়তে +২ স্তৰ আছে। কলেজ সমূহৰ পৰা +২ স্তৰ আঁতৰালেহে ৩ বছৰীয়া স্নাতক শিক্ষাৰ ফলত ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। স্নাতক স্তৰত অসমত কলেজৰ সংখ্যা অতিপাত বৃদ্ধি পাইছে। ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ ভিত্তিত প্ৰায় ৩০০খন এনে কলেজ আছে। বেছি সংখ্যক কলেজেই স্বীকৃতি প্ৰাপ্ত নহয়। এই স্তৰত শিক্ষা সম্প্ৰসাৰণ বন্ধ হোৱা প্ৰয়োজন। আৰু নতুন স্নাতক কলেজ খোলাৰ ব্যৱস্থা বন্ধ হ'ব লাগে। নিবনুৱা সমস্যা সমাধানৰ পদক্ষেপ কলেজৰ সংখ্যা বঢ়োৱাৰ দ্বাৰা কৰি থাকিলে অসমৰ ভৱিষ্যৎ আৰু জটিল হ'ব। অসমৰ কলেজ সমূহত বিজ্ঞান বুলিলে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান খোলাত মাথোন গুৰুত্ব দিয়া হয়। অংক কলা বিভাগতো থাকে। সেইদৰে কলা বিভাগ সমূহো পৰম্পৰাগত বিষয়ত সীমাবদ্ধ। ভাৰতৰ অন্যান্য ঠাইত সামাজিক গতিবিজ্ঞান, হোটেল পৰিচালনা, পৰ্যটন, প্ৰত্নতত্ত্ববিদ্যা, ঔদ্যোগিক ৰসায়ন, জীৱ ৰসায়ন আদি ভিন ভিন বিষয় স্নাতক স্তৰত খোলা হৈছে। অসমৰ কলেজ সমূহেও এনেকুৱা আৰু আঞ্চলিক বিকাশৰ প্ৰয়োজনীয় বিষয় খুলি ছাত্ৰ-ছাত্ৰীক উন্নয়নৰ নতুন নতুন পথলৈ অগ্ৰসৰ হ'বলৈ ব্যৱস্থা লোৱা প্ৰয়োজন। ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ৰ কাৰ্যকাৰিতাৰ ওপৰত যুগুতোৱা আচাৰ্য ৰামমূৰ্তি আয়োগৰ অনুমোদনাৱলীত আঞ্চলিক উন্নয়ন আৰু স্কুলীয়া শিক্ষা পৰিপূৰক হিচাপে গঢ়ি লবলৈ ব্যৱস্থা কৰাৰ কথা কোৱা হৈছে। প্ৰাথমিক স্কুল, মাধ্যমিক স্কুল, কলেজ আৰু বিশ্ববিদ্যালয় সকলোৱে সমন্বয় ৰাখি গাঁৱৰ সামগ্ৰিক উন্নয়নত জড়িত হোৱা নীতিয়েহে দেশৰ জটিল অৰ্থনৈতিক পৰিস্থিতিত সমাজক অগ্ৰগতিৰ পথেৰে আগুৱাই নিব। অসমৰ কংগ্ৰেছ দলেও শিক্ষা ব্যৱস্থাক গাওঁমুখী কৰি নগৰ-চহৰলৈ প্ৰব্ৰজন বন্ধ হ'ব লাগে বুলি কৈ আছে। স্থানীয় কলেজ, সেই অঞ্চলৰ স্কুল সমূহ, গাঁও পঞ্চায়ত আৰু অন্যান্য সেৱাৰ মাজত সমন্বয়ৰ মাজেৰেহে গাঁৱলীয়া জীৱন ভৱিষ্যতৰ যুৱ সমাজৰ আকৰ্ষণীয় হ'ব পাৰে। সমাজ সেৱা কলেজ স্নাতকৰ বাবে বাধ্যতামূলক হ'ব লাগে। ভাৰতৰ ছেইন্ট জৰ্জ কলেজ, পৰা শক্তি মহিলা কলেজ আদিত সমাজ সেৱা সম্প্ৰসাৰণৰ যোগেদি দাঁতি কাষৰীয়া গাওঁ সমূহত সাক্ষৰতা অভিযান, স্বাস্থ্য সেৱা তথা আঞ্চলিক উন্নয়নত জনজাগৰণ কৰা সম্ভৱ হৈছে। ডঃ বাসু সঞ্চালক হৈ থাকোতে মদ্ৰাজৰ বিদ্যুৎ ৰাসায়নিক গৱেষণা প্ৰতিষ্ঠানে গ্ৰাম্য উন্নয়নত গুৰুত্ব দি হোজা গাঁৱলীয়াক দুৰ্নীতি মুক্ত সামাজিক উন্নয়নৰ প্ৰতি সজাগ কৰিব পাৰিছিল। স্নাতক স্তৰৰ প্ৰতিখন কলেজতে আঞ্চলিক উন্নয়ন গোট গঠন কৰি পঞ্চায়ত আৰু খন্ড উন্নয়নৰ সহযোগত আঞ্চলিক উন্নয়নৰ পৰিকল্পনা আৰু পুঁজি সংগ্ৰহ কাৰ্যকৰী হলেহে গাওঁলীয়া অৰ্থনীতি স্বাবলম্বী হ'ব পাৰে। শিক্ষক সকলে আত্ম-কেন্দ্ৰিকতা পৰিহাৰ কৰি সমাজ উন্নয়নৰ কেন্দ্ৰবিন্দু হ'বলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈ ওলাই আহিলে সমাজত আৰ্থ-সামাজিক বিপ্লৱ ঘটিবলৈ বেছি পৰ নালাগে। সন্ত্ৰাসবাদ পৰিহাৰ কৰি যুৱ সমাজো সমাজ উন্নয়নৰ স্বাবলম্বী গতিধাৰাত জঁপিয়াই পৰাৰ পথ তেতিয়াহে সুচল হ'ব। সেই কাৰণেই স্নাতক স্তৰত ভৱিষ্যৎ মুখী চিন্তাধাৰাৰে কাম কৰিব পৰা নেতৃত্ব ল'ব পৰা শিক্ষক নিয়োগ হোৱা বাঞ্ছনীয়।

বিশ্ববিদ্যালয় স্তৰত স্নাতকোত্তৰ স্তৰৰ শিক্ষা অসমৰ দুয়োখন বিশ্ববিদ্যালয়তে স্নাতক স্তৰৰ ধাৰাবাহিকতা হৈ আছে। স্নাতক হৈ তাৰ পাছত আৰু এটা উপাধি লোৱাই স্নাতকোত্তৰ শ্ৰেণীত ভৰ্তি হোৱা ছাত্ৰৰ লক্ষ্য। স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ আৰু শিক্ষক দুয়ো শিকাৰুহে। তেওঁলোকে জ্ঞান আহৰণ কৰি তাৰ আধাৰত নতুন জ্ঞান সংযোজন কৰাহে স্নাতকোত্তৰ শিক্ষাৰ পৃথিৱীৰ সকলো বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ লক্ষ্য আৰু উদ্দেশ্য। কিন্তু অসমত বিশ্ববিদ্যালয় মানে কেইটামান গতানুগতিক বিভাগ আৰু উদ্যমত চেঁচা পানী ঢলা প্ৰশাসন, অধিক সংখ্যক তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ সংস্থানৰ ক্ষেত্ৰ হৈ পৰিল। এনে ভুল নীতিৰ ফলত এতিয়া মেধাবী ছাত্ৰৰ সলনি কেনেকৈ কম নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীক ভৰ্তি কৰিব পাৰি তাৰ কাৰণেই প্ৰশাসন ব্যতিব্যস্ত। আটাইতকৈ অপ্ৰয়োজনীয় এটা উপাধিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত পৰীক্ষাৰ প্ৰশ্ন কাকতৰ মাজৰ ব্যৱধান এই বাৰ ১৪ দিন হৈছেগৈ। ৪/৫ খন প্ৰশ্ন কাকতৰ পৰীক্ষা এটা শেষ কৰোতে দুমাহ পাৰ হৈ যাবগৈ। পৰীক্ষা ভিত্তিক শিক্ষা স্নাতক স্তৰত এনেদৰে চলি থাকিলে বিশ্ববিদ্যালয় ৰসাতলে যাব। আচলতে এতিয়া যি অৱস্থা হৈছে তাৰ মাজত শৈক্ষিক পৰিবেশৰ কথা ৰাজনৈতিক

OKDISCD


সূত্ৰধাৰ □ ১৬-৩০ নৱেম্বৰ, ১৯৯১

উদ্দেশ্যত প্ৰয়োগ কৰাহে সাধাৰণ ধাৰণা হৈ পৰিছে। বিশ্ববিদ্যালয়ৰ পৃথিভঁৰাল কিমান ছাত্ৰ বা শিক্ষকে নিয়মীয়া ভাবে ব্যৱহাৰ কৰে?

এতিয়া অসমৰ কলেজতো স্নাতকোত্তৰ শ্ৰেণীৰ সম্প্ৰসাৰণ হৈছে। অসমত যিমান সংখ্যক কলেজ খোলা হৈছে তাতকৈ অধিক কলেজৰ প্ৰয়োজন নোহোৱা ক্ষেত্ৰত অকল উপাধি লাভৰ কাৰণেই কোনো সা-সুবিধা নথকা স্নাতকোত্তৰ শ্ৰেণী সমূহে জনজীৱনত সু-প্ৰভাব পেলাব পাৰিবনে? স্নাতকোত্তৰ শ্ৰেণীত পঢ়া প্ৰতিজন ছাত্ৰই প্ৰতি সপ্তাহতে আলোচনা চক্ৰ, পৃথিভঁৰালত অধ্যয়ন, টিউটৰিয়েল, দলীয় আলোচনা আদিৰ যোগে ক্ৰমাগত অধ্যয়নৰ মাজেদিহে জ্ঞান আহৰণ কৰিলে তেওঁলোকে ক্ৰমবৰ্দ্ধমান দ্ৰুত গতিত বাঢ়ি অহা জ্ঞান-বিস্ফোৰণৰ লগত খাপ খাই নিজা বিষয়ত পাণ্ডিত্য লাভ কৰিব পাৰে। এতিয়া আওপুৰণি পাঠ্যক্ৰম আৰু নোট পঢ়ি লাভ কৰা স্নাতকোত্তৰ উপাধিৰে প্ৰতিযোগিতাত উত্তীৰ্ণ হ'ব নোৱাৰি। বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ গতানুগতিকতা আঁতৰোৱাত ছাত্ৰ-শিক্ষকৰ দায়বদ্ধতাইহে গতিশীল মৌলিক চিন্তা-চৰ্চাৰ বুদ্ধিজীৱী অসমক যোগান দিব পাৰে। ক্ষয়িষ্ণু চিন্তাধাৰাৰ বিশ্ববিদ্যালয় শিক্ষাও সামাজিক বিশৃংখলাৰ কাৰণে দায়ী। স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰতিটো বিষয়তে প্ৰশ্ন কাকতৰ সংখ্যা বঢ়াই প্ৰতিজন ছাত্ৰই তেওঁৰ নিৰ্দিষ্ট বিষয়ত থেছিছ লিখিবলৈ ব্যৱস্থা ললে বিশ্ববিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ সম্পূৰ্ণ সলনি হৈ পৰিব। ছাত্ৰইও পৰীক্ষা পিছুৱাৰ মানসিকতাৰ পৰা মুক্তি পাব।

দিল্লী বিশ্ববিদ্যালয়ত এতিয়া টিউটৰিয়েল আৰু পৃথিভঁৰাল অধ্যয়নত গুৰুত্ব দিয়া হৈছে। টিউটৰিয়েলত ৫0% উপস্থিতি আৰু ঘৰত কৰিবলৈ দিয়া কামৰ ৬৬% শতাংশ পূৰণ কৰিলেহে শেষ পৰীক্ষাত বহিবলৈ দিয়াৰ ব্যৱস্থা লৈছে। প্ৰতিখন পেপাৰতে ২0% টিউটৰিয়েল শ্ৰেণী হোৱাৰ ব্যৱস্থা লৈছে। এজন স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰই যদি তেওঁৰ বিষয়ৰ ৫0খন কিতাপ পৃথিভঁৰালত পঢ়ি সেই কিতাপ কেইখনৰ সাৰাংশ প্ৰস্তুত কৰি থেছিছ দাখিল কৰে তেওঁ বছৰেকৰ মূৰত দুমাহ জুৰি দিয়া পৰীক্ষাতকৈও বেছি জ্ঞান আহৰণ কৰিব। এনেবোৰ ব্যৱস্থাত ছাত্ৰতকৈও শিক্ষক সকলৰ মনোনিবেশ অতি প্ৰয়োজনীয়। দুয়োখন বিশ্ববিদ্যালয়ে নতুন পাঠ্যক্ৰম প্ৰস্তুত কৰি আলোচনা চক্ৰ, পৃথিভঁৰালত অধ্যয়ন, টিউটৰিয়েল শ্ৰেণীৰ অৰ্হতাও শেষ পৰীক্ষাৰ লগত যোগ দিয়াৰ ব্যৱস্থা লব লাগে।

শিক্ষা ব্যৱস্থাত লব লগা পৰিবৰ্তন আৰু সংস্কাৰৰ কাৰণে পুঁজি অন্তৰায় হ'ব নোৱাৰে। চৰকাৰে প্ৰাথমিক স্তৰৰ পৰা উচ্চতৰ মাধ্যমিক আৰু +২ স্তৰলৈ বৃত্তিমুখী শিক্ষাৰ বিত্ত যোগানৰ সম্পূৰ্ণ দায়িত্বলৈ কলেজ বিশ্ববিদ্যালয় সমূহৰ ছাত্ৰৰ মাছুল বৃদ্ধি কৰি পুঁজিৰ ক্ষেত্ৰত কলেজ বিশ্ববিদ্যালয় সমূহক স্বাবলম্বী হ'বলৈ ব্যৱস্থা লোৱাৰ সময় হৈছে। এজন স্নাতক অভিযন্তা বা চিকিৎসকক নাম মাত্ৰ মাছুলত পঢ়োৱাৰ অৰ্থ নাই। সেই দৰে স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰো মাছুলো বঢ়োৱাৰ প্ৰয়োজন। আচাৰ্য ৰামমূৰ্তি আয়োগৰ প্ৰতিবেদনতো এই ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে। ছাত্ৰ সকলৰ বাবে বেংকৰ ঋণ লোৱাৰ আৱশ্যকতাও প্ৰতিবেদনত আছে। বিশ্ববিদ্যালয়, কলেজৰ গৃহ-নিৰ্মাণ, শিক্ষকৰ আবাস আৰু ছাত্ৰাবাসৰ কাৰণেও জীৱন বীমা নিগম, ৰাষ্ট্ৰীয় বেংক আদিৰ পৰা ঋণৰ ব্যৱস্থা হ'ব লাগে বুলিও উল্লেখ কৰা হৈছে। বিশ্ববিদ্যালয় আৰু কলেজত অৰ্থাৎ স্নাতক আৰু স্নাতকোত্তৰ স্তৰত অৰ্থনৈতিক স্বাৱলম্বিতাৰ যোগেদি শিক্ষা লাভ হ'লেহে দেশত নিবনুৱা সমস্যাৰ ভয়াবহ ৰূপ ৰোধ হ'ব পাৰে। ■


## সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১00% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮•বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেক্স ক্লিনিক**

এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১00৯
ৰেলগেট নং - ৬

**ডাঃ এ, নেছাৰ**

এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)






# উপলব্ধি

হৰিচৰণ দাস



গোপালে তাৰ হাত ঘড়ীটোলৈ চালে। নিশা প্ৰায় চাৰে সাত বাজিছে। গ্ৰাহকো আজি সেৰেঙা। অইন দিনা হ'লে এই সময়ত দুজনমান ডেকা ল'ৰাই আহি ইয়াত আড্ডা মাৰেহি। আজিচোন সিহঁতো অহা নাই। ক'ৰবালৈ গৈছে হব পায়।

লাহেকৈ সি গুমটিখনৰ ঢাপখন বন্ধ কৰি দিলে। সন্মুখত থকা সৰু আলমাৰিটোৰ ওপৰত থকা চক্লেট, বিস্কুট আদিৰ বৈয়াম কেইটা নমাই সি তাৰ পিছফালৰ ৰেকটোৰ তলত ভৰাই দিলে। তাৰ পিছত সি দিনটোৰ বিক্ৰী হিচাপ কৰাত লাগি গ'ল। বিক্ৰী প্ৰায় এশ দহ টকা মান হব। পইছাখিনি হিচাপ কৰি সি নোটৰ সৰু বাণ্ডিলটো চোলাৰ ওপৰৰ জেপত আৰু সাত টকা মানৰ খুচুৰা পইছাৰ টোপোলাটো তাৰ হলৌ জলৌ পায়জামাটোৰ পকেটত ভৰাই দিলে। তাৰ পিছত সি চানাচুৰ কেইটামান মুখত ভৰাই এমুঠিমান কাগজত বান্ধিও ল'লে ঘৰলৈ বুলি। গোপালৰ ভায়েক এজন। এইবাৰ মেট্ৰিক দিব। ভনীয়েক দুজনী। দুয়ো হাইস্কুলত পঢ়ি আছে। মাকজনী বিধৱা। ঘৰৰ সমস্ত দায়িত্ব এতিয়া তাৰ ওপৰত।

দোকানখনৰ এটা চুকত এখন মোনা আৰু তলাটো থৈ দিয়া আছিল। এহাতে মোনাখন আৰু এহাতে তলাটো লৈ সি সৰু খিৰিকিৰ আকাৰৰ দৰ্জাখনেৰে বাহিৰ ওলাল। পায়জামাৰ পকেটত থকা চাবি পাতেৰে তলাটো মাৰি সি তলৰ ফালে হাউলি তাৰ চেণ্ডেলযোৰ বিচাৰি উলিয়ালে। দোকানখনৰ তলত কেৰাচিন তেলৰ বটলটোও পেলাই থোৱা আছিল। সেইটোও সি বিচাৰি বুটলি ল'লে।

এহাতে মোনাখন আৰু আনখন হাতত কেৰাচিন তেলৰ বটলটো লৈ সি খোজ ললে দেবানন্দৰ গেলামালৰ দোকানৰ ফালে। দেবানন্দৰ দোকানত ভিৰ। তিনিজন কৰ্মচাৰীয়ে বস্তু জুখি জুখি পোৱা নাই। দেবানন্দৰ দোকানখন এই অঞ্চলটোৰ ৰাইজৰ বৰ প্ৰিয় দোকান। মিঠামুখীয়া, ৰসাল আৰু প্ৰয়োজন বুজি উদাৰ দেবানন্দই সকলোৰে লগত সহজে মিলি যাব পাৰে। টকা পইছা অলপ হ'লে গোপালেও পাণ দোকানৰ ঠাইত গেলামালৰ দোকান দিব বুলিয়েই ভাবি থৈছে।

গোপাল এখোজ দুখোজকৈ দেবানন্দৰ দোকানৰ ভিতৰলৈ সোমাই গ'ল। ব্যস্ততাৰ মাজতো দেবানন্দই তাৰ ফালে মিচিকিয়া হাঁহি এটা মাৰি সুধিলে– দোকান বন্ধ কৰিলিয়েই নেকি?

– অ', কৰিলো, গ্ৰাহক নাই নহয়।

গোপালে দেবানন্দৰ গাদীখনৰ একোণত বহি ললে। তাৰ পিছত সি তাক ৰাতিপুৱা মাকে দি পঠিওৱা বয় বস্তুৰ 'লিচ'খন জেপৰ পৰা উলিয়ালে। পিছে 'লিচ'খনত যিমানবোৰ বস্তু লিখা আছে আটাইবোৰ নিবলৈ হ'লে তাৰ আজিৰ বিক্ৰী গোটেইখিনি টহিলং হব। সি মনে মনে 'লিচ'খন চেন্সৰ কৰাত লাগি গ'ল। মিঠাতেল লিখা আছিল এপোৱা, সি তাক এশগ্ৰাম কৰিলে। নাৰিকল তেলৰ টেমাটো আজিলৈ স্থগিত ৰখা হ'ল। চাউলো পাঁচ কিলোৰ ঠাইত তিনি কিলো কৰিলে। চাহ, চেনি, হালধি, নিমখ, দাইল আৰু কেৰাচিন তেল মিলাই কোনোমতে সি ষাঠি টকা মানত হিচাপটো মিলাই দিলে। তাৰ পিছত সি তাৰ চেন্সৰ কৰা 'লিচ'খন দেবানন্দৰ ফালে আগবঢ়াই দিলে। মালখিনি জুখি লোৱাৰ পাছত দেবানন্দই যেতিয়া তাক লিচখন

দিলে– সি দেখিলে তাৰ ভবা মতেও নহ'ল। মুঠ খৰচ হ'লগৈ আঠষষ্ঠি টকা। আঠ টকা বাঢ়িল। বস্তুৰ দাম হেনো বাঢ়িছে। দেবানন্দৰ ফালে নোচোৱাকৈয়ে সি কাগজৰ হিচাপ খিনিলৈ চাই আওৰালে– কি দেবুকাই (সি দেবানন্দক দেবুকাই বুলি মাতে) মালৰ দাম দিনে দিনে বাঢ়িছে নেকি!

– আৰে কি কৰিবি ভাই, আমিতো আৰু ইচ্ছা কৰি বঢ়োৱা নাই! কিবা ক'ব পাৰিলে হয় যদিও সি একো নক'লে। সিওটো দোকানী! পইছাখিনি হিচাপ কৰি সি এহাতে মালৰ মোনাখন আৰু আনখন হাতত কেৰাচিন তেলৰ বটলটো লৈ আহি থাকিল ঘৰমূৱা হৈ। তাৰ ঘৰলৈ ইয়াৰ পৰা প্ৰায় এক কিঃ মিঃ বাট।

গোপাল এখোজ দুখোজকৈ আগবাঢ়ি অহাৰ লগে লগে তাৰ কাণত ক্ৰমান্বয়ে ধ্বনিত হবলৈ ধৰিলে মাইক্ৰ'ফোনৰ শব্দ। ত্যাগ, স্বদেশপ্ৰেম আদি দুই এটা শুনিবলৈ ভাল লগা শব্দ ছিটিকি আহি তাৰ কাণত পৰিল। অ', আজি ছহিদ দিৱস! সিহঁতৰ গাঁৱৰ স্কুলখনতে ছহিদ দিৱসৰ আয়োজন কৰা হৈছে। এয়া চাগে মুকলি সভাত কোনোবা বক্তাই দিয়া ভাষণ! নিশা আঠ বজালৈও মানুহে ভাষণেই শুনি আছেনে? সাংস্কৃতিক সন্ধিয়াও হব বোলে! আৰম্ভ হব কেতিয়া? আমাৰ দেশৰ মানুহবোৰে তাৰমানে স্বদেশ আৰু ছদিহক বাৰুকৈয়ে ভাল পায়!!

পাইছিল, গোপালেও এদিন দেশক ভাল পাইছিল। অসম আন্দোলনত সিও সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। অসম আন্দোলন যেতিয়া ১৯৭৯ চনত আৰম্ভ হৈছিল, সি তেতিয়া পঞ্চমমান শ্ৰেণীৰ ছাত্ৰ। আন্দোলনটো সম্পৰ্কে গভীৰ ভাবে বিশেষ একো নাজানিলেও এটা কথা হ'লে সি ধৰিব পাৰিছিল যে সিহঁতৰ স্কুলৰ শিক্ষক লীলাধৰ হাজৰিকা এজন দেশদ্ৰোহী! তেওঁৰ ক্লাছ আটাইবোৰ ছাত্ৰ-ছাত্ৰীয়ে বৰ্জন কৰিছিল। তেওঁ শ্ৰেণী কোঠাত সোমালে আনবোৰ শিক্ষকক কৰাৰ দৰে থিয় হৈ সন্মান জনোৱাটো বন্ধ কৰা হৈছিল। কাৰণ লীলাধৰ হাজৰিকা আছিল হেনো কমিউনিষ্ট, অসম আন্দোলনৰ বিৰোধী। বহুতো ছাত্ৰই পিছে মৰমীয়াল আৰু সুন্দৰকৈ বুজাব পৰা এই শিক্ষক গৰাকীক এনে ব্যৱহাৰ কৰাৰ পক্ষপাতী নাছিল। কিন্তু কোনে তাক মুখ খুলি ক'ব? আছুৰ আহ্বানৰ বিপৰীতে যাবলৈ এনে সাহস কাৰ আছিল?

দলঙৰ ৰেলিঙত কোনোবাই ডাঙৰ ডাঙৰ আখৰেৰে লিখি থৈছিল, ৰঙা ৰঙেৰে– "লীলা হাজৰিকাৰ তেজ লাগে!!" অসম আন্দোলনৰ বিৰোধিতা কৰা আন এক ৰাজনৈতিক দলৰ কৰ্মী ললিতা ফুকনৰ বিষয়েও বেৰত কোনোবাই লিখিছিল– "বেশ্যা ললিতা ফুকন!"

এনেবোৰ কথাই কণমানি গোপালৰ মনত তোলপাৰ লগাইছিল। ইমান মৰমীয়াল শিক্ষক লীলা হাজৰিকা কেনেদৰে দেশদ্ৰোহী হব পাৰে! আৰু আন্দোলন হেনো কৰা হৈছে অহিংসা নীতিৰে– তেন্তে আন্দোলনকাৰীক তেজ আকৌ কিয় লাগে! সি শুনিছিল, প্ৰথমবাৰ যেতিয়া আন্দোলনৰ নেতৃবৰ্গৰ দলটোৱে দিল্লীলৈ আলোচনাৰ বাবে গৈছিল, তেতিয়া প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে হেনো সুধিছিল তোমালোকৰ নেতা কোন? দলটোৰ মুখ্য নেতাজনে বোলে সমুখৰ বেৰত আঁৰি থোৱা গান্ধীজীৰ ফটোখনৰ ফালে আঙুলিয়াই দি কৈছিল– তেওঁৱেই আমাৰ নেতা! কিন্তু গান্ধীবাদী এই নেতাসকলে, সিহঁতৰ গাঁৱত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত এবাৰো সিহঁতৰ ওচৰলৈ আহিছিল নে? গোপালৰ দেউতাক সেই সংঘৰ্ষতেই নিহত হৈছিল। তিনিদিন ধৰি ভঁৰাল ঘৰবোৰ জ্বলি আছিল। গোহালিৰ গৰু পোৰা গৈ গোহালিতে মৰিছিল! এনেবোৰ ঘটনাত এবাৰো অনুতপ্ত হৈছিল নে নেতৃবৃন্দই! কিন্তু গান্ধীজীয়ে হেনো আন্দোলনৰ সময়ত কলিকতাত সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা বাবে নিজে আহি কলিকতাৰ বাটে বাটে অকলে ঘূৰি ঘূৰি ৰাইজক শান্ত কৰিছিল!

গোপালৰ দেউতাকৰ মূৰটো কাটি নৈত উটাই দিয়া হৈছিল। ধানৰ মিল চলোৱা ড্ৰাইভাৰ আছিল গোপালৰ বাপেক! সেই কঠোৰ পৰিশ্ৰমী নিৰ্জু মানুহটোৰ হাতত প্ৰৰোচনা মূলক ভাবে অস্ত্ৰ তুলি দিয়া হৈছিল। ভাগ্য ভাল সেই দিনা গোপালহঁত ঘৰত নাছিল। চাৰি কিঃ মিঃ মান আঁতৰৰ মোমায়েকৰ ঘৰত আছিল। থকা হ'লে হয়তো সিও আজি ইহসংসাৰত নাথাকিলহেঁতেন!

গোপাল সিহঁতৰ গাঁৱৰ স্কুলখনৰ কাষ চপাৰ লগে লগে মাইক্ৰ'ফোনৰ শব্দ স্পষ্টভাবে কৰ্ণ গোচৰ হ'ল। কোনোবা বক্তাই বক্তৃতা দিয়েই আছে অনৰ্গল। ......... আমাৰ দেশত য'তে ত'তে ছহিদবেদী স্থাপন হৈছে, কিন্তু তাৰ সংৰক্ষণ হোৱা নাই। গোটেই বছৰটো পৰিত্যক্ত অৱস্থাত বেদীটো পৰি থাকে, গৰুৱে, ছাগলীয়ে মলমূত্ৰ ত্যাগ কৰে। বছৰেকৰ মূৰত ছহিদ দিৱসৰ দিনাহে পৰিষ্কাৰ কৰা হয় প্ৰয়োজনৰ খাতিৰত। গতিকে আমি ছহিদক পাহৰি গৈছো। দেশক পাহৰি গৈছো। ছহিদে জীৱন দিছিল অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে ............

এনেতে গোপালৰ মনত পৰি গ'ল প্ৰাক্তন ছাত্ৰ নেতা (মুধা ফুটা নহয় অৱশ্যে, সৰু, আঞ্চলিক পৰ্যায়ৰ) ৰমেশৰ কথা। মাজে মাজে সি গোপালৰ দোকানৰ আগত বহি বন্ধুবৰ্গক কয়– সিহঁতে আমাক দেশৰ হকে বুকু পাতি দিবলৈ কৈছিল। আমি দিছিলো। চি আৰ পি-ৰ কোবক মাতৃ পূজাৰ প্ৰসাদ বুলিয়েই গণ্য কৰিছিলো। কিন্তু এতিয়া কি হ'ল? সিহঁতে পাঁচটা বছৰ ৰাজভোগ খাই উগাৰ মাৰি এতিয়া বিশ্ৰাম ল'লে। পিছে আমাৰ..........? অৱশ্যে আমি কিবা পোৱাৰ আশাত আন্দোলন কৰা নাছিলো। কিন্তু যি বিদেশী বহিষ্কাৰৰ প্ৰতিশ্ৰুতি লৈ সিহঁতে ৰাজপাট খালে, সেই প্ৰতিশ্ৰুতি ৰাখিব পাৰিলেনে? অসম আন্দোলনত বোলে ছহিদ হৈছিল ৬২৫ জন! প্ৰতিজন ছহিদৰ ভাগত এটাকৈ পৰাকৈও বিদেশী বহিষ্কাৰ হ'ল নে? সেই ছহিদবোৰৰ কি হ'ল? আচলতে ছহিদবোৰ বুৰ্বক আছিল। কোনোবাই বুকু পাতি দিবলৈ ক'লেই বুকুপাতি দিব নালাগে। কেৱল দেশৰ বাবে মৰাটোৱেই দেশ প্ৰেম নহয়, তাৰ লগত থাকিব লাগে যুক্তি, সত্য আৰু সততা। অন্যথা আন্তৰিকতাৰে নিজৰ কামখিনি কৰাটোৱেই তাতকৈ ভাল দেশ প্ৰেম!

এৰা! দেশৰ বাবে মৰিলেই কেৱল দেশপ্ৰেম নহয় গোপালে ভাবিলে। বক্তৃতাৰ ফুলজাৰিৰে আকাশ বতাহ কঁপোৱাও দেশপ্ৰেম নহয়। দেশপ্ৰেম জড়িত থাকে নিজৰ কৰ্তব্যখিনিত। সি ঠিকেই কৰিছে। ৰাতিপুৱাৰ পৰা গধূলিলৈকে দোকানত বহি সি গধূলি হ'লে এই কেৰাচিন তেলৰ বটলটো আৰু মোনাখনতেই তাৰ দেশপ্ৰেম খিনি কঢ়িয়াই আনি তাৰ মাক, ভায়েক আৰু ভনীয়েক কেইজনীক ভগাই দিয়েহি! ইয়াতকৈ আনন্দ আৰু আন কি হব পাৰে তাৰ বাবে! এৰা সি সঁচাকৈয়ে এজন দেশপ্ৰেমিক। তাৰ সেই দেশপ্ৰেমেৰেইতো মচা গৈছে বিধৱা মাতৃৰ চকুলো, গঢ়ি উঠিব ধৰিছে এজন ভাতৃ আৰু দুজনী ভনীৰ সু-উজ্জ্বল ভৱিষ্যত!

বুকুৰ মাজত লহপহকৈ গজি অহা আশাখিনি সাবটি লৈ গোপালে দুগুণ উৎসাহেৰে তাৰ খোজৰ গতি বঢ়াই দিলে ঘৰ অভিমুখে। সূ



মতামত

# আল্‌ফা, স্বাধীন অসম আৰু সংবাদ পত্ৰৰ ভূমিকা

ৰাজীৱ বৰমুদৈ

আল্‌ফাই এখন স্বাধীন অসম পাবৰ বাবে সংগ্ৰাম চলাই গৈছে আৰু অবাধে হত্যা-লীলাও চলাই আছে। তেওঁলোকক এখন স্বাধীন অসম লাগে। আৰু তেওঁলোকৰ এই চেতনাত ইন্ধন যোগাই গৈছে কিছুমান সংবাদ পত্ৰই।

সন্দেহ নাই ভাৰত চৰকাৰে অসমৰ প্ৰাপ্য সমূহ ঠিক মতে দিয়া নাই। সেয়ে আল্‌ফাৰ সংগ্ৰামৰো কিছু যুক্তিযুক্ততা আছে। কিন্তু আল্‌ফাই যিদৰে অবাধে হত্যা লুণ্ঠন চলাই গৈছে তাৰ যুক্তিযুক্ততা ক'ত? আল্‌ফাই কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে কৰক। তাত আমাৰ বিশেষ আপত্তি নাই। কিন্তু তেওঁলোকে অবাধে হত্যা লীলাবোৰ চলাই গৈছে কিয়? কি যুক্তিত তেওঁলোকে কমলা শইকীয়া, ছাত্ৰ নেতা কুমুদ হাজৰিকা, প্ৰশান্ত গগৈক হত্যা কৰিলে? তেওঁলোকৰ অপৰাধ তেওঁলোকে আল্‌ফাৰ ফেচিষ্ট চৰিত্ৰৰ সমালোচনা কৰিছিল। আল্‌ফাৰ সেনানীয়ে ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি কেইজন ভাৰতীয় সৈন্য মাৰিব পাৰিলে? হাতত দুই মোনা বস্তু লৈ বজাৰ কৰি অহা মানুহক গুলিয়াই হত্যা কৰা সহজ। কিন্তু হত্যা কৰা টান অস্ত্ৰধাৰী এজন সৈনিকক।

আল্‌ফাৰ উত্থানৰ সময়ত কিছুমান সাংবাদিক আল্‌ফাৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিল। আজি বোলে আল্‌ফাই অ'ত ৰাস্তা বান্ধিছে, কালি বোলে আল্‌ফাই ত'ত ৰাস্তা বান্ধিছে। কেৱল আল্‌ফাই আল্‌ফা। সেই সাংবাদিকবোৰৰ মতে আল্‌ফাই আকাশখনকে নমাই আনিব হাত মেলিলেই চুব পৰাকৈ। আল্‌ফাৰ উত্থানৰ আগতেও অসমৰ গাঁৱৰ মানুহে নিজে বাটপথ সাজি লৈছিল। তেতিয়া সেই সাংবাদিক সকল ক'ত আছিল?

বিদেশী খেদা আন্দোলনতো এচাম সাংবাদিকে আবেগৰ ঢল বোৱাই মানুহবোৰক বিভ্ৰান্ত কৰিছিল। আৰু তাত ইন্ধন যোগাইছিল এচাম পাগল বুদ্ধিজীৱীয়ে। আৰু বৰ্তমান সময়তো এচাম সাংবাদিক আৰু চেৰা বলিয়া বুদ্ধিজীৱীয়ে তাকেই কৰি আছে।

সাধাৰণ পাঠকে বাতৰি কাকতৰ কথাকে বেদবাণী বুলি বিশ্বাস কৰে। ৰেডিঅ' বা দূৰদৰ্শনৰ বাতৰিক চৰকাৰী প্ৰচাৰ মাধ্যম বুলিয়ে বেছি পাত্তা নিদিয়ে। তেনে স্থলত এই সাংবাদিকবোৰে কিয় বাৰু ভুৱা বাতৰি প্ৰচাৰ কৰি সাধাৰণ মানুহক বিভ্ৰান্ত কৰে? তেওঁলোকে সঁচা কথাবোৰ কৈ নিদিয়ে কিয়?

এজন ডেকা সাংবাদিকে প্ৰথমে অসম আন্দোলনৰ সময়ত আবেগ সৃষ্টি কৰা কাকতবোৰক সমালোচনা কৰিছিল। কিন্তু পিছত তেওঁ যেতিয়া নিজেই এখন কাকত উলিয়ালে তেতিয়া তেৱোঁ আবেগ সৃষ্টি কৰাত লাগি গ'ল। তেওঁ হৈ পৰিল 'দিল্লীবাদ' বিৰোধী 'সংগ্ৰামখন'ৰ ঘাই সমৰ্থক। আমিও 'দিল্লীবাদ বিৰোধী সংগ্ৰামখন' বাৰু সমৰ্থন কৰো। কিন্তু নিৰপৰাধ মানুহ হত্যা কৰা আমি কেতিয়াও সমৰ্থন নকৰো। সেই ডেকা সাংবাদিকে বাৰু 'দিল্লীবাদ বিৰোধী সংগ্ৰামখন'ৰ কোনবোৰ কথা সমৰ্থন কৰে? অসমৰ স্বাধীনতা? ব্যক্তি হত্যা? গণ কবৰ? শিশু হত্যা?

অলপতে ড০ হীৰেণ গোহাঁইৰ সমালোচনা এটিৰ উত্তৰত তেওঁ কৈছে যে তেওঁ "দিল্লীবাদ বিৰোধী সংগ্ৰামখন" সমৰ্থন কৰে। গতিকে তেওঁ স্পষ্ট ভাষাত কওক ওপৰত আমি উল্লেখ কৰা কোনবোৰ কথা তেওঁ সমৰ্থন কৰে।

অসমত স্বাধীনতা বিচৰা মানুহ কিমান? স্বাধীন অসমৰ পৰা বড়োলেন্ড, কাৰ্বি আংলং, উত্তৰ কাছাৰ, কাছাৰ কৰিমগঞ্জ আৰু মিছিং অধ্যুষিত অঞ্চল সমূহ বাদ দিব লাগিব। তেতিয়া বাৰু অসম বুলিবলৈ কি থাকিব?

ড০ হীৰেণ গোহাঁই মানুহজন সম্পূৰ্ণ শুদ্ধ বুলি ক'ব নোৱাৰি। তেওঁক অলপ সন্দেহবাদী যেন লাগে। কিন্তু এটা কথা ক'বই লাগিব তেওঁ অসমীয়া মানুহক কোনো দিনে ফাকি দিয়া নাই। তেওঁ সদায় কোৰক কোৰ বুলিয়ে কৈ আহিছে।

আল্‌ফাক উচটোৱা সাংবাদিকেও জানে আৰু আল্‌ফাইও জানে যে অসমে স্বাধীনতা পোৱা সম্ভৱ নহয়। তেনে স্থলত তেওঁলোকে সংগ্ৰাম কৰি মানুহবোৰক কিয় পুলিচ মিলিটাৰীৰ হাতত তুলি দিয়াৰ ব্যৱস্থা কৰিছে? আকাশত চাং পাতি লাভ নাই। স্বাধীনতাৰ মৰীচিকা খেদিবলৈ তেওঁলোকে সাধাৰণ মানুহবোৰক বাধ্য কৰাইও লাভ নাই। তেওঁলোক বাস্তৱবাদী হওক। কেন্দ্ৰীয় চৰকাৰৰ পৰা অসমৰ প্ৰাপ্য দাবী কৰক। আমি তেতিয়া সদায়েই আল্‌ফাক সমৰ্থন কৰিম। কিন্তু কংগ্ৰেছী বুলিয়ে যদি মানুহক পহু গুলিয়াদি গুলি কৰি মৰা হয় তাক সমৰ্থন কৰিব কোনে? মানুহ সদায় মানুহ। আৰু মানুহৰ বাবে মানুহ সদায়ে মানুহ।

আৰু ক'ৰবাৰ পৰা ওলালহি এটা অতি বিপ্লৱী আজিজুল হক! তেওঁ ইমান দিনে ক'ত আছিল? অসমৰ হৈ মাত মাতিবলৈ তেওঁনো অসম সম্পৰ্কে জানে কিমান? তেওঁ বিপ্লৱ কৰিয়ে বা পশ্চিমবংগত কি ডাল কৰিছে? মৌলিক জ্ঞান নথকা বিপ্লৱীৰ বিপ্লৱ কেতিয়াও কৃতকাৰ্য হব নোৱাৰে। সূ

# আল্‌ফা এক বিক্ষিপ্ত ধুমুহাঃ জনসাধাৰণে পক্ষ পছন্দ কৰক

বিকিৰণ বৰুৱা

অন্তৰত বিদ্বেষ লৈ বিচাৰত বহিলে বিচাৰ বিভ্ৰাট হোৱাৰ আশংকা থাকে। সেয়া ভাৰতীয় সেনাই হওক বা অসমীয়া আল্‌ফাই হওক। ১৯৭৯ চনতে জন্ম লাভ কৰা আল্‌ফা আজি সাৰ্বভৌম স্বাধীন অসমৰ প্ৰবক্তা। এই পৰ্যন্ত তেওঁলোকে নিজকে উগ্ৰপন্থী বা সন্ত্ৰাসবাদী বুলি পৰিচয় নিদি বিপ্লৱী বুলিহে পৰিচয় দিয়ে। কিন্তু এক মুক্তিকামী শক্তিৰ প্ৰতীকৰ পৰিবৰ্তে আল্‌ফা আজি এক সমস্যা ৰূপেহে অভিহিত হৈছে। ব্যক্তি হত্যাই আল্‌ফাৰ মূল নীতি বা প্ৰতিপাদ্য নহয় বুলি ক'লেও তেওঁলোকে কাৰ্যত ইয়াক প্ৰমাণ কৰিব পৰা নাই। আল্‌ফাৰ শ্ৰেণী সংগ্ৰামত দলীয় ৰাজনীতিৰ প্ৰয়োজনীয়তা কি সেয়াও তেওঁলোকে স্পষ্ট কৰি দিব পৰা নাই। কংগ্ৰেছ(ই) দলৰ কৰ্মীক হত্যা কৰাটো কোন মাৰ্ক্সবাদ বা লেনিনবাদ আল্‌ফাই আজি বুজাই দিব পাৰিবনে? অগপ চৰকাৰৰ শাসন কালত চৰকাৰৰ দুৰ্নীতি প্ৰসংগত, বুধবাৰ কাকতৰ সাংবাদিকৰ আগত সিদ্ধাৰ্থ ফুকনে কৈছিল "তেওঁলোকক এটা চিষ্টেমে সুৰক্ষা দি আছে; শক্তি সক্ষম হ'লে দেখা যাব ইত্যাদি ইত্যাদি।" কিন্তু আজি দুষ্কৃতিকাৰী অগপ নেতাসকলক বাদ দিও তেওঁলোকৰ ছত্ৰছায়াত লালিত দুৰ্নীতিপৰায়ণ দালালবোৰে বাহাল তবিয়তে বিচৰণ কৰিছে। কিন্তু মানবেন্দ্ৰ শৰ্মাৰ দৰে মানুহক অকল কংগ্ৰেছ(ই) কৰ্মী বুলিয়েই হত্যা কৰা হ'ল। ই কোন মাৰ্ক্সবাদৰ প্ৰতিপাদ্য আল্‌ফাই বুজাই দিব পাৰিবনে?

সততে জনসাধাৰণৰ সংগঠন বুলি নিজৰ পৰিচয় দিয়া আল্‌ফাই তেওঁলোকে দোষী সাব্যস্ত কৰা ব্যক্তি সকলৰ দোষ কোনোবা দিনা তথ্য-প্ৰমাণ সহকাৰে জনসাধাৰণৰ আগত উপস্থাপন কৰিবলৈ সক্ষম হৈছেনে? তাৰ পৰিবৰ্তে 'অপাৰেচন বজৰং' যিটো সময়ত অসমবাসীৰ ওপৰলৈ নামি আহিছিল সেই সময়ত আল্‌ফাৰ শীৰ্ষ নেতৃত্বই বাংলাদেশ ভ্ৰমণ কৰিছিল; ঢাকাৰ ছহিদ মিনাৰৰ সন্মুখত ফটো তুলিছিল; সন্তীয়া বিলাসিতাত মত্ত হৈছিল। এয়া জানো বিপ্লৱী নেতাৰ মানসিকতা হ'ব পাৰে?

লেনিনৰ নামত সশস্ত্ৰ সংগ্ৰাম কৰাৰ কথা কোৱা, সততে মানৱ অধিকাৰৰ কথা কোৱা আৰু মানৱ অধিকাৰৰ প্ৰশ্নত ৰাষ্ট্ৰসংঘত আবেদন কৰা আল্‌ফাই কব পাৰিবনে নিৰীহ পণ বন্দী হত্যা কৰা আৰু পণ বন্দীৰ মৃতদেহক লৈও ব্লেক মেইলিং কৰাটো কোন ঐতিহাসিক বিপ্লৱৰ নজিৰ?'

আজি আল্‌ফাৰ বিপ্লৱ সীমাবদ্ধ হৈছে নৰহত্যা, লুণ্ঠন আৰু অপহৰণৰ মাজত। আনকি নাৰী তথা শিশুও আল্‌ফাৰ সন্ত্ৰাসৰ বলি হৈছে। সাংবাদিক কমলা শইকীয়া আল্‌ফাৰ মানত শ্ৰেণী শত্ৰু – কাৰণ তেওঁৰ আপোচবিহীন কলম এটা আছিল। সেইটো আল্‌ফাৰ ওচৰত বন্ধকত থোৱা নাছিল। কিন্তু ছাগেই আৰু টি এচ ৰাজুতো 'শ্ৰমিক' আছিল!

সততে মানৱতাৰ কথা উচ্চাৰণ কৰা আল্‌ফাই নেলী ছাগেইৰ বেলিকা মানৱতা কাৰ ওচৰত বন্ধকত থলে?

নিৰ্বাচনৰ আগে আগে আল্‌ফাই কৈছিল 'অসমীয়া জনসাধাৰণে ভাৰতীয় গণতন্ত্ৰৰ স্বৰূপ উপলব্ধি কৰক।' কিন্তু নিৰ্বাচনত অসমবাসীৰ ৬৮ শতাংশই ভোটদান কৰিলে। আমি মানি অহা 'উপযুক্ত' পদ্ধতিৰে কংগ্ৰেছ (ই) দলে ৰাইজক প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ পালে। অসমবাসীৰ মৌন প্ৰতিবাদৰ সন্মুখত আল্‌ফাৰ নৈতিক পতন হ'ল। এনেবোৰ ঘটনাৰ পৰা আল্‌ফাই শিক্ষা গ্ৰহণ কৰা উচিত যদিও আল্‌ফাৰ সেই ক্ষমতা বা শুভবুদ্ধি নাই।

অসমীয়া জনসাধাৰণ আজি সন্ত্ৰস্ত। এফালে সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত শইকীয়া চৰকাৰে অসমৰ নেতৃত্ব কৰাৰ অধিকাৰ লাভ কৰিছে; আনফালে আগ্নেয়াস্ত্ৰধাৰী জনপ্ৰিয়তাৰ নাৰ্চিচিজিমত বিভোৰ আল্‌ফাই ৰাইজৰ নেতৃত্ব দাবী কৰিছে। চীন বা ব্ৰহ্মদেশৰ সাহায্যত অসমৰ মুক্তি সংগ্ৰামো যে অন্য এক ইয়াণ্ডাবু হ'ব পাৰে সেই কথা কিন্তু কোনেও চিন্তাও কৰা নাই।

ৰাজ্যখনত আজি প্ৰধান প্ৰতিপক্ষ দুটাঃ নিৰ্বাচিত শইকীয়া চৰকাৰ আৰু আল্‌ফা। সেইহে ৰাইজেও আজি পক্ষ পছন্দ কৰকঃ তেওঁলোকৰ নিৰাপত্তা কাৰ হাতত সুৰক্ষিত – আল্‌ফাৰ হাতত নে শইকীয়া চৰকাৰৰ হাতত। ইয়াৰ কাৰণে গোপনে জনমত গ্ৰহণ কৰা হওক। অন্যথা এই মুহূৰ্তত আল্‌ফাই ৰাইজৰ নেতৃত্ব দাবী কৰাৰ অধিকাৰ নাই। ■







# মোৰ ধৰ্ম

নাজমা মুখাৰ্জী

মোৰ নামটো বৰ গণ্ডগোলীয়া। আধা মুছলমান, আধা হিন্দু। গতিকে মোৰ ধৰ্মটো কি এইলৈ বহুতে বহুত সময়ত বিপাঙত পৰে, কিছুমানে সুধিও পেলায়।

মানুহে যেতিয়া মোক সোধে- তুমি হিন্দু নে মুছলমান, তেতিয়া মোৰ কণ্ঠনলীয়ে ইতঃস্তত কৰি উঠে। কি উত্তৰ দিম? সকলো মানুহেই সকলো কথাৰ বাবে উপযুক্ত নহয়। বেছি ভাগকেই মুছলমান বুলি কওঁ। কৌতূহলী সকলৰ মাজৰ হয়তো দহ শতাংশ মানুহে জানে মই হিন্দু। দুই শতাংশ মানুহক কওঁ উত্তৰটো অলপ দীঘলীয়া হব। তাৰে একাংশই দুৰ্বোধ্যতাৰ চাৱনিৰে মোলৈ চায়, এক শতাংশই ব্যাখ্যাৰ পাতনি মেলিবলৈ অনুমতি দিয়ে। তেতিয়া মই সেই বুদ্ধি জগতৰ প্ৰাণী সকলক প্ৰশ্ন কৰো- ধৰ্ম বুলিলেনো কোনটো ধৰ্মক বুজাইছে? সাম্প্ৰদায়িক ধৰ্ম নে মানৱিক ধৰ্ম? কিন্তু কিছুমান কথাৰ ইমান সূক্ষ্ম বিচাৰ নহয়। গতিকে ধৰ্ম বুলি ক'লে সাম্প্ৰদায়িক ধৰ্মৰ কথাকেই বুজি লব লাগে।

মই সৰুৰে পৰা সাৰ্বজনীন মন এটাৰ অধিকাৰী আছিলো, এতিয়াও আছো। সাম্প্ৰদায়িক ধৰ্মবোৰৰ দুই তিনিটাৰ তুলনামূলক আলোচনা মোৰ বৰ প্ৰিয়। 'বেদ ও পুৰাণে হজৰত মহম্মদ' নামৰ বাংলাত লিখা গৱেষণামূলক গ্ৰন্থ এখন উৰাই ঘূৰাই কেইবাবাৰমানো পঢ়িছিলো। কিতাপখন পঢ়ি কিবা এটা যেন আৱিষ্কাৰ কৰিলো, এনে এটা আনন্দ হৈছিল মোৰ মনত। লগতে মই এইটো সিদ্ধান্ত উপনীত হৈছিলো যে- যিবোৰ সাম্প্ৰদায়িক ধৰ্মই মানুহৰ মাজত ক্ৰমান্বয়ে বিভেদৰ বীজ সিঁচিছে, সেই সাম্প্ৰদায়িক ধৰ্মবোৰৰ মূল একেটাই। ঋগ্বেদৰ 'অগ্নে নয়সু- পথা' আৰু কোৰাণৰ 'এহদিনাছ ছেৰাতল মুস্তাকীম'- এই দুয়োটাৰ দ্বিতীয়টো প্ৰথমটোৰ আক্ষৰিক অনুবাদ মাত্ৰ। যাৰ অৰ্থ হ'ল- 'আমাক পোন বাটেদি লৈ বলা।' সেই দৰে বেদৰ 'একমেৱাদ্বিতীয়ম' আৰু ইছলামৰ 'ৱাহদাহুলা- শ্বাৰিকালাহু'- এই দুয়োটাৰ অৰ্থও একে- তেওঁ এজন আৰু তেওঁৰ দৰে দ্বিতীয় এজন নাই। বহু গৱেষণাৰ পৰা এইটো প্ৰমাণিত হৈছে যে প্ৰতিটো ধৰ্মই তাৰ ঠিক আগতে জন্ম হোৱা ধৰ্মটোৰ বিৱৰ্তিত ৰূপহে। বেদৰ যুগতে সংঘবদ্ধ হোৱা সমাজখনক সুচাৰুৰূপে চলাই নিবলৈ কিছুমান নিয়ম-কানুনৰ প্ৰয়োজন হ'ল। যেনে- 'এইটো কৰা, সেইটো নকৰিবা'। কালক্ৰমত এইবোৰ পৰিণত হ'ল সামাজিক আইনত। মোৰ সীমিত সামৰ্থ্যৰে মই বুজিলো যে সাম্প্ৰদায়িক ধৰ্মবোৰ প্ৰথম অৱস্থাত এইদৰে একোটা সামাজিক আইনহে আছিল, পিছলৈ জনসাধাৰণৰ এচামে ইয়াক বিকৃত কৰি পেলালে। হাতেৰে ঢুকি নোপোৱা, চকুৰে চাব নোৱৰা ওখ ঠাইত তাক স্থাপন কৰিলে। ভয় মিশ্ৰিত কৌতূহলৰ সৃষ্টি হ'ল আৰু ইয়েই মানুহৰ ঋজু শৰীৰক নমনীয় কৰি পেলালে। এই যে মানুহবোৰ নমনীয় হ'ল- সাধাৰণ মানুহবোৰ নমনীয় হ'ল, তাকে দেখি এচাম বুদ্ধিমান মানুহ হৈ পৰিল ধৰ্মৰ প্ৰবক্তা। তেওঁলোকে ধৰ্মক শোষণৰ বাহন কৰি ললে। সাধাৰণ মানুহৰ মনত ভীতি সঞ্চাৰ কৰিবলৈ ধৰ্মক কেন্দ্ৰ কৰি বহুতো অলৌকিক কাহিনী সৃষ্টি কৰিলে। এই যে প্ৰাকৃতিক কাৰকবোৰ–যিবোৰ মানুহৰ আয়ত্তৰ বাহিৰত, যেনে–সূৰ্য, চন্দ্ৰ, বৰষুণ, মেঘ, ধুমুহা এইবোৰৰ কাৰ্যকলাপৰ ওপৰতো বুদ্ধিমান মানুহখিনিয়ে কিছুমান ব্যাখ্যা আৰোপ কৰিলে। সূৰ্য দেৱতা, চন্দ্ৰ দেৱী বা দেৱতা, বৰুণ দেৱতা আদিও এই বুদ্ধিমান মানুহবোৰৰেই সৃষ্টি। কালক্ৰমত ধৰ্ম গ্ৰন্থবোৰতো লিপিবদ্ধ হ'ল বহুতো অলৌকিক কাহিনী। এই অলৌকিকতা-বোৰক মই একেবাৰে মানি লব পৰা নাছিলো। যীশুখৃষ্ট আছিল ঈশ্বৰৰ পুত্ৰ, কৃষ্ণই ষোড়শ কোটি গোপিনীৰ সৈতে একোজনকৈ হৈ ৰাসক্ৰীড়া কৰিছিল, ভাগীৰথে গংগাক স্বৰ্গৰ পৰা পৃথিৱীলৈ নমাই আনিছিল, সীতাই বসুমতীৰ কোলাত আশ্ৰয় লৈছিল ইত্যাদি। মোৰাৰজী দেশায়ে লিখা 'New out look of Gita' নামৰ গ্ৰন্থখন স্কুলত পঢ়ি থাকোতেই লাইব্ৰেৰীত দেখিছিলো, কিন্তু তেতিয়া সেইখন পঢ়ি বুজিব পৰা বয়স হোৱা নাছিল। New out look বোলোতেনো কি বুজা যায়, সম্পৰ্কীয় দাদা এজনে তেতিয়াই মোক বুজাই দিছিল। তেওঁ মোক কৈছিল, গীতাত এনেকুৱা কিছুমান কথা আছে, যিবোৰ নতুন দৃষ্টিভংগীৰে চাব লাগে। বিশ্বৰূপ দৰ্শনৰ কেতবোৰ শ্লোকৰ কথা এই প্ৰসংগত আঙুলিয়াব পাৰি। ভগৱান শ্ৰীকৃষ্ণই যেতিয়া নিজৰ অলৌকিক বিশ্বৰূপ অৰ্জুনক দেখুৱালে, তেতিয়া অৰ্জুনে দেখা পালে-

অনেকবক্ত্ৰনয়ন মনেকাদ্ভুত দৰ্শনম।
অনেক বিদ্যাভৰণং বিদ্যানেকোদ্যতায়ুধম্।।

(সেই বিশ্বৰূপ বহুতো মুখ আৰু নেত্ৰ যুক্ত, বহুতো অদ্ভুত আকৃতি আৰু দিব্য-

অলংকাৰ বিশিষ্ট আৰু বহুতো উদ্যত দিব্য অস্ত্ৰৰে সজ্জিত)

এই কথাখিনি নতুন দৃষ্টিভংগীৰে ব্যাখ্যা কৰি লব লাগিব। শ্ৰীকৃষ্ণৰ দৰে বিক্ষিপ্ত, তাতে গভীৰ ব্যক্তিত্বসম্পন্ন মানুহ এজনৰ অনেক মুখে কূটনৈতিক বিচক্ষণতা, অনেক নেত্ৰই দূৰদৃষ্টি সম্পন্নতা, অদ্ভুত আকৃতিয়ে তেওঁৰ শাৰীৰিক মানসিক বিভিন্ন অভিব্যক্তি আৰু সৌম্য কান্তি শৰীৰৰ কথাকেই বুজাইছে বুলি যদি আমি ব্যাখ্যা আগবঢ়াওঁ তেন্তে ই যুগৰ লগত খাপ খোৱা হোৱাৰ লগতে ধৰ্মগ্ৰন্থৰ ঐতিহ্যও ৰক্ষা পৰিব।

মোৰ আটাইতকৈ প্ৰিয় প্ৰাকৃতিক কাৰক হ'ল নদী। স্কুলৰ ভূগোলৰ শ্ৰেণীত নদীৰ উৎপত্তি, গতি আদিৰ বিষয়ে পঢ়ি মই নদীৰ প্ৰতি অধিক আকৰ্ষিত হৈছিলো। নদীৰ কোনো জাত নাই, নদীৰ কোনো ভাষা নাই। ভৌগোলিক পৰিসীমাও নামানে নদীয়ে। মই অনুভৱ কৰো নদীৰ লগত এক জন্মাৱধি সম্পৰ্ক আছে মানুহৰ আত্মাৰ।

ধৰ্মগ্ৰন্থৰ অলৌকিক ঘটনাৰাজিৰ পৰিপ্ৰেক্ষিতত মই তেতিয়া এটা কথা ভাবিছিলো। ভাগীৰথে গংগাক স্বৰ্গৰ পৰা নমাই অনা কথাটোকতো আধুনিক দৃষ্টিভংগীৰে ব্যাখ্যা কৰিব পাৰি! অসমতল ভূ-প্ৰকৃতিৰ ঢালেদি প্ৰবাহিত বৰষুণৰ পানীৰ মিলিত ধাৰাৰ পৰা সাধাৰণতে নদীৰ জন্ম হয়। বৃহৎ নদীবোৰ প্ৰস্ৰৱণ, গলিত বৰফ, হিমবাহৰ শেষাংশ অথবা হ্ৰদৰ পৰা উদ্ভূত সৰু নদীৰ পৰা উৎপন্ন হয়। গংগা নদীৰ উৎসও সেইটোৱেই হব। হয়তো গংগা নদীৰ উৎস অগম্য ঠাইত হোৱা বাবেই তাৰ ওপৰত এটা অলৌকিকতাৰ ছাপ মাৰি দিয়া হ'ল– দেখা নোপোৱা ঠাইৰ পৰা বৈ আহিছে গংগা নদী; ইমান ডাঙৰ এখন নদী, ইমান উপকাৰী। গতিকে কৈ দিয়া হওক ই স্বৰ্গৰ পৰা নামি অহা নদী।

কিছুদিন আগতে বাতৰি কাকতত এটা খবৰ পঢ়িছিলো। খবৰটো আছিল ৰবীন্দ্ৰ নাথ ঠাকুৰৰ জোড়াসাকোঁৰ বাস ভৱনৰ মেৰামতি সম্পৰ্কীয়। ঘৰটো অনেক পুৰণি হোৱা বাবে ইয়াৰ বহুত অংশ বিপদজনক হৈ পৰিছে। স্থপতিবিদৰ এটা দলে ঘৰটো পৰিদৰ্শন কৰি আহিল। এতিয়া শুনা গৈছে ঘৰটো অতি শীঘ্ৰেই মেৰামত কৰা হব। কিন্তু এই মেৰামতিৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছে। সমস্ত ৰকমৰ মেৰামতিৰ শেষতো ঘৰটো আগৰ দৰেই হৈ থাকিব। উপাদানবোৰৰো একো হানি-বিঘিনি নহয়। মাথোন এক বিশেষ প্ৰক্ৰিয়াৰে ইয়াৰ স্থায়িত্ব দীৰ্ঘকাললৈ বঢ়াই তোলা হব। ধৰ্মকো এইদৰে মেৰামতি কৰি লব লাগে।

মই জন্মসূত্ৰে মুছলমান। বিয়া কৰাইছো এজন হিন্দু ব্ৰাহ্মণক। বিয়াৰ সময়ত মই স্ব-ইচ্ছাই হিন্দু ধৰ্ম গ্ৰহণ কৰিলো, আৰ্য সমাজলৈ গৈ সম্পূৰ্ণ বৈদিক প্ৰথাৰে। ভাবিছিলো শহুৰৰ ঘৰত স্থান পাবলৈ মই এইটো উচিত কামেই কৰিছো। শহুৰৰ ঘৰত স্থান পোৱা-নোপোৱা কথাটো বাৰু থাকক। সেই কথাটো বাদ দিও নিৰপেক্ষ বিচাৰ বিবেচনাৰে বুজি পাইছো যে মই ভুল কৰিছিলো। এই কাম মই কৰিব নালাগিছিল।

কিন্তু কিয় নালাগিছিল? তাৰ দুটা কাৰণ সম্প্ৰতি মই ভাবি পাইছো। প্ৰথমটো হ'ল– ধৰ্ম সম্পৰ্কে আন বহুততকৈ মোৰ এটা স্বচ্ছ ধাৰণা আছে আৰু মই মোৰ নিজ ধৰ্ম ইছলামক লৈ সৰ্বদাই পৰীক্ষা-নিৰীক্ষা কৰো। তেনে অৱস্থাত থকা মোৰ মনটোৱে আন এটা ধৰ্মৰ নীতি-নিয়মবোৰ নিজৰ জীৱনত কাৰ্যকৰী কৰিবলৈ আগুৱাই যাব নালাগিছিল। এই প্ৰসংগত মেডিওচ টেইলৰ নামৰ ইংৰাজ লেখক এজনৰ দুখন উপন্যাসৰ কথা মোৰ মনত পৰিছে। উপন্যাসদ্বয়ৰ নাম হ'ল 'সীতা' আৰু 'তাৰা'। এই উপন্যাসদ্বয়ৰ বিধৱা নায়িকাদ্বয় সীতা আৰু তাৰাই পুনৰ্বিবাহ কৰিয়েই ক্ষান্ত থকা নাই, তেওঁলোকৰ ধৰ্মও সলনি কৰি পেলাইছে। সীতাই এজন ইংৰাজক বিয়া কৰাই খৃষ্টধৰ্ম গ্ৰহণ কৰে আৰু তাৰাই এজন মুছলমানক বিয়া কৰায়। কিন্তু উপন্যাস দুখনত এই দুগৰাকী নায়িকাৰ জীৱনৰ সুখবৰ্তী সমাধান ঘটাইও মেডিওচ টেইলৰ ক্ষান্ত হব নোৱাৰিলে। তাৰাৰ ধৰ্মান্তৰ গ্ৰহণ মাথো বাহ্যিক যেনেই দেখা গ'ল আৰু সীতাইও নিজৰ জন্মগত ধৰ্ম-বিশ্বাসক দৃঢ় ভাবে আঁকোৱালি থাকিল। কিয়? লেখকে তেওঁৰ উপন্যাসৰ নায়িকা দুগৰাকীৰ ধৰ্মান্তৰকৰণৰ অসাৰ্থকতা অনুভৱ কৰিছিল নেকি? তাৰাৰ ক্ষেত্ৰত ঔপন্যাসিকৰ প্ৰশ্ন হ'ল, বাহ্যিক আচাৰ-ব্যৱহাৰৰ পৰিবৰ্তনৰ ফলত তাৰাই নিজৰ অতীতটো পাহৰিব পাৰিছিলনে? আনহাতে হিন্দু ধৰ্মৰ শক্তিশালী ভিত্তি বেদ, গীতা, পতঞ্জলিৰ দৰ্শন আদি সীতাই মনৰ পৰা আঁতৰাই পঠিয়াব পাৰিছিলনে? টেইলৰৰ সীতাই গায়ত্ৰী মন্ত্ৰও উচ্চাৰণ কৰিছিল আৰু খৃষ্টধৰ্মৰ প্ৰাৰ্থনা সংগীতো গাইছিল। এইদৰেই টেইলৰে এটা নতুন ধৰণৰ সমাধান বিচাৰি উলিয়াইছিল, তেওঁৰ উপন্যাস দুখনত।

মোৰ সমস্যাও সীতা আৰু তাৰাৰ দৰেই হৈ উঠিল। ইছলাম ধৰ্মৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাই থকা মোৰ মনোজগতত হিন্দু ধৰ্মই দুৰ্বাৰ গতিৰে প্ৰৱেশ কৰিলেহি। বাস্তৱিকতে মই অলপো ধৰ্মভীৰু নাছিলো। সৰু কালৰে পৰা ধৰ্মীয় আচাৰ অনুষ্ঠানবোৰৰ বৈজ্ঞানিক ব্যাখ্যা বিচাৰিছিলো, নিজৰ মনকেই প্ৰশ্ন কৰিছিলো। তথাকথিত ধৰ্মই আহি কেতিয়াবা মোৰ ওচৰত ধৰা দিবলৈ চেষ্টা কৰিছিল, মই কিন্তু ধৰ্মৰ ওচৰত কোনোদিনে ধৰা দিয়া নাই। কিন্তু এতিয়া পৰিস্থিতি হ'ল অইন ধৰণৰ। মই তথাকথিত ধৰ্মৰ ওচৰত ধৰা দিলোগৈ। হিন্দু ধৰ্মৰ ওচৰত। পূজা-পাৰ্বনৰ বাহ্যিকতাৰ লগতো সাঙুৰ খালো। মোৰ মনত দ্বন্দ্ব আৰম্ভ হ'ল। যুক্তি তৰ্কৰ ঠাইত মই আৱেগিক হৈ পৰিলো। তাৰাৰ দৰে মই নিজৰ অতীতটোলৈ ভুমুকিয়াই চালো। সীতাৰ দৰে দুটা ধৰ্মৰ সমন্বয় ঘটাবলৈ চেষ্টা কৰিলো।

দ্বিতীয় কাৰণটো ইয়াতকৈ অধিক গুৰুত্বপূৰ্ণ। মানুহৰ নামবোৰ এটা ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদ কৰি মই এক প্ৰাকৃতিক আনন্দ লাভ কৰো। সাগৰিকা আৰু মেৰিনা– দুয়োটাৰ অৰ্থয়েই সাগৰ-কন্যা, অথচ দুটা ভিন্ন ভাষাৰ শব্দ। নিয়ৰ আৰু শবনমো এনেকুৱা দুটি শব্দ। 'বিষ্ণু-পুৰাণ'ত কল্কি অৱতাৰৰ কথা আছে। কল্কিৰ দেউতাকৰ নাম বিষ্ণুদাস আৰু মাকৰ নাম সুমতি। গৱেষক সকলে কল্কি আৰু হজৰত মহম্মদ একেজন বুলিয়েই কৈছে। মহম্মদৰ পিতৃ মাতৃৰ নাম যথাক্ৰমে আব্দুলা আৰু আমিনা। বিষ্ণুদাস আৰু আব্দুলা– এই শব্দ দুটাৰ এটা সংস্কৃত আৰু আনটো আৰবী। কিন্তু অৰ্থ একে– ভগৱানৰ দাস। গতিকে ধৰ্মটো সলাবলৈ গৈ মই মোৰ ভাষাটো সলাবলৈ যোৱাৰ দৰেহে হৈছিল। ধৰ্ম সলনিৰ অসাৰ্থকতা মোৰ বাবে অধিক পৰিষ্কাৰ হ'ল।

শৃংখলাবদ্ধ জীৱন এটা সকলো মানুহেই কামনা কৰে। ময়ো কৰো। দৈনন্দিন কাম-কাজৰ তালিকাত যিবোৰ কথা লিখি থওঁ, সেইবোৰ আখৰে আখৰে পালন কৰাটোকেই মই মোৰ ধৰ্ম বুলি মানি ললো। মোৰ বাবে কোনো মেডিওচ টেইলৰ নাছিল। নিজৰ জীৱনবোধৰ দৰ্জি মই নিজেই হ'লো। এইবাৰ মোৰ বাহ্যিক চোলাটো নিজৰ ওচৰত অতি আকৰ্ষণীয় হৈ উঠিল। ■








# ডিকটৈন

দীপক কুমাৰ বৰকাকতী



অংকন: চম্পক বৰবৰা

ৰেমা ৰ'থানপুইয়াৰ ঘৰ পাওঁতে মানুহটো বাহিৰৰ বাৰান্দাৰ চকী এখনত বহি আছিল। মানুহটোৰ মূৰটো ঘূৰণীয়া। ডাঙৰ! কপালখন বহল! ষাঠি বছৰীয়া মূৰটোৰ চুলি তেনেই পাতল। থকাখিনিত কলপৰ প্ৰলেপ কেই সপ্তাহমান নপৰাৰ বাবে ৰঙচুৱা আৰু শুকান।

মানুহটোৱে ডিঙি মেলি বাৰান্দাৰ ফাঁকেৰে তললৈ চাবলৈ যত্ন কৰিছিল। কোনোবা এটা এইমাত্ৰ তলৰ মহলাৰ

বাৰান্দাত মটৰ বাইকৰ ফট্‌ফট্‌ আৱাজ তুলি ৰৈছেহি। তেওঁৰ সৰু উটনুৱা পুতেক দুটাৰ কোনোবা এটা হব পাৰে। আন কোনোবাও হব পাৰে। -বৰবজাৰৰ এই অঞ্চলটো ব্যৱসায়িক কেন্দ্ৰ। ইয়াত থকা মানুহবোৰ পুৰণা বাসিন্দা আৰু আঢ্যৱন্ত। সিহঁতৰ প্ৰায়বোৰৰে চাৰি পাঁচ মহলাকৈ ঘৰ। ব-ৰবজাৰৰ প্ৰশস্ত পথটোৰ সমানত থকা মহলাবোৰত বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠান আৰু দোকান। তাৰ সমুখে সমুখে শাৰী শাৰীকৈ ৰখাই থোৱা ভিন ভিন আকাৰৰ মটৰ কাৰ, জীপ-গাড়ী আৰু মটৰ বাইকৰ লানি।

মটৰ বাইকৰ পৰা কোন নামিল ৰ'থানপুইয়াই নেদেখিলে। তেওঁৰ মাত্ৰ লানি নিচিগাকৈ চলি থকা মটৰৰ শাৰীটোহে চকুত পৰিল। কাষত থকা দোকান, মানুহৰ ভিৰ আৰু ৰখাই থোৱা গাড়ীবোৰৰ বাবে প্ৰশস্ত পথটোও ঠেক হৈ পৰিছে। সেই বাবে এই পথছোৱা ৱান-ৱে। মটৰৰ শাৰীটো এটা দিশৰ পৰা আহিছে আৰু আনটো দিশৰ কেঁকুৰিটোত লুকাই পৰিছে।

অলপ পাছতে মটৰ-বাইক্‌খন ষ্টাৰ্ট দিয়াৰ ফট্‌ফট্‌ আৱাজ ৰ'থানপুইয়াৰ কাণত পৰিল। তেওঁৰ কোননো চাবলৈ বৰ ইচ্ছা গ'ল। কিন্তু যোৱা কেইদিনমানৰ পৰা তেওঁ বাওঁ ভৰিটোৰ কলাফুলটো লৰাব পৰা নাই। ষ্টেপত কাৰোবাৰ গাত ভেজা দিহে খোজ দিব পাৰে। দুদিনমানৰ পৰা তাকো কৰিব পৰা নাই। ৰ'থানপুইয়া উঠিব নোৱাৰিলে। তেওঁ মটৰ-বাইক এখন বেগেৰে বাৰান্দাৰ পৰা ওলাই গাড়ীৰ সোঁতৰ লগত মিলি যোৱা দেখা পালে। হেলমেট্‌টো তেওঁৰ চিনাকি। তেওঁৰ নুমলীয়া ল'ৰাটো হব পাৰে। সি ওঠৰ বছৰীয়া।

ৰ'থানপুইয়াই জানে তাৰ একো লক্ষ্য নাই। সি এপিনে ফোঁ-ফোঁৱাই যাব, ক'ৰবাত কাৰোবাক পালে উঠাই গোটেই চহৰখন ঘূৰিব। তাৰ এঘন্টা-দুঘন্টা মানৰ পাছত ঘূৰি আহিব। সি এতিয়াও বেয়া হোৱা নাই। কিন্তু তেওঁৰ ডাঙৰ ল'ৰাটো প্ৰায় সম্পূৰ্ণ নষ্ট হৈ গৈছে। সি পঁচিশ বছৰীয়া। ৰ'থানপুইয়াই বৰ আশাৰে তাক প্ৰথমতে চিলঙত, তাৰ পাছত বাংগালোৰত আৰু শেষত দিল্লীত পঢ়ুৱাইছিল। কিন্তু সি কলেজৰ কোনো ডিগ্ৰী লৈ নুভতিল। উভতিল নিচাখোৰ হৈ।

ৰ'থানপুইয়াৰ আশা দ্বিতীয় পুতেকটোৰ ওপৰতে। সি ব্যৱসায়ত ভালদৰে চকু কাণ দিছে। ব্যৱসায়িক বুদ্ধিও তাৰ আছে। তেওঁ নিজে পেৰালাইছিছত ভোগাৰ পৰা সিয়ে তেওঁলোকৰ ব্যৱসায় চলাইছে।

ৰ'থানপুইয়াই মটৰৰ লানিবোৰৰ পৰা কাষত কেইবা মহলীয়া ঘৰবোৰত গঢ়ি উঠা প্ৰতিষ্ঠানবোৰৰ বিভিন্ন ফলকবোৰৰ ওপৰেৰে চকু ফুৰাই গ'ল। তেনেতে ৰেমা ওলালহি।

আংপুইৰ পৰা আইজ'লৈ উভতি আহোতে ৰেমাৰ গাঁৱৰ মানুহবোৰৰ শেষ কথাষাৰ কাণত বাজি আহিছিল। ওৰে বাটটোত ভৱিষ্যতে কি কৰিব ভাবিবলৈ ধৰিলে। মানুহৰ যদি তাৰ ওপৰত ইমানেই আস্থা সিয়ো দেখোন যুৱালাই কোৱাৰ দৰে ৰাজনীতি কৰিব পাৰে। আইজ'ল পায় মানে ৰেমাৰ এই ধাৰণা লাহে লাহে দৃঢ় হবলৈ ধৰিলে। সি মনে মনে বেচ সুখী হ'ল এই ভাবি যে অন্ততঃ সি তাৰ ভৱিষ্যতৰ আঁচনি প্ৰায় থিৰাং কৰি পেলাইছে। সি ভাবিলে আইজ'লত থকা গাঁৱৰ মানুহবোৰৰ লগত সি এটা ওচৰ সম্বন্ধ ৰাখিব লাগিব। সি কথাষাৰ ভাবিয়েই পু-ৰ'থানপুইয়াৰ ঘৰত সোমাল।

ৰ'থানপুইয়াৰ ঘৰলৈ ৰেমা আগতে এবাৰ আহিছিল। লীয়ানাৰ কফিনটো থৈ এদিন এনিশা ইয়াতে সিহঁতে প্ৰাৰ্থনা কৰিছিল। কিন্তু ড্ৰাইং ৰুমটোত সি সোমোৱা নাছিল। আহল-বহল ড্ৰইং ৰুমটোত তিনি জোৰা ডাঙৰ চ'ফা মজিয়াত পৰা কোমল, ফুলাম কাৰ্পেট আৰু চুকে-কোণে টাবত সজাই থোৱা সজীৱ গছ পাতবোৰকে সি চাই আছিল। আজিলৈকে ৰেমাই এনে ধৰণৰ কোঠাত সোমায়েই পোৱা নাই। গাভৰু এজনীয়ে তাক বহিবলৈ কৈ গৈছে যদিও, ক'ত বহিব সি বুজিব পৰা নাই।

গাভৰুজনীয়ে ৰ'থানপুইয়াৰ কাষলৈ ৰেমাক মাতি লৈ গ'ল।

ৰ'থানপুইয়াই ৰেমাক আগতে দেখিছে। তেওঁ সুধিলে– তোৰ নামটো কি বুলিছিলি?

– ৰেমা! লালবিয়াক ৰেমা।

– অ' অ'। মনত পৰিছে। পু-কিয়েনল'ভাৰ সৰুটো ল'ৰা।

- মই মাজুহে। সৰুটোৰ নাম ৰোৱাটা।

- ভানলালৰোৱাটা নহয় জানো। সিটো এতিয়া পাষ্টৰ।

ৰেমাই ৰোৱাটা পাষ্টৰ হোৱাৰ খবৰ খুমীৰ পৰা পাইছে। সি শলাগিলে।

– তাক লগ পাইছানে?

ৰ'থানপুইয়াৰ প্ৰশ্নৰ উত্তৰত ৰেমাই ক'লে– নাই। লগ পোৱা নাই।

ৰেমাক লগ পাবলৈ মাত্ৰ তাৰ ভনীয়েক ময়ী আহিছিল। তায়ো তিৰোতা এজনীৰ দৰেই হ'ল। লগত গিৰিয়েক আৰু জীয়েক দুজনীক লৈ আহিছিল। সিহঁত দুয়োটায়ে বোলে লুংলেৰ কোনোবা অফিচত কেৰাণী।

পাতল চকুৰ পতা কেইটাৰে চকুৰ টিপ দুটামান মাৰি ৰ'থানপুইয়াই ৰেমাক সুধিলে–ক'চোন। তই এতিয়া কি কৰিছ?

হওঁতে ৰাজনীতিকে আদি কৰি বিভিন্ন সুবিধাবোৰ তাৰ মুকলি হৈ আছে। সি তাৰ লগৰবোৰৰ দৰে হাত ভৰি পোনাইছেহে। বিশেষ কিবা এটা মনপুতি কৰাৰ কথা এতিয়াও ভবা নাই। কিন্তু এই মানুহবোৰৰ যেন আৰু কথাই নাই। কিবা এটা কৰিছনে? ৰেমাই এই কথাটোৱেই আটাইতকৈ বেয়া পায়। সি ক'লে– হওঁতে এতিয়ালৈকে একো কৰা নাই।

ৰ'থানপুইয়াই লগে লগে কৈ উঠিল–কৰা নাই। কিন্তু কিবা এটাটো কৰিবি।

অলপ ৰৈ তেওঁ পুনৰ ক'লে– তহঁতৰ চামটো ঠিকেই আছিল। আজিকালিৰ ল'ৰা-লুৰিৰ যে কি হৈছে ক'ব নোৱাৰো।

ৰ'থানপুইয়াৰ মনৰ দুখ ৰেমাই বুজিব নোৱাৰিলে। সি একো নোকোৱাকৈ মনে মনে থাকিল।

ৰেমাক লগ পাই ৰ'থানপুইয়াই ভাল পালে। আজিকালি তেওঁ তেনেই অকলশৰীয়া হৈ পৰিছে। ভালে থকাৰ সময়ত তেওঁ দিনৰ দিনটো নানান ব্যস্ততাৰে আইজ'ল চহৰখনত ঘূৰি ফুৰিছিল। মানুহবোৰেও প্ৰায়ে তেওঁক লগ পাবলৈ আহিছিল। কিন্তু যোৱা কেইবাদিনো কাকো লগ পোৱা নাই। আজিকালি বিশেষ বন্ধু দুই এজনৰ বাহিৰে তেওঁক লগ পাবলৈ কোনো নাহে। তেওঁ শাহুৱেকৰ অভাৱো বেচ অনুভৱ কৰিবলৈ ধৰিলে! বুঢ়ী জীয়াই থাকোতে তেওঁ কথা-বাৰ্তা পাতিবলৈকে সময় পোৱা নাছিল। বুঢ়ী সদায় ইটো কোঠাত অলপ সময়, সিটো কোঠাত অলপ সময়কৈ বহি কটাইছিল। জীয়াই থকা হ'লে তেওঁ হয়তো বুঢ়ীৰ লগতে দুই এষাৰ কথা পাতিব পাৰিলেহেঁতেন। তিনি মাহমান আগতে বুঢ়ীও ঢুকাল। অকলশৰীয়া অনুভৱ কৰাৰ লগে লগে ৰ'থানপুইয়াক ঘৰুৱা হতাশাবোৰে আমনি দি থাকিবলৈ ধৰিলে।



কাৰোবাক লগ পালে সেয়েহে তেওঁৰ কথাবোৰ উজাৰ খাই ওলাই আহে।

ৰেমা তেওঁৰ নিজৰ গাঁৱৰে। তেওঁ গাঁৱৰ কথাবোৰ তাৰ লগত পাতিবলৈ ধৰিলে। ৰেমা বাপেক পু-মোৱাকাৰ ইমান সান্নিধ্যত আছিল বুলি ৰ'থানপুইয়াই জনা নাছিল। কথাটো গম পাই তেওঁৰ তাক বৰ আপোন যেন লাগিল। তেওঁ নিজৰ হতাশাবোৰ উজাৰিবলৈ ধৰিলে। ৰেমাই তাৰ নিজৰ কথা ক'বলৈ সময়েই নাপালে। তথাপি ৰ'থানপুইয়াৰ লগত গাঁৱৰ কথা পাতি তাৰ মনটো ভাল লাগিল।

সিহঁতে কথা পাতি থাকোতে তিৰোতা এজনী কাষৰ বাৰান্দাৰে ভিতৰলৈ গৈছিল। কুৰি মিনিটমানৰ পাছত তাইৰ মাত পাক ঘৰত ৰ'থানপুইয়াই শুনিবলৈ পালে। তাই ৰান্ধনীজনীৰ লগত কিবা কথা পাতি আছে। ৰ'থানপুইয়াই মাতিলে– খুমী!

তিৰোতাজনীয়ে ভিতৰৰ পৰা সঁহাৰি দিলে।

– ইয়াৰ আজি কেনে?

খুমী বোলা তিৰোতাজনী ৰ'থানপুইয়া বহি থকা কোঠাটোলৈ সোমাই আহিল। তাইৰ পিন্ধনত পৰিষ্কাৰ পোৱান আৰু ব্লাউজ। মুখখনত যতনৰ আভাস। চুলিখিনি কঁকাললৈকে পৰা। নিকাকৈ ফণিওৱা আৰু শকতকৈ বেণী গুঠা।

ৰেমাৰ মুখখন অলপ চিনাকি যেন লাগিল।

খুমীয়ে ৰ'থানপুইয়াক ক'লে– আজি কালিতকৈ ভাল। হাড়ৰ বিষটো পেটৰ খামুচনিটো কমিছে।

– তই আহি থাকিবি। তাক অলপ ভালদৰে চাবি।

খুমী যাবলৈকে ওলাইছিল। তেনেতে ৰ'থানপুইয়াই তাইক ক'লে– অ'– তই ইয়াক চিনি পাইছনে নাই? আংপুইৰে দেখোন–

ৰেমাৰ ফালে তাই কিছুসময় চাই থাকিল। তাৰ গালে-মুখে পাতল দাঁড়িখিনি আছেই। মূৰত সি এটা টুপিও পিন্ধি আহিছে। তাইৰ অলপ চিনাকি যেন লাগিল যদিও ধৰিব নোৱাৰিলে। ইতিমধ্যে তাইৰ চকুৱে চকুৱে পৰাত ৰেমাই তাইক ধৰিব পাৰি অলপ ডাঙৰকৈ ক'লে– খুমী! তই?

খুমীয়েও ৰেমাক ধৰিব পাৰিলে– অ' তই ৰেমাহে!

– তই আক' একেবাৰে তিৰোতা হোৱাদি হ'লি। – ৰেমাই ক'লে। খুমীৰ মুখখন গোল হৈ পৰিছে। তাই শকত হৈ পৰা বাবে ভোটা নাকটো আৰু ভোটা লগা হৈছে। তাইৰ উজ্জ্বল বগা বৰণৰ মুখখনত হাঁহি বিৰিঙাই ক'লে– নহমনে? তই হবলা সেই চেঙেলীয়া ৰেমাটোৱেই হৈ আছ!

সিহঁত দুয়োটাৰে মাতবোৰ উচ্ছ্বাসত ডাঙৰ হৈ ওলাল।

ৰ'থানপুইয়াই ক'লে– এই ইয়াৰ চিভিলৰ নাৰ্চ। ডিউটি শেষ হ'লেই তাই আহি আমাৰটোক এবাৰ চাই যায়হি। তাই বৰ সহায় কৰি দিছে। মোকো কম পতি নকৰিছেনে?

তেনেতে তলৰ মহলাৰ পৰা ৰ'থানপুইয়াৰ ঘৈণীয়েক আৰু অলপ পাছতে ডেকা ল'ৰা এটা সোমাই আহিল। সিহঁত দুয়োটা অলপ উত্তেজিত। সিহঁতে উটনুৱা চেঙেলীয়া ডেকাটোৰ কথাকে সম্ভৱ ৰ'থানপুইয়াৰ আগত ক'বলৈ আৰম্ভ কৰিছিল। খুমীয়ে বুজি পালে তাই এতিয়া যোৱা উচিত। তাই ৰ'থানপুইয়াৰ পৰা বিদায় ল'লে। ৰেমাও তাইৰ লগতে ওলাই আহিল।

চিৰিয়েদি নামি আহি থাকোতে খুমীয়ে ক'লে– ৰ'থানপুইয়া মানুহটোৰ টকা-পইছা ঢেৰ হ'ল। পিছে পুতেকহঁতৰ বাবে সুখ নহ'ল। নিজেও আক' পেৰালাইছিছত ভুগিছে।

পাৰ্ক কৰি থোৱা গাড়ীবোৰৰ কাষত থিয় হৈ খুমীয়ে সুধিলে– তই এতিয়া ক'লৈ যাবি?

– এনেয়ে বজাৰখন ঘূৰি লোৱাংমোৱালৈ উলটিম। – ৰেমাই ক'লে।

– এনেয়ে ঘূৰি ফুৰাতকৈ বল কিমিৰ ঘৰৰ পৰাই আহো। – খুমীয়ে বেচ উচ্ছ্বাসেৰে ক'লে। ৰেমাৰ পলকতে না-থীয়ালত অমৰাঙীয়ে খুমীৰ বিষয়ে কোৱা কথা এষাৰ মনত পৰিল। থানমইয়াক হেৰুৱাই মাউৰী খুমীয়ে হেনো মনত বৰ বেজাৰ পাইছিল। পিছে ৰেমাই তাইৰ চকু মুখ আৰু ভাব ভংগী দেখি বুজি উঠিল তাইৰ বয়স হৈছে যদিও গাৱঁত আৰু স্কুললৈ একেলগে আহোতে যাওঁতে দেখা চপলতা একেবাৰে নোহোৱা হৈ যোৱা নাই।

কিমিৰ ওচৰলৈ যোৱাৰ কথাটো ৰেমাই অলপ ভাবিবলৈ ধৰিলে। তাইৰ লগত তাৰ বন্ধুত্ব, তাৰ পাছত গ্ৰুপ চেন্টাৰত তাইৰ উপেক্ষাৰ কথা তাৰ মনত পৰিল। এনে ক্ষেত্ৰত সি তাইৰ ওচৰলৈ নোযোৱাই ভাল হব নেকি?

ৰেমাই কথাবোৰ ভাবিলেহে খুমীক একো ক'ব নোৱাৰিলে। তাই ৰেমাক মনে মনে থকা দেখি ক'লে– ব'ল, ব'ল। তই ইমান দিনৰ মূৰত আহিছ। চিনাকি মানুহবোৰ যিমান পাৰ লগ পাব লাগে।

ৰেমাই এতিয়াও একো নামাতিলে। খুমীয়ে এইবাৰ তাৰ পিঠিত হাতখন দি থেলি কৈ উঠিল– ব'ল, ব'ল। তহঁতৰ কথা মই কিবা নাজানোনে? কিমিয়ে এতিয়া বিয়া-বাৰু কৰাই ল'ৰা-ছোৱালীৰে সংসাৰ কৰি আছে। ব'ল একো নহয়।

ৰেমাই খুমীৰ সৰলতা আৰু উচ্ছ্বাসত আপত্তি কৰিব নোৱাৰিলে। মানুহৰ আৰু গাড়ীৰ ভিৰৰ মাজত খোজ কঢ়াৰ অভ্যাস ৰেমাৰ নাই। সি খুমীৰ পিছে পিছে খুন্দা-খুন্দলি খাই আগুৱাই গ'ল।

বাটত খুমীয়ে আইজ'লত থকা আংপুইৰ গাঁৱৰ মানুহবোৰৰ কথা ক'বলৈ ধৰিলে। গাঁওখন জুয়ে পুৰি ধ্বংস হোৱাৰ পাছত কিছুমান মানুহ না-থীয়ালতে স্হায়ী ভাবে ৰ'ল। কিছুমান আইজ'লৈ আহিল। আইজ'লৈ অহা মানুহবোৰৰ ভিতৰত ৰ'থানপুইয়া আৰু য'ৰামথাঙাৰ অৱস্হা ভাল। পকী ঘৰ-দুৱাৰ সাজি সুন্দৰ ভাবে আছে। ল'মায়ো ঘৰ দুৱাৰ সাজি পৰিয়াল লৈ আছে। সি বৰ্তমান কলেজ এখনৰ অধ্যাপক। সি ৰাজনীতিও কৰে। ৰাজনীতি কৰা মানুহবোৰৰ মাজত তাৰ তীক্ষ্ণতাৰ বাবে সি বেচ সৰবৰাহী।

ল'মাৰ কথা শুনি ৰেমাই ভাল পালে। কিন্তু খন্তেক গহীন হৈ পৰিল। ল'মাৰ কথা শুনা হ'লে সিয়ো আত্মসমৰ্পণ কৰি পঢ়া-শুনাকে কৰিব পাৰিলেহেঁতেন। কলেজৰ অধ্যাপক নহ'লেও চকী টেবুলত বহি আৰামেৰে চাকৰিকে কৰিব পাৰিলে-হেঁতেন।

ৰেমা গহীন হৈ পৰা দেখি খুমীয়ে অলপ পাতলকৈ সুধিলে– ক'চোন, তোৰ কথা ক'–

– কি কম আৰু। – বনে-জংঘলে প্ৰায় ডুনৈছ বছৰ কটালো। বাঘ-হৰিণ চিকাৰ কৰাৰ কথাহে ক'ব পাৰিম। – ৰেমাই তাইৰ উচ্ছ্বাসৰ লগত সংগতি ৰাখি ক'লে।

– ক'চোন ক', বিয়া বাৰু কৰালিনে?

ৰেমা অলপ সময় ৰ'ল। সি অলপ গহীনকৈ ক'লে– বন-কুঁৱৰী এজনী পাইছিলো। উলটি আহোতে লগত আৰু আনিব নোৱাৰিলো।

খুমীয়ে তাৰ মুখলৈ চালে। তাই বুজিলে ৰেমা গহীন হৈ পৰিছে। তাই আৰু একো



নুসুধিলে।

কিমিয়ে ভিডিঅ' গেম খেলি আছিল। টেলিভিছনৰ লগত তাই কিবা মেচিন এটা সংযোগ কৰি লৈছে। তাইৰ দুয়ো হাতত কন্ট্ৰ'লিং ছুইছ। তাৰ বিভিন্ন বুটামবোৰ টিপি টিপি টেলিভিছনৰ স্ক্ৰীনত ওলোৱা কাৰ্টুন পিক্‌চাৰবোৰ তাই নিজৰ ইচ্ছাৰে সোঁৱে-বাঁৱে তলে-ওপৰে উঠা নমা কৰাইছে।

খুমীয়ে ভিতৰ সোমায়েই কিমিক মাতিলে। কিমিয়ে তাইলৈ এবাৰ উভতি চাই বহ বুলি কৈ পুনৰ কন্ট্ৰ'লিং চুইছ টিপাত লাগিল। ৰেমা বাহিৰত ৰৈ আছিল। ঘৰটোৰ বহল বাৰান্দা, ড্ৰইং ৰুম, তাৰ ভিতৰৰ চাক চিক্য তাৰ বাবে আচহুৱা। খুমীয়ে ইতিমধ্যে অৱশ্যে তাক কৈছে যে কিমিৰ গিৰিয়েক ধনী কন্‌ট্ৰেক্টৰ। খুমী বহিবলৈ লৈ ৰেমাক মাতিলে। সি সোমায়েই তাই দেখুৱাই দিয়া চ'ফা এখনত বহি পৰিল। চ'ফাখন ইমান কোমল যেন সি সোমাই গৈয়ে থাকিব।

ৰেমাহঁত বহি থকা কোঠাটো বেচ আহল-বহল। কোঠাটোত থকা বস্তু-বাহানি, কাপোৰ আদি আলোচনীবোৰত দেখাৰ দৰে ৰঙীন আৰু উজ্জ্বল। তাৰ সেই তাহানিৰ গাঁৱৰ ঘৰৰ কথা মনত পৰিল। সিহঁতৰ মজিয়াবোৰ আছিল ফাল বাঁহ কাটি বনোৱা চাঙৰ। বেৰবোৰ আছিল চকোৱাৰ। ওপৰত কোনো চিলিং নাছিল। তাৰ সলনি চালৰ পৰা খেৰ আৰু মাজে মাজে এলান্ধু ওলমি আছিল। সিহঁত জংঘলত থাকোতেও ঘৰবোৰ আছিল তেনেকুৱাই।

কোঠাটোত চকু ফুৰাই ৰেমাই এইবাৰ কিমিলৈ চালে। কিমিৰ সাজ-পোছাক চকুত লগা। স্কাৰ্ট আৰু ব্লাউজ পিন্ধা। চুলিখিনি চুটি, ভাঁজ কৰা আৰু অলপ ৰংচঙীয়া। তাইৰ মসৃণ দীঘল গাল এখনহে ৰেমাৰ চকুত পৰিল। ল'ৰা-ছোৱালীৰে সংসাৰ ভৰি পৰিছে যদিও কিমি গাভৰু হৈয়ে আছে। কিমিক দেখা পাই পোৱান আৰু ব্লাউজ পিন্ধা গোলমুখৰ খুমীজনীক ৰেমাৰ বয়সীয়া তিৰোতা যেন লাগিল।

কিমিয়ে পাঁচ মিনিটমানৰ পাছত ভিডিঅ' গেম সামৰি খুমীৰ ফালে চাই তাইৰ খবৰ ল'লে। তাই ৰেমালৈ এবাৰ চালে যদিও ৰেমাক চিনিব নোৱাৰিলে। খুমীয়ে তাইক সুধিলে– ইয়াক চিনিব পাৰিছ নে?

কিমিয়ে কিছুসময় চাই থাকি কৈ উঠিল– ৰেমা? ৰেমা নহয়নে?

কিমিৰ প্ৰতিক্ৰিয়া ৰেমাই ধৰিবই নোৱাৰিলে। তাই পুনৰ কৈ উঠিল– কেতিয়া আহিলি ক'চোন। অ' তইঁতটো অহা ছমাহমানেই হ'ল হবলা।

বাহিৰত কিমিৰ ল'ৰা-ছোৱালী কেইটাই খেলি আছিল। হঠাতে কোনোবা এটাৰ চিঞৰ শুনি কিমি বহাৰ পৰা উঠি বাহিৰ পালেগৈ। অলপ সময়ৰ পাছত হাঁহি হাঁহি সোমাই আহি তাই সিহঁতৰ সমুখত বহি ক'লে– অ' তই এতিয়াও কেম্পতে আছ নেকি?

ৰেমাই শলাগিলে।

– তাত তই থাকিব পাৰিছনে?

অ'– তাততো আৱশ্যকীয় সুবিধাবোৰ কৰি দিয়া হৈছেই। – কিমিয়ে ক'লে।

– আছো আৰু! সুবিধাবোৰ বৰ ভাল নহ'লেও জংঘলত থকাতকৈ উন্নত।

ৰেমাৰ কথা শুনি কিমিয়ে ভাল পালে। এইবোৰ কৰাৰ দায়িত্বত তায়ো আছিল।

– কথাই পাতিবানে চাহ-তাহো খুৱাবি? – খুমীয়ে কথাটো কৈ হাঁহিবলৈ ধৰিলে। হাঁহিত গোল বগা মুখখনত তাইৰ গাল দুখন ফুলি উঠিল।

কিমিয়ে মিচিকিয়ালেহে। তাইৰ ওঁঠ দুটা জাপ খায়েই থাকিল। বহাৰ পৰা উঠি তাই পাক ঘৰলৈ গ'ল আৰু তাত কাম কৰি থকা গাভৰু এজনীক চাহ বনাবলৈ কৈ পুনৰ সিহঁতৰ আগত বহিলহি। তাই হাঁহি মাৰি ৰেমাক ক'লে– ইমান দিন জংঘলত কটালি। কি হ'ল, কি নহ'ল ভাবি মূৰ নঘমাবি। মিজোৰামৰ উন্নতি হৈয়ে আছে, আৰু হবও।

– হুঁ। –ৰেমাই কথাখিনি যে শুনিছে তাৰ সঁহাৰি দিলে।

– তইঁতৰ সপোনৰ মিজোৰামখন পাৱ নে নাপাৱ ক'ব নোৱাৰো, কিন্তু এইবোৰ বাদ দি কাম-বনত লগাহে কথা। তইঁতকতো ৰিহাবিলিটেচন্ গ্ৰান্ট দিয়া হৈছেই।

– হয় নেকি?



ৰেমাৰ কথা শলাগি কিমিয়ে ক'লে– অ'। অফিচত খবৰ কৰিলে দুই এদিনতে পাবি। কিবা এটা কৰি নিজে সুখে শান্তিৰে থাকিলে কাষত থকা মানুহেও ভাল পায়।

কিমিৰ কথাবোৰ ৰেমাৰ বাপেকৰ দৰেই লাগিল। কিমিয়ে ৰেমাৰ মন বুজি পুনৰ ক'লে– বাৰু এইবোৰ থ'– ক'চোন ক' সেই তাহানিৰ দৰে তই এতিয়াও গিটাৰ বজাৱনে?

কিমিৰ কথাত ৰেমাতকৈ খুমীয়ে বেছি আনন্দ পালে। তাই হাঁহি হাঁহি আংপুই গাঁৱৰ কথাবোৰ ক'বলৈ ধৰিলে। কিমিয়ে তাইৰ কথা শুনি মিচিকিয়াই হাঁহিলে।

কিমিয়ে সিহঁতক পাক ঘৰৰ লগতে থকা ডাইনিং টেবুলখনৰ চকীত বহিবলৈ মাতি নি ৰন্ধা বঢ়াত লাগি থকা ডেকা-গাভৰুহালক ইটো-সিটো দিহা দি দি পুৰণা কথাবোৰৰ ভাগ লবলৈ ধৰিলে। কিছু সময়ৰ পাছত ৰেমাহঁত উঠিব খুজিছিল কিন্তু কিমিয়ে সিহঁত দুয়োটাকে ভাত খাই যাবলৈ জোৰ কৰিলে।

ৰেমাই সন্ধিয়া পু-য'ৰামথাঙাক লগ পাই ভাল পালে। মানুহটোক বয়সেও বুঢ়া কৰিব পৰা নাই। গালৰ চালবোৰ অলপ সোঁত মোচ খাইছে যদিও ভাঁজবোৰ পৰিষ্কাৰ। মানুহটো আগতকৈ বগাহে হৈছে। তাৰ উপৰি পাতল উজ্জ্বল বৰণৰ কাপোৰ কানিয়ে বুঢ়াক বেচ তুলি ধৰিছে।

ৰেমাক দেখা পাই বুঢ়াই গাঁৱৰ কথাবোৰ সল-সলকৈ ক'বলৈ ধৰিলে। বুঢ়াই ক'লে– ময়ো তোৰ বাপেৰৰ দৰেই তইঁতৰ এইবোৰত আপত্তি কৰিছিলো। কিন্তু এতিয়া বুজিছো যে তইঁতৰ এই কষ্ট সম্পূৰ্ণ অথলে যোৱা নাই। হয়তো তইঁতৰ ভাগ্যৰ বাবেই মিজোৰামৰ উন্নতিৰ গতি বহু পৰিমাণে দ্ৰুত হৈছে। এতিয়া যি হ'ল হ'ল। কামত লাগ। চা- বাপেৰেও এই বয়সত দা কুঠাৰ বনাই আছে। ময়ো মটৰ পাৰ্টচৰ দোকান চলাই আছো।

ৰেমাই বুঢ়াৰ মুখলৈ চাই ৰ'ল। সি য'ৰামথাঙাৰ মনটো বুজিব নোৱাৰিলে।

সিহঁতে ভাতৰ টেবুলত কিমিৰ গিৰিয়েকক লগ পালে। কিমিয়েই ৰেমাক গিৰিয়েকৰ লগত চিনাকি কৰি দিলে।

নিশা উভতি আহোতে ৰেমাই বুজিলে কিমিক লগ পাই সি যিমান অপ্ৰস্তুত হব বুলি ভাবিছিল সিমান নহ'ল। হয়তো কিমিৰ বাবেই। তাই সাংসাৰিক বুদ্ধিত বেচ পুৰঠ হৈ পৰিছে।

ৰেমাই পু-ভটক এনেদৰে লগ পাব বুলি ভবা নাছিল।

পিছৰ সপ্তাহতে ৰেমাই লগৰবোৰৰ পৰা খবৰ পালে চৰকাৰে সিহঁতৰ পুনৰ সংস্থাপনৰ বাবে যি বিশ হেজাৰ টকাৰ মঞ্জুৰী দিছে তাৰ প্ৰথম কিস্তিৰ ছহেজাৰ টকা সিহঁতে আনিব পাৰে। সি মঞ্জুৰীখিনি আনিবলৈ গ'ল। অফিচৰ সকলোখিনি কাম কৰাৰ পাছত ছোৱালী এজনীয়ে দৰ্খাস্তখন তাৰ হাতলৈ তুলি দি অফিচাৰজনৰ পৰা চহীটো আনিবলৈ ক'লে।

ৰেমাই তাৰ লগৰ আনবোৰে তেনেদৰে চহী অনা দেখিছে। সি কোঠাটোলৈ সোমাই গ'ল। আহল-বহল কোঠা এটাৰ ভিতৰৰ বহল মেজ এখনৰ সিপাৰে বয়সীয়া মানুহ এজন বহি আছে। মানুহজনৰ মুখখন ত্ৰিভুজাকৃতিৰ আৰু দীঘলীয়া। চুলিবোৰ অলপ পকা। পিছলৈ আঁচোৰা। নাকটো জোঙা। মুখখনত বয়সৰ আঁচোৰ পৰা সত্ত্বেও ৰেমাই পু-ভটক চিনি পালে।

ধীৰেণ ভট্টাচাৰ্যক দেখাৰ লগে লগে ৰেমাৰ না-থীয়াল গ্ৰুপ-চেন্টাৰৰ কথা মনত পৰিল। গছ-জোপাৰ ওপৰৰ পৰা নিশা খিৰিকিৰে দেখা ধীৰেণ ভট্টাচাৰ্যলৈ সি ৰিভলভাৰৰ প্ৰথম গুলি এৰিছিল। কথাটো মনত পৰাৰ লগে লগে তেজৰ সোঁত এটা তাৰ মুখলৈ উঠি আহিল। তাৰ মুখ ৰঙা পৰিল।

ভট্টাচাৰ্যই মেজখনৰ ফাইলৰ পৰা মূৰ তুলি চছমাজোৰ খুলি থলে। তাৰ পাছত ৰেমাৰ ফালে চাই ক'লে– আহ ভিতৰলৈ সোমাই আহ।

ৰেমাই ভট্টাচাৰ্যৰ মুখলৈ কিছুসময় চাই থাকিল। ভট্টাচাৰ্যই হাঁহিলে। তাৰ চকুলৈ কোমল ভাবে স্থিৰ হৈ চাই ৰ'ল। ৰেমাই তাৰ চকুযোৰ নমালে আৰু ভট্টাচাৰ্যই আগুৱাই দিয়া সোঁহাতটোত ফৰ্মখন তুলি দিলে।

– তয়েই হবলা লালবিয়াক ৰেমা? ফৰ্মখন পঢ়ি ভট্টাচাৰ্যই ক'লে।

ৰেমা থিয় হৈ ৰ'ল। তাৰ মুখেৰে হুঁ বুলি শব্দ এটা মাত্ৰ ওলাল।

– আংপুই গাঁৱৰ। পু-মোৱাকা, ওপা ৰ'ছিয়ামা আৰু য'ৰামথাঙাৰ গাঁৱৰ।

ৰেমা নিমাতে থিয় হৈ ৰ'ল।

– বাপেৰৰ নাম– কিয়েনল'ভা। কিয়েনল'ভা?

পু ভটে অলপ ভাবি ক'লে– বুজি পাইছো। ওপা ৰ'ছিয়ামাৰ লগত যে বন্ধুত্ব আছিল– সেই কিয়েনল'ভা নহয় জানো?

ৰেমাই পু-ভটৰ চকুলৈ এবাৰ চালে। ভট্টাচাৰ্যই উত্তৰটো যেন পালে তেনে ভাবত পুনৰ ক'লে– চা, তোৰ বাপেৰৰ সৈতে এই মানুহখিনিক মই জানো। হস্ত শিল্পত নিপুণতাৰ বাবে বাপেৰে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰো পাইছে। তই সেইখন ঘৰৰে। তই আনতকৈ বেলেগ কিবা এটা কৰা উচিত। বাৰু ক'চোন, এই গ্ৰান্টটোৰে তই কি কৰিবি?

ৰেমা পুনৰ নিমাতে ৰ'ল।

পু-ভট ব্যস্ত মানুহ। তেওঁৰ ৰ'বলৈ সময় নাই। তেওঁ ক'লে– ঠিক আছে, আংপুই গাঁৱৰ ডেকা তই। কিবা এটা কৰিব পাৰিবি বুলি মোৰ বিশ্বাস আছে।

ভট্টাচাৰ্যই চহীটো কৰি কাগজ খিলা ৰেমাক ফিৰাই দি ক'লে– চা, মই একো নোকোৱাকৈ কাকো এনেদৰে গ্ৰান্ট দিয়া নাই। তোক বুলিহে দিছো। কিন্তু পিছৰবাৰ আহিলে তই কি কৰিবি তাৰ আঁচনিখনৰ কথা মোক জনাব লাগিব।

ৰেমাই কাগজখিলা লৈ অলপ সময় থিয় দি ৰ'ল। তাৰ মুখৰ ৰং স্বাভাৱিক হৈ আহিছে যদিও তাৰ চিন্তা শক্তিয়ে কাম কৰিব পৰা নাই। সি ৰৈ থকা দেখি পু-ভটে ক'লে– এতিয়া যা, ফৰ্মখন অফিচতে দি গ্ৰান্টটো নেগৈ–

ৰেমাই কোঠাটোৰ পৰা ওলাই আহিহে যেন উশাহ পালে। সি পইছাখিনি লৈ যুৱালাহঁতৰ লগত বজাৰৰ ফালে যাবলৈ ইচ্ছা নকৰিলে। আন দুটামানৰ লগত লোৱাংমোৱালনৈহে গ'ল।

ওৰে বাটটোত সি পু-ভটৰ কথাকে ভাবিবলৈ ধৰিলে। কিমিৰ কথাও তাৰ মনত পৰিল। সি বুজি পালে তাৰ এই সকলোবোৰ আৰম্ভণি পু-ভটক কিমিৰ প্ৰতি আগ্ৰহী যেন লগাৰ বাবেই। থানয'মাৰ উচটনিত সি সেই নিশা কেনেকৈ ৰিভলভাৰৰ গুলি পু-ভটলৈ নিক্ষেপ কৰি এম এন এফ হবলৈ পলাই গৈছিল তাৰ মনত পৰিল। তাৰ কাণ মূৰ গৰম হৈ অহা যেন লাগিল। সি যুৱালা থকা কোঠাটোৰ চুকে কোণে কিবা বিচাৰিবলৈ ধৰিলে। তাৰ পাছত বিছনাৰ তলৰ পৰা বটল এটা উলিয়াই আনিলে। তাৰ তলীত তেতিয়াও তিনি আঙুলমান ৰংচুৱা মদ বাকী আছিল।

ক্ৰমশ

# সজাগ থাকক

পথত, বাছ আস্থানত, ৰেলৰ প্লেটফৰ্মত, চাহৰ দোকানত, বজাৰত, চিনেমা হলৰ বাহিৰে-ভিতৰে, বাছ বা ৰেলৰ ডবাত কোনো পৰিত্যক্ত মোনা, ব্ৰিফকেচ, ডাঠ কাগজৰ বাকচ, ট্ৰেনজিষ্টৰ বা ৰেডিঅ' দেখিলে খুলি-মেলি চাবলৈ চেষ্টা নকৰিব। তেনে বস্তুত দুস্কৃতিকাৰীয়ে বোমা জাতীয় বস্তু এৰি যাব পাৰে। তেনে বস্তু দেখিলে লগে লগে পুলিচক খবৰ দিয়ক।

বাছখন আস্থান এৰাৰ আগতে চালক আৰু কণ্ডাক্টৰে গাড়ীৰ ভিতৰত কোনো টোপোলা পৰি আছে নেকি পৰীক্ষা কৰা বাঞ্ছনীয়। কোনো সন্দেহজনক টোপোলা পৰিত্যক্ত অৱস্থাত দেখিলে লগে লগে পুলিচক খবৰ দিয়ক।

মাজপথত কোনো যাত্ৰী বাছত উঠিলে তেনে যাত্ৰীৰ হাতত থকা টোপোলা লক্ষ্য কৰিব। সেই যাত্ৰী পুনৰ মাজপথত নামি গ'লে লগত তেওঁৰ টোপোলা যদি নৈ নাযায় তেতিয়া সকলো সতৰ্ক হব।


অচিনাকি মানুহে আপোনাৰ দোকানত কোনো টোপোলা থবলৈ আহিলে ভিতৰত কি আছে নজনাকৈ তাৰ দায়িত্ব নলব।

অসম চৰকাৰ



# অৰুণ নাথ

## 'ভাল অভিনয়ৰ অন্বেষণ যাৰ জীৱন'




*মুনিন বৰুৱা পৰিচালিত 'প্ৰভাতী পখীৰ গান'ৰ এটি উল্লেখযোগ্য চৰিত্ৰত অৰুণ নাথ। ফটোঃ জীৱন ডাউকা।*

পূৰ্ব নিৰ্দ্ধাৰিত সময়মতে 'অলংকাৰ' হোটেলৰ নিৰ্দিষ্ট কোঠা এটাত 'প্ৰভাতী পখীৰ গান'ৰ চুটিং সংক্ৰান্তত গুৱাহাটীলৈ আহোতে লগ ধৰিছিলো অসমীয়া বোলছবিৰ সাম্প্ৰতিক কালৰ জনপ্ৰিয় আৰু ব্যস্ত অভিনেতা অৰুণ নাথক। চকুত টোপনি ক্ষতি আৰু ক্লান্তিৰ স্পষ্ট ছাপ লৈও (আগনিশা প্ৰায় ৩ বজালৈ চুটিং চলিছিল হেনো) আমাৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ ক্লান্তিহীন ভাবেই দি গৈছিল শ্ৰীনাথে।

জনচ্ মহলীয়াৰ 'দূৰণিৰ ৰং' ছবিৰ সৰু চৰিত্ৰ এটিত অভিনয়ৰ যোগেদি অসমীয়া বোলছবি জগতত প্ৰবেশ কৰা অৰুণ নাথে কিন্তু বালিপাৰা হাইস্কুলত পঢ়ি থাকোতেই অভিনয়ৰ সৈতে জড়িত হয়। প্ৰথম অভিনয় পঞ্চম শ্ৰেণীত পঢ়ি থাকোতে স্কুলৰ বছৰেকীয়া অনুষ্ঠানৰ এখন নাটকত। তাৰ পিছত একান্তভাৱে জড়িত হয় নবম-দশম শ্ৰেণীত। আৰু কলেজত, যেতিয়া দৰং কলেজত পঢ়ে তেতিয়াই চন্দ্ৰ গোস্বামীৰ দৰে মানুহৰ সংস্পৰ্শলৈ আহি নাটকৰ প্ৰতি অধিক আকৰ্ষিত হয়। অভিনয় কৰিবলৈ লয় তেজপুৰৰ প্ৰসিদ্ধ বান ষ্টেজত অভিনীত হোৱা বিভিন্ন নাটকত। এনেদৰে ইখন-সিখন নাটকত অভিনয় কৰি থাকোতেই জনচ্ মহলীয়াৰ সৈতে চিনাকি। তেতিয়া জনচ্ মহলীয়াই পুনাৰ পৰা ছবি পৰিচালনা সম্পৰ্কীয় প্ৰশিক্ষণ সমাপ্ত কৰি ঘূৰি আহিছে। পুনাত থাকোতেই মহলীয়াই প্ৰশিক্ষণৰ প্ৰয়োজনত পৰিচালনা কৰিছিল 'দূৰ চলে' নামৰ ছবি এখন। ছবিখন উচ্চ প্ৰশংসিত হৈছিল। পিছত তেজপুৰলৈ ঘূৰি আহি সেই ছবিখনকে মহলীয়াই অসমৰ পটভূমিত কৰিবলৈ লয়। টেকনিক আদি একে ৰাখি কৰা এই ছবিখন – 'দূৰণিৰ ৰঙ'ত অৰুণ নাথে এটা সৰু চৰিত্ৰত ভূমুকি মাৰে। 'দূৰণিৰ ৰঙ'ৰ পিছত মহলীয়াৰ দ্বিতীয়খন ছবি 'বহাগৰ দুপৰীয়া'ত অৰুণ নাথে নায়কৰ চৰিত্ৰত অভিনয় কৰাৰ সুবিধা লাভ কৰে। আৰু তাৰ পিছতেই ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ 'অগ্নিস্নান'। 'বহাগৰ দুপৰীয়া'ৰ চুটিং চলি থকা কালতে ড০ শইকীয়াই অৰুণ নাথৰ বিষয়ে কিছু কথা শুনি আৰু ফটো দেখি 'অগ্নিস্নান'ৰ বাবে চুক্তিবদ্ধ কৰে। এই ছবিখনত 'মদন' নামৰ চোৰ এটাৰ চৰিত্ৰত অৰুণ নাথে সুন্দৰ অভিনয় কৰি প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হয়। 'অগ্নিস্নান'ত কৰা সফল অভিনয়ৰ পিছত ড০ শইকীয়াৰে 'কোলাহল'তো শ্ৰীনাথে অভিনয় কৰাৰ সুবিধা পায়। ড০ শইকীয়াৰ শেহতীয়া ছবি 'সাৰথি' – যিখনে 'ইণ্ডিয়ান পেনেৰামা'ৰ অন্তৰ্ভুক্তি লাভ কৰিছে তাৰ মূল চৰিত্ৰটোও ৰূপায়িত কৰিছে অৰুণ নাথে। অন্যান্য পৰিচালকৰ ছবিতো শ্ৰীনাথে অভিনয় কৰিছে। তাৰে কেইখনমান হ'ল –'বংশধৰ', 'জলাঞ্জলি', 'প্ৰভাতী




OKDISCO



*'সাৰথি' ছবিত অৰুণ নাথ আৰু বিদ্যা ৰাও। ফটোঃ ভাস্কৰ বেজবৰুৱা।*

পখীৰ গান' আদি। এই ছবিকেইখনে মুক্তি লাভ কৰাৰ পিছত নিজৰ কেৰিয়াৰে এক নতুন গতি লাভ কৰিব বুলি শ্ৰীনাথে আশা কৰে।

বৰ্তমানৰ ব্যস্ত অভিনেতা অৰুণ নাথে কিন্তু অভিনয়ৰ সৈতে এনে সম্পৰ্ক গঢ়ি উঠিব বুলি ভবা নাছিল কেতিয়াও। অৱশ্যে শ্ৰীনাথৰ দেউতাকে নাটক আদিত অভিনয় কৰিছিল, নাটক লিখিছিলও। চাহ বাগিচাৰ কৰ্মচাৰী শ্ৰীনাথৰ দেউতাকে বাগানৰ বছৰেকীয়া নাটকত অংশ লোৱাৰ কথা তেওঁৰ মনত আছে। স্মৃতি ৰোমন্থন কৰি শ্ৰীনাথে কয় 'সৰুতে আমি যেতিয়া শুবলৈ যাওঁ, প্ৰায়ে দেখো দেউতাই নাটকৰ বচন আওৰাই আছে বা নাটক লিখি আছে। তেতিয়া, আৰু যেতিয়া দেউতাই কৰা অভিনয় দেখো তেতিয়া নাটক কৰিবলৈ ক্ষীণ ইচ্ছা এটা জাগিছিল। তথাপি তেতিয়া ভবা নাছিলো যে আজিৰ অৱস্থালৈ আহিম।'

স্কুলৰ বাৰ্ষিক অধিবেশনত নাটক কৰোতে তেতিয়াৰ হিন্দী ছবিৰ জনপ্ৰিয় অভিনেতা দেবানন্দ বা শাম্মী কাপুৰৰ দৰে কথা কোৱা, মূৰ আঁচোৰা আদিত গুৰুত্ব দিয়া অৰুণ নাথে প্ৰাপ্তবয়স্ক হৈ অহাৰ লগে লগে বুজি উঠিল যে অভিনয়ত স্বকীয়তাৰ বৰ প্ৰয়োজন। সেয়ে অভিনয়ৰ নিজস্ব ষ্টাইল গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিলে আৰু সেই বাবেই হয়তো আমি অৰুণ নাথৰ অভিনয়ত এক বিশেষ বৈশিষ্ট্য দেখা পাওঁ।

অভিনয়ৰ ক্ষেত্ৰত ঘৰৰ বাধা নাছিল বুলি কৈ শ্ৰীনাথে কয় 'বাধা দিবলৈ যিসময়ত মা-দেউতা জীয়াই আছিল তেতিয়া ইমানকৈ জড়িত হৈ পৰাও নাছিলো। যি দুই-এখন নাটক কৰিছিলো – সেইবোৰ ভাল নে বেয়া পাইছিল ধৰিব নোৱাৰিছিলো। কিন্তু এতিয়াৰ অৱস্থাত তেওঁলোকে সন্তোষ পালেহেঁতেন বুলিয়েই মই ভাবো।' এতিয়াও অৰুণ নাথে কেতিয়াও ঘৰৰ ফালৰ পৰা বাধা পোৱা নাই অভিনয়ৰ ক্ষেত্ৰত। শ্ৰীনাথৰ পত্নী কৃষ্ণা দাস নাথো এগৰাকী অভিনেত্ৰী হোৱাতো তেওঁৰ ওপৰি পাওনা। সেয়ে বাধাৰ সলনি সদায়েই অনুপ্ৰেৰণামূলক ভূমিকাহে পত্নীৰ পৰা পাইছে। এইটো দিশৰ লগত ভাল দৰেই পৰিচিত হোৱা বাবে কেতিয়াও ছবিৰ সম্পৰ্কত পত্নীৰ ফালৰ পৰা অসুবিধা ভোগ কৰিবলগা হোৱা নাই। ঘৰৰ প্ৰায়খিনি দায়িত্ব অকলে বহণ কৰিবলৈকো শ্ৰীমতী নাথে কেতিয়াও আপত্তি কৰা নাই। যেতিয়া পাৰে, ছুটী পায় (শ্ৰীমতী নাথ এগৰাকী শিক্ষয়িত্ৰীও) স্বামীৰ সৈতে চুটিং স্পটলৈ গুচি আহে। এতিয়ালৈকে তৃতীয় প্ৰাণীৰ আৱিৰ্ভাৱ ঘটা নাই বাবে এইক্ষেত্ৰত ঘৰুৱা অসুবিধাও নাই।

অৰুণ নাথে প্ৰণালীবদ্ধ ভাবে অভিনয়ৰ ক্ষেত্ৰত শিক্ষা গ্ৰহণৰ সুবিধা পোৱা নাই যদিও তেওঁ কয় যে ছবিৰ সৈতে জড়িত হোৱাৰ পিছত বিভিন্ন জনৰ পৰা বিভিন্ন দিশৰ শিক্ষা লাভ কৰা সম্ভৱ হৈছে। 'চুটিং কালত কোন এংগলত থিয় হলে মুখত পোহৰ পৰিব, ঠিক কি ভংগীত কথা কলে বাস্তৱসন্মত হ'ব, বা কেনেদৰে থিয় হলে স্বাভাৱিক যেন লাগিব – এই আপাতঃ দৃষ্টিত অত্যন্ত সৰু যেন লগা কথাবোৰো প্ৰতিদিনৰ অভিজ্ঞতাৰ পৰাই শিকিছো' বুলি তেওঁ কয়।

অন্য ভাষাৰ ছবিত অভিনয় কৰাৰ ইচ্ছা আছেনে আমি সুধিছিলো। অৰুণ নাথে স্পষ্টভাবেই কলে 'ইচ্ছা নিশ্চয় আছে, কিন্তু সুযোগ কোনে দিব অসমীয়া ছবিৰ নায়কক?' এই প্ৰসংগতে তেওঁ দাক্ষিণাত্যৰ কমল হাচান বা বংগৰ শক্তিশালী অভিনেতা উত্তম কুমাৰে হিন্দী চিনেমা জগতত স্থায়ী আসন লব নোৱৰাৰ কথা উল্লেখ কৰে। শ্ৰীনাথৰ মতে কোনোবাই ইয়াৰ পৰা গৈ বোম্বে বা কলিকতাত কাম কৰিবলৈ হলে আগতে তাৰ এটা ভিত্তি সেই সেই ঠাইত তৈয়াৰ হ'ব লাগিব। অৱশ্যে ভাষা সমস্যাটোও এটা প্ৰধান সমস্যা। প্ৰসংগক্ৰমে শ্ৰীনাথে 'হালধীয়া চৰায়ে বাওধান খায়'ৰ জাতীয় আৰু আন্তৰ্জাতিক সাফল্যৰ পিছতো ইন্দ্ৰ বনিয়াই কোনো বাহিৰৰ চিত্ৰ-নিৰ্মাতাৰ পৰা অভিনয়ৰ সুযোগ লাভ নকৰাৰ কথা কয়।

অসমীয়া ছবিত অভিনয়ৰ পৰিবেশ সম্পৰ্কে কবলৈ গৈ শ্ৰীনাথে কয় যে ইয়াত বেছিভাগ নিৰ্মাতা, পৰিচালকৰ সৈতে অভিনেতা, অভিনেত্ৰীৰ বৃত্তিগত সম্পৰ্কতকৈ ব্যক্তিগত সম্পৰ্কহে গঢ়ি উঠে। সেয়ে পূৰা-পূৰি ব্যৱসায়িক সম্পৰ্ক এটা গঢ়ি নুঠে। অভিনয়কে জীৱিকা হিচাপে গ্ৰহণ কৰিব খোজা সকলৰ বাবে ই ক্ষতিকৰ। 'কিন্তু এই পৰিবেশ তৈয়াৰ কৰি লৈ আকৌ আমিয়ে তাক ভাঙি পেলাইছো' বুলি শ্ৰীনাথে কয়।

অসমীয়া ছবিৰ ভৱিষ্যতৰ বিষয়ে মন্তব্য দি শ্ৰীনাথে কয় যে কিছু স্থূল ৰুচিৰ ছবি নিৰ্মাণ হলেও যোৱা বছৰকেইটাত সুস্থ জীৱনবোধৰ ছবিও নিৰ্মাণ হৈছে। স্থূল ৰুচিৰ ছবিক অসমীয়া দৰ্শকে নিজেই প্ৰত্যাখ্যান কৰিব বুলি কৈ তেওঁ কয় যে টিভি, পেনোৰামা, বিদেশী মহোৎসৱ আদিত প্ৰদৰ্শিত হোৱাৰ যোগেদি সুস্থ দৃষ্টিভংগীৰ ছবিয়েও ব্যৱসায়িক ছবি এখনৰ সমানেই অৰ্থ উপাৰ্জন কৰিব পাৰে। গতিকে ব্যৱসায়িক সাফল্যৰ বাবে বিকৃত ৰুচিৰ ছবি নিৰ্মাণক উৎসাহ দিয়াটো কাম্য নহয়। অসমত এতিয়া এনে কিছু ছবি নিৰ্মাণ হৈছে য'ত কাৰিকৰী কৌশলৰ উন্নত প্ৰয়োগ ঘটিছে। কিছু ক্ষেত্ৰত কাহিনীৰ দুৰ্বলতা এনে ছবিত লক্ষ্য কৰা গৈছে। এনেবোৰ ক্ষেত্ৰত যদি সফল অসমীয়া উপন্যাস সমূহৰ আধাৰত ছবি নিৰ্মাণ হয় তেনেহলে হয়তো সম্পূৰ্ণ সাৰ্থক ছবি একোখন আমি পাব পাৰো।

অৰুণ নাথৰ সৈতে কথোপকথন শেষ কৰি আমি উঠো মানে 'প্ৰভাতী পখীৰ গান'ৰ চুটিঙলৈ যোৱাৰ সময় হৈ আহিছিল। ভাল অভিনয়ৰ জীৱন জোৰা অন্বেষণ চলাবলৈ দৃঢ় প্ৰতিজ্ঞ অৰুণ নাথৰ উজ্জ্বল অভিনয় জীৱন কামনা কৰি আমি ওলাই আহিছিলো।

**সবিতা লহকৰ**

OKDISCD